# পঞ্চদশ অসম বিধান সভাৰ প্ৰথম অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ২৪/০৫/২০২১ সোমবাৰ

**আজি ইংৰাজী ২৪-০৫-২০২১ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত পূৰ্ব্বনিৰ্দ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ পঞ্চদশ অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ **২৩০** ৰ অধীনত যোৱা ইং **২২** মে’, **২০২১** তাৰিখে অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা সদনৰ কাৰ্য্যসূচী অন্ত হোৱাৰ লগে লগে মহামান্য ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ ওপৰত হ’বলগীয়া ধন্যবাদসূচক প্ৰস্তাৱৰ বিতৰ্কৰ সময় বিধায়িনী দলসমূহক আৱণ্টন দিয়াৰ বিষয়ে আলোচনা কৰিবলৈ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত অনুষ্ঠিত কৰা হৈছিল ।

উক্ত সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত হ’বলগীয়া ধন্যবাদ সূচক প্ৰস্তাৱৰ বিতৰ্কৰ সময় তলত উল্লেখ কৰা ধৰণে আৱণ্টন দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ঃ

| | | |
|---|---|---|
| (১) ভাৰতীয় জনতা পাৰ্টি | ঃ | ১০০ মিনিট (মুখ্যমন্ত্ৰীৰ উত্তৰসহ) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ | ৫৩ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ | ২০ মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ | ৩০ মিনিট |
| (৫) ইউনাইটেড পিপলচ্ পাৰ্টি লিবাৰেল | ঃ | ১৫ মিনিট |
| (৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট | ঃ | **১০** মিনিট |
| (৭) কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (মাৰ্স্কিষ্ট ) | ঃ | ২ মিনিট ৩০ ছেকেণ্ড |

আশাকৰো এই প্ৰতিবেদনত মাননীয় সদনৰ অনুমোদন আছে ।
মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকনে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত **৩** খন সংশোধনী জাননী পাইছো । মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত প্ৰথম সংশোধনী জাননীখন মাননীয় সদস্য হাফিজ বচিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম, শ্ৰীফণীধৰ তালুকদাৰ, শ্ৰীমজিবুৰ ৰহমান, শ্ৰীৰফিকুল ইছলাম, শ্ৰীনজৰুল হক, মোঃ আমিনুল ইছলাম, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীসুজাম উদ্দিন লস্কৰ, শ্ৰীকৰিম উদ্দিন বৰভুইয়া, শ্ৰীনিজান উদ্দিন চৌধুৰী, শ্ৰীআব্দুল আজিজ, শ্ৰীনিজানুৰ ৰহমান, শ্ৰীজাকিৰ হুসেন লস্কৰ, শ্ৰীছামছুল হুদাৰ নামত আছে ।
এতিয়া মই মাননীয় সদস্য হাফিজ বচিৰ আহমেদ বা তেখেতসকলৰ যিকোনো এজন সদস্যক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।
**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আজি ইয়াত প্ৰস্তাৱ উত্থাপন কৰিব

বিচাৰিছো মহামান্য ৰাজ্যপালে পাঠ কৰা লিখিত ভাষণৰ শেষৰ দফাটোত নিম্ন লিখিত সংশোধনীত মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই আজি ২২ মে', ২০২১ তাৰিখে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটো নিম্নলিখিত ধৰণে গ্ৰহণ কৰা হওঁক।

"মাননীয় সদস্য সকল, মোৰ পূৰ্বৰ চৰকাৰৰ দুৰ্নীতি নিবাৰণ, সামগ্ৰিক উন্নয়ন আৰু অৰ্থনৈতিক সংস্কাৰৰ দিশত সমূলি ব্যৰ্থ হৈছিল । পূৰ্বৰ চৰকাৰৰ ব্যৰ্থতাসমূহ পৰ্য্যালোচনা কৰি নতুন কাৰ্য্য পৰিকল্পনা গ্ৰহণ কৰিব লাগিব ঙ্গ অন্যথা জনসাধাৰণৰ আশা, আকাংশা আৰু প্ৰত্যাশাসমূহ বুমেৰাং হৈ পৰিব ।"

গতিকে ৰাজ্যপালৰ ভাষণৰ শেষৰ দফাটোত এইখিনি কথা সংযোজন কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰা হ'ল। এতিয়া দ্বিতীয় সংশোধনী প্ৰস্তাৱটো হ'ল - মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত দ্বিতীয় সংশোধনী জাননীখন মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ,শ্ৰীৰকিবুল হুছেইন, শ্ৰীআব্দুৰ ৰশিদ মণ্ডল,শ্ৰীসিদ্দিক আহমেদ, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীআফতাব উদ্দিন মোল্লা, মোঃ নুৰুল হুদা, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, শ্ৰীসুশান্ত বৰগোঁহাইৰ নামত আছে ।

এতিয়া মই মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ বা তেখেত সকলৰ যিকোনো এজন সদস্যক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালে পাঠ কৰা লিখিত ভাষণৰ ২ নং পৃষ্ঠাৰ ২ নং দফাৰ লগতে নিম্ন লিখিত সংশোধনীসহ মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই আজি ২২ মে', ২০২১ তাৰিখে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটো নিম্নলিখিত ধৰণে গ্ৰহণ কৰা হওঁক।

(১) "Covid-19 ৰ টিকাকৰণ সহজ, সৰল আৰু সাৰ্বজনীন হ'ব লাগে । অসমৰ সকলো জিলা মহকুমা আৰু ব্লকতে Covid-19 Vaccine যোগান নিয়মীয়া হ'ব লাগে " ।

(২)"Covid-19 অতিমাৰী ফলত হোৱা ভয়ানক সংক্ৰমণত অসমৰ চহৰ আৰু গাঁৱত মৃত্যু হোৱা আৰু আক্ৰান্ত হোৱা লোকৰ তালিকা স্বচ্ছ আৰু স্পষ্টভাবে প্ৰকাশ কৰা হ'ব ।"

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰা হ'ল। এতিয়া তৃতীয় সংশোধনী প্ৰস্তাৱটো হ'ল -মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত তৃতীয় সংশোধনী জাননীখন মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীওয়াজেদ আলী চৌধুৰী, শ্ৰীসিদ্দিক আহমেদ,শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীআফতাব উদ্দিন মোল্লা, মোঃ নুৰুল হুদা, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰীপ্ৰদীপ সৰকাৰ, শ্ৰীআচিফ মহম্মদ নাজাৰ, শ্ৰীশশী কান্ত দাস, শ্ৰীখলিল উদ্দিন মজুমদাৰ, শ্ৰীআবুল কালাম ৰশিদ আলম, শ্ৰীশিৱামনি বৰা, শ্ৰীজাকিৰ হুছেইন সিকদাৰ, শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীসুশান্ত বৰগোঁহাই, শ্ৰীআব্দুৰ ৰহিম আহমেদৰ নামত আছে ।

এতিয়া মই মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া বা তেখেতসকলৰ যিকোনো এজন সদস্যক সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালে পাঠ কৰা লিখিত ভাষণৰ ২ নং পৃষ্ঠাৰ ৩ নং দফা, ৬ নং পৃষ্ঠাৰ ১ নং দফা, ৩৭ নং পৃষ্ঠাৰ ১ নং দফা, ৩৯ নং পৃষ্ঠাৰ

২ নং দফা আৰু ৪০ নং পৃষ্ঠাৰ ২ নং দফাৰ পিছত নিম্ন লিখিত সংশোধনী সহ মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই আজি ২২ মে ২০২১ তাৰিখে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক।

**২**য় পৃষ্ঠাৰ **৩**য় দফাৰ শেষাংশত তলত উল্লেখ কৰা বাক্যৰ সংযোজন কৰিব লাগে - "আমাৰ পূৰ্বৰ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি মতে ব্ৰহ্মপুত্ৰ নদীৰ খনন আৰু ইয়াৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰিব নোৱাৰাত দুঃখিত ।"

**৬** ম পৃষ্ঠাৰ **১**ম দফাৰ শেষাংশত তলত দিয়া বাক্যটোৰ সংযোজন হ'ব লাগে "মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত প্ৰতিখন ৰাজহ গাওঁত পূৰ্বৰ চৰকাৰে প্ৰতিশ্ৰুতি অনুযায়ী এখনকৈ ট্ৰেক্টৰ এতিয়ালৈ দিব নোৱাৰা বাবে দুঃখিত ।"

**৩৭** পৃষ্ঠাৰ **১**ম দফাৰ পিছত তলত দিয়া বাক্যটো সংযোজন কৰিব লাগে "পূৰ্বৰ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুযায়ী চাহ বাগিছাৰ দৈনিক মজুৰি **৩৫১** টকাকৈ আদায় দিব নোৱাৰাত দুঃখিত আৰু বৰ্তমান চৰকাৰে এই প্ৰতিশ্ৰুতি পালন কৰিব।"

**৩৯** পৃষ্ঠাৰ **২**য় দফাৰ শেষত তলত দিয়া বাক্যটোৰ সংযোজন কৰিব লাগে "সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগলৈ পূৰ্বৰ চৰকাৰে বাজেটত পৰ্য্যাপ্ত পুঁজিৰ আৱণ্টন আৰু মোকোলাই নিদিয়াত দুঃখিত । এই চৰকাৰে উক্ত বিভাগলৈ পৰ্য্যাপ্ত পুঁজিৰ আৱণ্টন আৰু মোকোলাই দিব।"

**৪০** পৃষ্ঠাৰ **২**য় দফাৰ তলত এই বাক্যটোৰ সংযোজন কৰিব লাগে "ট্ৰাইবেল ছাব প্লেন আৰু চিডিউল্ড কাষ্ট ছাব প্লেন'ৰ অধীনত পূৰ্বৰ চৰকাৰে পৰ্য্যাপ্ত পুঁজিৰ আৱণ্টন দিব নোৱাৰাত দুঃখিত। বৰ্তমান চৰকাৰে এই শিতানত পৰ্য্যাপ্ত পুঁজিৰ আৱণ্টন আৰু মোকোলাই দিব"।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰা হ'ল। মই এতিয়া মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াক ৰাজ্যপালৰ ভাষণৰ ওপৰত তেখেতৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে এই ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত এই আলোচনাত আজি যি সমৰ্থন আমাৰ ফালৰ পৰা আগবঢোৱা হৈছিল তাত কেইটামান কথা মই আজি ৰাইজৰ আগত, সদনৰ আগত অৱগত কৰিব খুজিছো। যোৱা ২০১৬ চনত আমাৰ যেতিয়া শ্ৰী সৰ্ব্বনন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ গঠন হৈছিল সেই সময়ৰ পৰা আমাৰ চৰকাৰখনৰ আৰম্ভণিৰ দিনৰ পৰাই আমি তিনিটাকৈ ডাঙৰ ডাঙৰ স্পীড ব্ৰেকাৰ পাৰ হ'বলৈ সক্ষম হৈছিলো। সেই ডাঙৰ স্পীড ব্ৰেকাৰ কেইটা হ'ল - আমাৰ এন আৰ চি ৰ সম্পৰ্কত প্ৰায় ৫৫ হাজাৰ চৰকাৰী কৰ্মচাৰী-বিষয়াক আমি এন আৰ চি ৰ কামত অতি কমেও ডেৰ বছৰতকৈও অধিক কাল তেওঁলোকক নিয়োজিত কৰিব লগীয়া হৈছিল। তাৰ ফলত আমাৰ সেই দিন বিলাকত চৰকাৰখনৰ উন্নয়ণৰ ক্ষেত্ৰত যথেষ্টখিনি বিপৰ্যঁই আহিছিল। তাৰ কাৰণ হ'ল আমাৰ কৰ্মচাৰী সকলক উন্নয়নৰ ক্ষেত্ৰত আমি যি ধৰণেৰে ব্যৱহাৰ কৰিব লগীয়া আছিল তেওঁলোকক প্ৰায় ডেৰ বছৰতকৈও অধিক কাল আমি এন আৰ চি ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব লগীয়া হৈছিল। দ্বিতীয়তে, সেইটো অতিক্ৰম কৰাৰ পিছত আমালৈ 'কা ' আন্দোলনৰ আৰু এটা বিপদ আহিল। এই 'কা' আন্দোলনৰ ফলত উন্নয়ণৰ ক্ষেত্ৰত আমাৰ বহুখিনি অসুবিধাৰ সৃষ্টি হ'ল। যিটো আজি সমগ্ৰ সদন আৰু অসমবাসী ৰাইজে সুন্দৰভাৱে উপলব্ধি কৰিব পাৰিছে। আমাৰ তৃতীয়টো বাধা হৈছে 'ক'ভিড -১৯' । 'ক'ভিড -১৯' ৰ বিষয়ে সংশোধনী ব্যৱস্থাৰ কাৰণে বিৰোধী দলৰ পৰা যথেষ্ট প্ৰস্তাৱ আহিছে। 'ক'ভিড -১৯' ৰ বিষয়ে আৰু বেছি দীঘলীয়াকৈ মই ক'ব বিচৰা

নাই। কিন্তু এই বিপদৰ পৰা আমি ৰক্ষা পাবৰ কাৰণে সকলো সদস্যই, সকলো অসমবাসী একত্রিত হৈ যি ব্যৱস্থা আমি হাতত লৈছো তাৰ বাবে মই মোৰ ফালৰ পৰা চৰকাৰক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। 'ক'ভিড -১৯' শাম কটাৰ পিছত আমাৰ নিৰ্ব্বাচন আহিল। নিৰ্ব্বাচন অহাৰ পিছত পুনৰ দ্বিতীয় পৰ্য্যায়ত 'ক'ভিড -১৯' ৰ যি পৰিস্থিতি তাৰ মাজতো আজি আমাৰ বিধান সভা অনুষ্ঠিত হৈছে। এইখিনি প্ৰত্যাহ্বানৰ পিছত আমাৰ চৰকাৰখনে অতি কষ্টেৰে যিখিনি কাম আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত *'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস'* এই কথাখিনি আমি প্ৰত্যেকজন সদস্যই সুন্দৰভাৱে মই ভাৱো উপলব্ধি কৰিব পাৰিছো। কাৰণ আমি চিন্তা কৰিছো যে অসমখন ভাল হওঁক, অসমখনে এটা গতি লওঁক আৰু সেই ধাৰাবাহিকতাটো ৰক্ষা কৰিবৰ কাৰণে আমি বিভিন্ন ধৰণেৰে এই আঁচনি বিলাক চুক-কোণ মাৰি প্ৰত্যেকটো অঞ্চলৰ ব্যক্তিসকলক সুবিধা দিয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে এটা অগ্ৰণী ভূমিকা লৈছে। এইবাৰ আমি চিন্তা কৰিছো যে অসমখনক বানমুক্ত কৰিম আৰু বানমুক্ত কৰাৰ ক্ষেত্ৰত এটা অগ্ৰণী ভূমিকা ল'ম। আমাৰ যিখন উপনৈ বুঢ়ীদিহিং, এইখন যথেষ্ট ডাঙৰ। এই বুঢ়ীদিহিং, বেকী নৈক আমি নিয়ন্ত্ৰণ কৰিব লাগিব। আমাৰ প্ৰায় আঠটা সমষ্টি সম্পূৰ্ণৰূপে বানপানীৰ কবলত পৰে আৰু ইয়াৰ পৰা মুক্ত কৰিবৰ কাৰণে বিশ্ব বেংকৰ পৰা মুঠ ৫ হাজাৰ কোটি টকাৰ প্ৰায় ১৪ শ কোটি টকাৰ আমি বৃহৎ প্ৰকল্পৰ কাম হাতত লৈছো (মাৰ্ঘেৰিটাৰ পৰা সুশান্ত বৰগোহাঁই ডাঙৰীয়াৰ সমষ্টিলৈকে)। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ যিখিনি ধন আবণ্টন হৈছে সেই আবণ্টনৰ দ্বাৰা আমি আগন্তুক দিনত অসমক বানমুক্ত কৰাৰ ফলপ্ৰসু ব্যৱস্থা আছে। বুঢ়ীদিহিং নৈৰ পানীৰ যি ফাৰ্টিলিটি, ভাৰতবৰ্ষৰ ভিতৰত চতুৰ্থখন ফাৰ্টিলিটি থকা নৈ বুলি কোৱা হয়। সেয়ে আমি মাৰ্ঘেৰিটা, ডিগবৈ, দুলীয়াজান, নাহৰকটীয়া, টিংখং, মৰাণ আৰু থাওৱা সমষ্টিলৈকে এই সাতটা সমষ্টিত বৰ্তমান অতি সোনকালে কাম আৰম্ভ কৰি এই সমষ্টিকেইটা বানমুক্ত কৰিবৰ কাৰণে প্ৰথম পৰ্য্যায়ত লৈছো। তাৰপিছত ৩০০ কোটি টকা আমি লৈছো বেকী নৈৰ বান নিয়ন্ত্ৰণৰ বাবে। এইখিনি যদি আমি আগবঢ়াই লৈ যাব পাৰো তেতিয়াহ'লে আমাৰ বাকী যিখিনি কেন্দ্ৰীয় চৰকাৰৰ কাম আছে, নেওৱাৰ অধীনত যিখিনি পুঁজি অহাৰ কথা আছে সেইখিনি টকাৰে আমি বানমুক্ত কৰাৰ ব্যৱস্থা এটা হাতত লম। এই নৈ খনৰ ওপৰত আমি পাৰৈৰ ওচৰত ৫ হাজাৰ কোটি টকাৰ ২০ মেগাৱাটৰ এটা প্ৰকল্প কৰি যিখিনি বিদ্যুৎ উৎপন্ন হ'ব মাৰ্ঘেৰিটা আৰু ডিগবৈ সমষ্টিক দিয়াৰ কাৰণে আমি ব্যৱস্থা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মাৰ্ঘেৰিটা সমষ্টি আৰু ডিবৰৈ সমষ্টিত আমি এইটো ব্যৱস্থা কৰিছো। যিটো কাৰণে ডিবগৈ আৰু মাৰ্ঘেৰিতা সমষ্টিৰ Self Reliance হ'ব, বিদ্যুতৰ ক্ষেত্ৰত আৰু আমি প্ৰায় ৮০ কিঃমিঃ-৮০ কিঃমিঃ উত্তৰপাৰ দক্ষিণপাৰ দুয়োপাৰে দুটা ৬ মিটাৰ ডাঙৰ আমি প্ৰিভাৰ ব্লকৰ ৰাস্তা বনাই দিয়াৰ ক্ষেত্ৰত আমি বানমুক্তৰ লগতে আমাৰ ৰাস্তাৰ ক্ষেত্ৰত আমি এটা অগ্ৰগণী ভূমিকা সেই ৫ হাজাৰ কোটি টকাৰে ল'বৰ কাৰণে World Bank ৰ পৰা আমি পৰ্য্যায়ক্ৰমে আজি আমি অনুমোদন লাভ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উন্নয়নৰ কথা বিলাক আমি আগতেও কৈছো। আমি Kick and Corner মাৰি সকলোৰে চেন্টিমেন্ট বুজি সকলোৰে কথা ভাবি আমি সত্ৰসমূহক আমি যি ধৰণে আগবাঢ়ি লৈ যোৱাৰ ক্ষেত্ৰত আমি চিন্তা-চৰ্চা কৰিলো। প্ৰায় ৮ হাজাৰটা নামঘৰত আমি এইবাৰ চৰকাৰখনে বিভিন্ন ধৰণে অনুদান দিবৰ কাৰণে প্ৰায় ১০ লাখ, ২.৫০ লাখ আৰু ৩ লাখ এই ধৰণে আমি এই বিলাক আগবঢ়াই দিয়াৰ ক্ষেত্ৰত আমি এটা চিন্তা-চৰ্চা কৰিলো। আমাৰ চৰকাৰ বহাৰ কেইটামান দিন হে হৈছে, জন্ম হৈছে হে মাত্ৰ দ্বিতীয়বাৰ অহা চৰকাৰখনৰ। আপোনালোকে শুনি ভাল পাব আজি ৪১ বছৰীয়া পৰিক্ৰমা

আলফাৰ লগত বিভিন্ন ঘাট প্ৰতিঘাট পাৰ হৈ ইয়াতে বহি থকা প্ৰতিজন সদস্যই ভালকৈ উপলব্ধি কৰিব পাৰে, প্ৰত্যেকজন অসমবাসী ৰাইজে ভালকৈ উপলব্ধি কৰিব পাৰে, আলফাৰ চিন্তা যদিও মানুহজন সুখে শান্তিৰে আছে তথাপি অন্তৰৰ কোনোৰা এটা অংশ এই উগ্ৰবাদী সংগঠন বিলাকৰ কথা অকনমান হ'লেও তেখেত সকলৰ চিন্তা-চৰ্চা আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক সংসদীয় পৰিক্ৰমা মন্ত্ৰী বিভাগৰ পৰা ১০ মিনিট ক'ব দিয়া হৈছে। আপোনাৰ ২ মিনিট আছে।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথা বিলাক আজিৰ তাৰিখত প্ৰাসংগিকতা আছে আৰু সকলোৰে সুন্দৰ ভাবে বুজি উঠিছে যে আমি কোনফালে গৈ আছো, আমাৰ এই আলোচনাৰ যি বিষয় বস্তু এই বিষয় বস্তু আমি এটা ফালে আমি গৈ আছো। আমি স্বয়ম আঁচনিৰ অধীনত যুৱকসকলক উদ্যোগমুখী কৰিব বিচাৰিছো আৰু ৮ লাখতকৈ অধিক যুৱকক আমি উদ্যোগমুখী নিয়মত সুমুৱাই বিভিন্ন ধৰণে Single window system ত আমি কৰাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো। কেইদিনমান আগতে আমাৰ NRL ৰ ১২ শতাংশৰ চেয়াৰৰ পৰা গৈ ২৬ শতাংশ চেয়াৰখিনি ২১০০ কিমান কোটি আমি ব্যৱস্থা কৰিবলৈ সক্ষম হৈছো।শেষত মই এটা কথা কৈছো হিন্দীত এটা কথা আছে, *দিল কো দেখো, চেহেৰা না দেখো, চেহেৰা নে লাখকো লুটা, দিল চাটছা অৱ চেহেৰা চুঠা,* ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য, শ্ৰী ভূৰন পেগু।

**শ্ৰী ভূৰন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱত মই গোটেই বিষয়বোৰত নোসোমাওঁ। এতিয়া গোটেই ভাৰতবৰ্ষ জোৰা যিটো মহামাৰী তাৰ মাজত আমি অসমো ভুগি আছো আৰু ৰাজ্যপালৰ ভাষণৰ আৰম্ভণিতে উল্লেখ কৰিছে যে, এই দুৰ্যোগৰ সময়ত আমাৰ চৰকাৰে যিখিনি পাৰে সকলো ধৰণে অসমৰ জনগণক নিৰাপত্তা দিয়াৰ কাৰণে এই মহামাৰীৰ পৰা বচাবলৈ চেষ্টা কৰি আছে আৰু শুনি ভাল লাগে যে, আমাৰ দৰে জনসংখ্যা থকা দিল্লীৰ নিচিনা এখন ৰাজ্য কিন্তু তাত আজি আৰম্ভণিতে যেনেকৈ খবৰ পাইছিলো যে, হস্পিতালত বিছনা নাই অক্সিজেন নোপোৱাকৈ মানুহ ঢুকাইছে, ৰাস্তাত ঢুকাইছে আৰু পজিটিভিটি ৰেট ৩৫ শতাংশ - ৪০ শতাংশ বাঢ়িছে। আমাৰ নিচিনা আমাৰ দৰে জনসংখ্যা থকা এখন ৰাজ্য কেৰেলা। তাতো আমি খবৰ পাই আছো যে, পজিটিভিটি ৰেট ২৫ শতাংশতকৈ কমা নাই বৰঞ্চ ৩৫ শতাংশলৈ উঠিছে। কিন্তু শুনি ভাল লাগে যে, যেতিয়া তুলনা কৰা যায় অসমৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিটো তৎপৰতাৰে যুদ্ধংদেহিভাবে যুঁজ দিলে তাৰ বাবে ১০ শতাংশতকৈ ওপৰত পজিটিভিটি ৰেট যাবলৈ নাপালে আৰু এই ১ মাহৰ ভিতৰত আমি লক্ষ্য কৰিছো, সম্পূৰ্ণ লকডাউন নিদিয়াকৈ আমাৰ অসমৰ পজিটিভিটি ৰেট আমি খবৰ পাইছো ৬ শতাংশ- ৫ শতাংশলৈ নামিছে। কিন্তু দিল্লী, কেৰেলা সম্পূৰ্ণ লকডাউন দিও পৰা নাই। সকলো ধৰণে আমি লক্ষ্য কৰিছো যে, চিকিৎসালয়ৰ বিছনা হওঁক, ICU Bed হওঁক Oxigen Bed হওঁক Covid Center হওঁক পৰ্য্যাপ্ত পৰিমাণে জনগণৰ অসুবিধা নোহোৱাকৈ দিন-ৰাতি একাকাৰ কৰি এইখন চৰকাৰে লাগিছে। এই কথা আৰম্ভণিতে উল্লেখ কৰিছে। মহোদয়, এতিয়ালৈকে বাতৰিত খবৰ ওলোৱা নাই যে, অক্সিজেন বিছনা নোপোৱাকৈ বা ৰাস্তাতে মানুহ ঢুকাইছে, অক্সিজেনৰ অভাৱত কোনোৱা হস্পিতালত মানুহে কেঁকাই মৰিছে। সকলোতকৈ ভাল লগা কথাটো হ'ল যে, অসমৰ মুখ্যমন্ত্ৰী, আমাৰ নেতা তেখেতে যেতিয়া ৰাতি ৩ বজাত চিকিৎসালয় দৰ্শন কৰি ক'ভিড ৰোগীসকলৰ খবৰ লয় কেনেকৈ চিকিৎসা চলিছে তাৰ খবৰ লয় আৰু পিছদিনা যেতিয়া বাতৰিত খবৰটো প্ৰকাশ

পায়, অসমৰ মানুহে তেতিয়া অনুভৱ কৰে যে, এইখন চৰকাৰৰ দিনত এইজন মুখ্যমন্ত্ৰীৰ অধীনত আমি নিৰাপদ বুলি এটা বিশ্বাসৰ জন্ম হৈছে, নহ'লে এনেকুৱা এটা নিৰাশাৰ বাতাবৰণ আছিল যে, দিল্লীৰ খবৰ পোৱাৰ লগে লগে (বহুত মানুহে টিভি চোৱা বাদ দিছে) ভয় লাগে দিল্লী, মহাৰাষ্ট্ৰ নাইবা কেৰেলাৰ খবৰটো পালে। যেনেকৈ মানুহ মৰিছে বুলি খবৰ ওলাইছে টিভি চাবলৈ ভয় লগা হ'ল। যিটো পৰিমাণে পজিটিভিটি হাৰ বাঢ়ি গৈছে আমিও আশংকা কৰিছিলো যে, ১০ শতাংশতকৈ ওপৰত যদি গুচি যায় আমাৰো অসুবিধা হ'ব বুলি ভয় কৰিছিলো কিন্তু মুখ্যমন্ত্ৰীয়ে যেতিয়া ২-৩ বজাত নিজে চিকিৎসালয় দৰ্শন কৰি চিকিৎসা কেনেকৈ আগবাঢ়িছে, কেনেকৈ চিকিৎসা চলিছে তাৰ খবৰ লয় তেতিয়া জন-গণৰ মাজত বিশ্বাস জন্মে যে, এনেকুৱা চৰকাৰ থাকিলে এইজন মানুহৰ নেতৃত্বত আমি সুৰক্ষিত। এই চৰকাৰে সঁচা অৰ্থত দিন-ৰাতি একাকাৰ কৰি আমাক এই মহামাৰীৰ পৰা বচাবলৈ চেষ্টা কৰিছে। মহোদয়, এতিয়া যিটো বাতাবৰণ আছে সম্পূৰ্ণ লকডাউন নিদিয়াকৈ আৰু জন-গণেও যেনেকৈ ক'ভিড প্ৰট্‌কল মানি চৰকাৰক সহায় কৰিছে যাৰ ফলত মই লক্ষ্য কৰিছো পজিটিভিটিৰ হাৰ কমি গৈ আছে আৰু এসপ্তাহ বা ১০ দিন বা ১ মাহৰ ভিতৰত দিনবোৰ ভাললৈ আহিব। মহোদয়, অকল এই বিষয়তে নহয় মই লক্ষ্য কৰিছো যে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিন-ৰাতি একাকাৰ কৰি তিনিচুকীয়া, ডিব্ৰুগড় মেডিকেল কলেজ হওঁক বৰপেটা মেডিকেল কলেজ বা গুৱাহাটী মেডিকেল কলেজে হওঁক, মই লক্ষ্য কৰিছো যে বেলেগ ৰাজ্য বিলাকত যেনেকৈ মুখ্যমন্ত্ৰী বা নেতাবোৰে এই মহামীৰত এটা দূৰত্ব বজাই ৰাখে। আমাৰ মুখ্যমন্ত্ৰী চিকিৎসালয় গৈ নিজেই পিপিকিট পিন্ধি আইচিইউত সোমাই ৰোগীৰ খবৰ লয়। মহোদয়, যেতিয়া ৰাতি ২ বজাত মাননীয় মুখ্যমন্ত্ৰীয়ে কাম কৰি আছে বুলি দেখা যায়, তেতিয়া আমি নিৰ্বাচিত সদস্য বিলাকেও ভাবিছো যে, মুখ্যমন্ত্ৰীয়ে এনেকৈ কষ্ট কৰিছে আমি বিধায়ক সকলে বহি থাকিলে হ'ব জানো। অকল ক'ভিড মহামাৰীৰ ক্ষেত্ৰতে নহয় এইখন চৰকাৰে ৰিতুল শইকীয়াৰ অপহৰণৰ মুকলিৰ ক্ষেত্ৰটো সন্মুখৰ পৰা নেতৃত্ব দি তেখেতেক মুকলি কৰিছে। এইটোয়ে এটা বাতৰি দিয়ে যে, যিমান ডাঙৰ বিপদ হলেও এই চৰকাৰ আপোনাৰ আৰু অসমৰ জন-গণৰ লগত আছে আৰু সদায় থাকিব আপোনালোকে চিন্তা কৰিব নালাগে বুলি মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তা কঢ়িয়াই আনিছে। যিয়ে আজি ৪০ বছৰ জোৰা অমিমাংসিত আলফা সমস্যাৰ সমাধানৰ এটা সৰু ৰেঙণি জন্মাইছে। মানুহে আলোচনা কৰা আৰম্ভ কৰিছে যে, ৪০ বছৰৰ সমাধানৰ কিবা এটা ৰাস্তা ওলাব বুলি মানুহে আশা কৰিছে। ২০০৬ চনৰ পৰা মই বিধান সভালৈ আহি আছো। চৰকাৰ বিলাকৰ কাম -কাজ লক্ষ্য কৰিছো কিন্তু আলফাৰ সেনাধ্যক্ষই এজন মুখ্যমন্ত্ৰীৰ শলাগ লৈ চৰকাৰৰ আৰম্ভণিৰ কাম-কাজৰ শলাগ লৈ এটা সুস্থ আৰু শান্তিপূৰ্ণ সহবাসৰ কথা আৰম্ভ কৰিছে। আমি আশা কৰিছো অহা দিনবোৰত চৰকাৰে এনে যোগাত্মক পদক্ষেপ অসমৰ জন-গণে যেনেকৈ আশা কৰিছে মই ভাবো আলফাও সঁহাৰি জনাব। আশা ৰাখিছো যোৱা বছৰ অৰ্থাৎ ২০২০ চনত যেনেকৈ বড়োলেণ্ডত শান্তি অনাত বা প্ৰতিষ্ঠা কৰাত চুক্তি স্বাক্ষৰ কৰি এটা সুন্দৰ পদক্ষেপ ভাৰতীয় জনতা পাৰ্টী অথবা মিত্ৰ জোটৰ চৰকাৰে কৰিলে অহা দিনবোৰতো অৰ্থাৎ আমি আশা কৰিছো যে, ৪০ বছৰীয়া পুৰণা অলফা সমস্যাটো সমাধানৰ ক্ষেত্ৰত এটা আশাৰ ৰেঙণি আহিছে। এতিয়া ক'ভিড মহামাৰী দুৰ্যোগৰ সময়, ইয়াৰ ওপৰতে এতিয়া বানপানী আৰম্ভ হৈছে। মোৰ সমষ্টিৰ পৰা খবৰ আহিছে যে, পানী বাঢ়িছে খহনীয়া আৰম্ভ হৈছে। এই ক্ষেত্ৰত এটা কথা লক্ষ্য কৰিছো এইখন চৰকাৰে এইবাৰ Mission ব্ৰহ্মপুত্ৰ বুলি এটা Mission মুডত বানপানী গড়াখহনীয়া সমস্যা সমাধানৰ বাবে, যিটো সমস্যা বহুযোগ ধৰি আমি কেতিয়া সমস্যা সমাধান হ'ব কি উপায় আছে প্ৰত্যকটো বিধান

সভাতে আলোচনা কৰো। অসমৰ মানুহেও প্ৰশ্ন কৰে, কেতিয়া সমস্যাটো সমাধান হ'ব? কেতিয়া অসমৰ নদীৰ পাৰত থকা মানুহৰ ঘৰ-বাৰী নিৰাপত্তা কৰিব? কেতিয়া এই সমস্যাটোৰ পৰা পৰিত্ৰাণ পাম বুলি সদায় যিটো প্ৰশ্ন আছেমই ভাবো এইখন ৰাজ্যপালৰ ভাষণত আৰম্ভণিতে এইখন চৰকাৰে ঘোষণা কৰিছে যে, এই সমস্যাৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে Mission ব্ৰহ্মপুত্ৰ বুলি সন্মুখৰ পৰা যুঁজি এই সমস্যা ৫ বছৰৰ ভিতৰত সমাধান কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছে। মই ভাবো যে, বিৰোধীয়ে এইটো আঁকোৱালি ল'ব লাগে। মই ভাবো এইখন চৰকাৰে আৰম্ভণিতে ৰাজ্যপালৰ ভাষণৰ মাধ্যমত এটা আশা অসমৰ জনগণক এটা বিশ্বাস দিছে যে, আমি আপোনালোকৰ লগত আছো। এইখন চৰকাৰে জনগণক দিন-ৰাতি একাকাৰ কৰিও জনগণৰ তথা সম্পত্তি নিৰাপত্তাৰ বাবে জাতি-মাটি-ভেটিৰ স্বাৰ্থত কাম কৰিব বুলি এটা যোগাত্মক বাৰ্তা কঢ়িয়াই আনিছে। মই বিৰোধী সকলে ৰাজ্যপালৰ ভাষণত সমৰ্থন জনাই এই যিখিনি সংশোধনী আনিছে এইবোৰ আঁতৰাই মই চৰকাৰক সহযোগ কৰাৰ বাবে মই আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চদশ বিধান সভাত মহামান্য ৰাজ্যপাল ডাঙৰীয়াই নাজিৰাত প্ৰায় ৪০ পৃষ্ঠাৰ যি ভাষণ দিলে ইয়াত অসমৰ ৰাইজে আশা কৰা ধৰণে বহুখিনি মূল কথা অন্তৰ্ভুক্ত হোৱা নাই আৰু সেইবাবে আমি বহুকেইটা সংশোধনী আনিছো। আশা কৰো এই সংশোধনীসমূহ সদনত চৰকাৰী পক্ষই গ্ৰহণ কৰিব। মোৰ সতীৰ্থসকলে ইয়াৰ ওপৰত বিতংভাবে ক'ব। মই মাত্ৰ কেইমিনিটমানৰ ভিতৰত কেইটামান কথা উনুকিয়াব বিচাৰিম। মহোদয়, প্ৰায় ১৪ মাহ মান আগত বিগত বিধান সভাত যেতিয়া আমাৰ বাজেট অধিবেশন চলি আছিল, তেতিয়া ক'ভিডৰ বিষয়ে গম পাইছিলো আৰু চৰকাৰক বিৰোধীয়ে গঠনমূলক বিৰোধী হিচাবে যেতিয়া প্ৰথম এমাহৰ দৰমহা দিম বুলি সহযোগিতা আগবঢ়ালো আৰু আমাক প্ৰস্তাৱ দিলে ৩০ শতাংশ দৰমহা কৰ্তন কৰিব লাগে তাতেও আমি সহযোগিতা আগবঢ়ালো। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল অসমত কেইবাখনো অস্থায়ী ক'ভিড চিকিৎসালয় গঠন কৰা হ'ব। যিহেতু এতিয়া দ্বিতীয় ঢৌ আহিছে যিটো আগতকৈও মাৰাত্মক বুলি কোৱা হৈছে। এইখিনি সময়ত কিন্তু আমি সেই যি অস্থায়ী চিকিৎসালয় বিলাক হোৱাৰ কথা আছিল সেইখিনি দেখা নাই। সেই গতিকে চৰকাৰখনে আৰু অধিক সচেতনভাবে কাম কৰিব লাগিছিল এই কথা অনুভৱ কৰো। এতিয়া টিকাকৰণ কৰিলে এই যি মাৰাত্মক অৱস্থা তাৰ পৰা হাত সাৰিব পৰা যাব বুলি কৈছে। কিন্তু যোৱা কেন্দ্ৰীয় বাজেটত ৩৫ হাজাৰ কোটি ধাৰ্য্য কৰাৰ পিছতো আমাৰ অসমৰ দৰে ৰাজ্যই এতিয়া সকলোৰে টিকাকৰণ কৰিব পৰা হোৱা নাই। বিগত সময়ত ভাৰতবৰ্ষত প্ৰয়াত ৰাজীৱ গান্ধী ডাঙৰীয়াই Universal Immunization Project কৰিছিল Programme ত। পৰৱৰ্তী সময়ত ২০০৯ চনৰ পৰা ২০১৪ চনৰ ভিতৰত বিশ্বৰ ভিতৰত ভাৰতবৰ্ষই এটা record কৰিছিল, যেতিয়া আমি নিজকে পলিঅ' মুক্ত দেশ হিচাবে চিহ্নিত কৰিব পাৰিছিলো। এই বৃহৎ জন-সমাগম থকা স্বত্বেও আৰু সেইখিনি সময়ত কিন্তু টিকাকৰণটো সম্ভৱ হৈছিল যিটো তৃণমূল পৰ্য্যায়লৈকে যিখিনি চৰকাৰী কৰ্মচাৰী সেই সকলৰ সহযোগিতা ভাল ধৰণে লোৱাৰ বাবে। কিন্তু এতিয়া দেখা গৈছে, অসমৰ বহু অঞ্চলত টিকাকৰণৰ বাবে বিচাৰিলেও ভেকচিন পোৱা হোৱা নাই, অতি এটা দুৰ্গম অঞ্চল ফকিৰাগঞ্জ উত্তৰ শালমৰা সমষ্টিৰ তাত মডেল হস্পিতেলত এতিয়াও এটা ভেকচিনেশ্যন চেন্টাৰ হোৱা নাই, সেই গতিকে চৰকাৰৰ এটা ২০০৯ চনৰ আছিল যে প্ৰতিখন সমষ্টিত এখনকৈ মডেল হস্পিতাল হ'ব। মডেল হস্পিতালে যদি এনেকুৱা এটা গুৰুত্বপূৰ্ণ বস্তু যোগাৰ কৰি দিব নোৱাৰে,

তেনেক্ষেত্ৰত অন্য অঞ্চলত কি হ'ব পাৰে চিন্তনীয়। যিহেতু Online ৰ কথা থাকে আমাৰ দেশৰ সকলোৰে কম্পিউটাৰ লগত জড়িত নহয়, ডিজিটেলি সক্ষম নহয়, এই ক্ষেত্ৰত কি কৰিলে offline ত হ'ব পাৰে, সেই কথাটো আপোনালোকৰ চৰকাৰৰ যি ভাষণ তাত আমি নাপালো। সেই গতিকে এইক্ষেত্ৰত চৰকাৰক কিছু স্পষ্ট দিশ-নিৰ্দেশনা দিবলৈ অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়ৰ যোগেদি চৰকাৰক অনুৰোধ জনাইছো। মহোদয়, বৰ্তমান সময়ত লকডাউন  সদৃশ পৰিস্থিতি হৈছে আজিৰ এখন বাতৰিকাকতত প্ৰকাশ পাইছে। প্ৰায় যে ৬০ লাখতকৈ অধিক লোকৰ দৈনন্দিন জীৱন যাত্ৰা ব্যাহত হৈছে। যোৱাবাৰৰ ক'ভিডৰ সময়ত দুখন কমিটি, সুভাষ দাস কমিটি আৰু সিতা আয়োগৰ যি পৰামৰ্শৱলী আছিল তাত আমাৰ ফালৰ পৰা কোৱা হৈছিল যে যি সকল পৰিয়ালৰ দৈনন্দিন জীৱন যাত্ৰাত এই লকডাউন সদৃশ পৰিস্থিতিত জীৱন ধাৰণৰ বাবে এটা বিভীষিকা আনিছে, য'ত দুৰ্ভিক্ষ হ'ব পাৰে, যি সকল ভোকাতুৰ হৈ ভালধৰণে নিজৰ পৰিয়াল পোহপাল দিব নোৱাৰে তেখেত সকলৰ বাবে অতি কমেও ৫ হাজাৰ টকাকৈ পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে দিবৰ বাবে আমি পুনৰবাৰ চৰকাৰৰ এটা ঘোষণা ইয়াত বিচাৰিছো। মহোদয়, যোৱা সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰে অসমৰ এটা ভূমি সংস্কাৰৰ বাবে ব্যৱস্থা লৈছিল, হৰিশংকৰ ব্ৰহ্ম কমিটিৰ আৰু চৰকাৰৰ ঘোষণা আছিল যে মাটিৰ পট্টা বহু লোকক দিব। অতি দুৰ্ভাগ্যজনকভাৱে প্ৰধান মন্ত্ৰী অসমলৈ আহি ১ লাখ লোকক শিৱসাগৰত ভূমি পট্টা দিয়াৰ পিছতো দধিয়া লাইকায়ে হওঁক অথবা জামুগুৰিত হওঁক বা আমাৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত অঞ্চলত হওঁক এতিয়াও বহুলোকে মথাউৰিত থাকিবলগীয়া হৈছে। মাজুলিতো আজি ৬ হাজাৰতকৈ অধিক পৰিয়ালৰ মথাউৰিত থকা বুলি আমাৰ হাতত তথ্য আছে। সেই গতিকে চৰকাৰখনে যি প্ৰতিশ্ৰুতি যোৱা সময়ছোৱাত দিছিল সেই প্ৰতিশ্ৰুতি অনুসৰি এতিয়া অসমৰ লোক সকলৰ  ভূমি অধিকাৰ নিশ্চিত কৰিব পৰা নাই আৰু এই ক্ষেত্ৰত কোনোধৰণৰ স্পষ্টতা আমি মহামান্য ৰাজ্যপালৰ ভাষণত পোৱা নাই। সেয়েহে, এই কথাবোৰ আমি চৰকাৰক স্পষ্ট কৰিবলৈ আহ্বান জনাইছো। মহোদয়, যোৱা সময়ছোৱাত Vision Document ত ব্ৰহ্মপুত্ৰৰ খনন আৰু ইয়াৰ দুয়োপাৰে Super Highway  নিৰ্মাণৰ কথা আছিল। কিন্তু, এই কামবোৰ হৈ উঠা নাই। ৰাজ্যপালৰ ভাষণত ইয়াৰ ওপৰত বিশেষ একো উল্লেখ নহ'ল। আমি জানো যে, প্ৰাক্তন মুখ্যমন্ত্ৰীৰ গৃহ জিলা, গৃহ সমষ্টি চাবুৱাত শেহতীয়া বানত দুখনকৈ গাওঁ নিশ্চিহ্ন হৈছে আৰু বহু অঞ্চল তেনে পৰিস্থিতিৰ সন্মুখীন হৈছে। গতিকে, ইয়াৰ বাবে ব্ৰহ্মপুত্ৰ খনন কৰিয়েই হওক বা মথাউৰি নতুনকৈ নিৰ্মাণ কৰিয়েই হওক বা পুৰণি মথাউৰি, দলংবোৰ মেৰামতি কৰিয়েই হওক, অসমৰ জনগণ তথা  অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাটো বানৰ কৱলৰ পৰা ৰক্ষা কৰি অসমখনক সমৃদ্ধিশালী কৰিব লাগে। এই ক্ষেত্ৰত আৰু স্পষ্টতা আশা কৰি আমি সংশোধনী আনিছো। মহোদয়, ২০১৪ চনৰ নিৰ্বাচনৰ সময়ত চাহ-বাগিচাৰ শ্ৰমিকসকলক ৩৫১ টকাকৈ মজুৰি দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। এই ক্ষেত্ৰত যোৱা ফেব্ৰুৱাৰী মাহত যি Interim কৰিলে, তাৰ ফলত  খুৰসম্ভৱ ২১৭ টকা কৰা হৈছে। ইতিমধ্যে ৭ বছৰ অতিক্ৰম হৈছে। নিশ্চিত ভাৱে আমাৰ চৰকাৰ শাসনলৈ আহিলে ৩৬৫ টকা মজুৰি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি কৰা হৈছিল। গতিকে, চৰকাৰে এইক্ষেত্ৰত তৎকালীন ব্যৱস্থা লৈ অসমৰ প্ৰায় ৩০% জনগণৰ উন্নতিৰ হকে অৰ্থনৈতিক ভাৱে শকাহ দিয়াৰ বাবে যাতে এক প্ৰচেষ্টা লয়, সেই অনুৰোধ আমি সংশোধনীৰ জৰিয়তে আনিব বিচাৰিছো। অনুৰূপধৰণে, যোৱা সময়ছোৱোত ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰা হ'ব বুলি কোৱা হৈছিল যদিও জনজাতিকৰণ এতিয়াও হোৱা নাই। টাই-আহোমসকলক বাদ দি বাকী সকলক স্বায়ত্ত-শাসনৰ ব্যৱস্থা কৰি দিয়া হ'ল। গতিকে, উজনিত বসবাস কৰা টাই-আহোম সকলকো

যাতে সোনকালে স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰি দিয়ে তাৰ বাবে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো। কাৰণ এই দাবী প্ৰায় ১০০ বছৰ পুৰণি। টাই-আহোম সকলে স্বাধীনতাৰ পূৰ্বেই সংখ্যালঘু হিচাপে চিহ্নিত হ'ব বিচাৰি অসম বিধান সভাত ইয়াৰ উল্লেখ-আলোচনা কৰিছিল। পৰৱৰ্তী সময়ত, তেখেতসকল OBC হ'ল যদিও জনজাতিকৰণৰ বাবে আজি বহু বছৰ ধৰি দাবী কৰি আহিছে। মহোদয়, ৰাজ্যপালৰ পূৰ্বৰ ভাষণ আৰু অসম চৰকাৰৰ বিভিন্ন ভাষণত যোৱা সময়ছোৱাত দেখিছিলো যে অসম চুক্তি সম্পৰ্কে যথেষ্ট কথা উল্লেখ থাকে। যোৱা বছৰ ৮৫০ গৰাকী শ্বহীদৰ পৰিয়ালক সাহাৰ্য, চাকৰি দিয়াৰ লগতে তেওঁলোকৰ স্মৃতিসৌধ নিৰ্মাণ, separate Directorate, বিভাগ নিৰ্মাণ ইত্যাদি বিভিন্নখিনি কাম হৈছিল। কিন্তু, এইবাৰ দেখিছো যে অসম চুক্তিৰ বিষয়ে কোনো উল্লেখ নাই। পৰৱৰ্তী সময়ত বিদেশীমুক্ত অসমৰ স্বাৰ্থত এন.আৰ.চি. কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩১ আগষ্ট, ২০১৯ তাৰিখে ঘোষণা কৰিছিল। পৰৱৰ্তী সময়ত, Foreigners Tribunals ৰ যোগেৰে Objection আৰু Claim অনাৰ প্ৰক্ৰিয়া থাকিব লাগে, সেই নিৰ্দেশনা এতিয়াও অসম চৰকাৰে অবুজ কাৰণত কৰি দিয়া নাই। Foreigners Tribunal ৰ Judge আৰু অন্যান্য কৰ্মচাৰী সকলক ১৮ মাহ ধৰি নিযুক্তি কৰাৰ পিছতো, তেওঁলোকক এনেই বহাই ৰখা হৈছে। গতিকে, এই কামখিনি ক্ষীপ্ৰতৰ কৰি এন.আৰ.চি.ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰি দিবলৈ আমি চৰকাৰক অনুৰোধ জনাইছো। কিছুদিন আগত, আমাৰ বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ দুবাৰৰ সভাপতি, বুদ্ধিজীৱি হোমেন বৰগোহাঞি ডাঙৰীয়াৰ বিয়োগ হ'ল।তেওঁ ২০০২ চনত অসম সাহিত্য সভাৰ সভাপতি স্বৰূপে ন-অসমীয়া সকলক, বংগমূলৰ যি সকল লোক চৰ-চাপৰি অঞ্চলত বসবাস কৰে, তেওঁলোকক অসমীয়া হিচাপে আহ্বান জনাই অসমৰ বৃহত্তৰ অসম যেনেধৰণে চাওলুং চুকাফা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গঢ়িছিল, সেই দিশত অনুপ্ৰাণিত কৰিছিল। আজি হোমেন বৰগোহাঞি ডাঙৰীয়াৰ স্মৃতিত অসম চৰকাৰে ভাৰত চৰকাৰৰ জৰিয়তে তেওঁক সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন বা পদ্মভূষণ বঁটাৰে বিভূষিত কৰাৰ ব্যৱস্থা কৰে তাৰ বাবে মই অসম চৰকাৰক অনুৰোধ জনালো। মহোদয়, যোৱা সময়ছোৱাত বিভিন্ন চৰকাৰে আলফাৰ লগত যোগাযোগ কৰি তেওঁলোকক এক শান্তিপূৰ্ণ পথলৈ ঘূৰি অহাৰ বাবে আহ্বান জনাইছে। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া, হিতেশ্বৰ শইকীয়াই এই ক্ষেত্ৰত আগভাগ লৈছিল। আলফাই বৰ্তমানৰ মুখ্যমন্ত্ৰীক সঁহাৰি জনাইছে। গতিকে, তেখেতসকলকো NSCN ৰ নিচিনাকৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ৰাজনৈতিক দিশত এই সমস্যা সমাধানৰ কাৰণে আগবাঢ়ি আহিবলৈ আমিও তেখেতসকলক ধন্যবাদ জনাইছো আৰু আশা কৰিছো এটা ভাল পৰিস্থিতি আমি সোনকালে পাম। অৱশেষত, ভাৰতীয় জনতা পাৰ্টিয়ে২০১৬ চনত যিখন Vision Document দিছিল, সেইখন তেওঁলোকে কেৱল নিৰ্বাচনী ইস্তাহাৰ নকৰি, Vision Document ১০ বছৰৰ বাবে কৰিছিল আৰু তাৰেই ফলশ্ৰুতিত মই ভাৱো, বিজেপিয়ে যোৱা বছৰ ৬০ খন আসন পোৱাৰ দৰে এইবাৰো ৬০ খন আসন পাইছে। অসমৰ ৰাইজে তেওঁলোকক পুনৰবাৰ তেওঁলোকৰ Vision Document খন ৰূপায়ণ কৰিবলৈ সুযোগ দিছে আৰু এই সুযোগ তেওঁলোকে গ্ৰহণ কৰক। এই Vision Document ত প্ৰায় ৫০০ টা প্ৰতিশ্ৰুতি আছিল। যিহেতুকে বৰ্তমানৰ চৰকাৰৰ ইতিমধ্যে ৫ বছৰৰ কাৰ্য্যকাল সমাপ্ত হৈছে, গতিকে Vision Document ৰ কিমান শতাংশ প্ৰতিশ্ৰুতি ৰূপায়ণ হৈছে, তাৰ শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ মই অনুৰোধ জনালো। লগতে, 'শাসক-বিৰোধী ভাই-ভাই' বুলি এটা বাতৰি প্ৰকাশ পাইছে, গতিকে উন্নয়নৰ ক্ষেত্ৰত আমি নিশ্চয় সহযোগিতা আগবঢ়াম। কিন্তু, ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰাত যদি চৰকাৰ ব্যৰ্থ হয়, তেনে ক্ষেত্ৰত

Followed by P-1

আপোনাৰ যোগেৰে দৃষ্টি আকৰ্ষণ কৰিম। যোৱা সময়ছোৱাত দেখিবলৈ পাইছো যে বিভিন্ন চৰকাৰী উন্নয়নৰ কামৰ ক্ষেত্ৰত বিৰোধী পক্ষৰ বিধায়কসকলক অৱহেলা কৰা হয়। সেয়া লাগিলে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰতেই হওঁক বা বাট-পথৰ উন্নয়নৰ ক্ষেত্ৰতেই হওঁক, কিছুমান নপতা ফুকনৰ সৃষ্টি হৈ তেওঁলোকে বিৰোধী পক্ষৰ বিধায়ক সকলক অৱজ্ঞা কৰি চৰকাৰী আঁচনিত উদ্যোগ লৈছিল। গতিকে আমি আশা কৰিছো, নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কাৰ্য্যকালত এনে পৰিস্থিতি নহ'ব আৰু অসমৰ উন্নয়নৰ স্বাৰ্থত ৰাইজৰ প্ৰতিনিধি হিচাপে আমাক সমানে আগবাঢ়ি অহাৰ সুযোগ দিব। সংশোধনীৰ যোগেৰে চৰকাৰৰ পৰা এইখিনি আশ্বাস আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া হাফিজ বছিৰ আহমেদ।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** চাৰ, তেখেত সদন কক্ষত অনুপস্থিত। তেখেতৰ ঠাইত .... ( Interruption)

**মাননীয় অধ্যক্ষঃ** আপোনাৰ নামটো দলে দিছে নে?

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** হয় চাৰ, মোৰ নামটো দিয়া আছে।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ নামটো ইয়াত পাইছো, ঠিক আছে আপুনি পাঁচ মিনিটত কওঁক ।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ৪০ পৃষ্ঠাজোৰা ভাষণত যোৱা কাৰ্য্যকালত কৰি যোৱা কিছু কামৰ আভাস আৰু অনাগত ৫ বছৰত কি কাম কৰিব তাৰ কিছু আভাস দাঙি ধৰিছে। যিহেতু মোৰ হাতত পাঁচ মিনিট সময় আছে, সেয়েহে মই গুৰুত্বপূৰ্ণ দুই-এটা বিভাগৰ ওপৰত দু-আষাৰ ক'ম। মাননীয় অধ্যক্ষ মহোহদয়, শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত আমি চতুৰ্থ স্থানত আছো আৰু আমি আগুৱাব লাগিব। শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনক Top 5 ত অনাটো আমাৰ লক্ষ্য আৰু ইয়াৰ বাবে শিক্ষাখণ্ডত বহুত বেছি গুৰুত্ব দিব লাগিব। কিন্তু, যোৱা বছৰৰ ক'ভিড কালৰ পৰা প্ৰায় এবছৰ স্কুল-কলেজ-বিশ্ববিদ্যালয় বন্ধৰ নিচিনাই । মাত্ৰ, দুমাহ মান class হৈছে,Online তো কিছু class হৈছে। ঠিক তেনেদৰে, এই বছৰো আৰম্ভণিৰ পৰা একেই অৱস্থাৰে সৃষ্টি হৈছে। গতিকে আমি ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বিষয়ে চিন্তা কৰিব লাগিব, তাৰ বাবে চৰকাৰৰ কি পৰিকল্পনা আছে, সেই কথাটো ইয়াত স্পষ্ট ভাৱে নাই। এই ক্ষেত্ৰত নিশ্চিত ভাৱে চৰকাৰৰ পৰিকল্পনা আছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয় আগতে বহু বছৰ ধৰি শিক্ষা মন্ত্ৰী হৈ আছিল, তেখেতৰ দীৰ্ঘ-দিনীয়া অভিজ্ঞতা আছে, গতিকে, আমাৰ ছাত্ৰ-ছাত্ৰীখিনিৰ শিক্ষা জীৱনটো যাতে ধ্বংস নহয়, তাৰ বাবে মজবুত পৰিকল্পনা কৰি আগবাঢ়িব লাগিব, এই কথাখিনি মই আপোনাৰ যোগেৰে চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰী স্কুল সমূহত বহু শিক্ষকৰ পদ খালী হৈ আছে। এতিয়া বিজ্ঞাপন দি হয়তো কিছু শিক্ষকৰ নিযুক্তি দিব। এজন-দুজনকৈ যেতিয়া হাইস্কুলৰ শিক্ষকসকলৰ অৱসৰ প্ৰাপ্তি হয়, তেতিয়া গোটেই অসমত ১০-১৫ গৰাকী শিক্ষকৰ পদ খালী হৈ পৰে। প্ৰত্যেক অধিবেশনতে শিক্ষক নিযুক্তিৰ কথা উত্থাপন কৰো আৰু চৰকাৰে নিযুক্তি দিয়াৰ কথাও কয়, কিন্তু বছৰৰ মূৰত শিক্ষকক নিযুক্তি দিয়ে যাৰ ফলত এবছৰ ধৰি নতুন শিক্ষক নিযুক্তি নোহোৱালৈ ছাত্ৰ-ছাত্ৰীসমূহ ক্ষতিৰ সন্মুখীন হয়। গতিকে, অধ্যক্ষ মহোদয়, কলেজবোৰত যিদৰে Governing Body য়ে চৰকাৰৰ পৰা অনুমতি লৈ বিজ্ঞাপন কৰি লগে লগে শিক্ষক নিযুক্তি দিব পাৰে, ঠিক তেনেদৰে এল.পি. স্কুলবোৰতো যাতে Committee বহি চৰকাৰক অৱগত কৰি খালী পদত লগে লগে শিক্ষক নিযুক্তি দি সঠিকভাৱে শিক্ষাৰ ব্যৱস্থা চলাব পাৰে তাৰ বাবে মই আশা ৰাখিলো। লগতে, ভেঞ্চাৰ স্কুলৰ সমস্যা আমাৰ

অসমত আছেই। বিগত সময়ত চৰকাৰে কিছু কিছু স্কুল প্ৰাদেশিকীকৰণ কৰাৰ বাবে মই ধন্যবাদ জনাইছো। কিন্তু, এতিয়াও বহুত স্কুল প্ৰাদেশিকীকৰণ হ'বলৈ বাকী আছে, বহু শিক্ষকৰ পদ এতিয়াও প্ৰাদেশিকীকৰণ হোৱা নাই। বহু শিক্ষকক Tutor হিচাপে নিযুক্তি দিয়া হৈ আছে, Issue date ৰ বাবে sideline কৰি থোৱা হৈছে। Sectional Teacher ৰ পদ খালী হৈ আছে। ১৫ জন ছাত্ৰৰ পৰিৱৰ্তে ১৪ জন ছাত্ৰ থকাৰ বাবে সেই বিভাগটো প্ৰাদেশিকীকৰণ কৰা হোৱা নাই, য'ত শিক্ষক ২০ বছৰ ধৰি কাম কৰি আহিছে। ইয়াৰ ফলত সমগ্ৰ অসমতে বহু শিক্ষকে হতাশাত ভুগিব লগা হৈছে। গতিকে এই কথাবোৰ চালি-জাৰি চাই ভেঞ্চাৰ স্কুলৰ যি দীৰ্ঘদিনীয়া সমস্যা, সেই সমস্যাসমূহ যাতে সমাধান কৰা হয়। অধ্যক্ষ মহোদয়, যোৱা বছৰ নতুনকৈ দুই-তিনিখন কলেজ বিশ্ববিদ্যালয় কৰা হৈছিল যদিও তাৰ বিভাগ সমূহত শিক্ষক এতিয়াও নাই। সেয়া লাগিলে কটন বিশ্ববিদ্যালয়ে হওঁক, বা ভট্টদেৱ বিশ্ববিদ্যালয়ে হওঁক বা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়েই হওঁক, এই বিশ্ববিদ্যালয়সমূহ কলেজ থাকোতেই দুই-চাৰিটা বিভাগত শিক্ষক আছিল কিন্তু বিশ্ববিদ্যালয় ঘোষণা কৰাৰ পিছতো তাত শিক্ষক নিযুক্তি দিয়া হোৱা নাই। গতিকে, অসমৰ শিক্ষা বিভাগক যদি Top 5 ৰ ভিতৰত ৰাখিব বিচাৰো তেন্তে এই কথাবোৰৰ ওপৰত চিন্তা-চৰ্চা কৰিব লাগিব। ইয়াৰ লগতে, স্বাস্থ্য খণ্ডৰ ওপৰত দু-আষাৰ মই ক'ব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় স্বাস্থ্যমন্ত্ৰীয়ে হাস্পতালবোৰত ক'ভিডৰ পৰিস্থিতি পৰ্য্যবেক্ষণ কৰি আছে, তাৰ বাবে আমি ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, মাননীয় অধ্যক্ষ মহোদয়, District Head Quarter ৰ Civil Hospital বোৰত এতিয়াও ICU ৰ ব্যৱস্থা নাই। বঙাইগাঁওৰ পৰা ধুবুৰী, গোৱালপাৰা, বৰপেটা, কৰিমগঞ্জ আদিত ICU ৰ ব্যৱস্থা কৰি থকা হৈছে। মোৰ সমষ্টিৰ কলগাছিয়া অসামৰিক চিকিৎসালয়ত এতিয়াও ICU ৰ ব্যৱস্থা নাই। যাৰ বাবে ৰোগীসকলে মৃত্যুক আকোৱালি ল'ব লগা হৈছে। বৰপেটা মেডিকেল কলেজত মাত্ৰ ৩২ খন ICU bed আছে। বঙাইগাওঁ, ধুবুৰীৰ পৰা ৰোগীক বৰপেটা মেডিকেল কলেজলৈ পঠায়। কিন্তু ৩২ খন ICU bed যথেষ্ট নহয়। গতিকে District Head Quarter ৰ প্ৰত্যেকখন অসামৰিক চিকিৎসালয়ত ICU ৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। ICU ৰ ব্যৱস্থা নথকা বাবে কলগাছিয়া অসামৰিক চিকিৎসালয়ত Medicine ৰ ডাক্তৰৰ অভাৱ। যোৱা বছৰৰ পৰাই মই ডাক্তৰ দিয়াৰ বাবে কৈ আছো, কিন্তু দিয়া নাই। হস্পিতালত ৰোগীক Remdesivir injection দিয়াৰ বাবে Medicine ৰ ডাক্তৰ নাই। এইটো Medicineৰ ডাক্তৰৰ বাহিৰে অন্য ডাক্তৰে দিব নোৱাৰে, যাৰ ফলত ৰোগীসমূহৰ দূৰৱস্থা হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই কথাবোৰ চিন্তা কৰি যাতে সঠিক পদক্ষেপ গ্ৰহণ কৰে।

অধ্যক্ষ মহোদয়, গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত মেট্ৰ ৰে'লৰ কথা কোৱা হয়। বৰ্তমান চৰকাৰৰ কাৰ্য্যকালত যাতে মেট্ৰ' ৰে'লৰ কাম সম্পন্ন হয়। কিছু Overbridges হৈছে যদিও আৰু যাতে অধিক Overbridges হয়। গুৱাহাটীক Green City কৰাৰ বাবে যাতে Tree Plantation ৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। দীপৰ বিলৰ নিচিনা ইমান ডাঙৰ বিল এখন উন্নত কৰি ইয়াক Tourist Place হিচাপে যাতে গঢ়ি তোলাৰ চিন্তা-চৰ্চা কৰা হয়। অধ্যক্ষ মহোদয়, সব্‌কা সাথ সব্‌কা বিকাশ বুলি কোৱা হয়। এতিয়া শুনিছো এক লাখ চাকৰি দিয়া হ'ব। বিগত দিনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত B.Sc, MSc. থকা ল'ৰা-ছোৱালীয়ে আবেদন কৰিলে, তেওঁলোকৰ চাকৰি নহয়, কিন্তু পঞ্চম শ্ৰেণী বা সপ্তম শ্ৰেণী উত্তীৰ্ণ ল'ৰা-ছোৱালীৰ চাকৰি হৈ যায়। গতিকে, এই কথাবোৰত যাতে বৰ্তমান চৰকাৰে দৃষ্টি ৰাখে। আনহাতে, অসমক বানপানীমুক্ত কৰিব বিচৰাৰ

বাবে আমি ভাল পাইছো। বানপানী আৰু নদীৰ গৰাখহনীয়াত লাখ লাখ মানুহ গৃহহাৰা হৈছে। শদিয়াৰ পৰা ধুবুৰীলৈকে এই ভূমিহীন মানুহসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। Bulldozer চলাই যাতে ঘৰ ভাঙি দিয়া নহয়। আপোনাৰ জৰিয়তে নতুন চৰকাৰৰ ওচৰত এইখিনি অনুৰোধ কৰিছো। নতুন চৰকাৰে সকলোকে লৈ কাম কৰিব বুলি আশা ৰাখি এইখিনিকে কৈ মোৰ বক্তৃতা সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ শাসকীয় দলে যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মই দুটামান কথা আমাৰ এই পবিত্ৰ সদনত আলোকপাত কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰখন গঠন হোৱা আজি বেছি দিন হোৱা নাই আৰু বিশেষভাৱে, এইখন চৰকাৰে দায়িত্বভাৰ লোৱাৰ পিছতে আজি প্ৰাথমিক দায়িত্ব হৈছে মহামাৰী হিচাপে চিহ্নিত হোৱা ক'ভিড-১৯। অকল অসমতে নহয়, আজি গোটেই ভাৰতবৰ্ষ তথা বিশ্বতেই ক'ভিড-১৯ মহামাৰী হিচাপে ইতিমধ্যে পৰিগণিত হৈছে। কিন্তু, দেখা পাইছো যে ক'ভিড-১৯ ৰ যি দ্বিতীয় ঢৌ অসমলৈ আহিল আৰু সেই ক্ষেত্ৰত এইখন চৰকাৰৰ যি sincerity, তাক মই সঁচাকৈয়ে ভাল পাইছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। অসমলৈ যেতিয়া ক' ভিড-১৯ ৰ প্ৰথমটো ঢৌ আহিছিল, তেতিয়া এই সম্পৰ্কত আমাৰ চৰকাৰ বা স্বাস্থ্য বিভাগ খুব জ্ঞাত নাছিল। আমাৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী সেই সময়ত স্বাস্থ্যমন্ত্ৰী হৈ আছিল। তেওঁ স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে দিনে-নিশাই কাম কৰি যি বিচক্ষণতাৰ পৰিচয় দিছিল, ই সঁচাকৈয়ে আমাৰ বাবে এটা সৌভাগ্যৰ কথা। ক' ভিড-১৯ৰ প্ৰথমটো ঢৌ আহোতে স্বাস্থ্যখণ্ডত যি আন্তঃগাঁথনিৰ প্ৰয়োজন আছিল, সেই সময়ত তাৰ অভাৱ আছিল। কিন্তু, ততাতৈয়াকৈ দিনে-নিশাই কাম কৰি অসমত ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে যিখিনি আন্তঃগাঁথনিৰ প্ৰয়োজন আছিল, সেইখিনি সেই সময়ত কাৰ্য্যকৰী কৰাৰ বাবেই গোটেই ভাৰতবৰ্ষৰ ভিতৰতে অসম ৰাজ্যখন ক'ভিড-১৯ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত শীৰ্ষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। আকৌ ক'ভিড-১৯ৰ দ্বিতীয় ঢৌ অহাৰ পিছত মই দেখিছো, মাননীয় মুখ্যমন্ত্ৰীয়ে দিনে-নিশাই কাম কৰি অসমৰ বিভিন্ন জিলালৈ গৈ ইয়াক কি ভাৱে নিয়ন্ত্ৰণ কৰিব পৰা যায় তাৰ বাবে তেখেতে সঠিক পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে। আমাৰ বৰ্তমানৰ স্বাস্থ্যমন্ত্ৰী গৰাকীয়েও বিভিন্ন জিলালৈ গৈ ইয়াৰ পৰ্য্যবেক্ষণ কৰিছে। মই তুলনা কৰিবলৈ নাযাওঁ যদিও আমাৰ ভুৱন পেগু ডাঙৰীয়াই কোৱা অনুযায়ী আমাৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত, বিশেষভাৱে দিল্লী, কেৰালা, মহাৰাষ্ট্ৰত দৈনিক যি ধৰণে মানুহৰ মৃত্যুৰ হাৰ বাঢ়িছে, কৰ'ণাত আক্ৰান্ত হৈছে, যি ধৰণে তেওঁলোকে অক্সিজেনৰ অভাৱত মৃত্যুবৰণ কৰিবলগীয়া হৈছে, আজি অসমত তেনে ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'বলৈ দিয়া নাই আৰু সেই কাৰণে আমি দেখিছো যে অসমত যিখিনি অক্সিজেনৰ প্ৰয়োজন, সেই প্ৰয়োজনীয়তাৰ উপৰিও ইতিমধ্যে আমাৰ অসমত অতিৰিক্ত অক্সিজেন মজুত আছে। আনহাতে, আমাৰ যিকেইখন চিকিৎসা মহাবিদ্যালয় হস্পিতাল আছে, সেই সমূহতো অক্সিজেন উৎপাদন প্ৰকল্প ইতিমধ্যে নিৰ্মাণ কৰা হৈছে আৰু প্ৰত্যেকখন জিলাতে যাতে অক্সিজেন উৎপাদন গোট নিৰ্মাণ কৰিব পাৰে তাৰ বাবে ইতিমধ্যে আমাৰ চৰকাৰখনে প্ৰয়াস কৰিছে। গতিকে দেখা গৈছে যে আমাৰ অসমত অক্সিজেনৰ নাটনি নহয়। যোৱাকালি আমি মিডিয়াৰ যোগেদি গম পাইছো যে জামছেদপুৰৰ পৰা ৮০ মেট্ৰিক টন অক্সিজেন ইতিমধ্যে আমিনগাঁৱত আহি পাইছে যিটো আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে receive কৰিছে। ঠিক তেনেকৈ, আমাৰ বায়ু

সেনাৰ বিমানেৰেও প্ৰায় ১০ মেট্ৰিকটন অক্সিজেন ইতিমধ্যে অসমলৈ আহিছে। গতিকে ইতিমধ্যে আমি দেখা পাইছো যে অসমত অক্সিজেনৰ অভাৱ নহ'ব। ঠিক তেনেকৈ আজি গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ অসমৰ বিভিন্ন জিলাৰ ইতিমধ্যে ক'ভিড চেণ্টাৰ স্থাপন কৰা হৈছে। ঠিক সেইদৰে অক্সিজেনযুক্ত বিচনাও ইতিমধ্যে নিৰ্মাণ কৰা হৈছে, ICU ও অতিৰিক্তভাৱে নিৰ্মাণ কৰা হৈছে। মই ভাৱো যে আজি এইখন চৰকাৰে সময়মতে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে, আজি হয়, মৃত্যুৰ হাৰ কিছু বাঢ়িছে। কিন্তু আক্ৰান্তৰ সংখ্যা কিন্তু বঢ়া নাই। আজি ১০ শতাংশৰ পৰা ৫ শতাংশলৈকে আমাৰ পজিটিভিটিৰ সংখ্যা হ্ৰাস পাইছে। গতিকে মই আশা ৰাখিছো যে এইখন চৰকাৰে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰীৰ বিচক্ষণতাৰ বাবে, তেওঁ এগৰাকী কৰ্মথ মুখ্যমন্ত্ৰী আৰু তেওঁৰ নেতৃত্বত ইতিমধ্যে নিশ্চয় আমাৰ অসমতো মই ভৰা নাই যে বেছি দিন লাগিব, খুব কম সময়ৰ ভিতৰতে এইখন চৰকাৰে ইয়াক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে নিশ্চয় সক্ষম হ'ব তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য, আপোনালোকৰ অগপ পাৰ্টীৰ তৰফৰ পৰা ২০ মিনিট আৰু দুজন বক্তব্য ৰখাৰ কাৰণে নাম দিছে। গতিকে মোক জানিব দিলে ভাল হয় যে আপোনালোকৰ শ্বেয়াৰিং কিমান?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ১০ মিনিট আৰু তেখেতৰ ১০ মিনিট।

**মাননীয় অধ্যক্ষ** ঃ তেতিয়াহ'লে আৰু আপোনাৰ ২ মিনিট আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২ মিনিটত শেষ কৰি দিম। বহুত আছিল। চাৰ, আৰু এটা মোৰ প্ৰত্যাহ্বান এই চৰকাৰৰ সন্মুখত আছে। সেইটো হৈছে যে আমাৰ যিটো অৰ্থনৈতিক অৱস্থা আজি ক'ভিড-১৯ৰ কাৰণে, আজি ক'ভিড মহামাৰীৰ কাৰণে আমাৰ অৰ্থনৈতিক অৱস্থাটো চাব লাগিব। তাক আমি কি ধৰণে পুনৰুদ্ধাৰ কৰিব পাৰো। গতিকে সেই দিশটোত নিশ্চয় আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে পদক্ষেপ লৈছে। মই ভাৱো আমাৰ যিটো অৰ্থনৈতিক অৱস্থা, এই অৰ্থনৈতিক অৱস্থাটো যাতে সুস্থিৰ হৈ থাকে। পৰৱৰ্তী সময়তো যাতে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে বিশেষভাৱে মই অনুৰোধ ৰাখিছো আৰু শেষত মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে আলফা স্বাধীনৰ যিটো সমস্যা, আজি ৪১ বছৰৰ মূৰত আমি কিন্তু কিছু আশাৰ ৰেঙণি দেখিছো। অ' এন জি চি ৰ ৰিতুল শইকীয়াক অপহৰণ কৰাৰ পিছত, মাননীয় মুখ্যমন্ত্ৰীয়ে দায়িত্বভাৰ লোৱাৰ পিছতেই যিটো আহ্বান জনাইছিল, appeal জনাইছিল, সেই appeal ৰ প্ৰতি সন্মান জনাই আমাৰ আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই ৰিতুল শইকীয়াক ইতিমধ্যে মুক্তি কৰি দিছে আৰু এটা সুখৰ কথা যে ৩ মাহৰ কাৰণে আমাৰ আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই ইতিমধ্যে যুদ্ধবিৰতি ঘোষণা কৰিছে। এইটো এটা আমাৰ সুবৰ্ণ সুযোগ। মই আশা ৰাখিছো যে খুব sincerely, খুব দক্ষতাৰে আলফাৰ যিটো শান্তি আলোচনা, এই আলোচনাটো যাতে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু আলফাৰ নেতৃত্বৰ মাজত যাতে অনুষ্ঠিত হ'ব পাৰে। তাৰ বাবে বিশেষ পদক্ষেপ ল'ব লাগে আৰু তাৰ লগতে আমাৰ বিধায়কসকলক এটা appeal কৰিব বিচাৰিছো, আমাৰ বিৰোধী দলৰ বিধায়কসকলকো অনুৰোধ জনাইছো যদি সম্ভৱ হয়, আপুনি যদি ভাৱে তেনেহ'লে অসম বিধান সভাৰ মজিয়াৰ পৰাও আমাৰ এটা আলফালৈ appeal যাব লাগে যে শান্তি আলোচনাত তেওঁলোক আগবাঢ়ি আহক আৰু অসমত শান্তি প্ৰতিষ্ঠা হ'লে অনাগত দিনত যাতে আৰু বেছি অসমৰ উন্নয়ন, বিকাশ সাধন কৰিব পাৰে আৰু লগতে

নিবনুৰা সমস্যাৰ সমাধান কৰি আমি যাতে এই ৰাজ্যখনক শান্তিৰ ৰাজ্য হিচাপে গঢ়ি তুলিব পাৰো তাৰ বাবে আজি যদি অসম বিধান সভাৰ পৰা সৰ্বসন্মতিক্ৰমে এটা appeal যায়, মই ভাৰো সেইটো এটা সময়োচিত সিদ্ধান্ত হ'ব বুলি মই ভাবিছো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**माननीय অধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। শ্ৰী পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ প্ৰস্তাৱৰ যি প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই আৰু আপোনাক মই শুভেচ্ছা জনাইছো এই কাৰণেই যে আপুনি এখন সুন্দৰ সদন লাভ কৰিছে।... আপোনাৰ প্ৰথম বক্তব্যত আছিল যে আজি মই বক্তব্য এনেকৈ ৰাখিছো, অহা কালিৰ পৰা মই গালি-গালাজ কৰিম। কিন্তু সৌভাগ্যপূৰ্ণ পৰিৱেশত এই সদনখন আৰম্ভ হৈছে। এইটো এটা শুভ ইঙ্গিত যে বহুত দিনৰ মূৰত এই সদনখন এনেধৰণে পাৰিচালিত হোৱাত আৰু বিৰোধী পক্ষই যি ইতিবাচক সঁহাৰি আগবঢ়াইছে মই সদনৰ এগৰাকী সঙ্গস্য হিচাপে বিৰোধী পক্ষৰ সদস্য সকলকো ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই গতি, এই ধাৰা যাতে সদায় থাকে। ইয়াৰ কামনা কৰিছো। এই সম্পৰ্ক এই ধাৰা ভিতৰতে নহয়, বাহিৰতো যাতে থাকে যে অসমখনৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত, অসমৰ জ্বলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত এই ধাৰা ৰখাৰ ক্ষেত্ৰত সকলোৰে দায়িত্ব পালন কৰিব বুলি আশা কৰিলো। মই প্ৰথম ১৯৯৬ চনত বিধায়ক হৈ আহিছিলো। তেতিয়া এইখন সদনত উপস্থিত থাকি যেতিয়া অনুভৱ কৰিছিলো যে সদনত আমি আহিছো বাহিৰত গুলীয়াগুলি, পৰাগ দাসৰ হত্যা হৈছিল, চীফ চেক্ৰেটাৰী, ডি জি পি, ফাইনেঞ্চ কমিশ্যনাৰ, আই জি পি অসম এৰি পলায়ন হৈছিল। এনে এক পৰিস্থিতিত অসম বিধায়ক হৈ আমি আহিছিলো। কিন্তু আজিৰ নতুন বিধায়সকল সৌভাগ্যৱান। এটা সুন্দৰ বাতাবৰণ। ৰাজ্যখনৰ সামগ্ৰীক উন্নয়নৰ কাৰণে তেওঁলোকে এই সদনত উপস্থিত হৈ তেওঁলোকে কাম-কাজ কৰিবলৈ সুবিধা পাব আৰু আমাৰ চৰকাৰৰ ফালৰ পৰাও মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনখন সুন্দৰভাৱে পৰিচালিত হ'বৰ কাৰণে যিখিনি বক্তব্য আৰম্ভণিতে ৰাখিছে যে সদনখনত বিৰোধীসকলে যি বিচাৰে যে সভা স্থগিতই হওঁক বা এই কথাখিনি বিচাৰে, জনসাধাৰণৰ স্বাৰ্থত আলোচনা কৰিবলৈ সম্পূৰ্ণ সুবিধা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছে আৰু আপুনিও এই ক্ষেত্ৰত বিধায়কসকল সন্তুষ্ট হোৱাকৈ বক্তব্য ৰাখিছে। মই এই অনুভৱ খিনি আপোনাৰ ওচৰত প্ৰকাশ কৰিছো। আজি এই কাৰণেই এই পৰিৱেশ হৈছে। যোৱা ৫ বছৰ আমাৰ যি চৰকাৰ আছিল, সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে যেনেধৰণে পৰিচালনা কৰিলে অসমখনৰ সৰ্বাঙ্গীন উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ অসমখনত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত। বড়ো ভূমিত আজি শান্তি আহিছে যে কেনেকৈ যোৱা চৰকাৰৰ দিনত সকলো উগ্ৰপন্থী সংগঠনক আলোচনাৰ মেজলৈ আনি, আজি সুন্দৰ এক পৰিৱেশ, তেওঁলোকৰ জীৱনৰ সম্পত্তি আৰু মানুহ সুৰক্ষা, সুৰক্ষিত বুলি অনুভৱ হৈছে। ঠিক তেনেকৈ এটা ইঙ্গিত যে Mother Organization অসমৰ। আমি কৈছিলো যে নৰ্থ-ইষ্টৰ Mother Organization NSCN আৰু অসমৰ Mother Organization, এইখন বিধান সভাতে বিৰোধী দলত থাকোতে তাৰ পৰা পঢ়িছিলো। তেতিয়াৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ দিনত যেতিয়া এটা পৰিৱেশ আহিছিল, আলোচনাৰ এটা পৰিৱেশ। কাৰণ শান্তি অবিহনে প্ৰগতি সম্ভৱ নহয়। শান্তি অবিহনে অসমখনৰ আমাৰ স্বাৰ্থবিলাক সুৰক্ষিত নহয়। আজি যি সুবিধা আহিছে ১৯৯১ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই পাইছিল। সেই সময়ত আলফা সংগঠনৰ শীৰ্ষ নেতৃত্বই আলোচনাৰ প্ৰতি সঁহাৰি জনাই আগবাঢ়ি আহিছিল। কিন্তু কি হ'ল আমি নাজানো। আজি মই সুখী এই কাৰণেই

আজিৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যে সাৰধানে, লাহে লাহে খোজ দিব লাগিব বুলি কৈছে। সাৰধানতা অৱলম্বন কৰিব লাগিব। ১৯৯১ চনত কিবা ভুল হৈ গৈছে নেকি? সেই কথাবিলাক বিশ্লেষণ কৰি চাব লাগিব। ১৯৯১ চনত দিল্লীলৈ লৈ গ'ল শীৰ্ষ নেতৃত্ব, আলফাৰ চেয়াৰমেনকে ধৰি আৰু তাত সময়ৰ তলব দিয়াৰ পিছতে দিল্লীৰ পৰাই নোহোৱা হৈ গ'ল। আলোচনা তাতে শেষ হৈ গ'ল। এটা ক'লা অধ্যায় আৰম্ভ হ'ল যে ভাতৃঘাতী সংঘৰ্ষ হ'ল। আলফাৰ সৃষ্টি হ'ল। মই সেইকাৰণে আজি আৰম্ভণিতেই নতুন চৰকাৰক আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো তেখেতৰ সাৰধানতা লাহে লাহে আগবাঢ়িম বুলি যি তেখেতৰ বক্তব্য প্ৰতিফলন হৈছে আমি আশা কৰিম যে সেই ক'লা অধ্যায় আমি আৰু নিবিচাৰো। স্থায়ী শান্তি আমি বিচাৰো। অসমৰ জনসাধাৰণে চাৰিটা দশক ধৰি চলি থকা এই অশান্তিৰ পৰিৰেশ দূৰ কৰি শান্তি প্ৰতিষ্ঠা হৈ আমাৰ অসম খনৰ সমস্যাবিলাক সমাধান হ'ব লাগে। জাতীয় সমস্যা যিবিলাক আছে যে এই চৰকাৰে প্ৰথম অৱস্থাতে অসম চুক্তি বিভাগৰ ৰূপায়ন মন্ত্ৰী অতুল বৰা ডাঙৰীয়া সেই শ্বহীদ ন্যাসৰ কাৰ্য্যালয়লৈ গৈ যি এক ইতিবাচক পদক্ষেপ আগবঢ়ালে তেওঁলোকেও সঁহাৰি আগবঢ়াইছে। আমি বিচৰা নাই আন্দোলন হৈ থাকক। হত্যা বা সন্ত্ৰাস হৈ থাকক, হিংসাত্মক পৰিৰেশ হৈ থাকক। শান্তিৰ এক বাতাবাৰণ সৃষ্টি কৰিবৰ কাৰণে চাৰকাৰখনে আৰম্ভণিতে যি পদক্ষেপ আগবঢ়াইছে আমি সকলোৱে সহযোগিতা আগবঢ়াম আৰু নিশ্চয় বিৰোধী পক্ষই ও এইক্ষেত্ৰত ইতিবাচক সঁহাৰি আগবঢ়াইছে। যোৱা চৰকাৰৰ আগত আমি যেতিয়া বিৰোধী পক্ষত আছিলো এইখন বিধান সভাত হত্যালীলা, গোষ্ঠী সংঘৰ্ষ, সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰতিবাদ জনাই আমি বক্তব্য ৰাখিব লগা হৈছিল। আমাৰ সৰ্বদলীয় প্ৰতিনিধিসকল বিভিন্ন অঞ্চললৈ যাব লগা হৈছিল। যোৱা চৰকাৰৰ দিনত কিন্তু এই কথাবিলাকৰ কোনো ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল। মই ও নিজে ২০০৭ চনত গুলীবিদ্ধ হৈছিলো। কিন্তু তেনেকুৱা পৰিৰেশ হোৱা নাছিল আৰু তেনেকুৱা পৰিৰেশ কেতিয়াও হ'ব নালাগে। তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এক শক্তিশালী দূৰদৰ্শিতাৰে গোটেই কথাবিলাক অধ্যয়ন কৰি এক সিদ্ধান্ত গ্ৰহণ কৰি আগবাঢ়ি যাব আৰু সদনত যিহেতু তেওঁৰ ওপৰত সকলো আস্থা আৰু বিশ্বাস ৰাখিছে। বিগত ৫ বছৰীয়া চৰকাৰৰ দিনবোৰত PWD বিভাগে যেনেকৈ আন্তঃগাঁথনি গঠন কৰি ৰাস্তা-ঘাটৰ পৰিৰেশ উন্নত কৰিলে, বিত্ত বিভাগত বিত্তীয় শৃঙ্খলা আনিলে, সেইদৰে স্বাস্থ্য বিভাগ, শিক্ষা বিভাগত যিদৰে উন্নয়ন আনিলে আৰু আমি বিচাৰিছো এই গৰাকী মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি ভাৰবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'লে আমি নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমি সঠিক পৰিকল্পনাৰে আগবাঢ়িব লাগিব। অসমত ২৫ লাখৰ ওপৰত নিবনুৱাক সংস্থাপিত কৰিবৰ কাৰণে বহিঃৰাজ্যলৈ গৈ থকা লাখ লাখ নিবনুৱাই সংস্থাপনৰ আশাত যিদৰে হাবু-ডাবু খাইছে আৰু তেওঁলোকক আত্মনিৰ্ভৰশীল কৰিবৰ কাৰণে দূৰদৰ্শীতাৰ পৰিকল্পনা লৈ চৰকাৰে আগবঢ়াক। অৰ্থনৈতিক ভেটি যদি শক্তিশালী নহয়, তেতিয়াহ'লে আমি দেশৰ ভিতৰত ৫ খন ৰাজ্যৰ ভিতৰত এখন হোৱাটো কেতিয়াও সম্ভৱ নহয়। অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবলৈ আমি আত্মনিৰ্ভৰশীল অসম গঠন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যি আত্মনিৰ্ভৰশীল ভাৰত আৰু আত্মনিৰ্ভৰশীল অসমৰ এই পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত আত্মনিৰ্ভৰশীল অসমৰ কাৰণে নিবনুৱাসকলক সংগঠিত ৰূপত আমি উৎপাদন কৰিবৰ কাৰণে কৃষিপ্ৰধান ৰাজ্যখনত কৃষি কৰ্মৰ জৰিয়তে অৰ্থনৈতিক এটা পৰিৱৰ্তন আনিবৰ কাৰণে আৰু কাম কৰিবলৈ লাজ নোহোৱা এটা পৰিৰেশ সৃষ্টি কৰিবৰ কাৰণে চৰকাৰে ধৰা আঁচনিসমূহ কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰ আৰু জনসাধাৰণৰ সাঁকো স্বৰূপ বিষয়া-কৰ্মচাৰী। মই যিহেতু এই ক্ষেত্ৰত বাস্তৱ অভিজ্ঞতা আহৰণ কৰিছো আৰু দেখিছো যে নিবনুৱা

সকল আগবাঢ়ি আহে। কিন্তু কাম কৰিবলৈ যাওঁতে একাংশ চৰকাৰী বিষয়াই অনীহা বা তেওঁলোকৰ অৱহেলাৰ কাৰণে বহু চৰকাৰী আঁচনি সফল নহয়। সেয়েহে এইবাৰ আমি আশা কৰিম যে আমাৰ মন্ত্ৰীসকল ফিল্ডত গৈ যি বিভাগৰ কৰ্মচাৰীয়ে চৰকাৰী আঁচনিসমূহ সফল কৰিবলৈ কাম-কাজ নকৰে আৰু যিসকল কৰ্মচাৰীয়ে অৱহেলা কৰে আৰু যিসকল বিষয়াই নিবনুৱাক উপযুক্ত সন্মান আৰু কাম কৰাৰ পৰিৱেশ দিব নিবিচাৰে তেওঁলোকৰ ওপৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি আৰু অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবলৈ আৰু আমাৰ যাতে খাদ্য-সামগ্ৰী বাহিৰৰ পৰা আহিবলগীয়া নহয়, বিভিন্ন সমীক্ষাত দেখিছো আৰু এই ক্ষেত্ৰত মই নিজেও লাগি আছো, প্ৰায় ২৮ শতাংশ ছাগলী মাংস আমাৰ ইয়াত উৎপাদন হয়। ২৪ শতাংশ গাহৰি মাংস ইয়াত উৎপাদন হয়। তেনেকৈ গাখীৰ টেংকাৰে টেংকাৰে বাহিৰৰ পৰা আহি আছে। গতিকে এই কথাবিলাক আমি কৃষি বিপ্লৱ সংগঠিত ৰূপত, অৰ্থনৈতিক বিপ্লৱ আমি কৰিব লাগিব। তাৰ কাৰণে মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি কাম-কাজ আৰু সকলো বিষয়া আৰু কৰ্মচাৰীক লগত লৈ বিধায়কসকল ফ্ৰণ্টত থাকো তেতিয়া যি বিষয়া-কৰ্মচাৰীৰ অনীহা বা যি সকলে কাম কৰিবলৈ ইচ্ছা নকৰে আৰু কৰ্ম-সংস্কৃতিৰ পৰিৱেশ উন্নত কৰিবৰ কাৰণে আমি কাম-কৰিব লাগিব। আমাৰ ২০১৬ চনৰ আগৰ চৰকাৰৰ দিনত আমি দেখিছিলো যে কৰ্ম-সংস্কৃতিৰ হ্ৰাস হৈছিল আৰু দুৰ্নীতি বৃদ্ধি হৈছিল। কিন্তু বিগত ৫ বছৰত আমি দেখিছো যে কৰ্ম-সংস্কৃতি উন্নত হৈছে। এই গতি আৰু ত্বৰান্বিত কৰিব লাগিব। যোৱা ৫ বছৰত NRC ৰ কাম-কাজত বিষয়া-কৰ্মচাৰীসকল জড়িত হোৱাত উন্নয়নমূলক কাম-কাজত কিছু ক্ষতি হৈছে আৰু CAA আন্দোলনেই হওঁক বা ক'ভিড-১৯ ৰ কাৰণে কাম কৰাৰ ক্ষেত্ৰত কিছু হেঙাৰ হৈছে। এইবাৰ যাতে কাম কৰাৰ ক্ষেত্ৰত কোনো হেঙাৰ নাহেতাৰ কাৰণে সকলোৱে আমি যিখিনি কৰিবলগীয়া আছে সেইখিনি সকলো বিধায়কে কৰি যাতে অসম খনক দেশৰ ভিতৰত শ্ৰেষ্ঠ কৰিবলৈ আমি সকলোৱে কাম-কাজ কৰো তেন্তে বিৰোধী আৰু শাসকীয় সকলো মিলিজুলি যুক্তিৰে গোটেই কথা বিলাক যাতে আমি আগুৱাই লৈ যাওঁ আৰু শেষত মই মাননীয় মুখ্যমন্ত্ৰীক আহ্বান জনাম যে যিটো উচ্ছেদ অভিযান কৰি থাকিবলগীয়া হয়, সেইটো যাতে কৰিবলগীয়া নহয়। য'ত মানুহ ক্ষতিগ্ৰস্ত হৈছে, বানপানী হৈছে, আৰু গড়াখহনীয়া হৈছে সেই ঠাইতে যাতে তেওঁলোকৰ সংস্থাপন কৰিব পৰা যায় নে নাযায় সেইটো চোৱা দৰকাৰ। বানপানীত ক্ষতিগ্ৰস্ত হোৱা বুলি য'ৰ-ত'ৰ পৰা গৈ মানুহে যাতে বে-আইনীভাৱে য'তে-ত'তে মাটি দখল কৰিব নোৱাৰে এই ক্ষেত্ৰতো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰু আমাৰ চৰকাৰখনে এটা দূৰদৰ্শী চিন্তা আৰু বিবেচনা কৰি এটা ভাল পদক্ষেপ ল'বলৈ আহ্বান জনাইছো। গতিকে এইখিনি কৈ মই আশা কৰিম এই যে ধাৰা আৰম্ভ হৈছে এই ধাৰা ভিতৰে-বাহিৰে আৰু সদায় যাতে আমাৰ এই সদনখনৰ গৰিমা বৃদ্ধি কৰিবৰ কাৰণে ৰাইজৰ আস্থা আৰু বিশ্বাস কৰিবৰ কাৰণে কাম কৰি যাওঁ আৰু সেই আশাৰে পুনৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ অনা হৈছে, তাক মই সমৰ্থন কৰি কিছু কথা ক'ব বিচাৰিছো। মহামান্য ৰাজ্যপালৰ ভাষণত এইবাৰ প্ৰকাশ পাইছে যে আমাৰ অহা অধিৱেশনত এখন "Cow Protection Bill" উপস্থাপন কৰা হ'ব। খুব ভাল লাগিছে শুনি যে ভাৰতৰ কেইবাখনো ৰাজ্যত ইতিমধ্যে এই বিলখন আছে আৰু অসমতো অহা বিধান সভাত এই বিলখন উপস্থাপন কৰা হ'ব। ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্য অৰুণাচল প্ৰদেশ, অসম, গোৱা, কেৰেলা, মিজোৰাম, মেঘালয়, মণিপুৰ

, নাগালেণ্ড, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গ এই ৰাজ্যকেইখনৰ বাহিৰে সকলো ৰাজ্যতে বিভিন্ন ৰূপত এই Protection Bill খন আছে। আমাৰ Anti Cow Protection Bill নহয়। কিন্তু "Cow Protection Bill" বুলিয়েই কোৱা হৈছে আৰু এটা কথা দেখা যায় যে যেতিয়াই "Cow Protection Bill" ৰ কথা আহে এচাম লোকে তাত এটা communal ভাৱ এটা সোমোৱাই দিব বিচাৰে যে আমাৰ হিন্দুসকলে বা বিজেপিয়ে এই বিলখন সদায় পোষকতা কৰি আহিছে। কিন্তু এই Cow Protection ৰ কাৰণে প্ৰথম আন্দোলন হৈছিল ১৮৬০ চনত। শিখ সকলে এটা আন্দোলন কৰিছিল যে আমাৰ (গো) Cow Protection হ'ব লাগে। তাৰ পিছত ১৯৫৫ চনত সংসদত কংগ্ৰেছৰ সাংসদ গোবিন্দ সিঙে এখন বিল আনিবলৈ চেষ্টা কৰিছিল। কিন্তু যিখন বিল ৯৫/১২ টা ভোটৰ ব্যৱধানত পাচ নহ'ল। আজি আমাৰ গৰুক সংস্কৃতত 'গো' বুলি কয়। গো মাতা বুলিও কোৱা হয়। এইটো আচলতে আমাৰ পৰম্পৰা বা এটা লোক বিশ্বাস আৰু মই ভাৱো যে লোক বিশ্বাসটো এই কাৰণে আমাৰ শ শ বছৰৰ আগতে অনা হৈছিল যাতে গৰুৰ যি অভাৱনীয় উপযোগিতা, সেই উপযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি যেন আমি গৰুবোৰ শেষ কৰি নেপেলাওঁ আৰু ই যাতে বাচি থাকে সেয়েহে গৰু জাতিটোক ধৰ্মীয় ভিত্তিলৈ আনি ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে চেষ্টা কৰিছিল। যেনেধৰণে আমি দেখা পাওঁ যে ডাঙৰ ডাঙৰ গছবোৰ যেনে-বৰ গছ, জৰি গছ। আমাৰ গছ-গছনিবোৰৰ বেপাৰ কৰা মানুহ বহুত আছে। বহু গছ-গছনি কাটি শেষ কৰি দিছে। কিন্তু দেখা যায় যে ডাঙৰ ডাঙৰ জৰি গছ, ডাঙৰ ডাঙৰ বৰগছ, এই গছবোৰ কিন্তু নাকাটে। এজোপা গছ ডাঙৰ হ'লেই তাত মানুহে ৰঙা কাপোৰ এখন মেৰাই দিয়ে আৰু তাত এটা লোক বিশ্বাস আৰম্ভ হয় যে এই গছ জোপাত দেৱতা আছে আৰু বা ডাঙৰীয়া আছে। সেইটো এটা ভাল পৰম্পৰা এই কাৰণেই যে কোনো লোকে বৰ গছ বা জৰি গছৰ ডাল এটাও কাটিবলৈ সাহস নকৰে। সেই কাৰণে ডাঙৰ ডাঙৰ গছবিলাক এতিয়া গোটেই অসমত দেখা যায়। আৰু ই আমাক প্ৰচুৰ পৰিমাণে অক্সিজেন দিয়ে। সেই কাৰণে এতিয়াও সেইলোক বিশ্বাসটো যে আছে গো আমাৰ মাতা, গোৰ পৰা আমি বহুত লাভ কৰো। আমি গৰুক যিমান দিওঁ, গৰুৱে আমাক বহু বেছি দিয়ে। সেই কাৰণে এইটো কোনো ধৰ্মীয় বান্ধোনত আহি এই আইনটো আনিব বিচৰা নাই।

সেইকাৰণে কোনো ধৰ্মীয় বান্ধোনত এই আইনখন আনিব বিচৰা নাই যে গৰু আমাক লাগে। গৰুৰ Transportation টো বন্ধ কৰিবৰ কাৰণে এই আইনখন আনিব বিচৰা হৈছে। গৰু বুলিলে বহু লোকে অকল ভাৱে যে গৰুৱে গাখীৰ দিয়ে। কিন্তু গৰুৰ গাখীৰতকৈ যিটো waste যেনে - গোমূত্ৰ, গোবৰ সেইবিলাক বেছি উপকাৰী। আজি বাবা ৰামদেৱৰ পতঞ্জলী নামৰ যিবিলাক দোকান আছে তাত ১০০ গ্ৰাম গোমূত্ৰৰ দাম ৪৫ টকা, ১ লিটাৰ গাখীৰৰ দাম ৫০ টকা। ইয়াৰ উপৰিও গোবৰ কেৱল সাৰৰ বাবে ব্যৱহাৰ নকৰে। গোবৰ সাৰত কৰা শাক-পাচলিৰ যথেষ্ট চাহিদা আছে। গোবৰৰ পৰা কিছুমান কাঠি বনায় যিটো আমি গুজৰাটৰ উজ্জৈইনত যাওঁতে দেখিছিলো যিটোৱে খৰিৰ নিচিনা কাম কৰে। খৰিৰ নামত আমাৰ বহুত গছ-গছনি কটা হৈছে। ইয়াৰ উপৰিও এজন মৃত ব্যক্তিৰ সৎকাৰতো যথেষ্ট খৰি কটা যায়। গতিকে আমি যদি এই গোবৰৰ Industry বনাব পাৰো তেতিয়া গছ কটাটো বন্ধ হ'ব আৰু গৰুৰ গোবৰ খিনিও কামত আহিব। তেনেধৰণে ঘিউ,বাটাৰ আদিৰ দাম যথেষ্ট বেছি। গতিকে গৰুৱে আমাৰ ইমান বেছি উপকাৰ কৰি আহিছে। যোৱাকালি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে অক্সিজেনৰ ট্ৰেইন এখন নিজে receive কৰিছিলে ক'ভিড আক্ৰান্ত সকলৰ কাৰণে। তাৰবাবে তেখেতলৈ ধন্যবাদ। কিন্তু আমি কিমান অক্সিজেন পাওঁ প্ৰকৃতিৰ পৰা। মই জনামতে এজন মানুহে প্ৰতিদিনে ১ কোটি মূল্যৰ অক্সিজেন প্ৰকৃতিৰ পৰা পাওঁ। গতিকে এই

গৰুৰ লগত প্ৰকৃতি জড়িত হৈ আছে। কিয়নো এই গোবৰে প্ৰকৃতিক ৰক্ষা কৰিব পাৰে। সেইকাৰণে অসমৰ পৰা যাতে কোনো গৰু বাহিৰলৈ যাব নোৱাৰে আৰু বিহাৰ, পশ্চিমবঙ্গ বা উত্তৰ প্ৰদেশৰ পৰা গৰু আহে আৰু সেই গৰু নৃশংসভাৱে বাংলাদেশলৈ পাৰ কৰি দিয়া হয় এই অবৈধ ব্যৱসায়টো সম্পূৰ্ণৰূপে বন্ধ হ'ব লাগে। বহু লোকে এই অবৈধ ব্যৱসায় কৰি কোটি টকা উপাৰ্জন কৰিছে। গৰুৰ লগত যিহেতু আমাৰ এটা ধৰ্মীয় সম্পৰ্ক আছে সেয়েহে যিবিলাক হিন্দুপ্ৰধান অঞ্চল তাত যাতে গো-হত্যা কৰি ওলোমাই ৰাখিব নোৱাৰে বা cosmopolitan city সমূহৰ হোটেলসমূহত মুকলিকৈ যাতে গো-মাংস বিক্ৰী হ'ব নোৱাৰে সেইটো বন্ধ হ'ব লাগে। এই আইনখনে এই সমূহ সামৰি ল'ব। বহুতে এই ক্ষেত্ৰত ক'ব পাৰে যে আমাৰ জীৱিকা যাব। কিন্তু অসমত জীৱিকাৰ কাৰণে কোনো সমস্যা নাই। আজি অসমলৈ প্ৰতিদিনে ২৫ ৰ পৰা ৩০ লাখ কণী বাহিৰৰ পৰা আমদানি হয়। ২০ হাজাৰৰ পৰা ৩০ হাজাৰ কেজি মাছ বাহিৰৰ পৰা অসমলৈ আহে। কুকুৰা পোহাটোও কোনো ডাঙৰ কথা নহয় কাৰণ আমাৰ ইয়াত technology আছে। মোৰ সমষ্টি খুমটাইত যথেষ্ট জলাশয় আছে। সেই সমূহত যদি আমি scientifically মাছৰ খেতি কৰো তেতিয়া গোলাঘাট আৰু যোৰহাট এই দুখন জিলাত মাছৰ চাহিদা পূৰণ কৰিব পাৰিম। আমাৰ ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে যে আত্মনিৰ্ভৰ অসম। মই ভাৱো এই আত্মনিৰ্ভৰ অসমত সকলো দিশ সামৰি লোৱা হ'ব আৰু সঁচাকৈ অসম আত্মনিৰ্ভৰশীল হৈ থাকিব। আজি যাতে অসমীয়া যুৱক-যুৱতী সকল সংস্থাপনৰ কাৰণে য'তে-ত'তে ঘূৰি ফুৰিব লগা নহয় তাৰবাবে আমাৰ এই চৰকাৰখনে বিহীত ব্যৱস্থা ল'ব বুলি মই আশা ৰাখিছো আৰু আমাৰ যি দক্ষ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আছে তেখেতেও এইবিলাক কথা চিন্তা কৰিছে। তাৰ জৰিয়তে আমি সকলোৰে আত্মনিৰ্ভৰশীল হৈ উঠিম বুলি আশা ৰাখি সকলোকে ধন্যবাদ জনাই মোৰ ধন্যবাদসূচক প্ৰস্তাৱ সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ভৰত নৰহ।

**শ্ৰী ভৰত নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই সদনত দাখিল কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাৰ তীব্ৰ বিৰোধিতা কৰিছো। কাৰণ অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ প্ৰকৃত পৰিস্থিতিৰ বিষয়ে ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। এতিয়া আমাৰ ৰাজ্যখন খুব জটিল পৰিস্থিতিৰ মাজত আছে। প্ৰতিদিনে ৭২ ৰ পৰা ৯০ জন মানুহৰ মৃত্যু হৈছে। প্ৰতিদিনে ৫৫০০ ৰ পৰা ৬০০০ মানুহ ক'ৰণাত আক্ৰান্ত হৈছে। কিন্তু এনেকুৱা এটা পৰিস্থিতিৰ মাজত আমাৰ এই পঞ্চদশ অধিৱেশন অনুষ্ঠিত হৈছে আৰু ৰাজ্যপালৰ ভাষণ ইয়াত দাঙি ধৰা হৈছে। এই ভাষণত অতিমাৰী ক'ভিড -১৯ ৰ ওপৰত যেনেদৰে বিতং তথ্য দিব লাগিছিল সেয়া দিয়া হোৱা নাই। আপোনালোকে প্ৰথম আৰু দ্বিতীয় পৃষ্ঠা চালে দেখিব মাত্ৰ দুটা পেৰেগ্ৰাফ। প্ৰথম পেৰেগ্ৰাফত দিছে ICU বিছনা, অক্সিজেন বিছনা, ক'ভিড কেয়াৰ চেন্টাৰ বৃদ্ধি কৰাৰ বাবে পদক্ষেপ লৈছে। দ্বিতীয় পেৰেগ্ৰাফত দিছে এই অতিমাৰীৰ মাজত টিকাকৰণে এক আশাৰ ৰেঙণি আনিছে। এতিয়া ৪৫ বছৰৰ ওপৰৰ আৰু ১৮ ৰ পৰা ৪৫ বছৰ বয়সৰ লোক সকলক বিনামূলীয়া প্ৰতিযেধক দিয়া হ'ব। কিন্তু ছাৰ, বিশেষকৈ ইয়াত যিহেতু ক'ভিড-১৯ ৰ গণসংক্ৰমণ চলি থকাৰ মাজত অধিৱেশনখন হৈছে আমি যিহেতু ৰাইজৰ প্ৰতিনিধি সেয়েহে ৰাজ্যপালৰ ভাষণত আমি গম পাব লাগিছিল যে প্ৰতিদিনে কিমান মানুহ আক্ৰান্ত হৈছে, কিমান মানুহ মৃত্যু হৈছে, কিমান মানুহ চিকিৎসাধীন হৈ আছে, কিমান মানুহে online booking কৰিছে, vaccine কিমান মানুহক

দিয়া হৈছে আজিলৈকে, vaccine কিমান মজুত আছে, কিমান vaccine order দিয়া হ'ল, কেতিয়া আহি পাব, কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী হৰ্ষবৰ্দ্ধণৰ লগত কি আলোচনা হৈছে, তেওঁ কি প্ৰতিশ্ৰুতি দিছে ইয়াত সেইবিলাক একো উল্লেখ নাই। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আগতে স্বাস্থ্যমন্ত্ৰী আছিল। যেতিয়া ক'ভিড-১৯ ৰ প্ৰথম ঢৌ আহিছিল তেতিয়া তেওঁ যথেষ্ট তৎপৰতা দেখুৱাইছিল। বি জে পি চৰকাৰ এইবাৰ দ্বিতীয়বাৰৰ বাবে আহিছে তাৰে ৫ টা কাৰণৰ ভিতৰত এইটো এটা অন্যতম কাৰণ। কিন্তু এইবাৰ তেওঁ মুখ্যমন্ত্ৰী হোৱাৰ পিছত ৰাইজে তেখেতৰ পৰা আৰু বেছি আশা কৰিছিলে। ছাৰ, আগতেও মই যেতিয়া কেবিনেট মন্ত্ৰী আছিলো তেতিয়া জানিছিলো ৰাজ্যপালৰ ভাষণটো printing কৰাৰ আগতে মাননীয় মুখ্যমন্ত্ৰীৰ অনুমোদন লয়। গতিকে মাননীয় মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভাষণটো আগতে ভালদৰে পঢ়িছিলেনে নাই তাত মোৰ সন্দেহ হৈছে। কিন্তু মুখ্যমন্ত্ৰীৰ অনুমোদন নোহোৱাকৈ ৰাজ্যপালৰ ভাষণটো printing কৰিব নোৱাৰে আৰু দাখিল কৰিব নোৱাৰে। গতিকে মোৰ এনেকুৱা এটা ধাৰণা হৈছে যে মুখ্যমন্ত্ৰী জনে খুব বেছি election ৰ কামত ঘূৰি ফুৰা কাৰণে তেওঁ ভাগৰুৱা হৈছে বা অন্যমনস্ক হৈছে। নহ'লে তেওঁৰ পৰা আমি এইটো আশা নকৰো। এতিয়া ৩ কোটি ৩০ লাখ মানুহক এপালিকৈ vaccine দিবলৈ হ'লে ৩ কোটি ৩০ লাখ vaccine লাগে আৰু দুপালিকৈ vaccine দিবলৈ হ'লে ৬ কোটি ৬০ লাখ লাগিব। এতিয়া প্ৰতিদিনে কিমান শতাংশ লোকক দি আছে? বৰপেটাত ১৫ লাখতকৈ বেছি মানুহ আছে আপোনালোকৰ ৰিপোৰ্ট মতে। তাত এতিয়ালৈকে মাত্ৰ ৯৪,৪০০ মানুহক testing কৰা হৈছে। যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰবাত কৈছে যে প্ৰতিদেনে ১ লাখ মানুহক testing কৰা হৈছে। ১ লাখ মানুহক প্ৰতিদিনে testing কৰোতে ৫,৫০০ লোক positive ওলাইছে। যদি ২ লাখ মানুহক প্ৰতিদিনে testing কৰা হয় তেতিয়া প্ৰতিদিনে ১৫ হাজাৰ লোক positive হ'ব। এতিয়া বৰপেটা জিলাৰ মাত্ৰ ৯৪,৪০০ মানুহকহে testing কৰা হৈছে। আপোনালোকৰ পৰা ৰাইজে আৰু বেছি আশা কৰিছিলে দ্বিতীয়বাৰ অহা কাৰণে। কিন্তু যিদিনা আপোনালোকৰ বিত্তীয় মন্ত্ৰী গৰাকীয়ে অৰুণোদয় আঁচনিৰ বাবে ৩০০ কোটি মুকলি কৰি দিলে সেই বাতৰিটো শুনি আটাইকৈ বেছি দুঃখ লাগিল কাৰণ vaccine কিনিবলৈ চৰকাৰৰ পইচা নাই, vaccine কিনিবলৈ চৰকাৰে বিজ্ঞাপন দিবলগীয়া হৈছে, ৰাইজৰ পৰা donation বিচাৰিছে। এই বিজ্ঞাপনটো মই লৈ আনিছো। তাত লিখা আছে ক'ভিড-১৯ ৰ কাৰণে আন্তঃগাঁথনি নিৰ্মাণ, vaccine আদিৰ কাৰণে আপোনালোকে ৰাইজৰ পৰা বৰঙণি বিচাৰিছে। বিজ্ঞাপনটো দিছে Government of Assam, Office of the Chief Minister ৰ ফালৰ পৰা। বিজ্ঞাপনটোত লিখিছে এনেদৰে- "এই সংকটৰ মুখামুখি হ'ব পৰাকৈ আমাৰ সামৰ্থ্য বৃদ্ধিৰ বাবে উদাৰচিত্তে বৰঙণি আগবঢ়াবলৈ মই আপোনালোকক অনুৰোধ জনাব খোজো।" vaccine কিনিবলৈ, অক্সিজেন কিনিবলৈ আপোনালোকৰ সামৰ্থ্য কম কাৰণে ৰাইজৰ পৰা বৰঙণি বিচাৰিছে কিন্তু অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক দিবলৈ ৩০০ কোটি টকা মোকলাই দিছে। হয়, আমাৰ আন আন সমস্যাও আছে। সেইবিলাকো আমি চাব লাগিব। কিন্তু মাইক্ৰোফাইনেঞ্চ ঋণটো আপোনালোকে কি দুদিনমান পিছুৱাব নোৱাৰে নেকি ক'ভিড -১৯ ৰ কাৰণে? এতিয়া মানুহৰ জীৱন মৃত্যুৰ কথা চলি আছে। আপোনালোকৰ প্ৰথম কেবিনেট মিটিঙত অৰুণোদয় আঁচনি আৰু মাইক্ৰোফাইনেঞ্চ ঋণৰ বিষয়ে অলোচনা হৈছে। যিটো সময়ত আপোনালোকে অক্সিজেনৰ বিষয়ে বা vaccine ৰ বিষয়ে আলোচনা কৰিব লাগে এতিয়া মাইক্ৰোফাইনেঞ্চ আৰু হিতাধিকাৰীৰ ওপৰত আলোচনা কৰিছে। আপোনালোকৰ মাজত প্ৰথম কেবিনেটত আলোচনা হ'ব লাগিছিল

যে ক'ভিড -১৯ত মৃত্যু হোৱা লোকৰ পৰিয়ালক কিমান টকা ক্ষতিপূৰণ দিয়া হ'ব বা এই পৰিস্থিতিৰ বাবে যিসকল উদ্যোগী বা ব্যৱসায়ীৰ ক্ষতি হৈছে তেওঁলোকক কিমান ক্ষতিপূৰণ দিব আৰু কেতিয়া দিব? এই পৰিস্থিতিত যিসকল খেতিয়কে তেওঁলোকৰ পাচলিসমূহ বিক্ৰী কৰিব পৰা নাই বা কম দামত বিক্ৰী কৰিবলগা হৈছে তেওঁলোকক চৰকাৰে কি ক্ষতিপূৰণ দিব? মই ভাবোঁ অসম চুক্তিও লাগে। অসম চুক্তিৰ বিষয়ে এমাহৰ পিছত আলোচনা কৰিলেও হ'ব। কিন্তু অসম চুক্তিৰ লগতে কৃষি মন্ত্ৰী অতুল বৰাই শ্বহীদ ভৱনত গৈ অসম চুক্তিৰ বিষয়ে আলোচনা কৰাতকৈ নলবাৰী বা গোলাঘাটৰ কৃষকসকলক যদি লগ কৰি তেওঁলোকৰ লোকচানৰ বিষয়ে আলোচনা কৰিলে বেছি ভাল হ'লহেঁতেন নেকি? সকলো মানুহে জীয়াই থাকিব বিচাৰে। আজি যে অক্সিজেন ৰাজ্যসমূহত বিতৰণ কৰিছে কাক কেনেকৈ বিতৰণ কৰিব সেইটো কেন্দ্ৰীয় চৰকাৰে বিতৰণ কৰা নাই, তাৰবাবে Supreme Court য়ে এটা task force গঠন কৰি দিছে কোন ৰাজ্যত কিমান অক্সিজেন বিতৰণ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত ল'ব নোৱাৰিলে। ভাৰতৰ ৮ খন High Court য়ে হস্তক্ষেপ কৰি ক'ত কিমান vaccine আৰু অক্সিজেন বিতৰণ কৰিব লাগে সেয়া নিৰ্দ্ধাৰিণ কৰিছে। আমাৰ পঞ্চায়ত মন্ত্ৰীজন বিজেপি পাৰ্টিৰ প্ৰেচিডেন্ট। মাজতে RSS প্ৰধান মোহন ভাগৱতে যোৱা ১ সপ্তাহৰ আগতে বক্তৃতা এটা দিছিল। আপোনালোকক support কৰা out look বুলি এখন magazine আছে তাত এটা article ওলাইছিল "Missing" বুলি। তাত কি লিখিছিলে সেইটো এবাৰ পঢ়ি চাব। সেইকাৰণে এতিয়া ক'ভিড -১৯ য়ে সৃষ্টি কৰা পৰিস্থিতিৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৫০ কোটি টকা আৰোগ্য নিধি লৈ দিছে। এইটো এটা আদৰণীয় পদক্ষেপ হাতত লৈছে। এতিয়া আপোনালোকে যদি ক'ভিড -১৯ ৰ ওপৰত আলোচনা নকৰি বেলেগ বিষয়ত আলোচনা কৰি থাকে, আমাৰ এটা নীতি বচন আছে যে ৰোম জ্বলি থাকোতে ৰজা নেৰুৱে বাঁহী বজাই আছিল। গতিকে ৰাইজে বিচাৰিছে আপোনালোকে ক'ভিড -১৯ ওপৰত আলোচনা কৰক। এতিয়া vaccine ৰ বাহিৰে বিকল্প নাই।

অধ্যক্ষ মহোদয়, এতিয়া উচ্ছেদৰ নামত সংখ্যালঘু লোকসকলৰ ওপৰত অত্যাচাৰ বন্ধ কৰিব লাগে। মাজতে আপোনালোকে চতিয়াত উচ্ছেদ চলালে। সেই গোটেইবিলাক ভাৰতীয় নাগৰিক। ১৯৫২ চনৰ ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছে। ১৯৭১ৰ ভোটাৰ তালিকাতো তেওঁলোকৰ নাম আছে আৰু ২০১৯ চনৰ NRC তো তেওঁলোকৰ নাম আছে। উদাহৰণস্বৰূপে মই এটা নাম দিছো হুদা নেৱাছ। তেখেতৰ ১৯৫২ চনৰ ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছে। ১৯৭১ৰ ভোটাৰ তালিকাতো তেওঁলোকৰ নাম আছে আৰু ২০১৯ চনৰ NRC তো তেওঁলোকৰ নাম আছে আৰু তেওঁ ভাৰতীয় নাগৰিক। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে ৰজাৰ কোনো জাতি আৰু ধৰ্ম নাথাকে। ৰজাই সকলোকে সমান চকুৰে চাব লাগে। আমাৰ শিক্ষামন্ত্ৰী পেগু ডাঙৰীয়া ইয়াত আছে। লগতে ভুৱন পেগু ডাঙৰীয়া ইয়াত আছে, আপোনালোকে সদায় সম বিকাশ আৰু সম অধিকাৰৰ কথা কয়। গতিকে সকলোকে সমান অধিকাৰ দিয়ক। প্ৰাক্তন প্ৰধান মন্ত্ৰী মাননীয় অটল বিহাৰী বাজপেয়ীয়ে গুজৰাটৰ গান্ধী নগৰত যেতিয়া গোষ্ঠী সংঘৰ্ষ হৈছিল তেওঁ কৈছিল যে ৰাজ ধৰ্ম পালন কৰিব লাগিব। মুখ্যমন্ত্ৰী আৰু চৰকাৰে সদায় ৰাজ ধৰ্ম পালন কৰিব লাগে। সকলো মানুহকে আপোনালোকে একেলগে লৈ আগবাঢ়িব লাগিব। আজি যে আপোনালোকে ইয়াত ৰাজ্যপালৰ ভাষণত কৈছে আমি স্বাৱলম্বী হ'ম, আত্মনিৰ্ভৰশীল হ'ম আমাৰ খুমটাইৰ বিধায়কগৰাকীয়ে কৈছে। গতিকে আপোনালোকে ভাৱে নেকি যে আপোনালোকে অকলে স্বাৱলম্বী হ'ব পাৰিব, আত্মনিৰ্ভৰশীল হ'ব পাৰিব আমি যদি সমৰ্থন নকৰো। আমি যদি একেলগে

কাম নকৰো। শতকৰা ৭০ শতাংশ মানুহ খেতিয়ক অসমত। তাৰে শতকৰা ৩৫ শতাংশ মানুহ চৰ অঞ্চলত বসবাস কৰে। চৰ অঞ্চলত বসবাস কৰা এই খেতিয়কসকলৰ প্ৰধান জীৱিকাই হ'ল কৃষি। অসমৰ খাদ্য শষ্য উৎপাদনত তেখেতসকলৰ গুৰুত্বপূৰ্ণ ভুমিকা আছে। ৫২ চনৰ ভোটাৰ তালিকাত তেওঁলোকৰ নাম আছে। ৫২ চনৰ এন আৰ চিত তেওঁলোকৰ নাম আছে। ৭১ চনৰ ভোটাৰ তালিকাত নাম আছে। ২০১৯ তেওঁলোকৰ এন আৰ চিত নাম আছে। সেই মানুহবিলাকক আপোনালোকে বিশ্বাসত ল'ব লাগিব। তেওঁলোক ভাৰতীয় নাগৰিক, তেওঁলোক অসমীয়া, তেওঁলোক ন-অসমীয়া, এইটো মই কোৱা কথা নহয়। অলপতে আমাৰ মাজৰ পৰা আতৰি যোৱা হোমেন বৰগোঁহাই, তেখেতৰ নিচিনা বিশিষ্ট সাহিত্যিক, ডাঙৰ ডাঙৰ সাহিত্যিকসকলে সেইবিলাক কৈছে। সেই মানুহবিলাক অকল ব্ৰিটিছৰ দিনৰ নহয়। আহোমে অসমলৈ কেতিয়া আহিছে ১২২৮ চনত আৰু প্ৰথম সেই চৰ এলেকাত বসবাস কৰা মানুহবিলাকৰ যে পূৰ্বপুৰুষ অসমত কেতিয়া আহিছে। আহোমতকৈ ১২ বছৰ আগতে তেওঁলোক আহিছে ১২০৬ চনত। ১২০৬ চনতে তেওঁলোকৰ পূৰ্বপুৰুষ প্ৰথমে আহিছে। তাৰ পাছতে আহোমসকল আহিছে ১২২৮ চনত। এইটো বৃটিছৰ দিনত এতিয়াৰ নহয়। তেতিয়া অসম বিধান সভা আছিল চিলঙত, তাত অসম চৰকাৰ আছিল। বৃটিছৰ দিনত অসম চৰকাৰৰ কেবিনেটে সিদ্ধান্ত লৈছে, চিলঙত অসম বিধান সভা থাকোতে ডিবেট হৈছে, বিধান সভাত পাচ হৈছে। এই মানুবিলাকক আমাৰ অসম চৰকাৰে আনিছে, অসম চৰকাৰে সংস্থাপন কৰিছে। এতিয়া সেই কাৰণে মই ভাবো আপোনালোকে এন আৰ চিত শতকৰা ২০ শতাংশ আৰু ১০ শতাংশ reverification কৰি এন আৰ চিৰ Chapter টো close কৰক।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্যগৰাকীক ক'বলৈ দিয়ক আৰু গোটেই কথাবিলাক গুৰুত্বপূৰ্ণ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে request ত Governor Speechatio ত আমি মনে মনে থাকি এটা পৰম্পৰা সৃষ্টি কৰিলো। আপুনি যোৱা পৰহি আমাক এই কথাবিলাক ক'লে। আৰু যদি তেনেকে টিপ্পনী দি থাকে, কোনোবা মন্ত্ৰীয়ে বক্তৃতা দি থাকোতে আমিও টিপ্পনী দি থাকো সদন তেনেকে নচলে। সহিষ্ণুতাটো ৰাখিব লাগিব।

**মাননীয় অধ্যক্ষঃ** হ'ব, সকলো মাননীয় সদস্যকে মই অনুৰোধ কৰিছো, সকলোৰে ক'ব লাগিব আৰু সকলোকে কোৱাৰ সময়ত পৰিবেশ লাগিব। গতিকে অন্যৰ কথাত যাতে ডিষ্টাৰ্ব নজন্মায়।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন,আৰ,চিৰ চেপ্তাৰটো খুলি আপোনালোকে কডোবাহত জুই নলগাব। এই যে গছৰ ডালত বৰলবিলাক একেলগে থাকে।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য আপোনাৰ হাতত দুই মিনিট আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পাৰ্টীৰ পৰা সময় লৈ ল'লো। বিজেপি য়ে ২০১৬ চনত ভিজনডকুমেন্ট এটা উলিয়াইছিল আৰু অসমদৃষ্টি পত্ৰ ২০১৬ তাত কিমান প্ৰতিশ্ৰুতি আছিল ৪৭২ টা নে ৪৭৪ টা আছিল মোৰ মনত নাই, তাৰে এতিয়ালৈকে কেইটা প্ৰতিশ্ৰুতি পূৰণ হৈছে। মাত্ৰ পাঁচটা আৰু এই পাঁচটাৰো প্ৰায়বিলাক কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত আছিল। Assam Vision Document 2016 মাননীয় মুখ্যমন্ত্ৰীয়ে ইয়াতে কৈছে যে, Gross Domestic Product আগতকৈ বহুত বাঢ়িছে , কিন্তু তেওঁ এই কথাটো নক'লে যে Gross Domestic Product বাঢ়িছে হয় অসমৰ। কিন্তু ভাৰতৰ ৩৬ খন ৰাজ্যৰ ভিতৰত অসমৰ পজিচন কিমান? মাত্ৰ ১৭ আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে ক'লে যে Per Capita Income অসমৰ বাঢ়িছে। ৬০ হাজাৰৰ পৰা ৯০ হাজাৰ। কিন্তু ৩৬ খন ৰাজ্যৰ ভিতৰত আপোনাৰ পজিচন কিমান? ৩৬ খন ৰাজ্যৰ ভিতৰত Per Capita Income ত অসমৰ পজিচন ২৯ নং

আৰু United Nation আৰু নীতি আয়োগে Substantial Development Goal এটা ৰিপ'ৰ্ট উলিয়াইছিল, এতিয়ালৈকে পাঁচটা মান ৰিপ'ৰ্ট উলিয়াইছিল যাক SDG ৰিপ'ৰ্ট বুলি কোৱা হয়। Substantial Development Goal এইটো United Nation ৰ পৰামৰ্শ মতে কৰা হৈছে। তাত গোটেই ভাৰতৰ ৩৬খন ৰাজ্যত এইবিলাক এটা ৰেংকিং কৰে। অসমৰ পজিচন কিমান ২০১৯-২০ ত ২৩ নং। মাজতে নীতি আয়োগে আৰু এটা উলিয়াইছে Inovation Index নীতি আয়োগৰ। চাৰ, এইটো ৩৬খন ৰাজ্য ৰ লগত অসমক ৰখা নাই। North East And Hill State। গোটেই ৰাজ্যসমূহৰ লগত অসম বহুত তলত আছে। North East And Hill State, এঘাৰ খন ৰাজ্যৰ ভিতৰত অসমৰ পজিচন কিমান আপোনালোকে জানে? Inovation Index ত আপোনালোকেটো যোৱা পাঁচ বছৰ চৰকাৰ চলালে তাত Inovation Index ত North East And Hill State ৰ এঘাৰখন ৰাজ্যৰ ভিতৰত অসমৰ পজিচনত ৮ নং। চাৰ, Advantange Assam আমাৰ উদ্যোগ মন্ত্ৰী নাই, ফৰেষ্ট মন্ত্ৰী নাই। Advantange Assam পাতিছিল নহয় ৩-৪ ফেব্ৰুৱাৰী ২০১৮ তাত তাৰ ২০৭ MOU বনাইছিল। 93 thousand crores investment অহাৰ কথা আছিল। কিন্তু আজি অসমৰ পজিচন ease of doing business ২০ নম্বৰ।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ সময় সমাপ্ত হৈছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়ণী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ফালৰ পৰা তিনি মিনিট সময় দি দিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, ease of doing business অসমৰ পজিচন ২০ নং ২০১৯ চনটো ২০ আছিল ২০২০ চনটো ২০ য়ে আছে। Healthy State Progressive India বুলি নীতিআয়োগে এটা ৰিপৰ্ট উলিয়াইছে। যেনিবা অসমৰ পজিচনটো অলপমান আগলৈ আহিছে ১৫ নং । Access to safe drinking water category অসমৰ পজিচন কিমান? অসমৰ পজিচন ৩৬ খন ৰাজ্যৰ ভিতৰত ২১ । চাৰ, আটাইতকৈ দুখ লগা , প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আটাইতকৈ মন লগা, তেওঁ নিজে বিচৰা স্কীমটো কি জানে আপোনালোকে ? স্বচ্চ ভাৰত অভিযান তেওঁ আটাইতকৈ ভাল পায়। তেওঁ স্কুলত গৈ নিজে চাফা কৰে। সেই স্বচ্চ ভাৰত অভিযানে প্ৰত্যেক বছৰে clean city best 20 published কৰে। আটাইতকৈ দুখ লগা এই ২০ খন best 20 চিটি চহৰত অসমৰ নাম নাই। এবাৰো নাই আৰম্ভণিৰ পৰা। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এইটো উলিয়াইছে স্বচ্চ ভাৰত অভিযান, তেতিয়া আমাৰ অসমৰ চহৰৰ কোনো নাম নাই। আপোনালোকৰ বিজেপি চৰকাৰে আছে তাতে। যি বিলাক ৰাজ্যই পাইছে, ২০ খনৰ ভিতৰত গুজৰাটৰ চাৰিখন চহৰ clean city. মধ্যপ্ৰদেশৰ চাৰিখন চিটি, মহাৰাষ্ট্ৰৰ পাঁচখন, উত্তৰ প্ৰদেশৰ চাৰিখন, অন্ধ্ৰ প্ৰদেশৰ দুখন, চণ্ডিগড়ৰ এখন। অসমৰ এখনো চহৰ আপোনালোকে দিব নোৱাৰিলে পাঁচ বছৰত। তাতটো বেছি বাজেট নালাগে sincerity লাগে। কাম কৰাৰ উদ্যেম লাগে, কমিনমেন্ট লাগে। আপোনালোকৰ একেই বিজেপি ৰ বেলেগ চৰকাৰে কৰি আছে। এখন নহয় দুখন নহয় চাৰিখন চহৰেই clean city পাইছে। অসমে এখনো ল'ব নোৱাৰিলে পাঁচ বছৰত। সেইটো এটা ব্যৰ্থতা নহয় নেকি আমাৰ? আৰু চাৰ, অসমে হয়, অসমৰ এটা দুটাত প্ৰথম হৈছে। প্ৰথম মানে নিগেটিভ লাইনত প্ৰথম। চাৰ, শিশু জন্ম হ'লে, শিশুৰ মৃত্যুৰ সময়ত প্ৰসুতিৰ মৃত্যু, মানে মাতৃৰ মৃত্যু এক লাখ শিশু জন্ম দিলে এটা এটা ৰেট থাকে, ৰেংকিং থাকে যে অসমত এক লাখ শিশু যেতিয়া জন্ম দিয়ে দুশ পোন্ধৰ জন প্ৰসূতি মাতৃৰ মৃত্যু

হয়। সেইটো ক্ষেত্ৰতত অসম ভাৰতৰ ভিতৰত প্ৰথম। আমি প্ৰথম এইটোত। আৰু এবছৰীয়া শিশুৰ ক্ষেত্ৰত যেতিয়া মৃত্যু হয়, তেতিয়া অসমৰ স্থান এইটোত আমি তৃতীয়। কিয়, এহেজাৰৰ ভিতৰত একচল্লিছ জনৰ মৃত্যু হয়, এবছৰীয়া শিশুৰ ক্ষেত্ৰত । ২০২০ চনৰ ৩ ফেব্ৰুৱাৰীত মানৱ সম্পদ উন্নয়ন মন্ত্ৰী লোকসভাত তেখেতৰ নামটো মই অলপ পাহৰিছো তেখেতে লোকসভাত তথ্য দিছিল অসমে আৰু এটা জেগাত প্ৰথম হৈছে আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে তাত আমি প্ৰথম স্থান পাইছো, নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণী। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰী এৰাটো শতকৰা ১০.১ শতাংশ। তাত আমি প্ৰথম হৈছো আৰু নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণী শতকৰা ৩৩.৭ শতাংশ, মাধ্যমিক ক্ষেত্ৰত আমি তাত প্ৰথম হৈছো। অসমে এই ক্ষেত্ৰত প্ৰথম হৈছে। over all education performance মাজতে নীতিআয়োগে এটা ৰেংকিং কৰিছিল, অসমৰ পজিচন অলপ আগত আহিছে, মই শেষ কৰিছো এতিয়া আৰু তিনি মিনিট।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য ৰূপজ্যোতি কুৰ্ম্মীৰ সময়টো এক মিনিট আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকৰ যোৱা পাঁচ বছৰত আপোনালোকে যে Vision Document উলিয়াইছিল

**মাননীয় অধ্যক্ষঃ** মোৰ আপত্তি নাই পিছত যাতে আপুনি যোৰ নকৰে। যদি আপোনালোকে কয়, কংগ্ৰেছৰ যিমানখিনি সময় তেখেতে ল'ব মোৰ কোনো আপত্তি নাই।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিজেপিয়ে যোৱা পাঁচ বছৰ আপোনালোকৰ আটাইতকৈ ডাঙৰ উল্লেখযোগ্য আপোনালোকৰ আগৰ মুখ্য মন্ত্ৰীৰ শ্ল'গান কি আছিল ? তেখেতৰ best priority কি ? তেখেতে কি কৈছিল যে zero tolerance against coruption আপোনালোকৰ ইয়াত এটা শব্দ নাই, এটা বাক্য নাই। তাৰমানে আপোনালোকে এইটো compromise কৰিল নেকি ? নে এৰি দিলে এইটো বস্তু । আপোনালোকে দ্বিতীয়বাৰৰ বাবে চৰকাৰ চলাবলৈ সুবিধা পাইছে ভালকৈ চলাওক সকলো নাগৰিককে সমান চকুৰে চাওক। আমাৰ চিপিএম মাৰ্কচিষ্ট এম তালুকদাৰ ইয়াত আছে তেখেতে জানে এইটো। চীনৰ মাও জেডুং চাৰ মৰাৰ পিছত ডেং জিয়াংপো এজন নেতা তেওঁ চীনৰ কমিউনিষ্ট পাৰ্টীৰ লিডাৰ হৈছিল। তেওঁ তাত যেতিয়া কেপিটেলিষ্ট শাসন হ'বনে মাৰ্কেট ইকন'মি শাসন হ'ব এই লৈ এটা ডিবেট চলোতে তেওঁ কেডাৰ বিলাকৰ মাজত তেওঁ এটা ভাষণ দিছিল, মই এইটো বেলেগ লাইনত আনিব বিচাৰিছো যে আপোনালোকে অসমৰ সকলো নাগৰিকক সমান চকুৰে চাওঁক, সম অধিকাৰ দিয়ক, সম বিকাশ কৰক, আমি আপোনালোকৰ লগত সহযোগ কৰিম। চাৰ,ডেং জিয়াংপোৱে কৈছিল যে মেকুৰীটো ক'লা নে বগা এইটো চাব নালাগে, মেকুৰিটোৱে নিগনি ধৰিব পাৰে নে নোৱাৰে এইটোহে চাব লাগে। আমাৰ ইয়াত ভাৰতীয় নাগৰিক বহুত আছে, যিবিলাকে খাদ্য শস্য উৎপাদনত তেওঁলোকে সক্ষম, আনতকৈ তেওঁলোক পাৰ্গত, সেই মানুহবিলাকক মুখ্যমন্ত্ৰীয়ে কামত লগাওঁক। তেওঁলোকক বেলেগ চকুৰে চাব নালাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই এটা কথাই ক'ব বিচাৰিছো তেখেতে যেতিয়া বিত্ত মন্ত্ৰী আছিল বহুত দীঘলীয়া তথ্য, অতি বিতং তথ্য দাঙি ধৰে । বহুত Statistics দিয়ে। কিন্তু এই বাৰ ৰাজ্যপালৰ ভাষণত এইটো নাই। বহুতৰে সময় অলপ কম হ'ল নাইবা কিবা অসুবিধা হ'ল পিছলৈ আমি এইটো পাম বুলি আশা কৰিছো যে চাৰ, মই শ্ৰেষ্ঠ এইটো আত্ম বিশ্বাস, কিন্তু কেৱল ময়ে শ্ৰেষ্ঠ এইটো অহংকাৰ। তুমি শক্তিশালী হ'ব পাৰা কিন্তু তোমাতকৈ শক্তিশালী সময়। সেই কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীক ক'ব বিচাৰো জ্ঞান অবিহনে সততা শক্তিহীন আৰু

অলাগতিয়াল আৰু সততা অবিহনে জ্ঞান বিপদজনক আৰু ভয়াবহ। আমি ৰাজ্যপালৰ ভাষণত চৰকাৰে যিবিলাক ইয়াত প্ৰতিশ্ৰুতি দিছে এইবিলাক আমি পূৰণ কৰিব বুলি আশা ৰাখিছো তাৰ বাহিৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা কথা অনুৰোধ জনাব বিচাৰিছো, আমাৰ এম এল এ এৰিয়া ডেভেলপমেন্ট ফাণ্ডটো অতি সোনকালে ৰিলিজ কৰিব লাগে, আৰু প্ৰতিটো এম এল এ সমষ্টিত দহ কোটিকৈ বা ৰাস্তা বনাবৰ কাৰণে পিছত, এতিয়া নহয়। এইখিনি বক্তব্য মই ইমানতে শেষ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Hon'ble Parliamentary Minister.

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, Clearification এটা দিছো। ইয়াৰ আগতেও মই নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী আছিলো। গতিকে ভৰত নৰহ ডাঙৰীয়াই বহুত দিনৰ পিছত সদনলৈ আহিছে বিশেষ পৰিস্থিতিত তেখেতে ৰাজনৈতিক সন্যাসৰ নিচিনাকে আছিল, গতিকে তেখেতে চাগে কিছু তথ্য নাজানে। যেতিয়া মই নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী আছিলো, ২০১৯ আৰু ২০ চনৰ কাৰণে। ভাৰত চৰকাৰে অসমৰ নগৰ সমূহ চাফা কৰাৰ কাৰণে Fastest Mover Award দিছিল যিটো ১৭-১৮ চনত পাইছিল গুজৰাট চৰকাৰে। আজিৰ তাৰিখত অসমৰ ৭০ শতাংশ ৱাৰ্ডত door to door জাৰৰ collection হয় আৰু টাউনসমূহ চাফা কৰা হয়। মই মাত্ৰ Clearification এটা দিলো বেয়া নাপাব, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী জয়ন্ত মল্ল বৰুৱা, মাননীয় সদস্য সময় বিজেপিৰ বেছি, কোৱা মানুহ বেছি, কংগ্ৰেছৰো কোৱা মানুহ বেছি, সেই কাৰণে মই মিলাই আছো। এটা পাৰ্টীয়ে এটা সময়ত ভাষণ ৰাখি থাকিলে বেয়া দেখিব সেই কাৰণে দুজনৰ পাছত বাকীখিনি মিলাই আছো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (নলবাৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ মে' ত মহামান্য ৰাজ্যপাল ডাঙৰীয়াই, ৰাজ্যপালৰ ভাষণ এই পবিত্ৰ সদনত দিছিল আৰু এই ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ সন্মানীয় সদস্য প্ৰশান্ত ফুকন ডাঙৰীয়াই এটা ধন্যবাদসূচক প্ৰস্তাৱ আনিছে, ভূবন পেগু ডাঙৰীয়াই সমৰ্থন কৰিছে আৰু মই এই ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত কিছু কথা ক'ৰ বিচাৰিছো। আমাৰ এই ধন্যবাদসূচক প্ৰস্তাৱৰ একেবাৰে প্ৰথমতে লিখিছিল যে গোপীনাথ বৰদলৈৰ পৰা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰলৈ, উপেন ব্ৰহ্মৰ পৰা সকলোৱে অসমত শান্তি বিচৰা, সেই ধৰণৰ আদৰ্শৰে আমি আগবাঢ়িছো মইতো কওঁ যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাতকৈ আৰু বেছি আগলৈকে গৈ যিটো আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াই কৈছে যে বানাসুৰৰ ৰাজত্ব আছিল, সেই বানাসুৰৰ পৰা আজিলৈকে সকলোকে সামৰি লৈছো। কাৰণ এইখন অসমত এইখন ভূমিতে মহাৰাজ পৃথুৱে বক্তিয়াৰ খিলিজিৰ সৈন্যক কচু কটাইদি কাটিছিল। এইখন অসমতে লাচিত বৰফুকনে মোগলক কেনেকে খেদি পঠিয়াইছিল সেয়া আমি সকলোৱে জানো। গতিকে আমাৰ উদ্দেশ্য এইটোৱে ইয়াতে কোনো অনুপ্ৰৱেশকাৰী আহি ইয়াত দখল কৰিব সেই অধিকাৰ আমি কাকো দিব নোৱাৰো, আৰু আমাৰ মুখ্যমন্ত্ৰী মহোদয় সেই দিশেৰে আগবাঢ়িছে আৰু আমি সেই দিশেৰে আগবাঢ়ি যাব বিচাৰো। ইয়াত থাকিব লাগিব জোঙাল বলহুৰ ৰাজত্ব, ইয়াত থাকিব লাগিব চিলাৰাই নৰনাৰয়ণৰ ৰাজত্ব, ইয়াত থাকিব লাগিব চাউলুং চুকাফাৰ ৰাজত্ব, ইয়াত থাকিব লাগিব গোভা ৰজাৰ ৰাজত্ব, সেই সকলৰ ৰাজত্ব খিলঞ্জীয়া মানুহৰ ৰাজত্ব। ভৰত নৰহ ডাঙৰীয়াই বহুত উৎসাহেৰে ডাঙৰ ডাঙৰ কথা কৈছে, কিন্তু দুখ লাগে ভৰত নৰহ ডাঙৰীয়ালৈকে, তেওঁ প্ৰতিনিধিত্ব কৰা মিচিং সমাজৰ সেই সমষ্টি, ঢকুৱাখানা সমষ্টিৰ পৰা নিজৰ ৰাজনৈতিক স্বাৰ্থত ক'লৈকে যাব লগা হ'ল, নাওঁবৈচালৈকে। যি সমষ্টিত কাৰ ভোটেৰে জিকিছে তেওঁ নিজেই জানে। এইয়ে হ'ল অসমৰ

ৰাজনৈতিক পৰিবেশ আৰু এই পৰিবেশত তেখেতে বহুত ডাঙৰ ডাঙৰ কথাৰে আমাক কথা শুনাব আহিছে। গতিকে এই বিলাক কথা আপোনালোকে বিচাৰ কৰি চাওঁক। মই ভাবো যে ভৰত নৰহ ডাঙৰীয়াই পেপাৰত কেতিয়াবা বিজ্ঞাপনটো পঢ়ে আগৰখিনি নপঢ়ে। বিজ্ঞাপনটো পঢ়ি তেওঁ কৈ আছে, বিজ্ঞাপনটোত অসম চৰকাৰে মুখ্যমন্ত্ৰী সাহাৰ্য্য পুঁজিলৈ অভাৱৰ কাৰণে টকা বিচাৰিছে। সেইটো নাজানে। সিদিনাখন সেইদিনা মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন press meet সম্বোধন কৰিছিল, তেওঁ তাত স্পষ্টভাষাৰে কৈছে, যে ছয়শ কোটি টকা যদি লাগে সেই টকা দিবৰ কাৰণে আমি প্ৰস্তুত আছো। কিন্তু আমি ইয়াত জনআন্দোলন গঢ়িব বিছাৰিছো, জনভাগিদাৰী কৰিব বিচাৰিছো। সেই কাৰণে সাহাৰ্য্য পুঁজিলৈ টকা বিচাৰিছো। তেখেতে যিবিলাক তথ্য বিচাৰিছে, তেখেতে সেই তথ্য বিলাক সদায় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ টুইট টো, সেই টুইটকেইটা চালে হ'ল তাত সকলো তথ্য আহি আছে। কিমান ভেকচিন দিলে, কিমান আৰোগ্য হ'ল, কিমান আক্ৰান্ত হ'ল সকলো তথ্য আছে, আৰু এই তথ্যবিলাক ইয়াত চব দিব লাগে, ৰাজ্যপালৰ ভাষণত দিব লাগে। চল্লিশ পৃষ্ঠাৰ ভাষণত ন'হব। আমি ইমানেই কাম কৰিলো যে এখন ঠেলাত আনিব লাগিব এই কিতাপখন ঠেলাত আনিব লাগিব, এনেকুৱা ধৰণৰ আমি কাম কৰিছো। কিন্তু ইয়াত আমি চল্লিশ পৃষ্ঠাৰ ভাষণত আৰু এইখিনিয়েই ক'ব। তেখেতে যদি বেছিকৈ আশা কৰিছে সেইখিনি আমি পঠাই দিম। একো অসুবিধা নাই, এন এইচ এম ত সকলো দাতা আছে। তেওঁ গোটেইখিনি চাই লওঁক। গতিকে তেখেতে আৰু বহুত ডাঙৰ ডাঙৰ কিছুমান কথা ক'লে, যে উচ্ছেদৰ কথা, এতিয়া মই আপোনাক সুধিব বিচাৰিছো, যে এন আৰ চি ত নাম থাকিলেই বাৰু এজন মানুহৰ, তেওঁ জৰ্জফিল্ডখন দখল কৰিব তেতিয়া কি উচ্ছেদ নকৰিম নেকি? তেখেত অসম আন্দেলনৰ নেতা আছিল, এতিয়া অসমত বে-দখলকাৰীয়ে দখল কৰিব, সি যিয়ে দখল নকৰক বেদখল কৰিলে তাৰ এন আৰ চি ত নাম থকা কথাতো কৈ লাভ নাই, আৰু এন আৰ চি ত কেনেকে নাম সোমাইছে, তাতটো অভিজ্ঞতা আমাৰো আছে। এন আৰ চি ত কেনেকে নাম সোমাইছে সেই কাৰণে তেখেতে কৈ আছে, এন আৰ চি reverification হ'ব নালাগে, এন আৰ চিত ১০ শতাংশ ২০ শতাংশ reverification হ'ব নালাগে কিয় কৈছে তেখেতে জানে নাওঁবৈচা সমষ্টিত ভোট লাগিব নহয়।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** গতিকে এইবিলাক কথা আপুনি আপোনাৰ ভোটৰ স্বাৰ্থত কৈ থাকক, সেইবিলাক আমি চাম। সেই মানুহবিলাকৰ ভোটৰ আশাত বেছিদিন আপোনালোকে থাকিব নোৱাৰিব। সেই মানুহবিলাকৰ ভোটাধিকাৰ লক্ষ্য আমি ৰাখিব লাগিব। কাৰণ আমাৰ এই চৰকাৰখন তাৰ কাৰণে প্ৰতিষ্ঠিত হৈছে। অসমৰ জনসাধাৰণে দ্বিতীয়বাৰৰ কাৰণে আমাক জনাদেশ দিছে, কিয় দিছে? যদি বেয়া কাম কৰিলোহেঁতেন দিলেহেঁতেন নেকি? আপোনালোকক যেতিয়া অসমৰ জনসাধাৰণে ১৫ বছৰ জনাদেশ দিছিলে, তেতিয়াৰ সেই তথ্যবিলাক চাবছোন? এই তথ্যবিলাক এনেকুৱা যে, মই সেই ১৫ বছৰ বাদ দিলো, একেবাৰে স্বাধীনতাৰ পিছৰ পৰা ক'ব খুজিছো। স্বাধীনতাৰ আজি ৭৫ বছৰ হৈ গ'ল। ইয়াৰে ৬০ বছৰ আপোনালোকে শাসন কৰা নাই জানো? স্বাধীনতাৰ পিছত অসম ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত ৪ নম্বৰ স্থানত আছিল আৰু আপোনালোকে ৬০বছৰ শাসন কৰাৰ পিছত আজি তালিকাৰ তলৰ ফালে ৪ নম্বৰতস্থান পাইছেগৈ। এয়াতো আপোনালোকৰে দান। গতিকে আপোনালোকৰ চৰকাৰে কৰা এই কামৰ দায়িত্বটোও আপোনালোকে লওঁক।তালিকাৰ ৪ নম্বৰ স্থানৰ পৰা তালিকাৰ তলৰ ফালে ৪ নম্বৰ স্থানত আপোনালোকে আনি দিলে অসমক। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, ভাৰতবৰ্ষৰ ৫ খন সৰ্ব্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসম এখন হ'ব লাগিব। এয়া আমাৰ লক্ষ্য, আমাৰ মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ৰ লক্ষ্য। গতিকে আমি এনেকৈ আগবাঢ়িম। আজি ভৰত নৰহ ডাঙৰীয়াই যিখিনি কথা ক'লে সেইখিনি ক'বলৈ দলৰ আনসকলে সময় দিছে, কাৰণ আনসকলৰ ক'বলৈ সাহস নাই, ক'ব নোৱাৰে। যিকি নহওঁক তেখেতে ক'লে। স্বাধীনতাৰ সময়ৰ পৰা মই তথ্যখিনি দিলো। আজি ৰকিবুল হুছেইন ডাঙৰীয়াই ক'ভিডৰ-১৯ ৰ কথা কৈছে। ক'ভিডৰ যিখিনি স্বাস্থ্যবিভাগৰ কাম, এইখিনি ভাৰতেই নহয় গোটেই বিশ্বৰ মানুহে অসমৰ স্বাস্থ্যখণ্ডৰ শলাগ লৈছে। এইবাৰ যেতিয়া ক'ভিডৰ চেকেণ্ড ৱেভ আহিল, ভাৰতৰ ৰাজধানীত যেতিয়া হাঁহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে, দিল্লীৰ পৰা এয়াৰ এম্বুলেন্সত ক'ভিড ৰোগী অসমলৈ চিকিৎসাৰ বাবে আহিছে। আজি দিল্লীৰ মানুহে অসমলৈ আহি ক'ভিড চিকিৎসা ল'ব বিচাৰে। ভাৰতবৰ্ষৰ ৰাজধানী দিল্লীত মানুহ সুৰক্ষিত নহয়। গতিকে ইয়াতকৈ অসমৰ স্বাস্থ্যখণ্ডৰ কথা ক'ব লাগে নেকি? আজি ভাৰতৰ বিভিন্ন ৰাজ্যত ক'ভিড ৰোগীক ৰেমডিচিভিৰ ইনজেকশ্বন অসমৰ পৰা আনি দিয়া হৈছে। এইধৰণে আমি ক'ভিড মেনেজমেন্ট কৰিছো। হয়, আমাৰ আৰু বহুত কৰিবলগীয়া আছে, আমি এইটো অস্বীকাৰ নকৰো। আমি কৰিম, কৰিব লাগিব। যোৱা ৫ টা দিনত গ্ৰেজুৱেলী আমাৰ ইনফেকশ্বন ৰেট ডাউনৱাৰ্ড হৈছে। পজিটিভিটি ৰেট ডিক্লাইন হোৱা আৰম্ভ হৈছে। গতিকে এইটো এটা শুভ লক্ষণ। তেখেতে ভেকচিনৰ কথা কৈছে, আমাক যিখিনি ভেকচিন দিছে আমি সেইখিনি ৰাইজক দি আছো। আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা দায়িত্ব লৈ ১৮ বছৰৰ পৰা ৪৪ বছৰলৈ ভেকচিন দিয়াৰ বাবে ব্যৱস্থা লৈছে। ভেকচিন দিয়াৰ ক্ষেত্ৰত আজি যিটো ঋণাত্মক কথা, ভ্ৰান্ত ধাৰণা হৈছে, তাৰ বাবে দোষী আপোনালোকৰ নেতাসকল। ৰাহুল গান্ধী ডাঙৰীয়াই ভেকচিনৰ ওপৰত কি তথ্য দিছিলে? আপোনালোকেতো ভেকচিন ল'লে সন্তান জন্ম দিব নোৱাৰে বুলিয়ে কৈ দিলে। এনে ধৰণৰ ঋণাত্মক কথা অপপ্ৰচাৰ আপোনালোকে চলাইছে।

বিৰোধীৰ প্ৰতিবাদ .......সদনত হুলস্থূল

**বিৰোধী দলৰ মন্তব্য ঃ** ৰাহুল গান্ধী ডাঙৰীয়া বিধান সভাৰ সদস্য নহয়। তেখেতক কিয় টানি আনিছে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** মই ৰাহুল গান্ধী ডাঙৰীয়াৰ কথাটো ৰেফাৰেন্স হিচাপেহে আনিছো। আপোনালোকে ভেকচিনৰ সজাগতাৰ এগেইনষ্টে কাম কৰিছে । গতিকে আপোনালোকৰ কথা কোৱাৰ নৈতিক অধিকাৰ নাই। ভেকচিন নল'বলৈ আহ্বান জনাইছে। গতিকে ভেকচিন নল'বলৈ আহ্বান জনোৱা দল এটা কেনেকৈ ভেকচিনৰ কথা কোৱাৰ নৈতিক অধিকাৰ পালে আপোনালোকে?

**কংগ্ৰেছ দল ঃ** ভেকচিন নল'বলৈ কোনেও আমাৰ পৰা আহ্বান জনোৱা নাই। ভুল তথ্য দিব নালাগে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** অশোক গেহলট ডাঙৰীয়াৰ কথা আপোনালোকৰ মনত নাই নেকি? তেখেতে কেন্দ্ৰীয় মন্ত্ৰীলৈ চিঠি লিখা নাছিল নেকি? তেখেত কি আপোনালোকৰ দলৰ নেতা নহয়। কথাবিলাক কিয় সোনকালে পাহৰি যায়? ৰাজনীতি কৰিবলৈ এই কথাবিলাক আপোনালোকে নক'ব। আপোনালোকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব। কাৰণ আজি ক'ভিড মহামাৰীৰ যুদ্ধখনত সহায় কৰাৰ বাবে মুখ্যমন্ত্ৰী পুঁজিৰ পৰা ৫০ কোটি টকা বৰঙনি দিছে। তাতকৈ ডাঙৰ আদৰ্শ কি হ'ব পাৰে? মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজৰ পৰা মুখ্যমন্ত্ৰীৰ পুঁজিলৈ ৩ লাখ টকা দিছে। তাতকৈ উদাহৰণ কি হ'ব পাৰে। এই কথাবিলাক আপোনালোকে আদৰ্শ হিচাপে লওকছোন, ৰাতি ২-৩ টা বজাত জি এম চি হস্পিতালত উপস্থিত হৈছে। দিন-ৰাতি একাকাৰ কৰি যিগৰাকী ব্যক্তিয়ে এই মহামাৰীৰ সময়ত দৌৰি ফুৰিছে তাক আপোনালোকে প্ৰশংসা কৰকচোন

তেতিয়াহে তেখেতে কাম কৰিবলৈ উৎসাহ পাব। আপোনালোকে কৰা বেয়া কামবিলাকতো আমি দেখুৱাই দিব লাগিব। কিন্তু আমাৰ চৰকাৰে যে বেয়া কাম কৰাই নাই এনেয়ে আপোনালোকে সমালোচনা কৰিলে বা কৈ থাকিলে কি হ'ব? আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো সপোন, ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত এখন হিচাপে প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যত উপনীত হ'বলৈ আপোনালোকে সহযোগিতা কৰক। আমি সকলোৱে মিলি এই সপোন সাৰ্থক কৰিব লাগিব। খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰৰ ওপৰত দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে, যোৱা চৰকাৰৰ দিনত আঢ়ৈ লাখ ভূমিৰ পট্টা দিয়া হৈছে। আমি আৰু দিম। কিন্তু আপোনালোকে কোৱাৰ দৰে আমাৰ চৰকাৰখনে সন্দেহত থকা লোকক ভূমি পট্টা নিদিয়ে। যিবিলাক গঠনমূলক কথা তাত আপোনালোকে সহায় কৰক। আজি এন আৰ এলৰ দৰে উদ্যোগত ১২.৩৫ শতাংশ শ্বেয়াৰৰ পৰা ২৬ শতাংশলৈ কেতিয়াবা হৈছিল নেকি? এই চৰকাৰখনে ২১৮৮ কোটি ইনভেষ্টমেন্ট কৰিবলৈ সিদ্ধান্ত লৈছে। আপোনালোকে সন্দেহ কৰিব নালাগে যে ক'ভিডৰ ভেকচিনৰ কাৰনে অসুবিধা হ'ব পাৰে। কথাবিলাক আপোনালোকে পজিটিভলী চাওঁক। অলপ আগতে মৃণাল শইকীয়া ডাঙৰীয়াই গো-সুৰক্ষা আইনৰ কথা কৈছিল। এইয়া আমাৰ ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বাবে ডাঙৰ প্ৰশ্ন। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সভ্যতা সংস্কৃতিক শ্ৰদ্ধা জনাই আগন্তুক বিধান সভাত গো-সুৰক্ষা বিল আনিব বিচাৰিছে। ইয়াক আপোনালোকে ধৰ্মীয় গণ্ডীৰে নাচাব। মোৰ যিমান দুৰ মনত পৰে ভৰতীয় সংবিধানৰ আৰ্টিকুল ৪৮ ত স্পষ্টভাৱে লিখা আছে। যিবিলাক জীৱ জন্তু খেতি বাতিৰ লগত জড়িত আছে সেইবিলাক হত্যা কৰাটো অপৰাধ। এই কথা আমি লক্ষ্য ৰাখিব লাগিব। আমাৰ মৌলিক অধিকাৰত কৈছে যে ধৰ্মীয় অনুভূতিত আঘাত দিয়া কোনো কাম কৰিব নোৱাৰে। যাক আমি গো মাতা বুলি কওঁ, আমাৰ চকুৰ আগত হত্যা কৰি তাৰ মাংস বিক্ৰী কৰি থকাটো আমি সহ্য কৰিব নোৱাৰো। আমাৰ মাতৃত্বত আঘাত লাগে। সেই কাম অসমত ক'তোয়ে হ'ব নোৱাৰে। য'ত যি হয় হওক, অসমত গো হত্যা হ'ব নালাগে। আসমত গৰুৰ সৰবৰাহ, ব্যৱসায় হ'ব নলাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ধৰণে চিন্তা কৰিছে আৰু তাৰ বাবে আইন আনিব বিচাৰিছে। আমি আশা কৰিম আপোনালোকে গঠনমূলক কথাবিলাক আলোচনা কৰক আৰু আমিও সুন্দৰভাবে তাক গ্ৰহণ কৰিম। সেইদিনাখন আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন প্ৰেছ মিট দিলে আৰু আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা ডাঙৰীয়াক সন্মানসহকাৰে এপিল কৰিলে। প্ৰেছ মিট শেষ নহ'লৈই পৰেশ বৰুৱা ডাঙৰীয়াৰ পৰা স্পষ্টীকৰণ আহিল। আমি শুনি আছিলো যে অসমৰ তেল বাৰাউনীত শোধন কৰা হয়, অসমক শোষণ কৰা হয়। কিন্তু আজি পৰাদ্বীপৰ পৰা তেল আনি অসমৰ শোধনাগাৰত শোধন কৰা হয়। অসম ৰাজ্যখন নিজৰ ৰাজহেৰে মাত্ৰ ৪ মাহহে চলিব পাৰে। বাকী ৮ মাহ আন আন ৰাজ্যৰ কোনোবা ব্যাৱসায়ীৰ ইনকাম টেক্সৰ শ্বেয়াৰ আনি চলিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন শ্বেয়াৰৰ টকাৰে আমি চলিব লাগে। গতিকে এতিয়া জাতীয়তাবাদ- আঞ্চলিকতাবাদৰ কথা নাই। এতিয়া আমি অসমবাসী ভাৰত ৰাষ্ট্ৰৰ এক সন্তান হিচাপে আগবাঢ়িব লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰেশ বৰুৱা ডাঙৰীয়াক যেতিয়া আহ্বান জনালে কাৰণ, ৰিতুল শইকীয়াই হওঁক বা আন কোনোৱাই হওক অথবা আলফাই হওক যাৰে মৃত্যু নহওক কিয়, অসমীয়া মানুহে মৰে। আলফাই অপহৰণ কৰিলেও আমাৰ অসমীয়া মানুহে ক্ষতিগ্ৰস্ত হয়। গতিকে আমি অসমীয়াই কিয় যুজিব লাগে। আজি কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি অনাৰ দায়িত্ব, এন আৰ এল, ও এন জি ছিৰ পৰা পুঁজি অনা দায়িত্ব, মই নিজে মুৰ পাতি ল'ম বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া ক'লে তেতিয়াই ১০০ ঘন্টা কিয় ৪৮ ঘন্টা নহ'লৈই, পৰেশ বৰুৱাই এৰি দিলে। এইদৰেই আমাৰ চৰকাৰখন আগবঢ়াই নিব

বিচাৰিছে। এই শুভ আৰম্ভণিত আপোনালোকে সহায় সহযোগিতা কৰক। আমাৰ অসমক ভাৰতবৰ্ষৰ ভিতৰতে ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত আনিবলৈ সহযোগীতা কৰক। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন সেই সপোন যাতে সম্পূৰ্ণ কৰিব পাৰো তাৰ বাবে আপোনালোকৰো সহায় সহযোগিতা লাগিব । এইখিনি কৈয়ে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, point of order । এটা কথা কৈছে যে, সাহস নাই বুলি কৈছে। এইটো প্ৰত্যাহাৰ কৰিব লাগে।

বিৰোধীৰ প্ৰতিবাদ- হুলস্থূল

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল, মোৰ কথাটো শুনক। মই কাৰো কথা নায্য নহয় বুলি কোৱা নাই। মই কৈছো যে, point of order - as per কোনটো rule ত আছে। বক্তব্যত উত্থাপন হোৱা কথা কোনটো যদি ৰুলত আছে। তেতিয়াহে পইন্ট অৱ অৰ্ডাৰ আহিব। সাহস নাই বুলি কোৱা কথাটো unperliamentary word নহয়। মোক ৰুলটো কৈ দিয়ক যে এই শব্দটো ব্যৱহাৰ কৰিব নোৱাৰিব। ৰুলত যদি আছে মই সিদ্ধান্ত ল'ব পাৰিম।

**শ্ৰী ওয়াজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)ঃ** অধ্যক্ষ মহোদয়, সাহস নাই বুলি কোৱা কথাটো unperliamentary word .

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, মোক কেৱল ৰুলটো দেখুৱাই দিয়ক। কোনটো ৰুলত আছে যে, এই শব্দটো ব্যৱহাৰ কৰিব নোৱাৰি। এতিয়া মই কোনটো বেচিচৰ ওপৰত সিদ্ধান্ত ল'ম। মই সিদ্ধান্ত ল'ব লাগিব একমাত্ৰ ৰুলৰ ওপৰত। এনেকুৱা হ'লে সদন কেনেকৈ চলিব। মই সকলোকে ৰিকুৱেষ্ট কৰিছো, আপোনালোক সকলোৱে চিনিয়ৰ সদস্য। আমাৰ সদন পৰিচালনাৰ ৰুল আছে। পইন্ট অৱ অৰ্ডাৰ অহাৰ লগে লগে ৰুলৰ বিৰুদ্ধে যদি যায় সেইটো উনুকিয়াই দিব লাগে। যদি এইটো unperliamentary word তেন্তে expand হ'ব। গতিকে মই সন্মানীয় সদস্যসকলক বহিবলৈ অনুৰোধ জনাইছো। ইয়াত কাজিয়া কৰিব নালাগে। অসমীয়া ভাষাটো sweet ভাষা। আমিতো ভালধৰণে কথা পাতিব পাৰো। এতিয়া গোবিন্দ বসুমতাৰী ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনালো।

**শ্ৰীগোবিন্দ বসুমতাৰী (ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই কেইষাৰ মান কথা ক'ব বিচাৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণত বৰ্ত্তমান চৰকাৰে আগন্তুক দিনত কি কি কাম কৰিব সেই মৰ্মে কিছু ইংগিত বহন কৰিছে। মই গোটেই বিষয়ৰ ওপৰত বক্তব্য ৰাখিব বিচৰা নাই, মাত্ৰ কেইটিমান বিষয়ৰ ওপৰত বক্তব্য ৰাখিম। বিশেষকৈ আমি ইউ পি পি এলে ট্ৰেজাৰী বেঞ্চৰ অংশীদাৰ হিচাপে , আজি মিত্ৰজোঁট চৰকাৰে যিখিনি কাম, যি সিদ্ধান্ত অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে ল'ব, তাৰ প্ৰতি সমৰ্থন জনাম। তথাপিও মই কেইটামান বিষয়ৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মোৰ অনুৰোধ এই কথাবিলাক সমালোচনা বুলি ধৰিব নালাগে। দলৰ হৈ আমি কিমান খিনি কাম কৰিব বিচাৰিছো তাৰেই দু-আষাৰমান ক'ম। মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত ক'ভিড-১৯ ৰ ওপৰত বহুতে বক্তব্য আগবঢ়ালে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব বিচাৰিছো। আজি অসমকে ধৰি ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বতে ক'ভিড-১৯ ৰ যি সংক্ৰমণ, তাক প্ৰতিৰোধ কৰিবৰ বাবে তেখেতে আমাৰ অসমৰ বাবে যি পদক্ষেপ লৈছে, যিমান কষ্ট কৰিছে আৰু অবিৰাম চেষ্টাৰ দ্বাৰা সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত ভাৰতৰ আন আন ৰাজ্যৰ তুলনাত বহুখিনি সফল হৈছে। তাৰ বাবে মই তেখেতক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো। বৰ্ত্তমান চৰকাৰ লোৱা পদক্ষেপত

অন্যান্য ৰাজ্য বা দেশৰ তুলনাত আমাৰ ৰাজ্যৰ ক'ভিড-১৯ৰ সংক্ৰমণৰ প্ৰকোপ যথেষ্ঠ কম। এতিয়া মই মোৰ ওদালগুৰি জিলাৰ বিষয়ে ক'ব বিচাৰিছো। চৰকাৰে প্ৰদৰ্শন কৰা তৎপৰতাত ওদালগুৰি জিলাত ক'ভিড সংক্ৰমণ যথেষ্ঠ কম। বৰ্ত্তমানলৈ ১৯৫০ জন ক'ভিড সংক্ৰমণ হৈছে। আনহাতে যোৱাকালিৰ ৰিপোৰ্ট মতে ৰিক'ভাৰী হোৱা সংখ্যা ১২০৯ জন। যোৱাকালিলৈ ৩১ জনৰ মৃত্যু হৈছে। আমাৰ জিলাত অক্সিজেনৰ অভাবো এতিয়ালৈকে হোৱা নাই। কেইদিনমান আগতে পাটোৱাৰী ডাঙৰীয়া ভিজিট কৰিছিল। তেখেতে বিভিন্ন দিহা-পৰামৰ্শ, নিৰ্দ্দেশনা জিলা প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু আমাৰ স্বাস্থ্যকৰ্মীসকলক দিছে। সেই অনুসৰি আমাৰ স্বাস্থ্য বিভাগেও কষ্ট কৰি কাম কৰি আছে। আমাৰ ভেকচিনৰ বিশেষ নাটনি হোৱা নাই কিন্তু ভেকচিন আমি অলপ কমকৈ পাইছো। জনসংখ্যা অনুসৰি যাতে আমাক ভেকচিন যোগান ধৰে তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। দ্বিতীয়তে, মই উল্লেখ কৰিব বিচাৰিছো- ২০২০ চনৰ ২৭ জানুৱাৰীত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া, গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া, আৰু অসমৰ বিগত চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু বৰ্ত্তমানৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, তেখেতসকলৰ নেতৃত্বত আৰু আন্তৰিক প্ৰচেষ্টাত যি বি টি আৰ চুক্তি হৈ গ'ল সেই চুক্তি অনুসৰি আমি অসমত এটা নতুন যুগৰ সৃষ্ট হোৱা বুলি ক'ব পাৰো। সেই চুক্তিৰ জৰিয়তে অসমত এটা নতুন যুগ আৰম্ভ হোৱা বুলি আমি ক'ব পাৰো। তেওঁ ৩৫ বছৰৰ যি এটা সশস্ত্ৰ সংগ্ৰাম, বড়োলেণ্ডত যি এটা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল, তেখেতৰ পৰিচালনাত সেই পৰিবেশ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ল আৰু শান্তিৰ পৰিবেশৰ সৃষ্টি হ'ল। উন্নয়নৰ ক্ষেত্ৰটো আগবাঢ়ি যাবলৈ সক্ষম হৈছে। অসমৰ বহুলোকে ভাৱিব পাৰে যে এই চুক্তিৰ লগত আমাৰ একো সম্পৰ্ক নাই, যি লাভ হৈছে অকল বড়োসকলৰ হে হৈছে। কিন্তু মই অসমৰ আটাইকে এটা কথা ক'ব বিচাৰিছো যে এই চুক্তিৰ জৰিয়তে আমি বহুক্ষেত্ৰত উপকৃত হৈছো। প্ৰথমতে আমাৰ ইয়াত শান্তি স্থাপন হৈছে আৰু দ্বিতীয়তে উন্নয়নৰ পথ মুকলি হৈছে আৰু তৃতীয়তে অন্ততঃ আমাৰ বি টি আৰ অঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত বহুতো শিক্ষানুষ্ঠান আহিছে আৰু এই শিক্ষানুষ্ঠানত কেৱল বড়োলেণ্ডৰ লোকসকলে বা বড়ো সকলেহে যে অধ্যয়ন কৰিব তেনেকুৱা নহয়। আপোনালোক সকলোৱে জানে যে এই চুক্তিৰ জৰিয়তে আমি এন আই টি, নেইৰিমচ্ ৰিজিঅ'নেল ইন্সটিটিউট অব মেডিকেল চাইন্স, স্পটচ্ বিশ্ববিদ্যালয়, অৰগেনিক বিশ্ববিদ্যালয় পাইছো। তাৰোপৰি উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আমি পাইছো। আজি অসমৰ ৰাইজে গৌৰৱ অনুভৱ কৰা উচিত যে বৰ্তমান ভাৰতৰ কোনো ৰাজ্যতে দুখন এন আই টি নাই। কোনো এখন ৰাজ্যত দুখনকৈ নেইৰিমচ্ নাই। কিন্তু অসমে এই চুক্তিৰ জৰিয়তে দুখন এন আই টি আৰু দুখন নেইৰিমচ্ ৰ অধিকাৰী হ'বলৈ সুযোগ পাইছে। সেইকাৰণে এই চুক্তি অসমৰ সকলো জনগোষ্ঠীৰ কাৰণে এটা মাইলৰ খুঁটা হিচাবে কাম কৰিব।বহুতে এই চুক্তিৰ পৰা যিখিনি লাভ হ'ব, অসমৰ কাৰণে নহয় বুলি ভাবিব পাৰে। কিন্তু মই এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে বি টি আৰ অঞ্চলত যিখিনি অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠিব, সেই গোটেইখিনি অসম ৰাজ্যৰ কাৰণে। অসমৰ মানুহে যাতে মনত ৰাখে যে বি টি আৰ অঞ্চল অসমৰ সীমাৰ বাহিৰত নহয়, তেনে হ'লে আমি বি টি আৰ অঞ্চলত বসবাস কৰা মানুহবোৰ খুব সুখী হ'ম। অসম চৰকাৰ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এটায়ে অনুৰোধ যে বি টি আৰ চুক্তিৰ গোটেইখিনি টকা যাতে অতি সোনকালে সমাধা কৰে আৰু সেইখিনি সমাধা হ'লে গোটেই অসমৰ ৰাইজৰ কাৰণে এটা উন্নতিৰ জখলা মুকলি হ'ব। মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ওদালগুৰি জিলাৰ চাৰিটা কৃষি খণ্ডত যিহেতু আমি ভিত্তি কৰি জীয়াই আছো, এই

কৃষি খণ্ডৰ বিষয়ে মই চমুকৈ ক'ব বিচাৰিছো। আমাৰ অঞ্চলত বহুতো শিক্ষিত নিবনুৱা যুৱক আছে আৰু তেওঁলোকে চাকৰি বিচাৰি হাঁহাকাৰ কৰিছে। কিন্তু চাকৰি বিচাৰি নোপোৱাৰ কাৰণে বহুতে চাহখেতিত মনোনিবেশ কৰিবলৈ আৰম্ভ কৰিছে। তাৰ জৰিয়তে আমাৰ অঞ্চলত এটা অৰ্থনৈতিক বিপ্লৱৰ সূচনা হৈছে। আজি ওদালগুৰি জিলাত ৭ হাজাৰ **১ শ ১৯** খন স্মল টি গাৰ্ডেন আছে আৰু সেইবোৰ স্থানীয় মানুহৰ দ্বাৰা পৰিচালিত। আমাৰ স্থানীয় বড়ো, ৰাভা, অসমীয়া, গোৰ্খা আৰু আদিবাসী সকলৰ দ্বাৰা নিয়ন্ত্ৰণাধীন এই বাগানসমূহ। ইয়াত মাত্ৰ এটাই সমস্যা, তেওঁলোকৰ নিজা ফেক্টৰী নাই কাৰণে তেওঁলোকে উচিত মূল্য নাপায়। সেয়ে চৰকাৰৰ ওচৰত তেওঁলোকৰ এটা অনুৰোধ যে তেওঁলোকে যাতে নিজা ব্যৱস্থাৰে ফেক্টৰী গঠন কৰিব পাৰে, তাৰবাবে তেওঁলোকে চৰকাৰৰ পৰা এটা সাহায্য বিচাৰে। এই কথাটো মই চৰকাৰৰ দৃষ্টি আকৰ্যণ কৰিছো। দ্বিতীয় খেতিটো হৈছে ৰাবাৰ খেতি। ওদালগুৰি জিলাত এতিয়ালৈকে প্ৰায় ২ হাজাৰ হেক্টৰ ৰাবাৰ খেতি আছে। এই গোটেইখিনি বাগান আমাৰ খিলঞ্জীয়া মানুহৰ দ্বাৰা পৰিচালিত। ইয়াৰ জৰিয়তে আমাৰ শিক্ষিত যুৱক সকলে নিজৰ পৰিয়াল পোহপাল দিব পৰা হৈছে। কেতিয়াবা তেওঁলোকে উচিত মূল্য নাপায়। সেয়ে চৰকাৰৰ ওচৰত এটা অনুৰোধ যাতে ষ্টেৰল মাৰ্কেট এখন গঠন হোৱাত চৰকাৰে সহায় আগবঢ়ায় যাতে অধিক মানুহ এই খেতিৰ দ্বাৰা আকৰ্ষিত হ'ব পাৰে। এইবাৰ লক ডাউনৰ কাৰণে আমাৰ ৰাবাৰ খেতিৰ কিছু ক্ষতি হৈছে। আমাৰ অঞ্চলত যুৱকসকলে তৰমুজৰ খেতি কৰি যথেষ্ট উৎসাহিত হৈছে, কিন্তু লকডাউনৰ কাৰণে যাতায়তৰ ক্ষেত্ৰত বাধা আৰোপ থকাৰ কাৰণে তেওঁলোকে দাম নাপালে আৰু যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে। গতিকে মোৰ চৰকাৰক অনুৰোধ যাতে সেই অঞ্চলত কল্ড ষ্ট'ৰেজ বনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰে, কাৰণ কল্ড ষ্ট'ৰেজ নোহোৱাৰ কাৰণে উৎপাদিত সামগ্ৰীসমূহ নষ্ট হৈ যায়। এইখিনি কথা মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো যাতে অহা দিন বিলাকত আৰ্থিকভাৱে আমাৰ স্থানীয় মানুহে আত্মনিৰ্ভৰশীল হ'ব পাৰে, তাৰবাবে অনুৰোধ জনাই ৰাজ্যপাল মহোদয়ৰ যি প্ৰস্তাৱ তাৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গাদাস বড়ো।

**শ্ৰী দূৰ্গাদাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইবাগৰাকীও বিৰোধী পক্ষৰ সদস্যই ইতিমধ্যে গুৰুত্বপূৰ্ণ বিষয়সমূহ উত্থাপন কৰিছে। চৰকাৰী প্ৰস্তাৱৰ বিপৰীতে গৈ মই কেইটামান কথা দাঙি ধৰিব বিচাৰিছো। আৰম্ভ কৰিব বিচাৰিছো আটাইতকৈ বেছি চৰ্চিত বিষয় ক'ভিডৰ ওপৰত। ক'ভিডৰ ক্ষেত্ৰত চৰকাৰী আৰু বিৰোধী পক্ষৰ পৰা যথেষ্ট বক্তব্য ৰখা হৈছে। মই দৰং জিলাৰ ইনচাৰ্জ মন্ত্ৰী আৰু ওদালগুৰি জিলাৰ ইনচাৰ্জ মন্ত্ৰীৰ সৈতে ক'ভিড সম্পৰ্কে যেতিয়া আলোচনা কৰিছিলো, তাত গতানুগতিক বিষয় কেইটা আলোচনা হৈছে। কিন্তু মই পোৱা দুটা বিষয় উল্লেখ কৰিব বিচাৰিছো, সেইটো হৈছে কোনোবা এটা অঞ্চলৰ কোনোবা এখন হস্পিটালত ১৮ বছৰৰ পৰা ৪৫ বছৰৰ ভিতৰত ৫ হাজাৰ ভেকচিন গৈছে, সেই ভেকচিনটো স্পেচিফিক দৰত কলাইগাওঁ হস্পিতালৰ নামত গৈছে কিন্তু ভেকচিনেচন কলাইগাওঁ অঞ্চলৰ মানুহৰ হোৱা নাই। যিহেতু অনলাইন ৰেজিষ্টাৰ কৰা হৈছে, সেইজন মানুহ মঙ্গলদৈ, তেজপুৰ, গুৱাহাটীৰ ও হ'ব পাৰে। ইয়াৰ ফলত স্থানীয় মানুহখিনি ভেকচিন লবলৈ গৈ উলটি আহিছে। গতিকে এই সমস্যা সমূহৰ সমাধান কেনেদৰে কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। ক'ভিড সম্পৰ্কে দুই নং কথাটো হৈছে যে পৰীক্ষাসমূহ পৰ্য্যাপ্ত হোৱা নাই। আৰম্ভণিতে বহুতে টেষ্ট কৰিবলৈ ভয় কৰিছিলে। এতিয়াও বহুতে ভয়তে নকৰে। যেয়েই নহওঁক বিভিন্ন কাৰণত মই এতিয়ালৈকে পাঁচবাৰ

টেষ্ট কৰিছো। গতিকে এই দূৰ্গাদাস বড়োৰ সংখ্যাটো পাঁচবাৰকৈ লিখিছে নে মোৰ সংখ্যাটো বেলেগৰ লগত যোগ হৈছে? পাৰিলে এইটো বিভাজন কৰিব লাগে তেতিয়া আঁচল সংখ্যাটো ওলাব যে কিমান মানুহৰ টেষ্ট কৰা হৈছে। ক'ভিড সম্পৰ্কে ৰাজ্য চৰকাৰৰ ফালৰ পৰা আশা কৰিছে যে যিবিলাক পি এইচ ই পৰা ষ্টাফবিলাক ক'ভিড হস্পিতাললৈকে উঠাই অনা হৈছে, পেৰিফেৰি হস্পিতাল বিলাকৰ মানুহবিলাকে সেই কথাটো নাজানে আৰু প্ৰত্যেকখন পি এইচ চি তে ভেকচিনেচন প্ৰগ্ৰেমটো হোৱাটো বিচাৰে। মই ভাৱো ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে এই কথাটো মনোযোগ দিয়াতো উচিত। আজি নিয়মীয়া বাৰ্তাত এটা বাতৰি ওলাইছে 'ৰামদেৱৰ বিতৰ্কিত মন্তব্যত অসন্তুষ্ট ভাৰতৰ স্বাস্থ্যমন্ত্ৰী হৰ্ষবৰ্ধন'। ৰামদেৱ ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী থাকোতে ভাৰতবৰ্ষৰ গোটেই স্বাস্থ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীসকলে, ভাৰত চৰকাৰখনে, যি চিকিৎসা ব্যৱস্থা কৰিছে, নন্চেন্স চিকিৎসা বুলি কৈছে। এই চিকিৎসা ব্যৱস্থাক সাতটা যি দৰৰ আপোনালোকে ব্যৱহাৰ কৰিবলৈ কৈছে সেই সাতটা দৰৰ তেওঁ নন্চেন্স দৰৰ বুলি কৈছে। গোটেই ব্যৱস্থাটোকে তেওঁ নন্চেন্স বুলি কৈছে। মই যদি নন্চেন্স বুলি কলো হয় তেতিয়া ভাৰতবৰ্ষৰ আইনে মোৰ ওপৰত কিবা ব্যৱস্থা ল'লেহেঁতেন নে ন''লেহেঁতেন? গোটেই ক'ভিড যোদ্ধা, ডাক্তৰ, নাৰ্চ, চৰকাৰ, স্বাস্থ্য বিভাগ গোটেই ভাৰত চৰকাৰক ৰামদেৱ ডাঙৰীয়াই এই ক'ভিডৰ যি চিকিৎসা ব্যৱস্থা তাক সন্দেহৰ ভিতৰত সোমাই দিলে। মোৰ মতে ৰামদেৱক আজিৰ ভিতৰত অন্ততঃ অসম চৰকাৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগে আৰু ৰামদেৱে শুদ্ধ কথা কোৱা নাই বুলি আইনগত ব্যৱস্থা ল'ব লাগে। মোৰ দৰে সাধাৰণ মানুহক হ'লে গ্ৰেপ্তাৰ কৰিলে হয়। গতিকে তেওঁক গ্ৰেপ্তাৰ কৰিব লাগে। এইকাৰণেই ক'লে নেকি ৰামদেৱে যে তেওঁ যি ঔষধ উলিয়াইছিল সেই ঔষধ স্বাস্থ্যমন্ত্ৰী হৰ্ষবৰ্ধন ডাঙৰীয়াই উদ্বোধন কৰিছিল আৰু তেওঁ দেখুৱাইছিল আৰু তেওঁৰ সেই ঔষধটো নাকচ কৰিছিল। সংশ্লিষ্ট বিভাগে নাকচ কৰাৰ খণ্ডত গোটেই চিকিৎসা পদ্ধতিটোক নন্চেন্স বুলি কৈছে। আপোনালোকে কৰা সকলোবিলাক কাম মূৰ্খামি বুলি কৈছে। আমি ৰাজ্য চৰকাৰৰ পৰা মূল মূল সমস্যাসমূহ সমাধানৰ কাৰণে বিচাৰিম। কেইবাটাও সমস্যা বিৰোধী পক্ষই উত্থাপন কৰিছে। যিখন এন আৰ চি ক লৈ এইখন ৰাজ্য চৰকাৰে গৌৰৱ কৰিছে। যেতিয়া প্ৰায় ৪১ লাখ মানুহৰ নাম এন আৰ চিত অৰ্ন্তভুক্ত হৈছিল, দ্বিতীয় যিখন লিষ্ট ওলাইছিল ফাইনেল লিষ্ট ওলোৱাৰ আগত তেতিয়া ভাৰতৰ গৃহমন্ত্ৰী ডাঙৰীয়াই ও সংসদত মন্তব্য আগবঢ়াইছিল। মই ইয়াত মন্তব্যটো আগবঢ়াব খোজা নাই। এইখন যিহেতু আমাৰ অসম এচেম্বলী আৰু আমাৰ অসম এচেম্বলীৰ লগত জড়িত চৰকাৰী পক্ষৰ প্ৰত্যেকজন মানুহেও সেই এন আৰ চি খন ৪১ লাখ মানুহক ঘোচপিঠিয়া বুলি কৈছে আৰু তেওঁলোকক ইয়াৰ পৰা উলিয়াই পঠোৱাৰ ব্যৱস্থা কৰা হ'ব বুলি কৈছিল। মই ক'ব বিচাৰিছো যে এই এন আৰ চিক টাইম টু টাইম ১০ শতাংশ, ২০ শতাংশ তেওঁলোকৰ এন আৰ চিৰ পৰা মানুহক ৰি-ভেৰিফিকেশ্যন কৰিব লাগে বুলি বাৰে বাৰে উত্থাপন কৰিছে। এই সম্পৰ্কে বিতং আলোচনা ও হৈছে। সেই সময়ত অসম চৰকাৰৰ সিদ্ধান্ত আৰু অসম চৰকাৰ চলোৱা দল ভাৰতীয় জনতা পাৰ্টীৰ সিদ্ধান্তৰ মাজত পাৰ্থক্য আছিল। অসম চৰকাৰে ১০ শতাংশ ৰি-ভেৰিফিকেশ্যন হ'ব লাগে বুলি কৈছিল আৰু ভাৰতীয় জনতা পাৰ্টীৰ সভাপতিয়ে গোটেইখিনি ভেৰিফিকেশ্যন হ'ব লাগে বুলি কৈছিলে যেতিয়া তৃতীয় আৰু ফাইনেল লিষ্টখন আহিলে। মই কৈছো যে অসমখনক এই সমস্যা সমূহৰ পৰা আঁতৰাই ৰাখিবৰ কাৰণে এটা সুস্থিৰ সিদ্ধান্ত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা উচিত। ১০০ শতাংশ, ১০ শতাংশ, ২০ শতাংশ বুলি কৈ সমস্যাটো বহুদিনৰ কাৰণে দীঘলীয়া কৰাটো উচিত বুলি নাভাৱো। মই আমাৰ দলৰ ফালৰ পৰা এটা কথা ক'ব বিচাৰিছো বি টি আৰ চুক্তি

হোৱাৰ পিছত কিছু কেচ বেনিফিট উগ্ৰপন্থী সংগঠন এন ডি এফ বি ক দিয়া হ'ল। এতিয়াও বাকী আছে। যিসকলক চি আৰ পি এফ, পুলিচ, বেটেলিয়ান, আৰ্মিত চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি আছিল সেইবিলাকৰ চাকৰি বিলাক হোৱা নাই। কেৱল এন ডি এফ বি য়ে নহয় অন্যান্য উগ্ৰপন্থী সংগঠন খিনিক ও অনতি পলমে কৰিলে নিশ্চয় চৰকাৰৰ পৰা তেওঁলোকৰ সন্দেহ আতঁৰিব। অলপ আগতে মিছন ব্ৰহ্মপুত্ৰ আশী কিলোমিটাৰ পথ দুই চাইডে পোন্ধৰ মিটাৰ বহলকৈ নিৰ্মাণ কৰিব বুলি মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই ক'লে। ফুকন ডাঙৰীয়া আপুনি কৰ পৰা ক'লে নাজানো কিন্তু মই ক'ব বিচাৰিছো এনেধৰণৰ অতি বক্তব্যই যোৱা পাঁচটা বছৰে ব্ৰহ্মপুত্ৰ নদী খন্দা, ব্ৰহ্মপুত্ৰ নদীৰ দুইপাৰে এক্সপ্ৰেচ হাইৱে বনোৱা এই যি বৃহৎ পৰিকল্পনা আপোনাৰ আছিল, আপোনালোকৰ চৰকাৰখনত কিন্তু ব্যৰ্থতা প্ৰকাশ পাইছে। সেই ব্যৰ্থতাৰ পিছত কিন্তু আপোনালোকৰ চৰকাৰখনে আকৌ একেধৰণৰ কথা ক'বলৈ আৰম্ভ কৰিছে। মই ভাৱো আপোনালোকে কথা আৰু কামৰ মাজত সামঞ্জস্য ৰখা উচিত। এতিয়া আপোনালোকে দুই-আঢ়ৈ লাখ পুনঃ সংস্থাপন দিয়া, ভূমি আবণ্টন দিয়াৰ কথা কৈছে কিন্তু ফৰেষ্ট এৰিয়াত আণ্ডাৰ ফৰেষ্ট দুৱেলাৰচ এক্ট মতে তাত থকা আইডেনটিফাইড জনগোষ্ঠীয়ে যি ভূমি পট্টা পাব লাগে, আজিলৈকে কিন্তু পোৱা নাই, সেইটো বি টি আৰ ৰ ভিতৰতে হওঁক বা বাহিৰতে হওঁক। গতিকে সেইটো ব্যৱস্থা আপোনালোকে অনতিপলমে কৰিব বুলি আশা কৰিছো। ইয়াৰ লগে লগে মই আপোনাক আৰু এটা কথা ক'ব বিচাৰিছো, আজি দিনটোত আপোনালোকে যেতিয়া লাখ লাখ ল'ৰা-ছোৱালীক, যিসকলে বাহিৰত চাকৰি-বাকৰি বাদ দি ঘূৰি আহিব লগীয়া হৈছে, এই ঘূৰি অহা ল'ৰা-ছোৱালী বিলাকক লৈ যোৱা পাঁচটা বছৰত ও ভাৰতীয় জনতা পাৰ্টীয়ে বিশেষকৈ শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই ভাৰতীয় জনতা পাৰ্টীৰ প্ৰবক্তা হিচাবে কেইবাটাও আলোচনাত বহুত ডাঙৰ ডাঙৰকৈ ক'লে, কিন্তু সেই ঘূৰি অহা মানুহ বিলাকৰ ভিতৰত কিমান জনক সংস্থাপন দিলে আজি ও তেওঁলোকে প্ৰকাশ কৰা নাই। এইবাৰ তেওঁলোকে প্ৰায় এক লাখ মানুহক নিযুক্তি দিম বুলি কৈছে। মই ইয়াৰ আগতে যেতিয়া এচেম্বলীত এচ টি, এচ চি সমিতিৰ সভাপতি আছিলো তেতিয়া এচ টি, এচ চি ৰ বেকল'গ প্ৰায় সমাপ্ত কৰিছিলো। তাৰ পিছত ।আৰু বেকল'গ হৈছে আৰু আজিৰ দিনটোতো বেকল'গ আছে।

( Hon'ble Chairman on the Chair)

এক লাখ মানুহ যিদিনাখন নিযুক্তিৰ কথা ভাবিব বিভাগীয় মন্ত্ৰীসকলক মই আপোনাৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিছো যে এচ টি, এচ চি, ও বি চি, এম ও বি চিৰ ৰিৰ্জাভেশ্যন আপোনালোকে যাতে এক লাখত এশ শতাংশ ৰিৰ্জাভেশ্যন কৰিবলৈ চেষ্টা কৰে, এইটো ৰাজ্য চৰকাৰে সুযোগ পাইছে গতিকে এই এক লাখ নিযুক্তিৰ সময়তে কাৰোবাৰ যদি বেকল'গ আছে সেই বেকল'গ বিলাকো আপোনালোকে পূৰণ কৰিব বুলি আশা ৰাখিছো। এতিয়া আমি আহি আহি যি অৰুণোদয় আঁচনি, এই আঁচনিৰ জৰিয়তে বহুতো মানুহ লাভবান হোৱা বুলি চৰকাৰে যি গৌৰৱ কৰে, বি টি চি অঞ্চলত কিন্তু এই আঁচনি আৰম্ভ হোৱা নাই। বি টি চিত কি প্ৰক্ৰিয়াৰে অৰুণোদয় আঁচনি আৰম্ভ কৰিব সেইটো সেই অঞ্চলৰ প্ৰতিনিধিসকলৰ জৰিয়তে আপোনালোকৰ ইয়াত যি প্ৰক্ৰিয়া কৰিছে সেই প্ৰক্ৰিয়াৰে কৰিব নেকি? নে আপোনালোকৰ স্থানীয় ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ দ্বাৰা আপোনালোকে কৰিব বিচাৰে? মুঠতে অৰুণোদয় আঁচনিৰ জৰিয়তে আমাকো বিশ্বাসত লৈ, সকলো বিধায়ককে বিশ্বাসত লৈ অৰুণোদয় আঁচনি আপোনালোকে আৰম্ভ কৰিব লাগে। শেষত ক'ব বিচাৰিছো যে মাননীয় অধ্যক্ষ মহোদয়ৰ যিটো সমষ্টি ভেৰগাওঁ, যিটো আমাৰো অঞ্চল কলাইগাওঁ

পৰে তাত যিটো ট্ৰেজাৰী বনাইছে সেইটো দুইবছৰ আগতে সম্পূৰ্ণ হ'ল। ষ্টাফ নোহোৱাৰ কাৰণে আগতে ৰাইজে ট্ৰেজাৰীৰ লগত জড়িত কাম-কাজৰ বাবে যিটো কষ্ট পাই আছিলে আকৌ আগৰ দৰেই ওদালগুৰিলৈকে যাব লগীয়া হয়। গতিকে সেই সমষ্টিটো যদিও মোৰ নহয় মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ সমষ্টি, গতিকে আশা ৰাখিছো সেই ট্ৰেজাৰীটো অনতিপলমে আৰম্ভ কৰিব।

মাননীয় সভাপতি মহোদয়, সদৌশেষত মই ক'ব বিচাৰিছো ইয়াৰ পূৰ্বৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই যি Sports infrastructure তৈয়াৰ কৰিছে, এই Sports infrastructure য়ে ১০০ বছৰ তেওঁৰ নামটো মানুহে লৈ থাকিব। মই আজিৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক কৈছো যি Sports infrastructure বনাইছে তাত এখন ক্ৰীড়া আইন আনি অন্তৰ্ভুক্ত কৰি তেনেধৰণে গোটেই ক্ৰীয়া ব্যৱস্থাটো আগুৱাই লৈ যাব পাৰে, সেই কথাটো মই এগৰাকী ক্ৰীড়া সংগঠক হিচাবে বিচাৰিম। মোৰ ক'বলগীয়া বহুত আছিল কিন্তু সময় হাতত নাই। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**সভাপতি ঃ** ইয়াৰ পিছত আমাৰ মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ আমি যি সংশোধনী আনিছো, এই সংশোধনীৰ সমৰ্থনত মই নিৰ্ধাৰিত সময়ৰ ভিতৰত থাকি আপোনালোকক দু-আষাৰ ক'ব বিচাৰিছো। নতুন চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই শপত লোৱাৰ পিছতে যিখিনি কথা প্ৰথম Press Conference ত সাংবাদিক সকলক সম্বোধন কৰোতে উপস্থাপন কৰিছিল আৰু লগে লগে যিখিনি কথা প্ৰথম কেবিনেটত আৰম্ভ কৰিছিল সেই কথাখিনিৰ পৰা মই আৰম্ভ কৰিব বিচাৰিছো। কিন্তু তাৰ মাজতে অধ্যক্ষ ডাঙৰীয়াই এতিয়া নাই, অধ্যক্ষ ডাঙৰীয়াই মোক ক'লে যে, তেওঁ উত্তৰ দিব, গতিকে মোৰ গাত দায়িত্ব দিয়াৰ কাৰণে সেইখিনি কথা মই প্ৰথমে ক'ব লাগিব। সভাপতি মহোদয়, এইবাৰ প্ৰথম পৰম্পৰা হ'ল বুলি প্ৰশংসা কৰিছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই। এইবাৰ বিৰোধীয়ে চৰকাৰৰ কথা শুনি ৰাজ্যপাল ভাষণৰ ওপৰত আমি কোনো ধৰণৰ আপত্তি নকৰিলো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনতে কলে যে, এইটো এটা সুস্থ পৰম্পৰা। আমি বিৰোধীৰ কথা বিলাক ভালকৈ শুনিম। আনকি Adjourment motion ৰ ক্ষেত্ৰতো যদি প্ৰয়োজন হয়, যদি প্ৰয়োজন বুলি ভাবো, আমি পৰাজয় বুলি নাভাবো সেই বিষয়ে আলোচনা কৰিম। এই ধৰণৰ এটা সুস্থ পৰিবেশৰ মাজত আলোচনাৰ কাৰণে আমি আজি বক্ত্যৰ ৰাখিবৰ কাৰণে কিছু তথ্য পাতি আমি আনিছিলো। হঠাৎ এনেকুৱা এটা ধৰণৰ পৰিবেশ হৈ গ'ল ভৰত নৰহ ডাঙৰীয়াই নাওঁবৈচালৈ আহিলে, ব্যক্তিগতভাবে আক্ৰমণ কৰিলে, বিৰোধীৰ সাহস নাই, যদি ভাবে আমি নম্ৰতা আমি ভালকৈ কোৱা কথাটো যদি আমাৰ দুৰ্বলতা বুলি ভাবে তেতিয়া আমি কি চিঞৰি চিঞৰি কথা ক'লে আমাৰ সাহস বুজাব নেকি? এইটো আমাৰ সংস্কৃতি নহয়, তেওঁলোকে ভৰত নৰহৰ কথাটো কলে, মই ক'ম নেকি? তেওঁলোকৰ ইয়াতে বহি থকা কোনে সমষ্টি সলাইছে ক'ম নেকি? সভাপতি মহোদয়, যি সকলে আমাৰ Procedure খন বনাইছে Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, মিছা শব্দটো Unparliamentary বনাই দিছিল। সভাপতি মহোদয়, আমি মিছা শব্দটো ক'ব নোৱাৰো এইটো এটা বাৰ্তা দিছিল যে, মিছা নকয়, অসত্য ক'ব লাগে, যাতে অসত্য বুলি কোৱা বাকী কথাখিনি আমি নকওঁ। সেইধৰণৰ কাৰণে হে এনে ধৰণৰ কথা বিলাক লিখিছিল। গতিকে এই ধৰণৰ পৰম্পৰাটো নহওঁক। আমি অনুৰোধ কৰিছো, আৰম্ভণি হিচাবে কোনেও ভাবিব নালাগে আমি দুৰ্বল বুলি। আমি সহযোগিতা বিচাৰিছো কাৰণ এই সময়খিনি ঠিক নহয়। আমি প্ৰথম ক'ভিড চাব লাগে আমি ৰাজনীতি

কৰিব বিচৰা নাই। ক'ভিড-১৯ মহামাৰী যেতিয়া আৰম্ভ হৈছিল, তেতিয়া আগৰ চৰকাৰখনৰ শেষৰ সময় আছিল, সেই সময়খিনি আমি ইয়াত ঠিয় হৈ কৈছিলো আমি চৰকাৰখনৰ টকা নাই বুলি কৈছে, আমি প্ৰথম সহায় কৰিম, আমি সভাপতি মহোদয়, আমি প্ৰথম আৰম্ভ কৰিছো, তেতিয়া চৰকাৰখনে কোনটো ফাণ্ডত থব, সেই কথাও নিৰ্ধাৰণ কৰা নাছিল আমি সেই সময়ত আমাৰ কংগ্ৰেছ বিধায়কসকলে প্ৰথম আমি ১ মাহৰ দৰমহা দিয়া আৰম্ভ কৰিছিলো তাৰ পিছত সাধ্য অনুযায়ী বিভিন্ন লোকে দিছিল। এইবাৰো আমি কৈছো যে এই সময়ত আমি ৰাজনীতি নকৰো। মানুহৰ হাহাকাৰ, আমি ইয়াত বহুত কথা পাতি আছো, গাওঁৰ পৰিস্থিতি তেনেকুৱা নহয়, গাওঁৰ পৰিস্থিতি অলপ বেলেগ। নিয়মীয়া বাৰ্তাই ইয়াত লিখিছে, বিভিন্ন কাগজে-পত্ৰই কি লিখিছে, এই কথাবিলাক হে আমি উপস্থাপন কৰিব বিচাৰিছো। ইয়াত লিখিছে গ্ৰাম্য অঞ্চলত, চাহ বাগিচাত ব্যাপক সংক্ৰমণ, সভাপতি ডাঙৰীয়া মই দেওবাৰে চাহ বাগিচা অঞ্চললৈ গলো কন্টেইনমেন্ট জ'ন কৰিছে গোটেই চুবুৰীটো। মাননীয় স্বাস্থ্যমন্ত্ৰীৰ সমষ্টি মোৰো সমষ্টি লাগি থকা কাৰণে তাত গ'লো, তাত যিটো কদৰ্য্য ৰূপ সেইটো উপস্থাপন হে কৰিব বিচাৰিছো। মই কিন্তু কাকো দুখ দিয়া নাই, তাত চৰকাৰখনৰ দায়িত্ব আমি লৈ আহিছো সভাপতি মহোদয়, আপুনি ভিডি'অ ত চাব। সেই কথাখিনি কওঁ তে যদি সাহস নাই, খুচ মাৰি কথা কয়, ভোট দিবলৈ নিদিওঁ অহাবাৰ, চাব কাৰো দয়াত আপোনাৰ তেনে ধৰণৰ নচলে, সংস্কৃতি, কালচাৰ সকলোৰে গতিকে আমাৰ ভদ্ৰতাক ডাঙৰক সন্মান, সৰুক মৰম, গুৰুজনাক ভক্তি সেইটো দুৰ্বলতা বুলি ভাবিব নালাগে। গ্ৰাম্য অঞ্চল চাহ বাগিচাত ব্যাপক সংক্ৰমণ, মই খবৰ ল'লো, যোৱা পৰহি ইয়াৰ পৰা গৈ এজন চাহ বাগানৰ মানুহৰ মৃত্যু হোৱা বুলি ক'লে আৰু মই গৈ পেলাই পাইছো মৃত্যু এটা ঘৰত ৩ জনৰ হৈছে। এইটোকে শুনিব বিচাৰিছো যে, তথ্যখিনি সঁচা নে মিছা সেই কথাখিনি কওঁক। যোৱাবাৰ আপোনালোকে চাব Frontline ৰ পৰা আমি ইমান প্ৰচাৰ কৰা নাই, প্ৰত্যক দিন যেনেকৈ পাৰো, চৰকাৰ আমাৰ নাই তৎস্বত্বেও আমি ৰাইজক সহায় কৰিব বিচাৰিছো। শেষত মোকে ক'ভিডে আক্ৰমণ কৰিছিল। এইবাৰো গৈছো, সঁচা ছবিখন অহা নাই। যোৱাবাৰ গ্ৰাম্যাঞ্চলত যিমান সংক্ৰমণ হোৱা নাছিলে এইবাৰ সংক্ৰমণ হৈছে। চাহ জনজাতি থকা এলেকাত যোৱাকালি গৈ আহিছো, আজি ৰাতিপুৱা ফোন কৰি কৈছে যে চাৰ আপুনি যি চাই আহিলে তাৰ দুজন মৰিলে। আজি সামাজিক দূৰত্ব বজাই ৰাখিও সেইখিনি যে মৰিলে চৰকাৰৰ ঘৰত খবৰ পাইছে নে নাই? এই কথাখিনিকে ক'ব আহিছো । আমি আমাৰ কথা নকওঁ, আমাৰ কথা কলে আৰু সাহস নাই বুলি ক'ব। ভয় লাগে কিন্তু অধ্যক্ষ মহোদয়। মোৰ সাহস নাই। বাকী বিলাকৰ আছে নে নাই মই নাজনো কিন্তু মোৰ সাহস নাই। মই বৰ দুৰ্বল মানুহ। বাতৰি কাকতত পাইছো যে গ্ৰাম্যঅঞ্চলত চাহ বাগিচাত ব্যাপক সংক্ৰমণ এই বিলাক চাব লাগে। ইয়াত লিখিছে অন্যান্য কথা বিলাক কিন্তু মই ক'ভিডৰ কথা কৈছো। টিকাকৰণৰ কথা কৈছে, ভেকচিন দিব নে নিদিব নে অহা নাই স্পষ্টভাবে কওঁক। গুৱাহাটীতে দ্বিতীয়টো Dose ল'বলৈ ইয়াৰ পৰা তালৈ ঘূৰি ফুৰিছে, ইয়াটো চৰকাৰৰ দোষ নাই, সকলো বুজি পাইছো আমি, কাৰণ বনোৱা মানুহখিনিয়ে নিদিলে চৰকাৰখনে কি কৰিব। এই কথাখিনি স্পষ্ট ভাবে ক'লে হ'ল যে এইটো তাৰিখত পাব বা এইটো তাৰিখত নাপাব, আপোনালোকে ঘৰৰ পৰা নোলাব। Online টো বন্ধ কৰক কাৰণ বহুত গাওঁৰ মানুহে এই online system টো নাজানে। কালি মই ৪০ জন মানুহক হাত দাঙিব কৈছিলো যে, কিমান জনে online system টো জানে কিন্তু তাৰ মাজত ২ জন হে হাত দাঙিছে, ৩৮ জনে হাত দঙা নাই নাজানে। সেই সকলে কি ভেকচিন নল'ব নেকি? যি ২ জনে online কৰিছে সেই ২জনে হে ভেকচিন লৈছে বাকী বিলাকে ভেকচিন লোৱা নাই। এই কথাবিলাক সংক্ৰমণ হ'লে বাকী কথাবিলাক লুপ

পাব। চৰকাৰৰ মানুহে যদি নাথাকে কাক আমি ৰাজত্ব কৰিম ? আমি বিলাকে যদি নাথাকো, আমাৰ মাজৰ সতীৰ্থই শপত গ্ৰহণে কৰিব পৰা নাই, বিভিন্ন মন্ত্ৰী মৃত্যুমুখত পৰিছে। এই সময়খিনিত আমি যোৰ কৰি কাৰোৱাক উচ্ছেদ কৰিম এইটো ফিতাহী মৰাৰ কথা আছে জানো? আপোনালোকৰ টাইম বহুত আছে পিছত কৰিব, এইখিনি ক'ভিডৰ সময়। সভাপতি মহোদয়, অকল ক'ভিডে নহয়, য'ত এই সময়খিনিত ক'ভিডৰ কাৰণে হাহাকাৰ লাগিছে, সেই সময়খিনিত পেট্ৰ'ল-ডিজেলৰ দামো বাঢ়িছে। বাতৰি কাকতত লিখিছে যে, পেট্ৰ'ল-ডিজেলৰ দাম বঢ়াৰ বাবে অত্যাৱশকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ধাৰা অব্যাহত চৰকাৰৰ সক্ৰিয়তাৰ বোধেই নাই। আংশিক লকডাউনে জুৰুলা কৰা জনসাধৰণক আন এক আৰ্থিক মাধমাৰ, মই কেৰল হেড লাইন দুটাহে পঢ়িছো। জনপ্ৰিয় নিয়মীয়া বাৰ্তাত আজি লিখিছে যে, ক'ৰোণাৰ মাজতে আন এক দুৰ্যোগৰ কৱলত দেশ। ৰাজ্যত পাইকাৰী বজাৰত সৰ্বকালৰ মূল্য বৃদ্ধি। এপ্ৰিলত ১০.৪৯ শতাংশ বাঢ়িল অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য। উত্তৰপূৰ্বৰ বজাৰটো জ্বলিছে জুই। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্যত উন্মোচিত ১ বছৰৰ ব্যাৱধানত কেইবাটাও বৰ্ধিত দামৰ নিৰিখ, নিৰিখটো কি দিছে? মাৰ্চ ২০২০ চনত চাউলৰ দাম আছিল ৩০.৮৬ এতিয়া হৈছে ৩৩.৬৭। আটাৰ দাম ৩৩.৪৩ এতিয়া হৈছে ৩৫.৬৭। মুগ দাইল দাম ১১০ পৰা ১১৬। মচুৰ দাইল ৭৫ ৰ পৰা ১০০। মিঠাতেল ১১৩ পৰা ১৪৮ (২০২০-২০২১)। গাখীৰৰ দাম ৫৮ পৰা ৬৪। নিমখৰ দাম ১৫ পৰা ১৭। চাহপাতৰ দাম ২৪৯ পৰা ৩০১। এইখন হ'ল নিয়মীয়া বাৰ্তা। তাৰ পিছতো আপোনাৰ বিভিন্ন ঠাইত বিভিন্ন বা-বাতৰি ওলাইছে। ক'ভিডৰ ক্ষেত্ৰত এইখিনি চোৱাৰ বাবে অনুৰোধ জনাইছে। সভাপতি মহোদয়, ১ লাখ চাকৰি আদৰণি জনাইছো বিনা দ্বিধায়। আমাক বেয়া পালেও আপোনালোকৰ ভাল কামখিনি প্ৰশংসা কৰিম এইখিনি সৎ সাহস আছে। যোৱাকালি আমাক বহুতে Tageline লিখিছে যে, বিৰোধী শাসক ভাই ভাই। আমি কুণ্ঠাবোধ নকৰো। ভাল কাম বিলাকত আমি সহায় কৰিম। কিন্তু এই ১ লাখৰ ভিতৰত যোৱা বাৰৰ ২৫ লাখটো যোগ নে বিয়োগ। যোৱাবাৰ ২৫ লাখ দিম বুলি কৈছিলে, সেই ২৫ লাখটো ধৰি ১ লাখ নে নধৰি ১ লাখ। বন্ধন বেংকৰ ঋণৰ কথাটো স্পষ্টকৈ কোৱা ভাল। ঋণ মাফ কৈ আছে, ঋণ মাফ নে সুদ মাফ সেইটো স্পষ্টকৈ কোৱাটো ভাল। এনআৰচি যদি কিবা আছে কাৰ গাত দোষ কংগ্ৰেছৰ গাত দোষ নেকি? বিজেপিৰ যোৱা কাৰ্য্যকালৰ গাত দোষ, বিজেপিয়ে হে কৰিছে যোৱাবাৰ। ১৭০০ কোটি টকা। কেন্দ্ৰৰ গৃহ মন্ত্ৰীয়ে অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী সমন্নয়ক গৃহ সচিব সকলোকে মাতি বহাই এনআৰচিৰ চুড়ান্ত তালিকা ওলোৱাৰ দিনা তাত মিটিং কৰিছে। সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ইয়াত আহি Press Conference কৰিছে যে, আইন শৃংখলা অটুট ৰাখিব, চুড়ান্ত তালিকা আমি প্ৰকাশ কৰিম আৰু সেই মতে প্ৰকাশ হৈছে। আজিৰ সমন্নয়কে যি জনে ১০০ শতাংশ পুনৰীক্ষণ বিচাৰিছে, তেওঁৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰে আগৰ চূড়ান্ত তালিকাৰ পৰা ১৯ লাখ মানুহৰ rejection slip দিবৰ কাৰণে মান্তি হৈছে। তেওঁ তাত ৰাজি আছে। তাত আমাৰ অসম চৰকাৰৰ মন্ত্ৰী আছে। এতিয়া আকৌ ১০ শতাংশ, ২০ শতাংশ আকৌ পুনৰীক্ষণ কৰিবলৈ ১০০ শতাংশ, সমস্যা বিলাক জীয়াই ৰাখি শেষ কৰিবলৈ বিচৰা নাই নে সমস্যা বিলাক সমাধান কৰিব বিচাৰিছে, সেইটো চৰকাৰখনে ল'ব লাগিব দায়িত্ব। সভাপতি মহোদয়, বস্তুৰ দাম বৃদ্ধি কৰাৰ বাবে ৰাইজে বেয়া পাইছে। লগত কিন্তু এই সময়খিনিত ৰাতিপুৱাই মদৰ দোকান খুলি দিয়াৰ বাবে মহিলা বিলাকে কথাটো বেয়া পাইছে। ৯ বজাত মদৰ দোকান খুলি দিয়াটো ভাল হোৱা নাই। এই পইচাখিনি নহ'লেও আমি যুজিব পাৰো নেকি? সেই কথাটো আমি চাব লাগে। আমাৰ দলপতি ডাঙৰীয়াৰ এটা কথা ৰৈ গ'ল যে, PRI সদস্য সকলে ক'ভিডৰ কাম কৰি আছে, তেওঁলোকৰ যিটো পাৰিতোষিক

২ বছৰ ধৰি পোৱা নাই, সেই কথাটো মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। লগতে সভাপতি মহোদয় আৰু বহুত কথা আছিল। চৰকাৰে বিচৰা ধৰণে আমি সহযোগিতা কৰিম। কোনোৱাই বেয়া পালেও বিনাদ্বিধাই আমি সহায় সহযোগ কৰিম কিন্তু ৰাইজৰ পক্ষত আমি সদায় থাকিম। ধ্যনবাদ।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)ঃ** মাননীয় সভাপতি মহোদয়, মই সৰু কথা এটা ক'ব বিচাৰিছো। সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই যেনেকৈ কৈছে যে, এনআৰচিখন অসম চৰকাৰে কৰিছিল। সেইটো আচলতে নহয়, চুপ্ৰিম কোৰ্টৰ চুপাৰভিজনত আৰজিআইয়ে কৰিছিল। চৰকাৰে কেৱল logistic support হে কৰিছিল। গতিকে তাত যদি ভুল হৈছিল অসম চৰকাৰ তাৰ বাবে দায়ী নহয়। গতিকে আমি কৰোৱাত ভুল হোৱা বুলি উপলব্ধি কৰিছো, সেইবাবে পুনৰীক্ষণ বিচাৰিছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় সভাপতি মহোদয়, কথাটো শুদ্ধ নহয়, মন্ত্ৰী ডাঙৰীয়াই কোৱা কথাটো। মই বিজেপিয়ে কৰা বুলি কৈছো, কেন্দ্ৰীয় চৰকাৰৰ তত্ত্বাৱধানত কৰা হৈছিল বুলি কৈছো আৰু ১০ শতাংশ আৰু ২০ শতাংশ আপোনালোকে কৰা কাৰণে কৈছো। সেইটো উচ্চতম ন্যায়ালয়ে reject কৰিছে। তাৰ পিছত State Govt. য়ে এইখিনি মানি আহিছে।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)ঃ** মাননীয় সভাপতি মহোদয়, মই আকৌ কৈছো মই debateত যাব খোজা নাই। Supreme Court ৰ Supervision ত RGI অৰ্থাৎ Register General of India য়ে কৰিছিল। অসম চৰকাৰে logistic support হে কৰিছিলে। ভুল হৈছিল যদিও আমাৰ তাতে কোনো দায়িত্ব নাই , শুদ্ধ হৈছিল যদিও আমাৰ দায়িত্ব নাছিল। গতিকে আমি ভাবিছো কৰোৱাত কৰোৱাত ভুল হৈছে তাৰ কাৰণে আমি পুনৰীক্ষণ কৰিবৰ কাৰণে কৈছো। এইটো strictly Supreme Court য়ে কৰিছিল। আমাৰ তাতে কোনো অংশগ্ৰহণ নাছিল। আমি অকল logistic support হে দিছিলো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তথ্যৰ ওপৰত ভিত্তি কৰি কৈছো যে, logistic support দিয়া নাই, সমন্বয়কক ৰাজ্য চৰকাৰে নিযুক্তি দিয়ে। RGI কেন্দ্ৰীয় চৰকাৰৰ ভিতৰৰ এটা সংগঠন আৰু এই ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আমাৰ চৰকাৰ থকাৰ অৱস্থাত আমি ৰাজ্য চৰকাৰ সম্পূৰ্ণ ৰূপে জড়িত হৈ আছিলো। অসম চৰকাৰে কৃতিত্ব লোৱা অলেখ উদাহৰণ মই আপোনাক দাঙি ধৰিব পাৰো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰকিবুল হুছেইন ডাঙৰীয়াৰ লগত তৰ্কত যাব বিচৰা নাই মাত্ৰ স্পষ্টীকৰণৰ বাবে কৈছো। মই আকৌ কৈছো যি গৰাকী সমন্বয়ক, মই নাম ল'ব খোজা নাই তেখেতে অসম চৰকাৰক একো জনোৱা নাছিল আৰু গোটেই ৰিপৰ্টটো বন্ধ খামত চুপ্ৰিম কোৰ্টত দিছিল অসমৰ সকলোৱে জানে। গতিকে যদি ভুল হৈছিল তাৰ কাৰণে আমি দায়িত্ব ল'ব নোৱাৰো। যদি শুদ্ধ হৈছিল তাৰ কৃতিত্ব ল'ব নোৱাৰো, মাত্ৰ মই সেইটোৱে কথা কৈছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লোক সভাৰ মজিয়াত কৃতিত্ব লৈছিল। অধ্যক্ষই Affidavit দিছিল আৰু তাত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰীয়ে কৃতিত্ব লৈছিল। এনআৰচি তেওঁলোকৰ এখন ডাঙৰ দলিল বুলি কৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই চূড়ান্ত তালিকা হোৱাৰ দিনা তেওঁ অফিচেলি ঘোষণা কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে আমি ভৱিষ্যতে আলোচনা কৰিব পাৰিম। এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া।

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই মহামান্য ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত যি বক্তব্য হৈছিল, সেই বক্তব্যৰ বিৰোধিতা কৰি কিছু কথা আগবঢ়াব বিচাৰিছো।

অসমৰ ৭০-৮০% লোক কৃষিৰ লগত জড়িত আৰু 54% of the total land of Assam is connected with agriculture. যদিও আজিকালি ছয়গাওঁ, টিহু আদিলৈকে সংকুচিত হৈছে সেয়া লাগিলে Industrial ৰ প্ৰভাৱ বা ভুল নীতিৰ বাবেই হওঁক, আমি দেখিছো যে অসমৰ প্ৰায় ৪০% অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ ৰাজ্যপাল মহোদয়ে ইতিমধ্যে কৃষিজাতৰ উৎপাদন ২০২২ চনত দুগুণ হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। লগতে, মই কিছু কথা এই কাৰণেই তুলি ধৰিব বিচাৰিছো যে আমি দেখিবলৈ পাইছো, কৃষিৰ উৎপাদনৰ যি মূল্য কৃষকসকলে পাব লাগিছিল, সেই মূল্য তেওঁলোকে পোৱা নাই। তাৰ মূল কাৰণসমূহ আমি যদি লক্ষ্য কৰো, অলপ আগতে ইয়াৰ ওপৰত আলোচনাও হৈছে যে মধ্যভোগী লোকসকল, ছিণ্ডিকেটৰ ব্যৱস্থা, পাইকাৰী বজাৰত যি ব্যৱস্থা আৰু গোটেই ৰাস্তাৰে আহোতে পুলিচৰ হাফ্‌তা (উৎকোচ) লোৱাৰ যি ব্যৱস্থা, এই গোটেইবোৰ মিলাই কৃষকসকলে কৃষিখণ্ডত যি লাভ পাব লাগে, তাতকৈ মধ্যভোগী, Parasites, যি আনৰ ওপৰত নিৰ্ভৰ কৰি খায়, তেওঁলোকৰহে বেছি লাভ হৈছে। আনকি , আমি দেখিছো যে কৃষি উৎপাদনৰ বহু বস্তু খেতিৰ পৰা সংগ্ৰহ নকৰা হৈছে, ৰাস্তাত পেলাই দিব লগা হৈছে। ইয়াৰ মূলতঃ কাৰণ হ'ল যে কৃষি বিভাগত যিবোৰ বীজ, সাৰ, pesticides আহে, সেইবোৰ season টো শেষ হৈ যোৱাৰ পিছত আহে। নিৰ্দিষ্ট সময়ত কোনো বস্তুয়েই আমাৰ কৃষক সকলে নাপায়। আমি যদি চাওঁ, ধানৰ MSP (Minimum Support Price) প্ৰতি কুইণ্টলত ১৮৬৮ টকা আছিল, কিন্তু বৰ্তমান সময়ত আমাৰ বজাৰত ইয়াৰ MSP প্ৰতি কুইণ্টলত ৭০০ টকাৰ পৰা ১০০০ টকা। কেন্দ্ৰীয় চৰকাৰে এই MSP কিয় নিৰ্ধাৰণ কৰি দিছে? এই কাৰণেই দিছে যাতে কৃষকসকলে উচিত মূল্য পায়, খেতি কৰি যাতে লোকচান নহয়, তাৰ বাবেই MSP নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু, অসমত ধান ৭০০-১০০০ টকাৰ ভিতৰত কিনি থকা হৈছে। অৰ্থাৎ MSP ৰ কোনো মূল্য নাই। আগতে, Jute Corporation of India (JCI) য়ে কৃষকসকলে যাতে খেতিত কোনো ধৰণৰ লোকচানৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে মূল্য নিৰ্ধাৰণ কৰি দিছিল, কিন্তু, ২০০৮ চনৰ পিছৰ পৰা JCI ৰ কোনো ধৰণৰ activities আমি দেখিবলৈ পোৱা নাই। গতিকে, অধ্যক্ষ মহোদয়, কৃষি খণ্ডত বজাৰৰ যথেষ্ট সমস্যা আছে।

অধ্যক্ষ মহোদয়, Rehabilitaion ৰ ক্ষেত্ৰত সন্মানীয় সদস্য জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া আৰু পদ্ম হাজৰিকা ডাঙৰীয়াই যিবোৰ কথা কৈছে, তেওঁলোকৰ কথাত, 'য'ৰ ত'ৰ পৰা উঠি অহা' এই শব্দবোৰ জানো সমীচিন? Is it not a violation of the Article 14 of the Indian Constitution? এইটো ৰাজ ধৰ্মৰ পালন হৈছে জানো? ই Article 19, Article 21 ক affect কৰা নাই জানো? আজিৰ পৰা তিনিদিন আগত আমি অসম বিধান সভাৰ সদনত শপত গ্ৰহণ কৰিছিলো। আজি আমাৰ প্ৰত্যেকটো বক্তৃতাই anti-constitutional হ'লে কেনেকৈ হ'ব? আমি মানুহখিনিক সন্দেহৰ আৱৰ্তত সোমোৱা বুলি কৈছো, কিন্তু, সেই মানুহখিনি কেতিয়া সন্দেহৰ আৱৰ্তত সোমাইছে? তেওঁলোকক সন্দেহ কৰাৰ কাৰণটো কি? 1971, 1966, 1951 ৰ সকলোখিনি document থকাৰ পিছতো pre-independence ৰ কিবা documents লাগিব নেকি? আজি এন.আৰ.চি.ৰ ১০-২০% re-verification ৰ কথা কোৱা হৈছে। ইয়াৰ আগৰ সমন্বয়কে ২৭% re-verification হোৱা বুলি কৈ গৈছে। বৰ্তমানৰ সমন্বয়কগৰাকীক ৰাজ্য চৰকাৰে নিযুক্তি দিছে, তেখেতক উচ্চতম ন্যায়ালয়ে Nodal Officer হিচাপে নিযুক্তি দিয়া নাই। উচ্চতম ন্যায়ালয়ে যদি Nodal Officer হিচাপে তেওঁক নিযুক্ত কৰা নাই, তেনে ক্ষেত্ৰত বন্ধ খাম খোলাৰ অধিকাৰ তেওঁ ক'ত পালে? তেওঁ ৰাজ্য চৰকাৰৰ প্ৰতিনিধি আৰু ৰাজ্য

চৰকাৰৰ প্ৰতিনিধি হৈ ৰাজ্য চৰকাৰৰ সন্মতি নোহোৱাকৈ তেওঁ কেনেকৈ উচ্চতম ন্যায়ালয়ত ১০০% re-verification ৰ কাৰণে file কৰিব পাৰিলে? ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত সন্মতি দিছে নে নাই, আমাক সেইটো লাগে। উচ্চতম ন্যায়ালয়ত যি IA file কৰিছিল, সেই affidavit ত যোৱা ৮ মে' তাৰিখে notary কৰা হৈছে। বৰ্তমানৰ চৰকাৰে ১০ তাৰিখে শপত গ্ৰহণ কৰিছে, ১১ তাৰিখে প্ৰথম কেবিনেট বহিছে আৰু ১১ তাৰিখেই উচ্চতম ন্যায়ালয়ত file হৈছে। এই সিদ্ধান্তৰ ওপৰত বৰ্তমানৰ চৰকাৰৰ কোনো ধৰণৰ কেবিনেট মিটিং বহা নাছিল। তেনে ক্ষেত্ৰত কোন চৰকাৰৰ কেবিনেটে তেখেতক এনে দায়িত্ব দিলে সেয়া আমাক লাগে। যদি আগৰ চৰকাৰে সেই দায়িত্ব দিছে, তেন্তে কোন তাৰিখে সিদ্ধান্ত লৈছিল সেয়াও আমাক লাগে। হিতেশ দেৱ শৰ্মা ডাঙৰীয়াৰ নিযুক্তিৰ ওপৰত উচ্চতম ন্যায়ালয়ত কেচ চলি আছে। তাৰ পিছতো ১০০% re-verification বিচাৰিলে। তেখেতৰ নিযুক্তিৰ বিৰুদ্ধে notice issue কৰা হৈছিল, ৰাজ্য চৰকাৰে ইয়াৰ ওপৰত কোনো উত্তৰ দিয়া নাই। তেনেহ'লে কেনেকৈ এইবিলাক কৰিব পাৰে? অসম চুক্তিৰ মতে ১৯৭১ চন ভিত্তি বৰ্ষ কৰি যি এন.আৰ.চি. হৈছে, আমি তাক সন্মতি জনাওঁ। ইয়াত আমাৰ কোনো ধৰণৰ সমস্যা নাই, আমি এশ শতাংশ সহযোগিতা কৰিছো। এন.আৰ.চি.ত কিবা ভুল হ'লে আমি উচ্চতম ন্যায়ালয়ৰ জৰিয়তে আইনী মাধ্যমত তাৰ ব্যৱস্থা কৰিছো। Once and for all, এই এন.আৰ.চি.ৰ জৰিয়তে বিদেশী সমস্যা সমাধান হ'ব লাগে আৰু সমস্যাটো চিৰস্থায়ীকৈ সমাধান কৰি উন্নয়নৰ দিশে আগবাঢ়িব লাগে। এন.আৰ.চি.ক লৈ আৰু ৪০ বছৰ ৰাজনীতি হোৱাটো আমি বিচৰা নাই। অসম চুক্তিৰ ভিত্তিত ১৯৭১ ৰ আগৰ যি সকল বিদেশী আছে, তেওঁলোকক চিনাক্ত কৰি বহিষ্কাৰ কৰাত আমাৰ কোনো ধৰণৰ আপত্তি নাই, বৰঞ্চ আমি সহযোগিতা কৰিম। কিন্তু, সেইটোক লৈ আকৌ কোনো মানুহ যদি নদীভংগ হৈছে, উচ্ছেদ হৈছে, সকলো কাগজ-পত্ৰ থকাৰ পিছতো তেওঁক সন্দেহৰ চকুৰে চোৱা হ'ব? আজি এখন উন্নয়নকামী চৰকাৰৰ উদ্দেশ্য কি? আজি সেইবিলাক মানুহ কিয় চৰকাৰী মাটিত বহিব লগা হৈছে? যিবোৰ মানুহ উচ্ছেদ হৈছে, তেওঁলোকক কিয় নদী ভংগ বুলি চাৰ্টিফিকেট দিয়া হোৱা নাই ? তেওঁলোকক সেই চাৰ্টিফিকেট দি আজি কিয় চৰকাৰী মাটিত বহোৱাৰ ব্যৱস্থা কৰা হোৱা নাই? তেওঁলোক ভাৰতীয় নাগৰিক নহয় নেকি? অসমৰ নাগৰিক নহয় নেকি? যদি অসমৰ নাগৰিক নহয়, তেন্তে, আইনী ব্যৱস্থাৰে তেওঁলোকক বাংলাদেশ, বাৰ্মালৈ পঠিয়াই দিয়ক। ইয়াত আমাৰ ক'বলগীয়া নাই। আমাৰ কথা হ'ল যে- তেওঁলোক যদি ভাৰতীয় নাগৰিক হয়, তেন্তে ভাৰতীয় নাগৰিকৰ প্ৰত্যেক সুবিধা তেওঁলোকে পাব লাগিব। এইখিনিকে মই আপোনাৰ জৰিয়তে বৰ্তমানৰ চৰকাৰক অনুৰোধ কৰিছো। আকৌ, আজিৰ পৰা তিনিদিন আগতে যিহেতু সংবিধানৰ ওপৰত প্ৰত্যেকে শপত খাইছো, গতিকে, minimum respect ৰাখিব লাগিব।

অধ্যক্ষ মহোদয়, আজি Cow Protection Bill আনিব বিচাৰিছে, এই ক্ষেত্ৰত আমাৰ আপত্তি নাই। কিন্তু, এই Cow Protection Bill খন গোৱা, মিজোৰাম, নাগালেণ্ড, মেঘালয়ত কিয় অনা নাই? তেওঁলোকৰো চৰকাৰ আছে। এই Cow Protection Bill ৰ ফলত নিবনুৱা সমস্যা সমাধান হ'ব নেকি? ইয়াৰ দ্বাৰা GDP, Per Capita Income বাঢ়িব নেকি? এই কথাবোৰৰ উত্তৰ আমাক লাগিব। যোৱা সময়ত সোণাপুৰত হোৱা Mob lynching ৰ ঘটনা চৰকাৰে strictly দমন কৰিছিল, যাৰ ফলত পুনৰবাৰ তেনে ঘটনা সংঘটিত হোৱা নাই। গতিকে, এনে সিদ্ধান্তক আমি স্বাগতম জনাইছো। কিন্তু, এইটোৰ জৰিয়তে ভাৰতবৰ্ষত Cow ban বুলি যি Mob lynching হৈছে, ঠিক তেনেকুৱা কিবা encourage কৰা হ'ব নেকি তাৰ সন্দেহ ৰৈ

গৈছে। সেয়েহে, অধ্যক্ষ মহোদয়, আমি এনেকুৱা কোনো আইন বনোৱা উচিত নহ'ব । আমাৰ social fabric ত যাতে কোনো ব্যাঘাত নহয় তাৰ প্ৰতি আমি লক্ষ্য ৰাখিব লাগিব।

অধ্যক্ষ মহোদয়, ক'ভিড সম্পৰ্কত ইয়াৰ আগতে কেইবা গৰাকী সন্মানীয় সদস্যই চাহ-জনগোষ্ঠী অঞ্চলত কেনে ধৰণে ক'ভিড হৈছে তাৰ ওপৰত বক্তব্য ৰাখিছে। মোৰ দক্ষিণ শালমাৰা মানকাচাৰ জিলাত ক'ভিডৰ একমাত্ৰ চিকিৎসালয়খনত বিদ্যুৎ সংযোগ নাই। দিনত মাত্ৰ ৪ ঘণ্টা বিদ্যুৎ পায়। তাত এটা জেনেৰেটৰ নাই। কিবা কাৰণত যদি অক্সিজেন দিবলগীয়া হয়, তেনেক্ষেত্ৰত ৭ ঘণ্টা বিদ্যুৎ নাথাকিলে অক্সিজেনো ৭ ঘণ্টাৰ বাবে বন্ধ হৈ থাকে। Medicine দিবলৈ Inter-district খনত MD নাই, Gynae Specialist, Child Specialist, X-Ray Centre নাই, এনে এখন জিলাত স্বাস্থ্য বিভাগ কি দৰে চলিছে, এই কথা গুৰুত্বসহকাৰে চিন্তা কৰিব লাগিব। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই স্বাস্থ্য মন্ত্ৰী আৰু কৃষি মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে আপোনালোকৰ বিভাগৰ যিকেইটা প্ৰশ্ন মই উত্থাপন কৰিলো, সেয়া আগন্তুক দিনত আপোনালোকে নিশ্চয় গুৰুত্ব দিব। মোৰ সমষ্টি মান কাচৰ, জিলা দক্ষিণ শালমাৰা মান-কাচৰ স্বাস্থ্যৰ ক্ষেত্ৰত একেবাৰে অৱনতি, এনেকুৱা এটা পৰিস্থিতিত আছে যে মানুহ সদায় ক'ভিডত মৰি আছে। যোৱা ৰাতি বিদ্যুৎ সংযোগৰ বাবে মানুহে চিকিৎসালয়ত ২ বজাতো চিঞৰিছে। গতিকে, অধ্যক্ষ মহোদয়, এইখিনি ব্যৱস্থা কৰাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। লগতে, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মই যিখিনি বক্তব্য দিলো, আশা ৰাখিছো আগন্তুক সময়ত নিশ্চয় সেইখিনি কৰিব আৰু আমি constructive বিৰোধী হিচাপে সদায় চৰকাৰক সহায়-সহযোগ কৰি যাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** হ'ব, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় ৰেকৰ্ড ৰাখিব।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** অধ্যক্ষ মহোদয়, Point of Order.

**মাননীয় অধ্যক্ষঃ** সময় একেবাৰে নাই, মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব লাগে।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে মোৰ নাম কৈ যিহেতু কথা এটা কৈছে, সেই কথাটো মই clear কৰি দিয়া ভাল। মোৰ বক্তব্যত বেদখল সম্পৰ্কত কথা এটা কৈছিলো যে নদীয়ে যদি কোনো লোকক সৰ্বস্বান্ত কৰিছে, তেন্তে তেওঁ সেই জিলাৰ উপায়ুক্তৰ ওচৰত আবেদন কৰিলে তাত নিশ্চয় পুনৰসংস্থাপনৰ ব্যৱস্থা ল'ব। কিন্তু, মই কৈছো যে মোৰ সমষ্টিত আজি বৰপেটা, নগাওঁ, ৰূপহীৰ পৰা গৈ কোনো চাৰ্টিফিকেট নোহোৱাকৈ যধে-মধে মাটি দখল কৰা কাৰ্য্যটো বন্ধ কৰিব লাগে। মই এইটোহে কৈছো, সংবিধান উলংঘা কৰি কথা কোৱা নাই।

**মাননীয় অধ্যক্ষঃ** সংবিধান উলংঘা হোৱা নাই। ইয়াত বক্তব্যত সকলোৱে ক'ব পাৰে।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** ক'ব পাৰে, কিন্তু, তেওঁ মোৰ নাম লৈ সংবিধান উলংঘা কৰা বুলি যিটো কথা কৈছে, তাৰ মই প্ৰতিবাদ কৰিছো।

**মাননীয় অধ্যক্ষঃ** আমাৰ সন্মানীয় মন্ত্ৰীসকল আছে, ৰাজহ মন্ত্ৰী ডাঙৰীয়াও আছে। এইক্ষেত্ৰত তেওঁলোকে উত্তৰ দিব।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, Point of Order. আব্দুল কদ্দুছ, পিতা খোৱা নাৱাজ। তেওঁ মহাভৈৰৰ মৌজাৰ কৰয়নী নেপালী গাওঁ, তেজপুৰৰ বাসিন্দা। ১৯৫১ চনত তেওঁৰ বয়স ১৫ বছৰ, ১৯৫১ চনৰ এন.আৰ.চি.ত তেওঁৰ নাম আছে। কিন্তু, অসমত জন্মগ্ৰহণ কৰা গৰা-খহনীয়াগ্ৰস্ত ভাৰতীয় নাগৰিক এজনক উচ্ছেদ কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** এই বিষয়ত চৰকাৰে বিহীত ব্যৱস্থা ল'ব। ইয়াৰ কাৰণে বেলেগ মাধ্যম আছে। আজি আমি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰতহে আলোচনা কৰিছো। এই তথ্যখিনি যদি আপুনি সদনত দিব বিচাৰে, তেন্তে দি দিব। সংশ্লিষ্ট বিভাগে এই ক্ষেত্ৰত চোৱাৰ বাবে আমি পঠাব পাৰিম।

এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া। আপোনাৰ হাতত আঢ়ৈ মিনিট সময় আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঢ়ৈ মিনিটত বক্তব্য তুলি ধৰাটো যথেষ্ট কঠিন, তথাপিও মই কেইটামান বিষয় আপোনালোকৰ সন্মুখত আনিব বিচাৰিছো। মই এটা বিষয় কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, কাৰণ তেখেতে কৃষিৰ বহু অভিলাসী আঁচনিৰ কথা কৈছে। কিন্তু, এই সময়ছোৱাত কৃষিত যি বিপৰ্যয় হৈ আছে, সেই সম্পৰ্কে তেওঁ জ্ঞাত হয় নে নহয় মই নাজানো। কৃষকসকলে এতিয়া এৰি ধানৰ খেতি কৰিছে। আজিৰ ‘খবৰ’ কাকতৰ বাতৰিত উল্লেখ আছে যে সৃজনগ্ৰাম ব্লকৰ অধীনত কেইবাখনো গাঁৱত কেইবাহাজাৰ কৃষকৰ এৰি খেতিৰ ধান পতান হৈছে। এই কাণ্ডটো যোৱা দুবছৰ ধৰি হৈ আছে। তেওঁলোকক যি বীজ প্ৰদান কৰে বা কৃষকে দোকানৰ পৰা কিনে, এই বীজটো যথেষ্ট পৰিমাণে উন্নত নোহোৱাৰ ফলত ইয়াৰ খেতি পতান হয়। এই ক্ষতিগ্ৰস্ত খেতিয়ক সকলক দুবছৰ আগতেই ক্ষতিপূৰণ দিয়াৰ কথা আছিল। কিন্তু, তেওঁলোকক কোনো ধৰণৰ ক্ষতিপূৰণ আজিলৈকে দিয়া নহ'ল ।¯ এইবাৰ আকৌ খেতিয়ক ক্ষতিগ্ৰস্ত হৈছে। যিটো হিৰা-২, বালিয়া-২, লালগংগা, ইণ্ডো-আমেৰিকা-১৭, ইণ্ডো-আমেৰিকা-২২, হিৰ'-২, মনচেষ্টম আদি বজাৰত প্ৰাপ্য বীজবোৰ যথেষ্ট পৰিমাণে বেয়া quality ৰ আৰু এই বীজ কিনি খেতি কৰাৰ ফলত কৃষক ক্ষতিগ্ৰস্ত হৈছে। এই বিষয়টোৰ কোনো কথাই এই প্ৰতিবেদনত অনা নাই। কিন্তু, এইটো নিশ্চয় দৃষ্টি নিক্ষেপ কৰিবলগীয়া বিষয়। আনহাতে, ৰাজ্যপালৰ ভাষণত বিৰাট সফলতা লাভ কৰাৰ নিচিনাকৈ ৫৪.৬৬ লাখ মেট্ৰিকটন ধান উৎপাদন হোৱা বুলি গৰ্ব কৰা হৈছে। কিন্তু, এই ধান চৰকাৰে কিমান ক্ৰয় কৰিলে, সেয়া ক'ব নেকি? এই ধান ক্ৰয় কৰাৰ বাবে প্ৰতি কুইণ্টলত ১৮৬৮ টকা ধাৰ্য্য কৰা হৈছিল, কিন্তু ইয়াৰ বিপৰীতে কৃষকে ৭০০ ৰ পৰা ১০০০ টকাতহে বিক্ৰী কৰিব লগীয়া হৈছে। গতিকে, অধ্যক্ষ মহোদয়, এই কৃষকৰ ধান ক্ৰয় কৰাত চৰকাৰৰ যি ব্যৰ্থতা, সেই ব্যৰ্থতা অতিক্ৰম কৰাৰ দৰকাৰ যাতে কৃষকসকল ক্ষতিগ্ৰস্ত নহয়।

অধ্যক্ষ মহোদয়, মই ক'ভিডৰ ক্ষেত্ৰত এটা বিষয় আপোনাৰ যোগেৰে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ে ক'ভিড চিকিৎসাৰ নামত লুণ্ঠন চলাই আছে। আমাৰ ৰোগীসকলে নাজানে যে চৰকাৰী চিকিৎসালয়ত কিমান আসন খালী আছে আৰু এইধৰণৰ কোনো তথ্য প্ৰাপ্য নোহোৱাৰ ফলত তেওঁলোকে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়লৈ যাব লগীয়া হৈছে আৰু লক্ষ লক্ষ টকাৰ বিল ভৰিছে। ৬-৭ লাখ টকাৰ তলৰ বিলত কোনো ৰোগী চিকিৎসালয়ৰ পৰা ওলাই আহিব নোৱাৰে। গতিকে, চৰকাৰে ক'ভিড নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়া চলোৱাৰ লগতে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰকো নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে নকৰিলে সাংঘাটিকভাৱে কৃষক, সাধাৰণ জনতা, দুখীয়া মানুহ ক্ষতিগ্ৰস্ত হ'ব।

অধ্যক্ষ মহোদয়, "Motor Transport Workers Welfare Scheme under Organized Workers Social Security Act" ৰ বিষয়ে ক'ব বিচাৰিছো। এই Act খন formulate কৰি পূৰ্বৰ চৰকাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰো কৰা হৈছিল। কিন্তু, এই Act খনৰ সম্পৰ্কত চৰকাৰে এতিয়ালৈকে কোনো সিদ্ধান্তত অহা নাই। গতিকে, বৰ্তমানৰ চৰকাৰে এই সম্পৰ্কত যাতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে চৰকাৰলৈ দৃষ্টি নিক্ষেপ

কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ক্ষেত্ৰত বিভিন্ন আঁচনিৰ কথা কোৱা হৈছে। কিন্তু, আমাৰ ৰাজ্যখনত জলসিঞ্চনৰ যি আঁচনি আছিল, তাৰে বেছিভাগ আঁচনি ইতিমধ্যে মৰি গৈছে। পানী যোগান কোনোপধ্যেই সম্ভৱ হোৱা নাই। গতিকে, এই আঁচনি পুনৰুজ্জীৱিত কৰি পানী যোগান নিশ্চিত কৰাৰ তাৎক্ষণিক ব্যৱস্থা যদি চৰকাৰে গ্ৰহণ নকৰে, তেনেহ'লে পানী যোগানৰ নামত কোটি-কোটি টকা খৰচ হৈয়ে থাকিব, কিন্তু পানী যোগান নহ'ব।

অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় এগৰাকী সদস্যই Cow Protection Bill ৰ কথা উল্লেখ কৰিছে। গো-সুৰক্ষা আইন যেতিয়া আহিব, তেতিয়া আমি নিশ্চিত ভাৱে গো-সুৰক্ষা সম্পৰ্কত আমাৰ মন্তব্য দাঙি ধৰিম বা আলোচনা কৰিম। কিন্তু, মই আবেদন জনাব বিচাৰিছো যে গো-সুৰক্ষা আইন অহাৰ আগতে গো-চালানৰ যি ছিণ্ডিকেট আমাৰ ৰাজ্যত চলি আছে, য'ত বহু ৰাজনৈতিক নেতা তথা পুলিচ-প্ৰশাসনৰ বহু বিষয়া জড়িত আছে, প্ৰথমে এই ছিণ্ডিকেট বন্ধ কৰক, গো-চালান বন্ধ কৰক। তাৰ পিছত গো-সুৰক্ষাৰ কথা ভৱাটো উচিত হ'ব। গোৰ চোৰাং চালান বন্ধ নকৰি কেৱল গো মাতাৰ সুৰক্ষাৰ কথা ক'লেই সমস্যা সমাধান কৰিব পৰা নাযাব। অধ্যক্ষ মহোদয়, মোৰ সময় যথেষ্ট কম, মই এটা দলৰ একমাত্ৰ সদস্য। ভৱিষ্যতে মোৰ বাবে যাতে সময় বেছিকৈ নিৰ্ধাৰণ কৰে তাৰ বাবে আবেদন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, Point of Order. চাৰ, এতিয়া যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে, সেয়েহে মই ক'ব বিচাৰিছো যে আমাৰ কৰিমগঞ্জৰ জীয়ৰী জুবলী পুৰকায়স্থই DRDO ৰ বৈজ্ঞানিক দলত থাকি medicine উলিয়াইছে, তেওঁক কিবা এটা পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰে যেন।

**মাননীয় অধ্যক্ষঃ**এই কথাখিনি আপুনি বক্তব্য ৰাখিলে অত ভালকৈ উল্লেখ কৰিব। এতিয়া শ্ৰীমতী নন্দিতা গৰ্লচা। আপুনি চমুকৈ ক'ব। আপোনাৰ হাতত পাঁচ মিনিট আছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰীমতী নন্দিতা গৰ্লচা ডাঙৰীয়ানীয়ে কওঁক। চমুকৈ ক'ব।

**Smti Nandita Gorlosa, MLA (Haflong) :** Respected Speaker Sir,

It is with utmost respet and honour, I stand today to thank His Excellency The Governor's Speech based on highlighting the activities of the Government.

The government in the last five years has ushered in a new era by leading the state towards path of unprecedented development in Assam, inspite of the fact that last year of the tenure has been marked by the COVID-19 Pandemic which threw open a massive healthcare challenge to the government and it continues to do so. Considering this, in reality the government actually got only a term of four years to implement its developmental work. Inspite of this, our government has done a tremendous job both in laying down developmental work and fighting this pandemic. Sceptics would disagree with this as usual. But a fact remains a fact and the massive mandate accorded

for this alliance by the people of Assam stands as a testimony to the success of the government.

As for fight against pandemic, we all know, the Assam Model is widely talked about across the country today. Assam is one of the state with low mortality and high recovery rate in the country. This is the result of proactive measure adopted by the government in this regard. However, outbreak of the Second Wave is the biggest concern today. There is an urgent need to increase attention towards containing the outbreak by severing the infection chain. It is important to revive the focus on 3Ts of Test, Trace and Treat, as was done during the first wave. In this regard, I would like to request the government to take immediate step for setting up COVID Testing Lab in Dima Hasao for convenience of the people of our district.

Apart from continuing the strategies of the previous wave, the proactive steps adopted by the government in increase in the production and storage capacity of oxygen deserves appreciation. Installation of oxygen generation plants in all the Medical Colleges and Civil Hospitals in 6 (six ) districts across the state will cater to need of the present and future as well. I hope the government would soon install oxygen generation plants in all the districts Civil Hospital at the earliest.

Hon'ble Speaker Sir, the government's initiative and the effort in sensitising the public for COVID appropriate behaviour is indeed timely and appropriate as this may be considered as social vaccination that can effectively prevent spread of the virus until the completion of the clinical vaccination, which at present is running slow due to supply shortage. We must appreciate the effort of the government in its effort in securing vaccines.

Apart from this, Assam witnessed a boost in Medical Education and infrastructure during the last five years with the setting up of several new Medical Colleges and Hospitals. Yet much is needed to be done in the field of health care, particularly in the hills where the inhibitive terrain is the biggest hurdle in providing health care excess to the public. I would like to request attention to the government towards this. Understandably, it is not possible to achieve everthing in a single tenure. I firmly believe this government will continue to carry out work towards universal health care for the people of our

state and we must stand united in this respect.

Education is one of the many sectors that suffered from this pandemic. Opening an exclusive education TV channel GyanBrikkya is laudable step.

Direct transfer benefit scheme to the students of class I to XII, the Pratyahban scheme of model schools with state of the art facilities, consitution of high level committee for implementation of NEP 2020 are some of the positive steps adopted by the government. Several new universities have been set up for the facilitation of higher education in the state. In this regard, I would like to urge the government to be inclusive and consider setting up insitution of higher education in hills as per th Sankalpa Patra 2021.

The government initiative in augmentation of the revenue from mines and minerals, particularly in instituting policy like the ' Assam Mineral Regulation and Dealers Rules, 2020' regulating illegal mining, transportation, and storage of minerals and District Mineral Foundation Trust Rule 2020 is noteworthy.

In last five year the state has witnessed 38.56% growth in assessed irrigation potential from 2.68 lakh hactre to 10.42 lakh hactre and 2.60 lakh hactre minor irrigation potential under the various programs such as PMKSY-AIBP, PMKSY-HKKP-Mission for Access to Ground Water, SOPD, RIDF etc.

` In the field of agriculture, I would like to begin by thanking the government for selecting Dima Hasao for setting up of a new Horticulture College and hope that academic sessions will begin soon.

Notably proper implementation of various schemes has resulted in the growth of foodgrain production in the last few years. This growth in the production received supplementary support from setting up of 244 rural godowns under the NABARD sponsored RIDF program and 33 godowns under Warehouse Infrastructure Fund (WIF). This is indeed very thoughtful on the part of the government.

Effective use of various Central Schemes as well as state schemes like Swa Nirbhar Nari - Atma Nirbhar Assam, Orunudoi are testimony to the fact of inclusive policy of the government where in both rural and women empowerment has earned a significant boost in the last five years.

These positive actions of the ground level reflects in the growth of the Gross State Domestic Product (GSDP) to 12.7% against the national growth rate of 10.72% at current prices during the period 2016-17 to 2019-20 and per capita income rose from Rs.66,330 to Rs.90,692 in the same period.

**Hon'ble Speaker:** Hon'ble Member, your time is over.

**Smti Nandita Gorlosa, MLA (Haflong):** Hon'ble Speaker Sir, just a second Sir.

**Hon'ble Speaker:** Okay.

**Smti Nandita Gorlosa, MLA (Haflong):** Cumulative impact of these are the increase in revenue collection and mobilisation of fund leading to higher budgetary outlay. Prudent fiscal management and affective use of IT in financial management are important intervention of financial management system which is newto the state, transparency being the prime mover.

However, I would like to request the government to cosider transferring the benefit of the state of Assam receives from the Finance Commission for the criterion of green cover in terms of budgetary allocation, to the hills of Assam which is considered the green lungs of Assam.

The 'Green Lung' of Assam with massive tourism potentiality may also be developed into the cultural and adventure tourism destination of the state. I urge the government, which have been substantial for tourism in the last five years, for laying a comprehensive plan towards this.

Hon'ble Speaker Sir, the biggest achievement of the government is in the area of law and order. The previous tenure, for the first time in the history, passed without any conflicts of violent nature. The recent developments also indicate sign towards lasting peace in the state, the release of Shri Ratul Saikia. Nothing can be more welcome than this but sadly at the same moment, 8( eight) youths have lost lives in the last few days. I hope the government will look into these areas into consideration and bring them into mainstream which help

in anti-social. Thank you.

**माननीय अध्यक्ष** ঃ এতিয়া মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতেই মই ভাৰিছো যে যিটো ধন্যবাদসূচক প্ৰস্তাৱ সেইটো মই সমৰ্থন কৰি জনাব বিচাৰিছো যে আমাৰ ৰাজ্যখনলৈ ভাল সময় ঘূৰি আহিছে বুলি মই ভাৰিছো। এতিয়া যোৱা সময়ত প্ৰদৰ্শন কৰা কেইটামান কথা ক'ব লাগিব যে স্বচ্ছতা আৰু কাৰ্য্যকৰী কৰা, বিশ্বাসযোগ্যতা আৰু দুৰ্নীতি নকৰা। দুৰ্নীতি নকৰা এই কাৰণেই কৈছো যে ধনৰ বিনিময়ত চাকৰীৰ যিটো কাৰ্য্য চলি আছিল সেইটো বন্ধ হোৱা। খিলঞ্জীয়া লোকক মাটিৰ পট্টা দিয়াৰ কথাটো চৰকাৰৰ চিন্তালৈ যে আহিলে **৩.৩৪** লাখ লোকক মাটিৰ পট্টা দিয়া আৰু অসমৰ ৰাজহুৱা স্বাৰ্থত সত্ৰ, নামঘৰ এইবিলাকত স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ কাৰণে সাহাৰ্য্য আগবঢ়াইছে বুলি মই ভাৰিছো। এইটো কাৰণে মই অসম চৰকাৰক ধন্যবাদ জনাইছো আৰু এটা কাৰণে মই ধন্যবাদ জনাব বিচাৰিছো অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিচক্ষণতাৰ বাবে। কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আহ্বানলৈ সঁহাৰি জনাই ৰিতুল শইকীয়াক প্ৰতিশ্ৰুতি অনুসৰি মুক্তি দিলে পৰেশ বৰুৱাই। অধ্যক্ষ মহোদয়, অসমৰ যিমানবিলাক সমস্যা আছে, তাৰ ভিতৰত আলফা সমস্যা, বানপানী সমস্যা, বিদেশী সমস্যা, সীমা সমস্যা আৰু নিবনুৱা সমস্যা এই গোটেইবিলাক এটা এটা ডাঙৰ সমস্যা। এই সমস্যাবিলাকৰ প্ৰকৃতভাৱে অধ্যয়ণ আৰু ইয়াক নাইকিয়া কৰিবৰ কাৰণে, উপশম কৰিবৰ কাৰণে যিটো সকলো মানে Stakeholder ৰ সমতিয়ে আলাচোনা-বিলোচনাৰ মাজেদি সমস্যা সমাধান কৰিবৰ কাৰণে যিটো ব্যৱস্থা কৰিব লাগিছিল সেইটো হোৱা নাই। মই **১৯৮৫** ত ইয়ালৈ আহিছো। এই সমস্যাৰ লগতে জড়িত হৈয়ে ইয়ালৈ আহিছো। কিন্তু এই সমস্যাৰ কোনো সমাধান এতিয়ালৈকে ওলোৱা নাই। প্ৰথমবাৰৰ কাৰণে মই দেখিলো যে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আলফা সংগঠনক জনোৱা অনুৰোধৰ প্ৰতি তেওঁলোকে সঁহাৰি জনাইছে আৰু মই আনন্দিত হৈছো এনেকুৱা এটা পৰিৱেশ হৈছে এই পৰিৱেশত আমাৰ **১২৬** জন বিধায়কে, আমাৰ এই সদনে আৰু সকলো পক্ষই মানে কাগজে-পত্ৰে, চেনেল সকলোৱে যদি সহযোগিতা আগবঢ়াই মই ভাৱো যে অহা দিনবিলাকত আমি এই সমস্যাটো সমাধান কৰিব পাৰিম। এতিয়া এই সমস্যাটো সমাধান হোৱাটো আমি বিচাৰিছো আৰু সকলোৱে বিচাৰিছে। কাৰণ এই সমস্যাটো লৈ কোনেও থাকিব বিচৰা নাই আৰু এনেকৈ থাকিলে কেতিয়াও ডেভলপমেণ্ট সম্ভৱ নহয় আৰু দ্বিতীয় যিটো অতি গুৰুত্বপূৰ্ণ সমস্যা সেইটো হৈছে যে বাংলাদেশৰ প্ৰধানমন্ত্ৰীয়ে কালিৰ পেপাৰ, আজিৰ পেপাৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক অভিনন্দন জনাইছে আৰু তেখেতক কৈছে যে কূটনৈতিক, অৰ্থনৈতিক দিশ আৰু সামজিক সকলোতে মিলি কাম কৰিব বুলি কৈছে। সেইকাৰণে মই অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাব বিচাৰিছো। ইয়াতকৈ কেতিয়াও সুবৰ্ণ সুযোগ আহিব বুলি মই আশা নকৰো। আমাৰ ইয়াত তৰ্ক-বিতৰ্ক কৰি সময় নষ্ট কৰা আজি **৪০-৪৫** বছৰ হৈছে। এতিয়া যিহেতু সময় আহিছে, সুবিধা আহিছে সেইটো আমি সুবিধা লোৱা ভাল আৰু মই ভাৰিছো যে আমাৰ যোৱা সময়ৰ চৰকাৰখনে এটা মাগদৰ্শন দিছে। বেচটো এটা ভাল বেচ হৈছে আৰু সেইটোৰ ওপৰত আমি যদি কাম কৰো তেতিয়াহ'লে মেজৰ যিবোৰ সমস্যা আছে, সেই সমস্যাবোৰ সমাধান হ'ব। আলফা সমস্যা সমাধান হ'ব, বিদেশী সমস্যা সমাধান হ'ব। ইয়াত আমি আমাৰ মাজত চিঞঁৰ-বাখৰ কৰি আমাৰ সমাজখন নষ্ট কৰি থকা সেইটো বন্ধ কৰিব পাৰিম।

যদি আমি সকলোৱে সহযোগ আগবঢ়াও আৰু তৃতীয় কথাটো আমি ক'ব বিচাৰিছো, সেইটো হৈছে ব্ৰহ্মপুত্ৰ। আপুনি জানে হিমালয় পৰ্বতৰ পৰাই হুৱাংহু নদীখন ওলাইছে আৰু ব্ৰহ্মপুত্ৰ নদীখন ও ওলাইছে। এই দুয়োখন নৈ ওলোৱা দুখন দেশ। এখন হৈছে চাইনা আৰু আনখন হৈছে ইণ্ডিয়া। আজি যদি হুৱাংহু নদীখন কণ্ট্ৰোল কৰিব পাৰে, মিছিচিপি যদি কণ্ট্ৰোল কৰিব পাৰে, আমাৰ ব্ৰহ্মপুত্ৰ নদীখন কণ্ট্ৰোল কৰিব নোৱাৰাৰ কি কাৰণ আছে? এইটো হৈছে আমাৰ ইচ্ছা। আমাৰ ব্ৰেইনে আগতে ৱৰ্ক কৰিব লাগিব। ব্ৰেইনৰ মাজত কৰা যুঁজখনত আগতে জয়ী হ'ব লাগিব। কাৰণ নেপোলিয়ন বোনাপাৰ্টক যেতিয়া আইণ্ডেত নিৰ্বাসন দিছিল, তেতিয়া তেওঁ চিন্তা কৰি আছিল যে মই কেনেকৈ সাগৰ পাৰ হৈ ইয়াৰ পৰা ওলাই যাম। তেওঁৰ এই চিন্তা কৰি থকাৰ সময়ত পাইন গছৰ এটা শুকান কাঠ পানীত পৰি উটি গৈ আছিল তাকে দেখি তেওঁ  এডাল কাঠৰ টুকুৰা ধৰি সাগৰ পাৰ হৈছিল। সেইকাৰণে অধ্যক্ষ মহোদয়, আমাৰ ইয়াত ভালকৈ ৱৰ্ক আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী মহোদয়েও কৈছে যে এইটো এটা খুব ছেনচেটিভ বিষয়। আমি চিন্তা-চৰ্চ্চা কৰি খুব সাৱধানে আগবঢ়ি যাব লাগিব। এইটো বৰ শুদ্ধ কথা। আমি এইটোত আছো আৰু গোটেই সদন আছে বুলি মই ভাৰিছো। সমস্যা সমাধান হ'ব লাগিব। শেষত এটা কথা কৈ মই শেষ কৰিব বিচাৰিছো। সেইটো হৈছে আমাৰ ডিজিটেল স্মাৰ্ট চিটি তো হৈছে। কিন্তু স্মাৰ্ট ভিলেজ কনচেপটোত এতিয়া যাব লাগে। আমি নহ'লে It will be too late and will be late behind. ইন্দোনেছিয়াত স্মাৰ্ট ভিলেজ কৰি তেওঁলোকৰ মাজত ব্যৱসায়-বাণিজ্য আৰু পোনপটীয়াকে সৰু সৰু ব্যৱসায়ীয়ে অনলাইনত তেওঁলোকে কামবিলাক কৰিব পৰা হৈছে। এতিয়া আমাৰ ইয়াত কিন্তু কিছুমান ঠাইত ফোনত কথা পাতিবলৈ নেটেই নাথাকে। অসমত তেনেকুৱা হৈ আছে। সেই কাৰণে এই কথাবিলাকৰ লগতে যিহেতু আমি কমিউনিকে শ্যনৰ কথা কৈয়েই আছো। This is also a part of communication আৰু কমিউনিকেশ্যন গেপ যেতিয়া হ'ব তেতিয়া না আলফা সমস্যা সমাধান হ'ব, না বানপানী সমস্যা সমাধানহ'ব, না ব্ৰহ্মপুত্ৰ সমস্যা সমাধান হ'ব। সেই কাৰণে মই আশা ৰাখিম এই চৰকাৰখনে অতি সুন্দৰভাৱে এই সমস্যাকেইটা হাতত লৈছে আৰু আমি আশা ৰাখিম যে ইয়াৰ সমস্যাকেইটা সমাধান হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া লৰেঞ্চ ইছলাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূৰ কোকৰাঝাৰ)** ঃ সন্মানীয় অধ্যক্ষ মহোদয়, পঞ্চদশ বিধান সভাৰ প্ৰথমখন অধিৰেশনত ৰাজ্যপাল ডাঙৰীয়াই দিয়া ধন্যবাদ সূচক ভাষণক আমি আদৰণি জনাইছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। এই গৰিমামণ্ডিত সদনত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ কথা সোঁৱৰাই তেখেতৰ প্ৰতি শ্ৰদ্ধা আৰু তেখেতে বড়ো পিছপৰা জনগোষ্ঠীৰ কাৰণে কৰা সংগ্ৰামক পুনৰ এবাৰ স্বীকৃতি প্ৰদান কৰাৰ কাৰণে মই ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ ভাষণত ২০২০ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ উদ্যোগত হোৱা বি টি আৰৰ যি যুক্তি যাক প্ৰধানমন্ত্ৰী মহোদয়ে বড়ো শান্তি চুক্তি বুলি উল্লেখ কৰিছে। সেই সময়ত বহুলানি আলোচনা কৰিছিল আৰু সেই আলোচনাৰ পিছত দীৰ্ঘদিন ধৰি যি বড়ো সংগ্ৰাম হৈছিল সেই বড়ো সংগ্ৰামটোৰ কেনেকৈ এটা অৰ্থপূৰ্ণ সমাধান কৰিব পৰা যায় তাৰ কাৰণে বহুলানি আলোচনা কৰা হৈছিল। এই চুক্তি হোৱাৰ পিছত চুক্তিত থকা দফাসমূহ কিছুমান ইয়াত ৰূপায়ণ হৈছে যদিও বি টি আৰ চুক্তিৰ যি মূল আধাৰ, বি টি চি ৰ সীমা সম্প্ৰসাৰণ কৰা এই কামবিলাক এতিয়ালৈকে হোৱা নাই। হয়, চৰকাৰে আয়োগ গঠন কৰিছে কিন্তু প্ৰাৰম্ভিক পৰ্য্যায়ত এই কামবিলাক কৰিবলৈ এতিয়াও বাকী আছে। গতিকে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ

জনাব বিচাৰিছো যাতে বি টি চি ৰ সীমা সম্প্ৰসাৰণ যিটো বি টি চি চুক্তিৰ মূল আধাৰ আছিল সেই বিলাক যাতে অতি সোনকালে সমাধান হয়। কথাত আছে *'উন্মিদ পৰ দুনিয়া কায়ম হে'*। চৰকাৰৰ ওচৰত আমি আশা কৰিছো আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এটা বিশ্বাস আছে কিয়নো যোৱা বি টি আৰৰ যি চুক্তি সেই চুক্তিত মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াইও এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। গতিকে এই সময়ৰ নতুন যি চৰকাৰ এই চৰকাৰৰ সময়ত বড়ো চুক্তিৰ ৩.১ নং দফাৰ বড়ো সংগঠনসমূহে দাবী কৰা যি ট্ৰাইবেল গাওঁ, এই গাওঁবিলাক যাতে অতিসোনকালে বি টি চি ৰ যি সীমা সম্প্ৰসাৰণ কৰিব লগা আছে সেই কামবিলাক যাতে অতি সোনকালে হয় তাৰ কাৰণে সন্মানীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। দফা নং ৬.৩ ইয়াত স্পষ্টভাৱে লিখা আছে যে বি টি এ ডি অঞ্চলত যিমান বিলাক অ-প্ৰাদেশীকৃত স্কুল আৰু কলেজ আছে সেইবিলাক প্ৰাদেশিকীকৰণ কৰাৰ কথআ আছিল কিন্তু কোকৰাঝাৰ মিউজিক এণ্ড ফাইন আৰ্টচ্ কলেজৰ বাহিৰে আজিলৈকে স্কুল আৰু কলেজ বিলাক বি টি আৰ চুক্তি মতে আজিলৈকে প্ৰাদেশিকিকৰণ কৰা নহ'ল। বি টি এডিৰ বাহিৰত থকা বড়ো মাধ্যম আৰু বিভিন্ন কলেজত থকা যি বড়ো প্ৰবক্তা নিযুক্তি দিয়াৰ কথা আছিল সেইবিলাক কামো আজিলৈকে হোৱা নাই। গতিকে সন্মানীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই এই বিষয়সমূহ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো আৰু অতি সোনকালে ইয়াৰ যেন ব্যৱস্থা কৰে তাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। দফা নং ৯.৪ ৰ ওপৰত মই এটা গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰিছো। এন ডি এফ বি সকলৰ যি গোচৰ সেই গোচৰটো প্ৰত্যাহাৰ হোৱা নাই। এই কাৰণে মই ক'ব বিচাৰিছো যে ইতিমধ্যে এন ডি এফ বি ৰ কিছুমান ব্যক্তি পুনৰ জংঘলত গৈ তেওঁলোকে এইটোৱেই কৈ আছে যে এন ডি এফ বি ৰ শীৰ্ষ নেতা সকল এতিয়াও জেলত আছে। চুক্তি হ'ল কিন্তু গোচৰ বিলাক প্ৰত্যাহাৰ কৰা নহ'ল। গতিকে সন্মানীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিব বিচাৰিছো যাতে অতি সোনকালে বিশেষ ব্যৱস্থা লয়। যিমান বিলাক এন ডি এফ বি আৰু সংগ্ৰামৰ লগত জড়িত থকা গোচৰ আছে এই গোচৰ বিলাক যাতে প্ৰত্যাহাৰ কৰাৰ কাৰণে চৰকাৰে যাতে এটা বাস্তৱ সন্মত পদক্ষেপ লয় তাৰ বাবে মই চৰকাৰক আহ্বান জনাইছো। সদৌ শেষত ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰীকৃষ্ণেন্দু পাল।

**শ্ৰীকৃষ্ণেন্দু পাল (পাথারকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সর্বপ্রথম আপনাকে শুভেচ্ছা জ্ঞাপন করছি, সন্মানীয় অধ্যক্ষ পদ অলংকৃত করার জন্য। আমি আপনাকে অসংখ্য ধন্যবাদ জানাচ্ছি যে, মাননীয় রাজ্যপাল মহোদয়ের ভাষণের পরিপ্রেক্ষিতে কিছু কথা বলার সুযোগ করে দেওয়ার জন্য। মাননীয় অধ্যক্ষ মহোদয়, আপনার মাধ্যমে আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কেও শুভেচ্ছা ও ধন্যবাদ জ্ঞাপন করছি। আজ অসমের তিন কোটি ত্রিশ লক্ষ মানুষের অনেক আশা-আকাঙ্খা যে মাননীয় হিমন্ত বিশ্ব শর্মা মহাশয় অসমের মুখ্যমন্ত্রী হিসাবে অধিষ্ঠিত হয়েছেন। সবার একটা বিশ্বাস আছে যে, মাননীয় হিমন্ত বিশ্ব শর্মা মহাশয় এবং আমাদের প্রধানমন্ত্রী মাননীয় নরেন্দ্র মোদিজীর নেতৃত্বে অসম ভারতবর্ষের পঁচটি রাজ্যের মধ্যে একটি সুন্দর, শক্তিশালী ও শান্তির রাজ্য হিসাবে প্রতিষ্ঠিত হবে। সব থেকে বড় কথা মাননীয় হিমন্ত বিশ্ব শর্মা মুখ্যমন্ত্রী হিসাবে দায়িত্ব ভার নেওয়ার পর তিনি যে প্রকল্পগুলো হাতে নিয়েছেন, সেগুলো মাননীয় রাজ্যপাল মহোদয়ের ভাষণের মধ্যে আমরা বুঝতে পেরেছি। সত্যিকারেই আগামী পাঁচ বছরের মধ্যে অসম ভারতবর্ষের পাঁচটি রাজ্যের মধ্যে শক্তিশালী রাজ্য হিসাবে প্রতিষ্ঠা লাভ করবে। আলফা স্বাধীন দ্বারা অপহৃত ওয়েনজিসির

কর্মচারী শ্রীরিতুল শইকীয়াকে মুক্ত করে আনার জন্য আমি বিশেষভাবে মাননীয় মুখ্যমন্ত্রী ও অসমের হোম ডিপার্টমেন্ত ও পুলিশ প্রশাসনকে ধন্যবাদ জানাই । এই পদক্ষেপ অসমের জন্য একটা শুভ লক্ষণ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ সন্মানীয় সদস্য। এখন সময় নেই। পরে অন্য সেশনে আপনাকে বলার জন্য সুযোগ করে দেওয়া হবে।

**শ্রীকৃষ্ণেন্দু পাল (পাথারকান্দি)ঃ** অসমে শান্তি ফিরে আসবে। শক্তিশালী ও সুন্দর অসম গড়ে উঠবে। আমি একটা কথা বলতে চাই যে করোনা মহামারী সমগ্র বিশ্বকে স্তব্ধ করে দিয়েছে। করোনা মহামারীর মেডিসিন ২ডিজির আবিষ্কারক গ্রুপের সদস্য জুবিলি পুরকায়স্থ. অসমের করিমগঞ্জের মেয়ে । জুবিলি পুরকায়স্থ আমাদের করিমগঞ্জের লাতু মহিশাসনের মেয়ে, তাই উনাকে আজ এই সদনের মাধ্যমে আমরা শুভেচ্ছা নিবেদন করতে চাই, এই জন্য যে তিনি অসমকে গৌরবান্বিত করেছেন । রাজ্যপাল মহোদয়ের ভাষণের পূর্ণ সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুরকায়স্থ আপনার সময় এখন । আপনার মনের কি ইচ্ছা আছে সেটা তিন মিনিটের মধ্যে বলুন।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, এই ৩৫ হাজার কোটি টাকা কোথায় গেল? এই ৩৫ হাজার কোটি টাকা যদি অসমকে দেওয়া হয়, তাহলে অসমের মানুষের কাছ থেকে কেন টাকা নেওয়া হচ্ছে? সেই কথাগুলো পরিষ্কার করে বলতে হবে। আমি মনে করি বিশেষ করে এই করোনার উপরে একটা স্টেটমেন্ট দিতে হবে- যে কত টাকা আমাদের কেন্দ্র থেকে এলো, কত টাকা আমরা পেলাম, কতজন মানুষ প্রথম ওয়েবে মারা গেল ? দ্বিতীয় ওয়েবে কতজন মারা গেল ? আমাদের করিমগঞ্জে কেন আই সি ইউ হচ্ছে না। কোন কোন জেলাতে আই সি ইউ আছে? সে কথাগুলো স্পষ্ট করে বলতে হবে।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জুৰলী পুৰকায়স্থই যিটো ২-জি মেডিচিন তৈয়াৰ কৰিছে ক'ৰণাৰ কাৰণে, আমি বিচাৰিছো যে অসম চৰকাৰৰ ফালৰপৰা যাতে তেওঁক পুৰস্কৃত কৰা হওক 'অসম ৰত্ন' হিচাপে। দ্বিতীয়তে, জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই যিটো ক'লে যে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বৰঙণিৰ কাৰণে অসমৰ প্ৰতিজন লোকক অনুৰোধ জনাইছে। এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমি যিবিলাক tax দিওঁ, ৰাজকোষত যিখিনি টকা আছে সেইখিনি আমাৰ টকা নহয় নেকি? ৰাজকোষৰ সেই টকাবিলাক ক'ত খৰছ হ'ব? শেষত এটা কথা, ভাৰত চৰকাৰে ২০২০-২০২১ চনত ৩৫ হাজাৰ কোটি টকা vaccine ৰ বাবে ধাৰ্য্য কৰিলে। যদি বাজেটত টকাটো ধাৰ্য্য কৰা হৈছে এই টকাটো ৰাজ্যখনে দিবলগা হয়। যদি ৰাজ্য চৰকাৰে দিছে তেতিয়াহ'লে ৰাইজৰ পৰা আকৌ কিয় টকা বিচৰা হয়? এই কথাখিনি আমি জানিব বিচাৰিছো। বিভিন্ন দেশত স্বাস্থ্যমন্ত্ৰী সকলে নৈতিকতাৰ আধাৰত তেওঁলোকৰ পদবীৰ পৰা ৰিজাইন দিছে। কিন্তু আমাৰ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী হৰ্ষবৰ্দ্ধন ডাঙৰীয়াই ক'লে যে dark chocolate টো খাব লাগে। ইয়াৰ ওপৰত মই বিশেষ ক'ব নাযাওঁ। কিন্তু এই ৩৫ হাজাৰ কোটি টকা যিটো ধাৰ্য্য কৰা হৈছিলে সেইটো ক'ত গ'ল? ৮ খন ৰাজ্যক কোৱা হৈছে যে আপোনালোকে আপোনালোকৰ বাজেটৰ ৩০ শতাংশ টকা দিব। কিন্তু অসমক কোৱা হোৱা নাই। অধ্যক্ষ মহোদয়, এই ৩৫ হাজার কোটি টাকা কোথায় গেল? এই ৩৫ হাজার কোটি টাকা যদি অসমকে দেওয়া হয়, তাহলে অসমের মানুষের কাছ থেকে কেন টাকা নেওয়া হচ্ছে? সেই কথাগুলো পরিষ্কার

করে বলতে হবে। আমি মনে করি বিশেষ করে এই করোনাব উপরে একটা স্টেটমেন্ট দিতে হবে- যে কত টাকা আমাদের কেন্দ্র থেকে এলো, কত টাকা আমরা পেলাম, কতজন মানুষ প্রথম ওয়েবে মারা গেল ? দ্বিতীয় ওয়েবে কতজন মারা গেল ? আমাদের করিমগঞ্জে কেন আই সি ইউ হচ্ছে না। কোন কোন জেলাতে আই সি ইউ আছে? সে কথাগুলো স্পষ্ট করে বলতে হবে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা কৈছে যে কেন্দ্ৰীয় চৰকাৰে ৩৫ হাজাৰ কোটি টকা vaccine ৰ কাৰণে ধাৰ্য্য কৰিছে সেইটো তেনেকুৰা নহয়। এই টকাটো entire covid management ৰ কাৰণে ধৰা হৈছে । তেখেতে হয়তো ভালদৰে এইটো চোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ উত্তৰ আপোনাক নিশ্চয় মুখ্যমন্ত্ৰী মহোদয়ে দিব। এতিয়া শেষৰজন বক্তা শ্ৰী কৰিমউদ্দিন বৰভূঞা।

**শ্ৰী কৰিমউদ্দিন বৰভূঞা (সোণাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে অসমখনক ৫ খন উন্নয়নশীল ৰাজ্যৰ ভিতৰত এখন কৰিব লাগিব। কিন্তু তাত কোনো specific road map পৰিলক্ষিত হোৱা নাই। যেনে- Revenue generation ত specific একো ভালদৰে highlight কৰা নাই। মই এটা বস্তু highlight কৰিব বিচাৰিছো। Lapse খিনিও আমি আনিব লাগিব। প্ৰথমতে চাব লাগিব আমাৰ জমা কি আছে। যোৱা ৫ বছৰত মই দেখিলো যে বন বিভাগত আমাৰ সকলোতকৈ বেছি leakage আছে। দ্বিতীয়তে, APDCL ত। যদি আমি অসমখনক আগুৱাই লৈ যাব লাগে তেতিয়াহ'লে আমি finance economy অলপ upgrade কৰিব লাগিব। এই কথা ইয়াত উল্লেখ নাই। মই বিচাৰো যে Revenue generation ৰ কাৰণে এটা specific road map কৰিব লাগে। দ্বিতীয়তে, project skill, PWD ৰ ক্ষেত্ৰত আমাৰ অসমত ৬০ শতাংশ delay হয়। Completion period যদি ৬ মাহ হয়,সেইটো ৩ বছৰ ৪ বছৰ বা ৫ বছৰ হয়গৈ। উদাহৰণস্বৰূপে, ২০ বছৰ আগতে আমাৰ শিলচৰ highway ৰ foundation lay হৈছিলে। তাৰ ৩১ কিলমিটাৰ incomplete কাম যোৱা ১৫ বছৰৰ পৰা pending হৈ আছে। ইয়াৰ উপৰিও আৰু এখন দলঙৰ কাম যোৱা ৮ বছৰৰ পৰা pending হৈ আছে। আজি যদি সৰু-সুৰা projects বিলাক গোটেই অসমত চায় তেতিয়া ৬০ শতাংশ projects ৰ যেতিয়া projects delay হয়, তেতিয়া price variation হয়। তেতিয়া হয় price variation হৈ আমাৰ loss হয় নহ'লে আমি quality ৰ লগত compromise কৰিবলগা হয়। অসমত থকা জাগীৰোড পেপাৰ মিল আৰু কাছাৰ পেপাৰ মিল আৰম্ভ কৰাৰ কাৰণে ব্যৱস্থা ল'লে ভাল হয়। আজি employment generation ৰ কথা কোৱা হৈছে। মই এটা সৰু উদাহৰণ দিছো। কাছাৰ জিলাত entrepreneuer বঢ়োৱাৰ কথা কৈছে। কিন্তু মোৰ জিলাত ১৬ টা saw mill যোৱা ৩ বছৰৰ পৰা বন্ধ হৈ আছে। গতিকে তাত employment বাঢ়িব নে কমিব ? মানুহক সুবিধা দিয়াৰ কথা চৰকাৰে কৈছে। কিন্তু আমাৰ শিলচৰ মেডিকেল কলেজত যাবলৈ দুটা ৰাস্তা আছে- এটা আগফালে আৰু এটা পাছফালে। কিন্তু কোনো কাৰণ নোহোৱাকৈ যোৱা ৬-৮ মাহ আগতে পাছফালৰ ৰাস্তাটো বন্ধ কৰি দিয়া হ'ল যাবকাৰণে জনসাধাৰণে ১৫ কিঃমিঃ ঘুৰি আহিবলগা হয়। গতিকে এটা Road Map লাগিব employment generation ৰ ক্ষেত্ৰতে হওঁক বা revenue generation ৰ ক্ষেত্ৰত বা infrastructure ৰ ক্ষেত্ৰতে হওঁক এইটো যথেষ্ট নহয় আমাৰ ৰাজ্যখনক ৫ খন ৰাজ্যৰ ভিতৰত উন্নত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ। সেইকাৰণে আমি ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা

কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত হোৱা বিতৰ্কৰ ওপৰত মন্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰা বাবে বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সন্মানীয় বিধায়ক হাফিজ ৰফিকুল ইছলাম, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী পদ্ম হাজৰিকা, শ্ৰী মৃণাল শইকীয়া, শ্ৰী ভৰত নৰহ, শ্ৰী জয়ন্ত মল্ল বৰুৱা, শ্ৰী গোবিন্দ বসুমতাৰী, শ্ৰী দুৰ্গা দাস বড়ো, শ্ৰী ৰকিবুল হুছেইন, শ্ৰীআমিনুল ইছলাম, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰীমতী নন্দিতা গাৰ্লোচা, শ্ৰীপ্ৰদীপ হাজৰিকা, শ্ৰী লৰেঞ্চ ইচলাৰী,শ্ৰী কৃ ষেন্দু পাল, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু শ্ৰী কৰিমুদ্দিন বৰভূঞাক মই ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, বক্তব্যৰ আৰম্ভণিতে এই পবিত্ৰ সদনলৈ এইবাৰ নিৰ্বাচিত হৈ অহা প্ৰতিজন বিধায়ককে অভিনন্দন জনাইছো। বিশেষকৈ প্ৰথমবাৰৰ বাবে বিধান সভালৈ নিৰ্বাচিত হৈ অহা সকলক মই উষ্ণ আদৰণি জনাইছো আৰু সংসদীয় গণতন্ত্ৰৰ সফলতাৰ বাবে তেখেতসকলে বেছিকৈ কথা কোৱাৰ সুযোগ পাওঁক, তেখেতসকলে এই বিধান সভাত গৰিমামণ্ডিত কৰক তাৰবাবে মই অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰাৰ্থনা ৰাখিম। যিসকল বিধায়ক পুনৰ নিৰ্বাচিত হৈ আহিলে আৰু কিছুদিনৰ বিৰতিৰ পিছত যিসকল আকৌ এই সদনত আহিল তেওঁলোকলৈও মই অভিনন্দন জনাইছো। মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱে আমাৰ জাতিক প্ৰাণ দিছিলে, ঐতিহ্য দিছিলে, আমাক একতাৰ দোলেৰে বান্ধিছিলে। ভাৰতবৰ্ষৰ যি প্ৰবাহমান ঐতিহ্য সেই ঐতিহ্যই অসমক সদায় চহকী কৰি ৰাখিছে। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ, মহামায়া মা কামাখ্যা, আধ্যাত্মিক তীৰ্থ মাজুলী ভুৱন তীৰ্থ আৰু মহাবাহু ব্ৰহ্মপুত্ৰক সন্মান জনাই মই অসমৰ ৰাইজক নিশ্চিতভাৱে এটা বাৰ্তা দিব খোজো যে অনাগত ৫ টা বছৰত অসমৰ জনসাধাৰণৰ আশা আৰু আকাংক্ষাক বাস্তৱত ৰূপায়ণ কৰাৰ বাবে এই চৰকাৰে ২৪ ঘন্টাই ৩৬৫ দিন আমি নিৰন্তৰভাৱে কাম কৰি যাম। কল্যাণমুখী ৰাষ্ট্ৰৰ কেন্দ্ৰবিন্দু হৈছে যিসকল সমাজত বাস কৰা লোক যুগে-যুগে বঞ্চিত আৰু শোষিত হৈ অহিছে তেওঁলোকক উত্তৰণৰ পথলৈ লৈ যোৱা। অসমৰ চাহ জনগোষ্ঠীৰ প্ৰতিগৰাকী লোক, অসমৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি, সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকল, আমাৰ জনমুখী যাত্ৰাৰ প্ৰাণ হ'ব, আত্মা হ'ব আৰু তেওঁলোকক কেন্দ্ৰ কৰিয়েই অহা ৫ টা বছৰত আমি এক নিৰন্তৰ যাত্ৰা আগুৱাই লৈ যাবলৈ চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, এই সদনত মই ২০০১ চনত প্ৰৱেশ কৰিছিলো। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ আশীৰ্বাদত মই মোৰ ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিছিলো। তৰুণ গগৈ ডাঙৰীয়াৰ মন্ত্ৰী সভাত দীৰ্ঘদিনৰ কাম কৰাৰ মোৰ সৌভাগ্য হৈছিল আৰু আমাৰ সকলোৰে নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী, সকলোৰে পথ প্ৰদৰ্শক সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰত ৫ টা বছৰ নিৰন্তৰভাৱে কাম কৰাৰ সুযোগ পাইছিলো। এই তিনিও গৰাকী নেতাকে মই মোৰ অন্তৰৰ গভীৰতম কোনৰ পৰা কৃতজ্ঞতা জনাইছো আৰু তেওঁলোকে দেখুৱাই যোৱা আদৰ্শৰে অসম মাতৃক সেৱা কৰাৰ তীব্ৰ বাসনাৰে মই দিয়া প্ৰতিশ্ৰুতি এই পবিত্ৰ সদনৰ আগত পুনৰবাৰ দাঙি ধৰিছো। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আমি এটা কথা অংকণ কৰিব চেষ্টা কৰিছো যে এই চৰকাৰখনে দ্বিতীয়বাৰলৈ নিৰ্বাচিত হৈ আহিছে। মুখ্যমন্ত্ৰীৰ দায়িত্ব মই পাইছো যদিও আমি নিৰন্তৰতাৰে সৈতে বিশ্বাস কৰো যে যোৱা ৫ টা বছৰে সোণোৱাল ডাঙৰীয়াই আৰম্ভ কৰা উন্নয়নৰ ধাৰাবাহিকতাক আৰু অধিক খৰস্ৰোতা কৰাৰ দায়িত্ব আমাৰ।

মুখ্যমন্ত্ৰী সোণোৱাল ডাঙৰীয়াই যিধৰণে বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ, ভৈয়ামক একাকাৰ কৰি অসমৰ জাতীয় জীৱনৰ উন্নয়নৰ এক নতুন মানচিত্ৰ অংকণ কৰিছিল এই চৰকাৰখনে সেই ধাৰাবাহিকতাকে আগত ৰাখি কাম কৰি যোৱাৰ বাবে সংকল্পবদ্ধ আৰু চেষ্টা চলাব। ভৰত নৰহ ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়াৰ বক্তব্যত যোৱা চৰকাৰখনে কোনখিনি কাম কৰিব নোৱাৰিলে তাৰ কিছু দিশ দাঙি ধৰিছে। বিৰোধীৰ সেয়া দায়িত্ব। কিন্তু যদি যোৱা ৫ বছৰত চৰকাৰখনৰ সফলতাৰ দিশে ভূমুকি মাৰো ই আছিল পৰ্বত সমান। যি সময়ত আমি কংগ্ৰেছ চৰকাৰৰ পৰা দায়িত্ব লৈছিলো সেই সময়ত অসমত প্ৰতি বছৰে উন্নয়নৰ বাবদ আমি পুঁজি খৰছ কৰিছিলো ৪২ হাজাৰ কোটি টকা। ৫ টা বছৰ পিছত সোণোৱাল ডাঙৰীয়াই যেতিয়া দায়িত্ব এৰি থৈ গৈছিল সেই সময়ত এটা এছৰত চৰকাৰে খৰছ কৰিছে ৮৪ হাজাৰ কোটি টকা। মাত্ৰ ৫ বছৰতে অসমৰ ৰাজহুৱা ব্যয় দুগুণলৈকে লৈ যোৱা সোনোৱাল ডাঙৰীয়াৰ চৰকাৰখনেই আছিল অসমৰ ভিতৰত অনন্য আৰু একক। তাৰ আগত কোনো চৰকাৰেই সেই ধৰণৰ উচ্চতাৰ শিখৰ কেতিয়াও অংকণ কৰিব পৰা নাছিল। আজি প্ৰায় ৪০ হাজাৰ কিলমিটাৰ ৰাস্তা, প্ৰায় ২২ লাখ পৰিয়াললৈ অৰুণোদয়, বৃদ্ধ পেঞ্চন, অসমৰ কৃষি ক্ষেত্ৰত এক নৱ জাগৰণ আৰু এক প্ৰকাৰ ক'ব গলে যোৱা ৫ টা বছৰ আছিল অসমৰ শান্তি আৰু সম্প্ৰীতিৰ এক নতুন জীৱন। আজি ভৰত নৰহ ডাঙৰীয়াই যি সমাজৰ কথা কৈছে, কংগ্ৰেছ চৰকাৰৰ দিনত ছিদ্দিক আহমেদ ডাঙৰীয়া প্ৰমাণ আছে বাৰে বাৰে কোকৰাঝাৰ আৰু ওদালগুৰিলৈ যাবলগীয়া হৈছিল সাম্প্ৰদায়িক সংঘৰ্ষ সাম কটাবলৈ। কাৰ্বি আৰু ডিমাছাৰ সংঘৰ্ষই আমাৰ জাতীয় জীৱনক ক্ষতিগ্ৰস্ত কৰিছিল। তেজৰ ফাকু হৈছিল। গুৱাহাটীৰ মাজমজিয়াত বোমা বিস্ফোৰণে আমাৰ হৃদয়ত এক গভীৰ বেদনাৰ সাঁচ পেলাইছিল। ইতিহাসে ৰোমন্থন কৰিব যোৱা ৫ টা বছৰত যিখন বি জে পি নেতৃত্বধীন চৰকাৰ হ'ল সেই চৰকাৰখনত হিন্দু আৰু মুছলমান দুইটা সম্প্ৰদায়েই সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হোৱা নাছিল। সাম্প্ৰদায়িক সম্প্ৰীতিৰ এক নতুন উত্তৰণ হৈছে। প্ৰতিটো জনজাতীয় সমাজ অসমৰ মূল সুঁতিৰ লগত একাকাৰ হৈ পৰিছিল আৰু এখন নতুন অসমৰ বুনিয়াদ আমি নিৰ্মাণ কৰিব পাৰিছিলো। আজি যেতিয়া ভৰত নৰহ ডাঙৰীয়াই পুৰণা ৫ বছৰৰ বিফলতাৰ কথা কয় তেতিয়া মই তেখেতক মনত পেলাই দিম যে যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত সমাজত যি ঘৃণ হৈছিল, ইজন সিজনৰ মাজত যি শত্ৰুতাৰ বীজ ৰোপণ হৈছিল তাৰ পৰিৱৰ্তে যোৱা ৫ টা বছৰত অসমীয়া জাতিয়ে শান্তিৰ মলয়া বতাহ পাইছিল সেই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ জাতীয় জীৱনত আমি এটা নতুন অভিলেখ সৃষ্টি কৰিছিলো। প্ৰথমবাৰৰ বাবে অ-কংগ্ৰেছী চৰকাৰ।

প্ৰথমবাৰৰ বাবে অকংগ্ৰেছী চৰকাৰ। অকংগ্ৰছী চৰকাৰ অসমত হৈছে। গোলাপ বৰবৰাৰ নেতৃত্বত হৈছে, প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত হৈছে আৰু ধাৰাবাাহিকভাবে দুইখন চৰকাৰ কেতিয়াও বিজয়ী হ'ব পৰা নাছিল। আমি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰখনে ধাৰাবাহিকভাৱে দুবাৰ বিজয়ী হৈ অসমৰ ৰাজনীতিত অসমৰ ৰাজনৈতিক জীৱনত এক নতুন অধ্যায় আৰম্ভ কৰিব পাৰিছো। মই অন্তৰৰ পৰা দৃঢ়তাৰে সৈতে বিশ্বাস কৰো যে যোৱা পাঁচটা বছৰৰ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰখনক অসমৰ জাতীয় জীৱনৰ এখন সফলতম চৰকাৰ বুলি ইতিহাসে গণ্য কৰিব আৰু ইতিহাসে গণ্য কৰাৰ প্ৰাসংগিকতা আছে, প্ৰয়োজন আছে। সোনোৱাল ডাঙৰীয়াই মূল্যবোধৰ এক নতুন ৰাজনীতি নিৰ্মাণ কৰিছিল। আমি প্ৰচেষ্টা চলাম সেই মূল্যবোধৰ ৰাজনীতিক সৰোগত কৰিব যোৱা পাঁচটা বছৰত যিমান উন্নয়নৰ কাম হৈছিল তাক আৰু অধিক বিকশিত কৰাৰ, তাক আৰু অধিক খৰশ্ৰুত কৰাৰ। মোৰ চেষ্টা থাকিব যে এই প্ৰচেষ্টাত বিৰোধী পক্ষই আমাক সহযোগিতা

কৰিব। সংসদীয় গণতন্ত্ৰত অসমে দিক-নিৰ্ণায়কৰ ভূমিকা লোৱা প্ৰয়োজন। উত্তৰ পূৰ্বৰ সাতখন ৰাজ্যই আমাৰ এই সদন খনক চাই নিজৰ প্ৰেৰণাৰ বাবে। তেওঁলোকৰ প্ৰতিটো দিশতে অসম এক উদাহৰণ। বিৰোধী পক্ষই কথা ক'ব। বিৰোধী পক্ষৰ প্ৰতিটো কথাৰ উত্তৰ চৰকাৰী পক্ষৰ লগত থাকিব। কিন্তু কথা কওঁতে সদনখন যাতে আগবাঢ়ি যায়, সদনৰ যাতে কাৰ্য্যক্ৰমণিকা চলে সেইয়া আমাৰ বাবে প্ৰয়োজনীয়। এইবাৰ বিধান সভাত মহামান্য ৰাজ্যপালে সম্পূৰ্ণ সময় ভাষণ দিয়াৰ যি বিৰল সুযোগ লাভ কৰিলে তাৰ বাবে সমাজে বিৰোধী পক্ষক কৃতিত্ব দিছে যে বিৰোধীয়ে ভাল পদক্ষেপ এটা হাতত লৈছে। আমি বিশ্বাস কৰো সেই ধৰণৰ ৰাজনীতি চলক। বিৰোধীক সভা স্থগিত প্ৰস্তাৱ লাগে, আধা ঘণ্টা বেছিকৈ কথা কোৱাৰ সময় লাগে আমাৰ কাৰোৰে আপত্তি নাই। সদন যে চাৰিটা বজালৈকে চলিব লাগিব তেনেকুৱা কোনো কথা নাই। ছয়টা বজালৈকে চলক। বিৰোধীয়ে দুটা কথা বেছিকৈ কওঁক। আমাৰ কোনো আপত্তি নাই। কিন্তু point of order, অলাগতীয়াল কথা বতৰাৰে আমি proceedings ত শব্দ নথকা কথা খন্তেকৰ বাতৰি কাকতৰ শিৰোণামাৰ গ্ৰহণ কৰাৰ পৰিৱৰ্তে তাত্বিক কথাৰে আৰু যুক্তিৰ কথাৰে চৰকাৰখন যদি ৰেলপথৰ পৰা আতৰি গৈছে, চৰকাৰ খনক ৰেল পথলৈ উভতাই অনাৰ বাবে যিমান ধৰণৰ কথা হওঁক তাত একোৰে আপত্তি কৰিবলগীয়া নাই। মই আমাৰ সংসদীয় দলৰ বৈঠকত মই স্পষ্টভাৱে কৈছো যে সদনত চৰকাৰীপক্ষৰ বিধায়কসকল থাকিব। আমাৰ বিধায়কৰ স্থান বিধান সভাৰ মজিয়াত, লবীত নহয়। মই স্পষ্টভাৱে কৈছো যে লবীত আমাৰ স্থান নহয়। আমি বিধান সভাৰ ভিতৰত থাকিম। আমি বিধান সভাৰ ভিতৰত কথা কম আৰু ৰাইজৰ আশা আকাংক্ষ্যাক আমি বাস্তৱত ৰূপায়িত কৰিম। বিৰোধীক পৰামৰ্শ দিয়াৰ মোৰ ধৃষ্ঠতা নাই। কিন্তু গতিশীল আৰু প্ৰাণৱন্ত জীৱন্ত এখন বিধান সভা অসমৰ ৰাইজৰ অধিকাৰ। মই ভাবো সেই প্ৰাণৱন্ত জীৱন্ত বিধান সভা এখন অহা পাছঁটা বছৰত আমি দিবৰ বাবে চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, চৰকাৰখনে আৰম্ভণি কৰিছিল এক নতুন আশাৰে। আজিৰ এই মহামঞ্চত থিয় হৈ মই পোন প্ৰথমে নিশ্চয় ধন্যবাদ জনাম পৰেশ বৰুৱা ডাঙৰীয়াক যে আমাৰ এটা আবেদনৰ ওপৰত লক্ষ্য ৰাখি তেখেতে ৰিতুল শইকীয়াক যি ধৰণে মুকলি কৰি দিলে সিয়ে আমাৰ মাজত ক'ৰবাত নহয় ক'ৰবাত আশাৰ কিৰণ দেখুৱাইছে। শান্তি অসমৰ অধিকাৰ। পৰেশ বৰুৱা ডাঙৰীয়াৰ বয়স ৬৫ বছৰ হব'গৈ। মোৰ বয়স ৫২ বছৰ হ'ব। শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ বয়সো ৬০ বছৰৰ ওচৰত হবগৈ। আমাৰ প্ৰত্যেকৰে বয়স বাঢ়িছে। এখন শান্তিৰ অসম আমি নতুন প্ৰজন্মক আমাৰ চামটোৱে দি যাব লাগিব। সেয়া আমাৰ দায়িত্ব, সেয়া আমাৰ কৰ্তব্য। মই পৰেশ বৰুৱা ডাঙৰীয়াক কম যে শান্তিৰ অসম, হিংসা বৰ্জিত এখন অসম সেয়ে আমাৰ নতুন প্ৰজন্মৰ অধিকাৰ আৰু সেই নতুন প্ৰজন্মৰ অধিকাৰক সন্মান জনাই চৰকাৰ আৰু আলফা দুয়োটাই মুকলি মনেৰে আলোচনাৰ পৰিবেশ নিৰ্মাণ কৰিব লাগে আৰু মই স্পষ্টতাৰে সৈতে ক'ব খোজো যে মোডী ডাঙৰীয়া আৰু অমিত শ্বাহ ডাঙৰীয়াৰ সদিচ্ছা আছে। অসমলৈ স্থায়ী শান্তি আহিব লাগে আৰু এই শান্তিৰ বাট ৰিতুল শইকীয়াৰ মুক্তিৰ জৰিয়তে আৰম্ভ হওঁক তাক নিশ্চয় মই কামনা কৰিম আৰু এই প্ৰাৰ্থনা নিশ্চয় মই পৰম পিতাৰ ওচৰত ৰাখিম যাতে তেখেতে আমাক আৰ্শীবাদ কৰে। শান্তিৰ যেন এক নতুন পোহৰ আমাৰ জাতীয় জীৱনলৈ আহিবলৈ সক্ষম হয়। প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই বি টি আৰ চুক্তিৰ জৰিয়তে আজি বড়োভূমিত স্থায়ী শান্তিৰ এক নতুন সপোন দেখিছে। এই সদনৰ পৰা মই স্পষ্ট বাৰ্তা দিব খোজো যে যি সকলে বড়ো ভূমিত অশান্তিৰ বীজ ৰচনা কৰিব খোজে, যি সকলে হত্যা, হিংসাৰ পথত ঘূৰি যাব খোজে তেওঁলোকৰ প্ৰতি এই চৰকাৰৰ শূণ্যসহনশীল নীতি হ'ব। আনহাতেদি বড়োভূমিলৈ শান্তিৰ গংগা

নামি আহক। বড়ো জাতীয়ে এক নৱ উত্থানৰ পথত আগবাঢ়ি যাওঁক। তাৰবাবে এই চৰকাৰে যিমান কৰিবলগীয়া আছে তাতকৈ এটা বেছিকৈ কৰিব, তাতকৈ এটা কমকৈ নকৰে। সেই আশ্বাস মই দিব খোজো। অহা কেইদিনমানৰ ভিতৰতে কাৰ্বি পাহাৰতো স্থায়ী শান্তি নমাই আনিবলৈ কাৰ্বি চুক্তি এখন কৰাৰ দিশত আমি আগবাঢ়িছো আৰু মই নিশ্চিত যে সেই দিশত আমি আগবাঢ়ি যাব পাৰিম আৰু কাৰ্বিপাহাৰলৈ আমি শান্তি উভতাই আনিব পাৰিম। অধ্যক্ষ মহোদয়,এই সদনত মই গৰিমাৰ কথা কম। কেইদিনমান আগতে ভৰত নৰহ ডাঙৰীয়াই কৈছিল যে অখিল গগৈ ডাঙৰীয়াক এই সদনত বহাৰ অনুমতি দিব লাগে। প্ৰশ্নটো হ'ল বেমাৰী মানুহ এজনক সদনে কেনেকৈ বহাব পাৰে। যিজন মানুহক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক সকলে চাৰি মাহ ধৰি treatment কৰি আছে paying cabin ত বহুৱাই। তেওঁক কোৱা হৈছে যে মানুহজন মানসিকভাবে ভাল অৱস্থাত নাই। He is gettig treatment on phycology issues যে তেখেতৰ emotional imbalance মানসিক ৰোগৰ কাৰণে তেখেতে আজি চিকিৎসা পাই আছে। সিদিনাখন সদনত আহিছে, ক'ভিড প্ৰ'টকল পাহৰি ইজনৰ পৰা সিজনৰ তাত গৈছে, ইজনৰ পৰা সিজনৰ তাত গৈছে। ই এক বেমাৰৰ আগজাননী আৰু মোক চিকিৎসা মহাদ্যিালয়ৰ চিকিৎসক সকলে কৈছে চাৰ বেয়া নাপাব this is his dieases এইটোৱে তেওঁৰ বেমাৰ। মই শুধিছিলো যে তেওঁকতো আমি সুস্থ অৱস্থাত দেখিছো, ঘুৰি ফুৰিছে আপোনালোকে কিয় মেডিকেলত ৰাখি থৈছে। তেওঁক সহায় কৰাৰ কাৰণে মেডিকেলত ৰাখি থৈছে নেকি? বোলে নহয় চাৰ। সেইটোৱে তেওঁৰ বেমাৰ। চৰকাৰখনে কাৰো প্ৰতি নিগেটিভ দৃষ্টিভংগী ৰখা নাই। কৈছে অখিল গগৈক বাছত কিয় আনিছে। ক'ভিডৰ সময়ত তেওঁক গাড়ীত বহাই পাঁচজন দেহৰক্ষী যদি তেওঁৰ লগত আহে তেওঁৰ গাত ক'ভিড নহ'ব নেকি? তেওঁক আহল বহল বাছ এখনত বহাই অনাতো সেইটোতো চৰকাৰৰ দায়িত্ব যাতে ক'ভিড প্ৰ'টকল ৰক্ষা কৰিব পাৰে। এতিয়া প্ৰশ্ন হ'ল যদি অখিল গগৈ ডাঙৰীয়াই কয় মই সুস্থ আইনমতে তেওঁ জেলত যাব লাগিব আৰু যদি কয় যে নহয় মই বিধান সভাও কৰিব নোৱাৰো মই অসুস্থ তেওঁ paying cabin ত থাকিব লাগিব। এতিয়া সিদ্ধান্তটো কোনে ল'ব। ইয়াতে কৈছে Speaker য়ে লিখি দিয়ক। কিয় Speaker য়ে লিখি দিব এজন বেমাৰীক। তেওঁ লিখি দিব পাৰে মোৰ view টো। মোৰ চৰকাৰৰ ফালৰ পৰা কৈছো Law and Order দিশত তেওঁ আহিব পাৰে। অধ্যক্ষ মহোদয়ে আমাৰ comment বিচাৰিছে আমি কৈছো যে নহয় বেমাৰী মানুহ এজনক আপুনি expose কৰিব নোৱাৰে। কাৰণ তেওঁ নিশ্চিতভাৱে বেমাৰী। তাৰ কাৰণেহে মেডিকেল কলেজত আছে। আজি নহ'লে গোটেই মেডিকেল ব'ৰ্ডত যিমান ডাক্তৰ আছে সকলোকেতো কৰ্টে ক'ব যে বেমাৰী মানুহজন কেনেকৈ ঘুৰি আছে। গতিকে মই ভাবো যে পলিটিকেল পইণ্ট আমি score কৰাৰ বহুত মাধ্যম আছে। কিন্তু এই ধৰণৰ কথাই, সিদিনাখন মই দেখি আহিছো, মোৰ ওচৰতো আহিছে। মই ভাবিছো যে কিয় আহিছে। কাৰণ আমি সিদ্ধান্ত লৈছো যে ক'ভিডৰ আমি নিয়ম মানি চলিম, প্ৰ'টকল মানি চলিম। এখন টেবুলো এৰা নাই। প্ৰত্যেকখন টেবুলতে আহিছে। মোৰ অকনমান সময় এনকুৱা লাগিলে যে চবকে ক'ভিড বিলাই দিম বুলিয়ে আহিছে নেকি? পিছত ক'লে যে নহয় তেওঁ য'ত আছে তাত ক'ভিড নাই হোৱা। ঠিক আছে। কিন্তু এই ধৰণৰ কথা-বতৰাৰে সদনৰ কতো গৰিমা বৃদ্ধি নহয়। মই ভৰত নৰহ ডাঙৰীয়াক অনোৰোধ কৰিম যে বহুত দিনৰ মূৰত দহ বছৰৰ মূৰত সদনত আহিছে। ব্ৰহ্মপুত্ৰইদি এতিয়া বহুত পানী বৈ গ'ল, তৰঙ্গ গগৈ বিধায়ক হ'ল। চেঙাৰ পৰা মোৰ ভাইটি এজন বিধায়ক হৈ আহিছে। নতুন প্ৰজন্মই এতিয়া লাহে লাহে আমাতকৈও আগুৱাই যোৱাত তেওঁলোকে শক্তি লৈ

আহিছে। গতিকে পুৰণা কথা-বতৰাৰে সদন ন'হব ইয়াতে আমি কৈছো যে অসম infent mortality ত পিছ পৰা। কাক আমি কৈছো যে কংগ্ৰেছকে প্ৰশ্ন শুধিব লাগিব। কিন্তু আচল কথাটো হ'ল যে ভাৰতৰ প্ৰত্যেকখন ৰাজ্যই প্ৰতিযোগিতা কৰে। পশ্চিম বংগৰো Health Budget তিনি হাজাৰ কোটি টকা। অসমৰো Health Budget তিনি হাজাৰ কোটি টকা। মই পশ্চিম বংগক কেনেকৈ পিচ পেলাম। কাৰণ পশ্চিম বংগইটো কাম কৰিব। কিন্তু এটা কথা ঠিক যে পশ্চিম বংগই এটা বছৰত যিমান score কৰিছে তাতকৈ অসমে প্ৰত্যেক বছৰতে বেছিকৈ score কৰিছে আৰু সেই কাৰণে আজিকালি নীতি আয়োগে এটা নতুন পুৰস্কাৰ দিয়ে সেইটোকে কয় fastest growing in a year. যদি maternal mortality ত চাই অসমে এটা বছৰত এশ পইণ্ট ড্ৰপ কৰে। কৰ্ণাটকে ড্ৰপ কৰে সাত পইণ্ট। এতিয়া আমি ক'ব পাৰো যে কৰ্ণাটকে ভাল কৰি আছে। প্ৰতিযোগিতা যিটো সময়ত হ'ব লাগিছিল সেই সময়ত কংগ্ৰেছ চৰকাৰ বিলাকে হাৰ মানিলে যে আমি নোৱাৰিলো। আমি পিছত পৰি গ'লো। এতিয়া পিছৰ পৰা আগত আহিবৰ কাৰণে যিমান টকাৰ investment লাগিব সিমান টকা অসমৰ দৰে ৰাজ্য এখনে যোগাৰ কৰাৰ সম্ভৱ নহয়। আজি যদি কেৰেলাৰ Health Infrastucture কআপুনি bit কৰিব খোজে ৪০ খন মেডিকেল কলেজ বনাব লাগিব। আমিতো লাহে লাহে বনাব লাগিব। কাৰণ সেই সময়ত আমি যিটো সময়ত দহখন বনাম, কেৰেলাইতো আৰু দহখন বনাব। ৪০ ৰ পৰা তেওঁলোক ৫০ হ'ব আমি ২০ পৰা ৩০ হ'ম। এই যিটো কংগ্ৰেছৰ দিনত gap সৃষ্টি হ'ল সেই gap টোক make up কৰাটো ইমান সহজ নহয়। আজি পঞ্চাছৰ দশকত মেডিকেল কলেজ গুৱাহাটীত হ'ল, ডিব্ৰুগড়ত দহ বছৰৰ মূৰত হ'ল, শিলচৰত দহ বছৰৰ মূৰত হ'ল। মাত্ৰ ২০০৮ চনৰ পৰাহে আমি অসমত বছৰি বা দুবছৰৰ মুৰত এখনকৈ মেডিকেল কলেজ আৰম্ভ কৰিলো। কিন্তু যদি কংগ্ৰেছেও প্ৰতি দুবছৰত এখনকৈ মেডিকেল কলেজ বনাই থাকিলেহেতেন আজি আমি পিছ পৰি ন'গলোহেতেন। গতিকে legacy ৰ যিটো বোজা সেই legacy ৰ বোজাৰ নৈতিক দায়িত্ব কোনে ল'ব লাগিব তাক আপোনালোকে চিন্তা কৰিব লাগিব। কিন্তু বছৰৰ scoring ত এই বছৰত যদি পশ্চিমবঙ্গত infent mortality দুই ড্ৰপ হৈছে অসমত তিনি ড্ৰপ হৈছে। এই বছৰত যদি maternel mortality পশ্চিমবঙ্গত ৫০ ড্ৰপ হৈছে ,অসমত ৬০ হৈছে। current score ত আমি আগত আছো। কিন্তু পুৰণা যিবিলাক আমি negative score ত গলো, সেইখিনিক পজিটিভ কৰাৰ বাবে আমি বহুদূৰ আগুৱাব লাগিব। কিন্তু যোৱা পাঁচটা বছৰত আমি কাম কৰিছো। আজি literacy ত অসম পিছত আছে। আজি literacy ত অসম পাঁচখন ৰাজ্যৰ ভিতৰত গৈ পাইছে। আজি আপোনালোকে চাওঁক ক'ভিডৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আজি মোক কৈছে যে দ্বিতীয় wave ত ভাগৰ লাগিছে। প্ৰশ্নটো হৈছে, যে recovery rate, mortality rate আৰু disease burden rate এমাহ পিছত যেতিয়া হিচাব কৰিব অসম ভাৰতৰ ভিতৰত এক নহয় দুইত থাকিব তাত কোনো মোৰ সন্দেহ নাই। কাৰণ আমি যি ধৰণে কাম কৰিছো ভাৰতৰ কোনো ৰাজ্যই কৰিব পৰা নাই। আজি সন্মানীয় সদনে মোক এখন ৰাজ্যৰ নাম কওঁক। যিখন ৰাজ্যই নিজৰ অক্সিজেন লৈ বেলেগ এখন ৰাজ্যক দিছে। আজি আপোনালোকে জানি ভাল পাব যে প্ৰতিদিনে অসমে নিজৰ অক্সিজেন ব্যৱহাৰ কৰাৰ উপৰিও প্ৰতিদিনে মেঘালয়; অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মনিপুৰ আৰু মিজোৰামক অক্সিজেন অসমে দিছে। অসমৰ ৰোগীৰ চাহিদা পুৰণ কৰাৰ পিছটো অসমে উত্তৰ-পূবৰ দায়িত্বও বহন কৰিছে। আজি মানুহে নাজানে। আজি আপোনালোকে কওঁক যে কোনখন চৰকাৰে যাৰ Steel Factory আছে বেলেগ কথা, দিল্লীয়ে কাৰোবাক অক্সিজেন দিব পাৰিছে,

বোম্বেই কাৰোবাক অক্সিজেন দিব পাৰিছে । আজি যাৰ Steel Factory নাই, আমাৰ ইয়াত কোনো Factory নাই, Steel Factory একো নাই। কিন্তু আমি নিজস্ব প্ৰচেষ্টাৰে পাঁচ বছৰত আমি চেষ্টা কৰি কৰি আজি অসমে অসমৰ দায়িত্ব লোৱা নাই, আজি উত্তৰ- পূৰ্বাঞ্চলৰ দায়িত্ব অসমে গ্ৰহণ কৰিছে। আজি সমগ্ৰ উত্তৰ-পূৰ্বত অসমীয়া ৰাইজৰ প্ৰতি, অসমৰ প্ৰতি কৃতজ্ঞতা। আমাৰ অক্সিজেন আমি পাইছো চিলিণ্ডাৰ কেইটাও আমি দিছো। আপোনালোকে পেপাৰবিলাকত চাব, উত্তৰ পূৰ্বাঞ্চলৰ আন পেপাৰবিলাকত। আপোনালোকে জানি আচৰিত হ'ব, যে ঝাৰখণ্ডৰ দৰে চৰকাৰকো ২০০০ ড'জ এন ডি এ চৰকাৰ নহয়, ইউ পি এ চৰকাৰ। কিন্তু অসমত যেতিয়া Remdesivir Injection খুজিছে ২০০০ Injection আমি পঠাই দিছো, যে আপোনালোকে লওঁক। ঝাৰখণ্ডৰ চৰকাৰক টচলিজোমাত ঔষধৰ প্ৰয়োজন হৈছে অসমৰ পৰা আমি পঠাই দিছো। যোৱা কেইদিনমান আগতে টেলেঙ্গেনাৰ পৰা কৈছে অসমত এই ঔষধটো আছে, আমাৰ যিটো black fungus হৈছিলে তাৰ ঔষধ আমি তেলাংগানালৈকে পঠাই দিছো হাইদৰাবাদলৈকে। আজি অসমৰ ক'ভিড নিয়ন্ত্ৰণ আন কোনো ৰাজ্যৰ লগত তুলনা নহয়, অসমত এজন ৰোগীয়েও আই চি ও নোপোৱাকৈ থকা নাই। এজন ৰোগীও অক্সিজেন বেডৰ পৰা বাদ পৰা নাই, আজি অসমত এনেকুৱা এটা হস্পিতাল নাই, য'ত আমি বিচনা দিব পৰা নাই। আজি আপোনালোকে গৌৰৱ অনুভৱ কৰিব যে গুৱাহাটী মেডিকেল কলেজত যাব, ডিব্ৰুগড় মেডিকেল কলেজত যাব, নিৰন্তৰভাবে দিনে ৰাতিয়ে মেডিকেল কলেজৰ প্ৰিঞ্চিপাল ৰাতি ১-৩০ বজা ২ টা বজালৈকে হস্পিতালত থাকে। আজি মানুহে এটা এটাকৈ মুক্তি পায় , মানুহে কৃতজ্ঞতাৰে ওপচাই দিছে। আজি আমি ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমাৰ mortality হৈছে point 6 । ভাৰতৰ কোনো ৰাজ্যৰ লগত তুলনাই নহয় অসমৰ performance. হয়, চৰকাৰ এখন মাজত নাছিল কৈছে ভাগৰ লগা কথা নহয়। আমি গনতন্ত্ৰক সন্মান কৰিব লাগে। মই যেতিয়া অলপ চেষ্টা কৰিছিলো সেই সময়ত, মই অভিযোগ কৰিব খোজা নাই। ৰিপুন বৰা ডাঙৰীয়াই নিৰ্বাচন আয়োগক কমপ্লেইন দিলে যে হিমন্ত বিশ্ব শৰ্ম্মা কিয় মেডিকেলে মেডিকেলে গৈ আছে? আপুনি খবৰ কৰিব written complain দিছে। কংগ্ৰেছৰ complain ৰ পিছত মই সাত দিনমান ৰখি গ'লো। মই democratic value টো নষ্ট কৰিব খোজা নাছিলো। মুখ্য মন্ত্ৰী কিয় জিলাই জিলাই গৈছে। মুখ্যমন্ত্ৰীয়ে ই ভি এম মেচিনৰ কাষত যোৱা নাই নহয় ? জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়তহে সোনোৱাল ডাঙৰীয়া গৈছিলে। আজি কংগ্ৰেছ দলক মই বিশ্বাস কৰো, মই আপোনালোকৰ দলত বহুত বছৰ আছিলো। কিছু ক্ষেত্ৰত মই ভাবো সংশোধনৰ প্ৰয়োজনীয়তা আছে। আজি ৰিপুন বৰা ডাঙৰীয়াই ক'ভিডৰ কাৰণে স্বাস্থ্য মন্ত্ৰী, মুখ্য মন্ত্ৰী হস্পিতালে হস্পিতালে গৈছে, তাত কমপ্লেইন দিয়াৰ প্ৰয়োজনীয়তা আছিল নেকি ? যেতিয়া complain পালে, ইতিমধ্যে মানুহ বিলাক আছে resort ত। অফিচাৰ বিলাকে ভাবি ললে যে কংগ্ৰেছটোতো আহিব পাৰে। গতিকে অফিচাৰ বিলাকে আমাক indirectly কোৱা আৰম্ভ কৰিলে যে আপোনালোক চাৰ নাহিলে ভাল ফোনতে কওঁক যি ক'ব লাগে। ভাগৰ আমাৰ লগা নাছিল কিন্তু speedbaker ৰিপুন বৰা ডাঙৰীয়াই লগাই দিলে এতিয়া আপুনি ক'ব পাৰে যে ৰিপুন বৰা ডাঙৰীয়া সদনত নাই তেখেতৰ নামটো কিয় কৈছে, কেতিয়াবা গান্ধীজীৰো নাম ল'ব লাগিব। সদনটো তেওঁ নাই, গোপীনাথ বৰদলৈ নাম ল'ব লাগিব, সদনটো তেওঁ নাই। গতিকে যি factual matter, fact is fact. গতিকে যিদিনাখনৰ পৰা আমাৰ চৰকাৰ আহিল, আপুনি চিন্তা কৰক, মুখ্য মন্ত্ৰীক বাদ দিয়ক, স্বাস্থ্য মন্ত্ৰীও যোৱা কালি ৰাতি ডেৰ বজালৈ নগাওঁ চিভিল হস্পিতালত বহি আছিল, যে ট্ৰিটমেন্ট হ'ব লাগে। আজি আমি প্ৰত্যেকেই চেষ্টা কৰিছো,

আৰু আমাৰ positivity rate already আমি পাঁচ শতাংশলৈকে নমাই আনিছো, আৰু মই বিশ্বাস কৰো যে ক'ভিড নিয়ন্ত্ৰণত অসমৰ নম্বৰ আগটো প্ৰথম আছিল, এতিয়াও তাতে থাকিব। আজি কৈছে উদ্যোগত একো হোৱা নাই। আপোনালোকে চিন্তা কৰক, যে যেতিয়া ইয়াতে বিতৰ্ক হ'ব, আমি ডাটা দিম, আজি মই ইমান দূৰলৈকে যাব খোজা নাই। অসমত Remdesivir Injection প্ৰস্তুত হৈ আছিল। অসমৰ ইণ্ডাষ্টিয়ে বাহিৰলৈকে Remdesivir পঠাই আছে, আশী হাজাৰ কৰি প্ৰত্যেক সপ্তাহত। মই যিদিনাখন গম পালো, মই Drugs Controller মাতি আনি ক'লো আমি বিচাৰি ফুৰিছো Remdesivir আপুনি বাহিৰত পঠাই আছে মোক কিয় খবৰ দিয়া নাই? মই লগে লগে গৈ পলাশবাৰী পালোগৈ। আজি অসমে অক্সিজেন যোগান ধৰিছে, অসমে Remdesivir যোগান ধৰিছে, অসমে এসময়ত ৰাষ্ট্ৰৰ ওচৰত হাত পাতিছিল। আজি অসমে ৰাষ্ট্ৰক বৰঙণি যোগাইছে, ৰাষ্ট্ৰক আজি অসমে contribution কৰিছে। এয়া হৈছে নতুন অসমৰ উদাহৰণ। এয়া হৈছে নতুন অসম, যিখন অসমক লৈ আমি গৌৰৱ কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমি কিছুমান নতুন কাম কৰিব লাগিব। আজি এজনে কৈছে যি কথা ক'ব নোৱাৰে সেই কথা প্ৰতিশ্ৰুতি দিয়াৰ প্ৰয়োজন নাই।

অধ্যক্ষ মহোদয়, আমি ১ লাখ ল'ৰা- ছোৱালীক চাকৰি গণি গণি দিম। আৰু নিযুক্তি বিতৰণৰ সভাখনত বিৰোধী দলৰ দলপতি গৰাকীকো বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ জনাম। ক'ৰবাত এগৰাকী-দুগৰাকী বেছি হ'ব পাৰে ক'ম নহয়। অধ্যক্ষ মহোদয়, Micro Finance Loan মাফ কৰিম বুলি কৈছো গতিকে আমি কৰিম, প্ৰয়োজন হ'লে আমি দৰমহা নলওঁ। কৰিবই লাগিব কাৰণ অসমৰ সহজ-সৰল জনগণক দিয়া প্ৰতিশ্ৰুতি আমি আখৰে আখৰে পালন কৰিব লাগিব। তাত কোনো ডাইলুশ্যন হ'ব নোৱাৰে । আজি কোনোবাই কৈছে Express Highway কিয় নহ'ল? Express Highway আমাৰ নিৰ্বাচনী ঘোষণা পত্ৰত নাছিল। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে' নিৰ্মাণ কৰাটো সম্ভৱ নহয়। কিন্তু কল্পনা এটা ৰাখি থৈ গ'ল। সেই কল্পনাটো আগুৱাই লৈ গৈ গৈ আমি নিশ্চয় কেতিয়াবা অসাধ্য সাধন কৰিম। কিন্তু ক'তো আমি কোৱা নাই যে ৩ বছৰৰ ভিতৰত আমি এক্সপ্ৰেছ হাইৱে নিৰ্মান কৰিম। এই শব্দটো ক'তো আমি কোৱা নাছিলো। কিন্তু আজি বৰাকৰ বুকুত খনন হৈছে। আজি মথাউৰিসমূহে নতুন প্ৰাণ পাইছে। এই চৰকাৰৰ দিনতে গুৱাহাটী-উত্তৰ গুৱাহাটী দলং নিৰ্মান হৈছে। ২০২৩ চনত আমি সকলোৱে মিলি উদ্বোধন কৰিম। মাজুলীৰ ওপৰত দলং আৰম্ভ হৈছে। আজি কলিয়া ভোমোৰা দলং দুই এদিনতে সম্পূৰ্ণ হ'ব। গহপুৰ, নুমলীগড়ত দলং আৰম্ভ হ'ব। ফুলবাৰীত দলং নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৰিছে। এছিয়াৰ দীৰ্ঘতম দলং। এই সফলতাবিলাকৰ কথা আমি নক'ম নেকি? আমি ডিচাইড কৰিব লাগিব যে আমি পজিটিভ হ'মনে নিগেটিভ হ'ম। আজি ফুলবাৰীৰ দলংখনৰ বাবে নৰেন্দ্ৰ মোদী ডাঙৰীয়াক কৃতজ্ঞতা নজনাম নেকি? ওয়াজেদ আলি ডাঙৰীয়া সদনত আছে- ধুবুৰী , চাউথ শালমাৰাৰ পৰা মেঘালয় কিমান কম সময়ৰ ভিতৰত পোৱা যাব। কল্পনা আছিল নেকি যে কোনোবা চৰকাৰে এইখন কৰিব পাৰিব ? এনেকুৱা অসাধ্য সাধন আগৰ চৰকাৰ বা ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰ গোষ্ঠীৰ চৰকাৰখনে কৰিছে। আজি মাননীয় দুৰ্গা দাস বড়ো ডাঙৰীয়াৰ সন্মুখত মই প্ৰশ্ন ৰাখিম কেতিয়াবা আমি চিন্তা কৰিছিলো নেকি আবছু- গোবিন্দ বসুমতাৰীৰ নিচিনা নেতাই এনেকৈ আমাৰ মূল সুঁতিত মিলি যাব বুলি। আমি চিন্তা কৰিছিলো নেকি যে কেতিয়াবা গোবিন্দ বসুমতাৰীক আমি বিধান সভাত দেখা পাম। আজি আমি জাতীয় জীৱন নিৰ্মাণৰ দিশত আগবাঢ়িছো। আপোনালোকে সহযোগিতা কৰক। আজি আপোনালোকে কৈছে যে ভেকচিনৰ কাৰণে টকা উঠাইছে, চৰকাৰৰ টকা নাই

নেকি? মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা লেফট্ চিন্তাধাৰাৰ মানুহে এনেকুৱা প্ৰশ্ন কৰে। কিন্তু আপোনালোকে চিন্তা কৰিব তৰুণ গগৈ ডাঙৰীয়া যিমানবাৰ মুখ্যমন্ত্ৰী হৈছিল, হিতেশ্বৰ শইকীয়া ডাঙৰীয়া যিমানবাৰ মুখ্যমন্ত্ৰী হৈছিল বানপানীৰ সময়ত প্ৰতি বাৰে Advertise দিছিল ৰিলিফ ফাণ্ডত ৰাইজে দান-বৰঙনি দিয়ক। টকা নাচিলে নেকি তেওঁলোকৰ হাতত। জন ভাগিদাৰীৰ প্ৰয়োজন। যেতিয়া দুৰ্গা পূজা কৰে যজমানে অকলে ফুল নিদিয়ে ভক্তক কয় যে আপোনালোকেও ফুল দিয়ক। কাৰণ যেতিয়ালৈকে মানুহ জড়িত হৈ নাথাকে কোনো কামেই নহয়। ১৮ পৰা ৪৪ বছৰ বয়সলৈ ভেকচিন দিবলৈ আমাক ৮০০ কোটি টকা লাগিব। ৮০০ কোটি টকা C M relief Fundত উঠিব নেকি? সম্ভৱ নহয়, কিন্তু কোনোৱা এজন মানুহে যদি ৬০০ টকা দিব খোজে কোনোৱা এগৰাকী দুখীয়া মানুহৰ ভেকচিনাইজেশ্যনৰ কাৰণে তাৰ বাবে আমি ৰাস্তাটো বন্ধ কৰিব লাগিব নেকি? মোৰ মায়ে কৈছে- বাবা ৬০০ টকা মই দিব খোজো কাৰোবাৰ ভেকচিনাইজেশ্যনৰ কাৰণে- এইটো আজিৰ দিনত আটাইতকৈ ডাঙৰ উপহাৰ। সেই ৰাস্তাটো আমি বন্ধ কৰিম নেকি? আজি পি ডব্লি উ ডিৰ ৰাস্তা নিৰ্মাণ কৰাৰ ক্ষেত্ৰত কোনোৱাই যদি কয় যে ১ গাড়ী শিল মই দান কৰিম। দান লোৱাটো আমাৰ ভাৰতৰ সভ্যতা-সংস্কৃতিয়ে শিকাইছে যে আমি দান ল'ম। দ্ৰোণাচাৰ্য্যই শিষ্যৰ পৰা দান লৈছিলে। দান লোৱাটো আমাৰ সংস্কৃতিৰ লগত আমাৰ জীৱনৰ লগত জড়িত। দুৰ্গা দাস বড়ো ডাঙৰীয়াই জানে আমি আছুৰ আন্দোলনত কিমান চান্দা তুলিছিলো। দান লোৱাটো আমি কেতিয়া বেয়া কাম বুলি গণ্য কৰিছিলো। হয়, এটা কথা হ'ল দান বলপূৰ্ব্বক ল'ব নালাগে। জোৰ জৰ্বদস্তি হ'ব নালাগে। কিন্তু জনভাগিদাৰী আৰু জন সহযোগিতা তাক কেতিয়াও না ক'ব নালাগে। যোৱা কালিৰ পৰা এজন মানুহে মোক ৫১ টকা দিছে- এজনে মোক ১০০ টকা দিছে তেওঁৰ নামো পেপাৰত দিছো। দানত কোনেও পৰিমান নাচায়। ইলেকশ্যন মিটিঙত কৈছিলো বাবে কৈছো- যেতিয়া তৰুণ গগৈ ডাঙৰীয়া দীৰ্ঘদিন ধৰি বেমাৰত ভুগি আছিল তেখেতক প্লাজমা দিয়া যুৱকগৰাকীও কিন্তু বিজেপি দলৰ আছিল, কাৰণ মানুহক সহায় কৰাটো মূল কথা- ইয়াত ৰাজনীতিৰ কথা নহয়। কৰ'ণাৰ ভেকচিনটো কি এ আই ইউ ডি এফৰ মানুহে কংগ্ৰেছৰ মানুহে নাপাব নেকি? আমি কি পোষ্টাৰ মাৰি থৈছো নেকি যে ভেকচিন অকল এ জি পি- বি জে পি বা ইউ পি পি এলৰ কাৰণে ভেকচিন। এনে ধৰণৰ ৰাৰ্ত্তা আমি সদনৰ পৰা নিদিও। কাৰণ অসম যদি নিৰ্মান কৰিব লাগে জন ভাগিদাৰীত নিৰ্মান কৰিব লাগিব। অসম চৰকাৰে নিৰ্মান কৰিব নোৱাৰে । অসমৰ মানুহে অসমৰ চৰকাৰক সফল কৰিব লাগিব। মানুহক বাদ দি চৰকাৰ নহয় । চৰকাৰে ক'ৰ পৰা টকা পাব চৰকাৰে টেক্স তুলিয়েতো ভেকচিনৰ টকা ল'ব। কিন্তু তাৰ পৰিৱৰ্ত্তে ক'ভিডৰ প্ৰথম ৱেভ যেতিয়া আহিছিল আমি পেট্ৰ'ল- ডিজেলত ৫ টকা টেক্স লগাইছো। আমি মদত টেক্স লগাইছো। এই বাৰ আমি সিদ্ধান্ত লৈছো আমি টেক্স নলগাওঁ। আমি ক'ভিড মোকাবিলা কৰিম কিন্তু টেক্স নলও, টেক্সৰ পৰিৱৰ্ত্তে আমি মানুহক কৈছো ১ টকা ২টকা যি পাৰে আপোনালোকে ভেকচিনৰ বাবে দিয়ক। এইটো কি পইচা নথকাৰ চিন নেকি, এইটো আত্মবিশ্বাসৰ চিন। অসম ১ বছৰৰ ভিতৰত ইমানখিনি আত্মবিশ্বাস পালে যে যে ক'ভিডৰ কাৰণে টেক্স লগোৱাৰ প্ৰয়োজন নাই। মোক এগৰাকী সাংবাদিক বন্ধুয়ে টেক্স লগাব নেকি বুলি শুধিছিল, মই কৈছো নলগাওঁ কাৰণ এইবাৰ আমি ২১০০ কোটি টকা দিম অকল নুমলীগড় ৰিফাইনেৰীৰ শ্বেয়াৰ কিনিবৰ কাৰণে। কাৰণ স্বচ্ছলতা বাঢ়িছে। আমি যদি এই সময়ত পেট্ৰ'ল-ডিজেলৰ টেক্স লগাও মানুহে ক'ব যে এফালে আপোনালোকে শ্বেয়াৰ কিনিছে আৰু এফালে টেক্স লগাইছে।

**মাননীয় অধ্যক্ষ ঃ** মুখ্য মন্ত্ৰী ডাঙৰীয়া - আমাৰ সদনৰ সময় দু বজালৈ আছিলে , সেই কাৰণে

আমি সময়টো Extend কৰি লওঁ।

**মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** জন ভাগিদাৰীটোক আমি কেতিয়াও বেয়া বুলি ক'বলৈ না লাগে। পবিত্ৰ সদনক মই আশ্বাস দিছো। ভেকচিনেশ্যনৰ ওপৰত আপোনালোকে কনচাৰ্ণ কৰিছে, হয়- মোৰ বাবেও চিন্তাৰ কথা। ৩৭ লাখ মানুহক আমি ভেকচিনাইজেশ্যন কৰিব পাৰিছো। আমাৰ হাতত ভেকচিন যিমান লাগে আমি আগতীয়া ধন দি থৈছো। কিন্তু তেওলোকে আমাক ভেকচিন যোগান দিব পৰা নাই। ১০০ কোটি মানুহক একেলগে ভেকচিন দিব নোৱাৰে কিন্তু আমি বিশ্বাস কৰো জুন আৰু -জুলাইত আমি আৰু বেছিকৈ ভেকচিনাইজেশ্যন বেছিকৈ কৰিব পাৰিম। গুৱাহাটীৰ ১০ লাখ নাগৰিকৰ প্ৰায় ৪.৫ লাখ নাগৰিকৰ ইতিমধ্যে আমি ভেকচিনাইজেশ্যন কৰিছো। গুৱাহাটী হট বেড আছিল ক'ভিডৰ । গুৱাহাটীৰ আজি প্ৰায় ৫০ শতাংশ পপুলেশ্যন অলৰেডী ভেকচিনেটেড। যাৰ বাবে গুৱাহাটীত ক্ৰমাগতভাবে ক'ভিডৰ সংখ্যা কমিব ধৰিছে। আমি ষ্ট্ৰেটেজীত আছো- চাহ বাগিছা অঞ্চলত আমি কৈছো যে মানুহে ইন্টাৰনেট- মোৱাইল কৰিব নালাগে আমি ভেকচিন দিম , আমাৰ চিষ্টাৰে কম্পিউটাৰত নামটো ভৰাই দিব। আজি যদি কোনোৱাই কলাই গাওত ভেকচিন ল'বলৈ গৈছে- একে কথা কলাই গাওঁৰ মানুহেও মঙ্গলদৈত ভেকচিন ল'বলৈ আহিব। যেতিয়াই আমি ইজনে - সিজনক হাত উজাৰিম তেতিয়াইতো আমাৰ সমাজখন থাকিব। ঠেক গণ্ডীৰ ভিতৰত থাকিলে আমি আগ বাঢ়ি যাব নোৱাৰিম। আমাৰ লক্ষ্য হ'ব লাগিব যে চাৰে তিনি কোটি মানুহকে আমি ভেকচিন দিব লাগিব। যোৱাবাৰ আৰোগ্য নিধিত ৰাইজে যিমান টকা দান দিছিলে - মোৰ মনত আছে এই টকা কেইটা লৈ মই বহুদিন অপমান, অপবাদ- সমালোচনা পালো। যে টকা কেইটা দান লৈ কি কৰিলে, আৰু নানা বিচিত্ৰ কথা। মই কিন্তু টকা কেইটা সযতনে ৰাখি থৈছিলো । আজি সকলো খিনি টকা ভেকচিনাজেশ্যনৰ জৰিয়তে আমি ৰাইজক ওভতাই দিছো। মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা ৫০ কোটি টকা আৰোগ্য নিধিত দিছো। যাতে ভেকচিনাইজেশ্যনৰ কামটো চলি থাকে । জুলাই মাহত বাজেট হ'ব। আপোনালোকে জানে এতিয়া মোৰ হাতত বাজেট নাই। ভেকচিনাইজেশ্যনৰ কাৰণে মই বাজেট কৰিব নোৱাৰো। ইমান ৰি এপ্ৰোপ্ৰিয়েশ্যন সম্ভৱ নহয়। এই সময়ত জুলাই মাহলৈ কেনেকৈ মই ভেকচিনাইজেশ্যন চলাই ৰাখিম। গতিকে আমাৰ হাতত বেলেগ বেলেগ শিতানত যি জমা পুঁজি আছিল আমি উলিয়াই দিছো। যাতে ভেকচিনাইজেশ্যটো হৈ থাকে।

অধ্যক্ষ মহোদয়, বানমুক্ত অসম। আমি এইবাৰ চিন্তা কৰিছো যে মথাউৰিবিলাক মেনেজ কৰিব ৰাটাৰ ৰিৰ্চোছ ডিপাৰ্টমেন্টে কিন্তু মথাউৰি বনোৱাৰ বাবে বেলেগ এটা অৰ্গেনাইজেশ্যন বনাব য'ত আই আই টি ইঞ্জিনিয়াৰসকলে যোগদান কৰিব। অসমৰ জনা বুজা মানুহসকলে যোগদান কৰিব। এই বানপানী পাৰ হৈ যোৱাৰ পিছত যুদ্ধকালীন গতিত মথাউৰিবিলাক বনাম। ওপৰত পি ডব্লিউ ডিয়ে ৰাস্তাবিলাক পকী কৰি ল'ব। যাতে কমপ্লেকশ্যন আহে আৰু নতুন ধৰণে আমি কাম আৰম্ভ কৰিম। আমি চেষ্টা কৰিম যে ব্ৰহ্মপুত্ৰ খনন সম্ভৱ নহ'লেও উপনদীবিলাক যাতে আমি কনষ্টেন্ট ড্ৰেজিং কৰি থাকিব পাৰো যাতে বানৰ পৰা মানুহ ৰক্ষা পাব পাৰে।

অধ্যক্ষ মহোদয়, এন আৰ চিৰ কথা ওলাইছে। মই আজিৰ দিনটোত ইমান ভিতৰলৈ যাব খোজা নাই। কিন্তু এটা কথা ঠিক যে চৰকাৰখনে ৰাইজক যি প্ৰতিশ্ৰুতি দিছিলে আমাৰ নিৰ্বাচনৰ ঘোষণা পত্ৰত কৈছিলো যে পুনৰীক্ষণ হ'ব লাগে। আমাক ৰাইজে মেনডেট দিছে যে পুনৰীক্ষণ হ'ব লাগে। গতিকে আমি পুনৰীক্ষণ বিচাৰিব লাগিব। বিৰোধীয়ে মেনডেট দিছে যে পুনৰীক্ষণ হ'ব নালাগে গতিকে যিটো ফ'ৰামতে আমি আমাৰ নিজা প্ৰতিশ্ৰুতিসমূহ ৰক্ষা কৰিব পাৰো সেই ফ'ৰামত

আমি যাব লাগিব। মই জনতাক প্ৰতিশ্ৰুতি দিছো যে এন আৰ চিত ২০ শতাংশ সীমান্ত জিলাত পুনৰীক্ষণ লাগে। ১০ শতাংশ আন ঠাইত পুনৰীক্ষণ লাগে। গতিকে মোৰ প্ৰতিশ্ৰুতি মই পালন কৰিম। বিৰোধীয়ে প্ৰতিশ্ৰুতি দিছে যে নহয় পুনৰীক্ষণ হ'ব নালাগে । গতিকে বিৰোধীয়ে বিৰোধীৰ প্ৰতিশ্ৰুতি পালন কৰিব। গণতন্ত্ৰ এনেকৈয়ে আগবাঢ়ি যাব। কিন্তু চৰকাৰে দিয়া প্ৰতিশ্ৰুতি এটাৰ পৰা যদি আমি আঁতৰি যাওঁ মানুহে ক'ব আজি এন আৰ চিৰ পৰা আপুনি আঁতৰি গ'ল - কালি ১ লাখ চাকৰিৰ পৰা আঁতৰি যাব। পৰহি মাইক্ৰ' ফাইনেন্সৰ পৰা আঁতৰি যাব। গতিকে মই মোৰ ভৰিৰ তলৰ মাটি এৰি নিদিওঁ । লগতে বিৰোধীকো মই ক'ম আপোনালোকেও আপোনালোকৰ ভৰিৰ তলৰ মাটি এৰি নিদিব। আপোনালোকক মই নকও যে আপোনালোকে মোৰ ৰাস্তাত আহক। আপোনালোকে ভোটাৰক প্ৰতিশ্ৰুতি দিছে যে, আপোনালোকে মাদ্ৰাছা খুলিব। মই কৈছো যে মই মাদ্ৰাছা খুলিব নিদিওঁ। মই মোৰ ভৰিৰ তলৰ মাটি ৰাখিম। মই আপোনালোকেকো কৈছো যে আপোনালোকেও ভোটাৰক প্ৰবঞ্চনা নকৰিব। আপোনালোকেও আপোনালোকৰ ভৰিৰ তলৰ মাটি ৰাখক। গণতন্ত্ৰৰ বিধিমতে কেতিয়াবা কোৰ্টত সিদ্ধান্ত হ'ব , কেতিয়াবা বিধান সভাত সিদ্ধান্ত হ'ব। Indian democracy is a very vibrant democracy. আমাৰ ফোৰাম আছে। ফ'ৰামবিলাকত সিদ্ধান্ত হ'ব। তাৰকাৰণে আমি কাজিয়া-পেচাল তৰ্ক কৰাৰ কি প্ৰয়োজন আছে? আমাৰ মাজত বহু ইছ্যু আছে য'ত আমাৰ মন নিমিলে। আমাৰ মাজত বহু ইচ্ছ্যু আছে য'ত মন মিলে। অসমৰ মুছলমান মহিলাসকলৰ কল্যাণৰ ক্ষেত্ৰত - আপোনালোকৰ মন মিলে, মোৰো মন মিলে । গতিকে আমি মন মিলা জাগাটোত কাম কৰো । কোনোবাই ক'ব যে ১ টা সন্তান জন্ম দিয়ক। আমি কওঁ যে নহয় ২ টা সন্তান জন্ম হ'ব লাগে। এইটোত মন নিমিলে, এইটো ক্ষেত্ৰত আমি নিজৰ ধৰনে কাম কৰি গৈ থাকিম। আপোনালোকে কৈছে যে সত্ৰত মাটি দখল হোৱা নাই। আমি কৈছো যে, সত্ৰৰ মাটি দখল হৈছে। কাগজ-পত্ৰই প্ৰমাণ কৰিব আমি ক'লে কি হ'ব? যদি হৈছে এভিকশ্যন হ'ব যদি হোৱা নাই এভিকশ্যন নহয়। ৫ বছৰ আমি বিধান সভাত সেইবোৰ কাম কৰো যিবোৰ কামত আমাৰ মন মিলে।বহুত কাম আছে। আজি শ্বেৰমান আলি ডাঙৰীয়াৰ সদায় লক্ষ্য যে, বাঘবৰত শিক্ষাৰ কল্যাণ হ'ব লাগে। মই সম্পূৰ্ণ একমত যে হ'ব লাগে, তাত মন মিলে। কিন্তু বহুতো কথা আছে যে মন নিমিলে । কিন্তু ৫ টা বছৰত আমি দুয়ো পক্ষই মনমিলা কামসমূহ যদি ভালকৈ একত্ৰিতভাৱে কৰিব পাৰো, আমাৰ অসমখন বহু পৰিবৰ্তন হ'ব। আজি চাহ বাগিছাৰ কল্যাণৰ কাৰণে তেৰছ গোৱালা ডাঙৰীয়াৰ যিমান সমৰ্পণ- ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰো সিমানে সমৰ্পণ। আমি একেলগে কাম কৰিম তাততো কোনো বিৰোধিতা নাই। এইটো ইছ্যুত আমি একেলগে আছো। বড়োভূমিৰ কল্যাণৰ ক্ষেত্ৰত দুৰ্গা দাস বড়ো ডাঙৰীয়াৰ যিমান ইচ্ছা- গোবিন্দ বসুমতাৰী ডাঙৰীয়াৰো সিমানে ইচ্ছা, এইটো ইচ্ছ্যুততো মতভেদ নাই। একেলগে কাম কৰিব পাৰো । গতিকে মই ভাবো যে , ১০০ ৰ ৯০ টা ইচ্ছ্যুতো একেলগে কাম কৰিব পৰা হ'ব। ১০ টা ইছ্যুত কাম নহ'ব। য'ত কাম নহ'ব বেলেগ কথা , তাত বেলেগ ফ'ৰাম আছে। আমি বিশ্বাস কৰো গো আমাৰ মাতৃ। গতিকে আমি বিচাৰিম পশ্চিমবঙ্গৰ পৰা গো নাহক। আমি বিচাৰিম যি ঠাইত গৰুক পূজা কৰা মানুহ আছে তাত গো-ভক্ষণ নহওঁক। কিন্তু মই কোৱা নাই যে এজ এ হোল মানুহে নিজৰ স্বভাৱজাত প্ৰক্ৰিয়াটো এৰিব লাগে। কিন্তু মই বহু কেইবাৰ দাৰুল উলুমৰ ষ্টেটমেন্ট দেখিছো লক্ষ্ণৌৰ পৰা যে, হিন্দু মানুহ থকা অঞ্চলত গৰু ভক্ষন কৰিব নালাগে। ফেন্সী বজাৰৰ হোটেল মদিনা হোৱাৰ কোনো প্ৰয়োজনীয়তা নাই। শান্তিপুৰ, গান্ধীবস্তী হোটেল মদিনা হোৱাৰ কোনো প্ৰয়োজনীয়তা নাই। কাৰণ তাত মানুহৰ sensivity আছে। য'ত sensivity

নাই তাত নিজৰ নিজৰ প্ৰচেষ্টা চলিব। ভাৰতৰ সংবিধানে কয় গো হত্যা কৰিব নালাগে। directive principle ত আছে। আমি আহ্বান জনাই থাকিম যে আপোনালোকে বাদ দিয়কছোন লাহে লাহে । কিন্তু যিখিনি ঠাইত sensivity আছে তাত আমি কাম কৰিব লাগিব। যেতিয়া সদনত এ আই ডি ইউ এফৰ বিধায়কসকলেও এনেকুৱা বিধেয়কক সমৰ্থন জনাব তেতিয়া নতুন অসম নিৰ্মাণ হ'ব। আজি আমাৰ কৰিমউদ্দিন বৰভূএঁঞা ডাঙৰীয়াই সংস্কৃতত শপত লৈছে, কিন্তু আল্লাৰ নামত শপত লৈছে। দেৱভাষা সংস্কৃত ভাৰতৰ ঐতিহ্যৰ লগত জড়িত । আজি কৰিম উদ্দিন বৰভূএঁঞা ডাঙৰীয়াই যিটো উদাহৰন দাঙি ধৰিছে তেনেধৰনে যদি আমি চিন্তা কৰো ইয়াত সংঘৰ্ষ নিশ্চয় নহয়। মই ভাবো ভৰত নৰহ ডাঙৰীয়া ঢকুৱাখানাৰ পৰা নাওঁবৈচা আহিছে- লাহে লাহে কথাবিলাক বুজি পাই যাব। অসুবিধা একো নাই। মাটি যদি দখল কৰো কোনো ধনী মানুহৰ মাটি দখল কৰো, সত্ৰৰ মাটিনো কিয় দখল কৰো। গতিকে এইধৰণে যদি আমাৰ মাজত consensus building হ'ব, ধনী মানুহৰ মাটি দখল মানে মই কোৱা নাই যে জোৰ জবৰদস্তি, আধিয়াৰ এক্ট মতে লেণ্ড হোল্ডিং এক্টমতে আমাৰ সংবিধানে কৈছে যে, ধনী মানুহৰ মাটি দুখীয়াক দিব লাগে। য'ত দুখীয়া ভূমিহীন, গৃহহীন লোক আছে আমি চৰকাৰে আধিয়াৰ মুক্ত চাৰপ্লাছ মাটি বিচাৰো । সত্ৰৰ মাটিখিনিতো যোৱাৰ প্ৰয়োজন নাই। যেতিয়া ইউ ডি এফ য়ে ক'ব যে, কোনেও সত্ৰৰ মাটি বেদখল কৰিব নোৱাৰে। তেতিয়া নতুন সমাজৰ সৃষ্টি হ'ব। আমিও ক'ম যে মছজিদৰ মাটি দখল হ'ব নোৱাৰে। কিন্তু কোনোৱাই যদি সত্ৰৰ মাটি দখল কৰে আন কোনোবাইতো মছজিদৰ মাটিও দখল কৰিব। সেইখন সমাজতো আমি বিচৰা নাই গতিকে মই ভাবো এইখন সদনে নতুন অসম নিৰ্মাণ কৰিব পাৰিব আৰু সেই দিশত আমি খোজ দিব লাগিব।

অধ্যক্ষ মহোদয়, মই বেছি নকওঁ, ভৰত নৰহ ডাঙৰীয়াই কৈছে যে, ডাটা নাই। বাজেটত বহুত ডাটা আহিব। ক'ভিডৰ সময়ত মই বিচৰা নাই যে, বহু বেছি পলিটিকেলী হিটেট এখন ডিবেট হওঁক। জুলাই মাহত আমাৰ বিধান সভাৰ অধিবেশন আহিব। আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে, বিধান সভা অলপ বেছিকৈ হ'ব লাগে। তাৰো আমাৰ গ্ৰহণযোগ্যতা আছে- বিধান সভা হ'লেহে সদনৰ সদস্যৰ অধিকাৰ থাকিব। সেইবিলাকত আমাৰ কোনো আপত্তি নাই কাৰণ উত্তৰ দিয়াত আমাৰ কোনো ভয় নাই কাৰণ আমি সংকল্প লৈ আহিছো যে আমি কোনো বেয়া কাম নকৰো। কোনো চিণ্ডিকেট নহয়- গৰুৰ বেপাৰো নহ'ব, কোনো বেয়া কাম নহ'ব। বেয়া কাম হ'লে আপোনালোকে দেখুৱাই দিব। বেয়াটো দেখুৱাই দিয়াটো আপোনালোকৰ কাম। বেয়া কামৰ ভাগ বিচৰাতকৈ বেয়া কাম দেখুৱাই দিয়াটো বেছি ভাল। ভাগ বতৰাৰ সলনি আমি বেয়া কামটো সমিলমিলেৰে বন্ধ কৰো। গতিকে তেনেকুৱা এটা প্ৰৱণতা গঢ়ি উঠক , মই ভাবো তেতিয়া আমি আগবাঢ়ি যাম।

অধ্যক্ষ মহোদয়, অসমৰ অৰ্থনৈতিক বুনিয়াদ যদি আমি ঠিক কৰিব লাগে- আমি কৃষি খণ্ড, ক্ষুদ্ৰ চাহ খেতি, কৃষকৰ বাবে সাৰৰ উপলব্ধতা ইত্যাদি- আমি বহু কাম কৰিব লাগিব। এটা এটাকৈ অধ্যক্ষ মহোদয় আমি কাম কৰিম। আৰু অসমখনক অহা ৫ টা বছৰ পিছত শ্ৰেষ্ঠতম অসম আৰু ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত এখন হিচাপে নিৰ্মাণ কৰিম। অধ্যক্ষ মহোদয়, বিৰোধীৰ প্ৰতি মই আমাৰ মন্ত্ৰীসকলোকো কৈছো যে, গঠনমূলক ভূমিকা ৰাখিব। কথা-বতৰাৰ উত্তৰ দিব । ৰুমলৈ আহিলে বিধায়কক সন্মান কৰিব। আমি চেষ্টা কৰিম যাতে আমি এটা সুস্থ গণতান্ত্ৰিক পৰম্পৰা আমি আৰম্ভ কৰিব পাৰো। মই আপোনালোককো কও যে, আপোনালোকে ভৰিৰ তলৰ মাটি নেৰিব, আৰু মোকো মোৰ ভৰিৰ তলৰ মাটি এৰিবলৈ নক'ব। *সব কা সাথ সবকা*

*বিকাশ*ৰ ডেফিনেশ্বনটো আপোনালোকৰ বেলেগ মোৰটো বেলেগ। গতিকে আমি আমাৰ ডেভিনেশ্বনত থাকিম। সেইটোত কোনেও আমাক ফোৰ্চ কৰিব নালাগে, আপোনালোকে আপোনালোকৰ নিয়মত থাকিব, আমি আমাৰ নিয়মত থাকিম। আৰু সেইধৰণে গণতন্ত্ৰ আগুৱাই যাব।

অধ্যক্ষ মহোদয়, মই আৰু কথা কৈ আপোনাৰ সময় নষ্ট কৰিব খোজা নাই। পুনৰ এবাৰ সকলোকে মোৰ ফালৰ পৰা এই সদনলৈ উষ্ণ আদৰণি জনাইছো। পুনৰ এবাৰ আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা ডাঙৰীয়াক আলোচনাৰ মঞ্চলৈ আহিবলৈ অনুৰোধ জনাইছো আৰু মুখ্যমন্ত্ৰী হিচাপে পুনৰবাৰ মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো সদনৰ প্ৰতিজন সদস্যই ৫ বছৰ পিছত আত্মসন্তুষ্টিৰে যাতে নিজৰ নিজৰ সমষ্টিলৈ ঘূৰি যাব পাৰে তাৰ বাবে আমাৰ প্ৰয়াস আৰু প্ৰচেষ্টা থাকিব।

পুনৰ এবাৰ আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা ডাঙৰীয়াক আলোচনাৰ মঞ্চলৈ আহিবলৈ মই অনুৰোধ জনাইছো আৰু মুখ্যমন্ত্ৰী হিচাপে পুনৰবাৰ মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো যে সদনৰ প্ৰতিজন সদস্যই এই সদনৰ পৰা পাঁচ বছৰ পিছত অত্যন্ত আত্মবিশ্বাস আৰু সন্তুষ্টিৰে যাতে নিজৰ নিজৰ সমষ্টিলৈ ঘূৰি যাব পাৰে তাৰ কাৰণে আমাৰ প্ৰয়াস আৰু প্ৰচেষ্টা থাকিব, সকলোৰে মিলি একেলগে কাম কৰিম, আপোনালোকেও কাম কৰক অসমখন চহকী হওঁক। সৰু এটা উদাহৰণ দিম, আমাৰ ঘৰত পাঁচ জন ল'ৰা থাকে, এজন গাৱঁতেই থাকে মাক-দেউতাকক চাই আৰু বাকী চাৰিজনে বিভন্ন ঠাইত কাম কৰে। গাঁৱৰ মানুহে ভাৱে সেই চাৰিজনহে আটাইতকৈ ভাগ্যবান কাৰণ কোনোবা ডাক্তৰ হৈছে, কোনোবা ইঞ্জিনিয়াৰ হৈছে। মোৰ কিন্তু হিংসা লাগে সেইজন ল'ৰালৈ যিজনে নিজৰ মাক-দেউতাকক চোৱাৰ সুযোগ পায়। গাঁৱত থাকি গাঁৱৰ স্কুলখনতেই মাষ্টৰ কৰি নিজৰ মাক-দেউতাকক চাব পাৰে। জননী জন্মভূমিয়ে হৈছে আটাইতকৈ শ্ৰেষ্ঠ, জননীক সেৱা কৰাৰ সুযোগ, জন্মভূমিক সেৱা কৰাৰ সুযোগ তাতকৈ শ্ৰেষ্ঠতম ধৰ্ম একো নাই। জননী আৰু জন্মভূমিৰ সেৱাত আমি সকলোৰে অনাগত পাঁচটা বছৰ উৎসৰ্গিত কৰি, জননী জন্মভূমিখনক পবিত্ৰ কৰো আৰু আগুৱাই লৈ যাওঁ, আমাৰ সমগ্ৰ সময় অহা পাঁচটা বছৰ জননী জন্মভূমিৰ সেৱাত উৎসৰ্গিত কৰাৰ আহ্বানেৰে মই পুনৰ এবাৰ আপোনালোকক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকনে উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত "ধন্যবাদসূচক প্ৰস্তাৱ" সম্পৰ্কত সংশোধনীৰ বাবে **৩** খন সংশোধনী প্ৰস্তাৱৰ জাননী পোৱা হয় আৰু সদনত জাননীকেইখন উত্থাপিত হয়।

সংশোধনী প্ৰস্তাৱৰ প্ৰথম জাননীখন মাননীয় সদস্য হাফিজ বচিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম, শ্ৰীফণীধৰ তালুকদাৰ, শ্ৰীমজিবুৰ ৰহমান, শ্ৰীৰফিকুল ইছলাম, শ্ৰীনজৰুল হক, মোঃ আমিনুল ইছলাম, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীসুজাম উদ্দিন লস্কৰ, শ্ৰীকৰিম উদ্দিন বৰভুইয়া, শ্ৰীনিজাম উদ্দিন চৌধুৰী, শ্ৰীআব্দুল আজিজ, শ্ৰীনিজানুৰ ৰহমান, শ্ৰীজাকিৰ হুছেইন লস্কৰ, শ্ৰীছামছুল হুদাৰ নামত আছে ।

মাননীয় সদস্য হাফিজ বচিৰ আহমেদ আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংশোধনী প্ৰস্তাৱৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ে যিখিনি কথা ক'লে বহুত ধুনীয়া কথা কৈছে আৰু তেখেতে সকলোকে লগত লৈ অসমখন আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত যিটো সংকল্প বাখ্যা কৰিলে এইকথাখিনি যথেষ্ট ভাল আৰু পজিটিভ কথা কৈছে আৰু আমিও আশা কৰিছো যে এনেকৈ যদি সকলোৱে মিলি এটা গঠনমূলক দৃষ্টিভংগীৰে সকলো জাতি-জনগোষ্ঠীক লৈ একত্ৰিতভাৱে বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰি অসমখনক যদি আমি গঢ়িবলৈ সকলোৱে মিলি আগুৱাই যাওঁ তেতিয়া নিশ্চয় অসম খনৰ কাৰণে ভাল হ'ব আৰু তাৰ লগতে মুখ্যমন্ত্ৰী মহোদয়ে এটা ভাল কথা কৈছে যে 'জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী' ঠিক সেইদৰে আমাৰ হাদিছ শ্বৰীফত ও আছে স্বদেশ প্ৰেম ইমামৰ এটা অংগ গতিকে জন্মভূমি কেৱল সমষ্টি কেন্দ্ৰীক হ'ব নালাগে যে যি সমষ্টিত মোৰ জন্ম হৈছে সেই সমষ্টিত মোৰ যদি ঘৰ-বাৰী কিবা কাৰণত গৰাখহনীয়াত আক্ৰান্ত হৈ গ'ল, যদি মোৰ সমষ্টিত আৰু মাটি নাই এতিয়া মই অঘৰী কিম্বা আশ্ৰয়হীন হৈ থাকিব লাগিব লাগিব নেকি ? কিয়নো অসমৰ যতেই জন্ম নহওঁক কিয় গোটেই অসমখনেই জন্মভূমি। গতিকে সমগ্ৰ অসমতেই মোৰ অধিকাৰ আছে। সেয়ে মুখ্যমন্ত্ৰী মহোদয়ৰ কথাটোত আমি সকলোৱে একমত। মুখ্যমন্ত্ৰী মহোদয়ৰ কথাটোকে মই দোহাঁৰি কৈছো যে ই কেৱল সমষ্টি বা এলেকা ভিত্তিক হ'ব নালাগে সমগ্ৰ অসম সকলোৰে জন্মভূমি গতিকে আমি সকলোৱে মিলি অসমখন গঢ়িব লাগে। আশা কৰো মুখ্যমন্ত্ৰী মহোদয়ে এই লক্ষ্যৰে অনাগত দিনত কাম কাম কৰি যাব আৰু জন্মভূমিৰ অধিকাৰ আমি যাতে সকলোৱে এটা বহল দৃষ্টিভংগীৰে গ্ৰহণ কৰিব পাৰো সেইটো আশা কৰিলো লগতে মুখ্যমন্ত্ৰী মহোদয়ে যি এক লাখ চাকৰিৰ কথা কৈছে তাত এন আৰ এইচ্ এম, এম জি এন ৰেগাত ঠিকাভিত্তিত আগৰ পৰা কাম কৰি আছে সেই লোক সকলক যাতে অগ্ৰাধিকাৰ দিয়া হয় সেইটো অনুৰোধ জনাই আমি এই সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ বাবে ধন্যবাদ। এতিয়া সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সদনত সকলোৰে সন্মতি আছে। গতিকে সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। সংশোধনী প্ৰস্তাৱৰ দ্বিতীয় জাননীখন মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীৰকিবুল হুছেইন, শ্ৰীআব্দুৰ ৰশিদ মণ্ডল,শ্ৰীসিদ্দিক আহমেদ, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীআফতাব উদ্দিন মোল্লা, মোঃ নুৰুল হুদা, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, শ্ৰীসুশান্ত বৰগোঁহাইৰ নামত আছে ।

মাননীয় সদস্য শ্ৰীভৰত চন্দ্ৰ নৰহ আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ? আৰু সংশোধনী প্ৰস্তাৱৰ তৃতীয় জাননীখন মাননীয় সদস্য শ্ৰীদেৱব্ৰতশইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীওয়াজেদ আলী চৌধুৰী, শ্ৰীসিদ্দিক আহমেদ, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীআফতাব উদ্দিন মোল্লা, মোঃ নুৰুল হুদা, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, শ্ৰীপ্ৰদীপ সৰকাৰ, শ্ৰীআচিফ মহম্মদ নাজাৰ, শ্ৰীশশীকান্ত দাস, শ্ৰীখলিল উদ্দিন মজুমদাৰ, শ্ৰীআবুল কালাম ৰশিদ আলম, শ্ৰীশিৱামনি বৰা, শ্ৰীজাকিৰ হুছেইন সিকদাৰ, শ্ৰীৰূপজ্যোতি কুৰ্মী, শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীসুশান্ত বৰগোঁহাই, শ্ৰীআব্দুৰ ৰহিম আহমেদৰ নামত আছে ।

মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কংগ্ৰেছ দলৰ পৰা দুটা সংশোধনী প্ৰস্তাৱ আনিছিলো কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ভাষণ শুনাৰ পিছত আমি দুটামান কথা কৈ আমাৰ মতামত দিব বিচাৰিছো। যদিও তেওঁ একেটা দলৰে দ্বিতীয়বাৰ চৰকাৰলৈ আহিছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত বিৰোধী পক্ষৰ ও সহযোগিতা বিচাৰিছে আৰু সদনত

এটা শান্তিপূৰ্ণ পৰিৱেশ হোৱা যেন আমি অনুমান কৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি যিদৰে সদনত বক্তব্য দিলে, যদিও দুই এটা কথাত আমাৰ মনে মিলা নাই সামগ্ৰিকভাৱে তেওঁ এক তত্ত্বগধূৰ ভাষণ দিছে, তেওঁ বিৰোধী পক্ষক ও কৈছে যে আপোনালোকৰ যিখিনি কথা সেইখিনি কথা আপোনালোকে বেলেগকৈ পাতিব। আমাৰ কেৱল এটা অনুৰোধ থাকিব যে আগতে তেওঁ বি জে পি দলৰ হৈ কথা বিলাক কৈছিল কিন্তু এতিয়া এই চৰকাৰখন অসমৰ চৰকাৰ, মুখ্যমন্ত্ৰী অসমৰ, গতিকে সামগ্ৰিক অসমৰ কথাখিনি চাব বুলি আমি আশা কৰিছো। বিশেষকৈ দুটা কথা ক'বৰ কাৰণে মোক আমাৰ দুজন মাননীয় সদস্যই অনুৰোধ কৰিছে, আমাৰ চিনিয়ৰ সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে আপুনি সহানুভূতিৰে ৩৫১ টকা যিটো চাহ শ্ৰমিকৰ মজুৰীৰ কথা কৈছে সেইটো আপোনালোকে অকণমান চাবৰ কাৰণে মোক ক'বলৈ অনুৰোধ কৰিছে। মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে জুৰিলি পুৰকায়স্থক কিবা পুৰস্কাৰ দিব পৰা যায় নেকি সেইটো চাবলৈ কৈছে লগতে মই আপোনাক ব্যক্তিগত কথা এটা ক'বলৈ বিচাৰিছো এটা ভাল বাৰ্তা যাবৰ কাৰণে যে আপুনি যেনেকৈ কৈছে যে সত্ৰত মাটি দখল কৰিব নালাগে। কোনো কংগ্ৰেছ বা বেলেগ দল নহয় মই ব্যক্তিগত ভাৱে কৈছো যে এইক্ষেত্ৰত যদি আপোনালোকে খবৰ কৰে আমি চৰকাৰ থকা অৱস্থাটো বৰদোৱা সত্ৰৰ বেদখল নিজেই প্ৰচেষ্টা কৰি হাতে-কামে কৰি তাত উচ্ছেদ কৰিছিলো। এতিয়াও আমি কৈছো সত্ৰত যদি কৰবাত বেদখল হৈছে সেইখিনি কথাত কোনোবাই ভাল পাব বেয়া পাব সেইটো নাচায় চৰকাৰক আমি সহায় কৰিম। কিন্তু বাকী কথাখিনি যিখিনি আপুনি আইনগত কথা ক'লে কোনোবা যদি চৰকাৰে সেই কথাখিনি চাব লাগে, কোনোবা যদি ভূমিহীন মানুহে, যদি মাটি কৰ'বাত আইনগত ভাৱে আছে সেইখিনি কথা সহানুভূতিৰে চাবৰ কাৰণে আপোনাক অনুৰোধ কৰিছো। দ্বিতীয়তে, আপুনি কৈছে যে কোনোধৰণৰ ব্যক্তিগত অনুভূতিত আঘাত হানিব নালাগে। এই কথাটোত আমি এশ শতাংশই সন্মতি জনাম যে কোনো ধৰ্মৰ কোনো লোকৰ অনুভূতিত আঘাত হানিব নালাগে। সেইক্ষেত্ৰত যদি বহি আলোচনা কৰি সিদ্ধান্ত লোৱা যায় বহুক্ষেত্ৰত সুবিধা হ'ব। আপুনি তৰুণ গগৈ ডাঙৰীয়া, হিতেশ্বৰ শইকীয়া ডাঙৰীয়া, কংগ্ৰেছৰ কথাও কৈছে। সেইসময়ত আপোনালোক ও তাত কিছু কিছু জড়িত হৈ আছিল। আজি এটা গতানুগতিক পৰিস্থিতিত আমি ইয়ালৈ আহিছো। সেই সময়তো আমি ধাৰ ল'বলগীয়া হৈছিল আৰু আমাক সমালোচনা কৰিছিল আৰু আজিও আপোনালোকে কিছু ধাৰ ল'বলগীয়া হৈছে। আজি ক'ভিডৰ ক্ষেত্ৰত আপুনি যিখিনি কথা ব্যাখ্যা কৰিলে সেই ক্ষেত্ৰত আমি আমাৰ বিধায়িনী দলত কথা পাতিম। আমি দুই-এজনৰ লগত কথা পাতিছো যে কম দিনৰ ভিতৰতে আমাৰ বিধায়কৰ পৰা আপোনাক কিছু আৰ্থিক অনুদান দি এক বাৰ্তা আমি দিবলৈ বিচাৰিছো যে এই সময়খিনিত আমি সকলোৱে একগোট হৈ থাকিব লাগে, আপুনি কোৱাৰ দৰে তিনি কোটি বিশ লাখ মানুহে যদি এটকা এটকা কৈ ও দিয়ে তেতিয়া বহু টকা হয়। এতিয়া ভেকচিন সকলোতকৈ বেছি প্ৰয়োজন। এইক্ষেত্ৰত আমি ও যিহেতু কিছু সংস্থাৰ লগত জড়িত গতিকে আমি কথা দিছো যে কম দিনৰ ভিতৰত আমি আমাৰ চৰকাৰক সহায় কৰিম। এইখিনি কথা আজি আপোনাক কলো। বাকী যিখিনি কথা আপোনাক কৈছো দান-বৰঙণি বা ভেকচিনৰ ক্ষেত্ৰতেই হওঁক আপুনি অকণমান চাব বুলি আমি আশা ৰাখিছো। আপুনি কোৱা কথা বিলাকত আমি পতিয়ন গৈছো। আপুনি আমাৰ পৰা সহযোগিতা বিচাৰিছে গতিকে আপোনাক এটা কথা কৈছো যে 'মৰমে মৰমক বিচাৰি যায়, যদি মৰম নিগৰি ওলায়'। এই সময়খিনিত যদি সকলোৱে সচাঁ অৰ্থত সহযোগিতা আগবঢ়াই আমি বিৰোধী পক্ষই বিনাদ্বিধাই এইক্ষেত্ৰত সহায় আগবঢ়াম বুলি কথা দি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ

ওপৰত যি সংশোধনী প্ৰস্তাৱ আমি আনিছিলো এই দুইটা প্ৰস্তাৱ আমি প্ৰত্যাহাৰ কৰিলো বুলি আপোনাৰ জৰিয়তে জনাইছো।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথাই দাঙি ধৰিম। সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু এক লাখ চাকৰি দিয়াৰ ইতিমধ্যে প্ৰতিশ্ৰুতি দিছে গতিকে বেকল'গৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই এতিয়া মাননীয় সদস্য শ্ৰীপ্ৰশান্ত ফুকনে ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱটোলৈ আহোঁ ।

মূল প্ৰস্তাৱটো হৈছে যে - "এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য/সদস্যা সকলে **২২** মে', **২০২১** তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত ধন্যবাদ জ্ঞাপন কৰে।"

প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওক "হয়" ।
প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওক "নহয়"।
মই ভাবো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
প্ৰস্তাৱটো পাৰিতকৰণ হ'ল ।
প্ৰস্তাৱটো সদনত গৃহীত হ'ল ।

**এতিয়া কাৰ্য্যসূচী নং ৩**

## ঘোষণা

২৪ মে', ২০২১

মই, এতিয়া অসম বিধান সভাৰ উপাধ্যক্ষ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত ঘোষণা কৰিবলৈ আগবাঢ়িছো ।

উপাধ্যক্ষ পদৰ বাবে তিনিখন মনোনয়ন পত্ৰ পোৱা হৈছে । মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৮ (১) ৰ অধীনত প্ৰয়োজন হোৱা মনোনয়ন পত্ৰসমূহৰ তথ্য দাঙি ধৰিলো । আটাইকেইখন মনোনয়ন পত্ৰ একেগৰাকী মাননীয় সদস্য অৰ্থাৎ ডাঃ নোমল মমিনৰ সপক্ষে পোৱা হৈছে ।

| | | |
|---|---|---|
| মনোনয়ন পত্ৰ - ১- | প্ৰস্তাৱক | শ্ৰীৰঞ্জিত কুমাৰ দাস |
| | সমৰ্থক | ড° হিমন্ত বিশ্ব শৰ্ম্মা |
| মনোনয়ন পত্ৰ - ২ - | প্ৰস্তাৱক | শ্ৰীঅতুল বৰা |
| | সমৰ্থক | শ্ৰীকেশৱ মহন্ত |
| মনোনয়ন পত্ৰ - ৩ - | প্ৰস্তাৱক | শ্ৰীউৰ্খাও গৌৰা ব্ৰহ্ম |
| | সমৰ্থক | শ্ৰীলৰেন্স ঈছলাৰী |

উপাধ্যক্ষ পদৰ বাবে মাত্ৰ এগৰাকী সদস্য বৈধভাবে মনোনীত হোৱা হেতুকে পঞ্চদশ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাবে মই ডাঃ নোমল মমিন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। তেখেতক আসন গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনালো।

পঞ্চদশ অসম বিধান সভাৰ মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন দেৱক মোৰ হিয়াভৰা ওলগ আৰু শুভেচ্ছা জনালো । ডাঃ নোমল মমিন দেৱ ১৭ নং বোকাজান বিধান সভা সমষ্টিৰ পৰা **২০১৬** চনত প্ৰথম বাৰলৈ আৰু দ্বিতীয় বাৰৰ বাবে **২০২১** চনত অসম বিধান সভালৈ নিৰ্বাচিত হৈছে । ডাঃ নোমল মমিন দেৱ চৰ্তুদশ বিধান সভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈ বিধায়ক হিচাপে সম্পূৰ্ণ নিষ্ঠা আৰু ঐকান্তিকতাৰে তেখেতৰ দায়িত্ব আৰু কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰাত সফল হৈছিল । আমি সকলোৱে জানো যে গণতন্ত্ৰৰ মূল চালিকা শক্তি হৈছে বিধায়িনী আৰু মাননীয় উপাধ্যক্ষ গৰাকীও এই পবিত্ৰ সদনৰ অভিভাৱক ।

মাননীয় উপাধ্যক্ষৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা হেতুকে আপুনি দল-মত নিৰ্বিশেষে সদনৰ সকলো মাননীয় সদস্য/সদস্যাৰ অধিকাৰৰ অভিভাৱক হৈ থাকিব ।

মই বিশ্বাস কৰো যে সংসদীয় ৰাজনীতিৰ ক্ষেত্ৰত আপোনাৰ অভিজ্ঞতাৰ জৰিয়তে আপুনি মাননীয় উপাধ্যক্ষ পদৰ দায়িত্ব আৰু কৰ্ত্তব্য প্ৰচলিত গণতান্ত্ৰিক পৰম্পৰা তথা সুস্থ সংসদীয় প্ৰক্ৰিয়া আৰু নিয়মাৱলীৰ আধাৰত সুকলমে আৰু নিৰপেক্ষভাবে চলাই নিবলৈ সমৰ্থ হ'ব ।

আপোনাৰ সামৰ্থ্য তথা যোগ্যতাৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে । অসম বিধান সভাৰ পৰম্পৰাগত মৰ্য্যদা আৰু সন্মান বৰ্তাই ৰাখি আপুনি কাৰ্য্যনিৰ্বাহ কৰাত সফল হ'ব । আপুনি এজন গাওঁ অঞ্চলৰ পৰা অহা লোক। আপুনি স্কুলীয়া, কলেজীয়া জীৱন পাৰ কৰি গুৱাহাটী মেডিকেল কলেজৰ পৰা চিকিৎসকৰ শিক্ষা গ্ৰহণ কৰিলে। তাৰপিছত আকৌ ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা আপুনি এম ডি কৰিলে। ইয়াৰ পিছত আপুনি গুৱাহাটী মেডিকেল কলেজত মেডিচিন বিভাগত এচিটেণ্ট প্ৰফেচাৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিলে। আপুনি যিহেতু গাওঁ অঞ্চলত ডাঙৰ- দীঘল হোৱা গতিকে বিভিন্ন ধৰণৰ ঘাট-প্ৰতিঘাটৰ মাজেৰে পাৰ হৈও আপুনি আপোনাৰ বুদ্ধিমত্তা প্ৰকাশ কৰিলে। সকলোৰে লগত মিলিব পৰা আপোনাৰ এটা গুণ আছে, বিভিন্ন বিষয়ত আপোনাৰ যথেষ্ট জ্ঞান আছে। ব্যক্তিগতভাৱে মই আপোনাক ৰাজনৈতিক জীৱনত যিকেইদিন লগ পাই আহিছো তেতিয়াৰ পৰা মই আপোনাক সম্পূৰ্ণৰূপে বুজি পাইছো। আজি আপুনি ইয়াত উপাধ্যক্ষ হিচাবে মনোনীত হোৱাৰ পিছত মই আশাকৰো সকলো সদস্য সন্তুষ্ট হ'ব পৰাকৈ আপুনি হাউচখন চলাই নিব আৰু মোকো অধ্যক্ষ হিচাবে প্ৰত্যকটো মুহূৰ্তত সদায় আপুনি কিছু সহায় সহযোগিতা, উপদেশ, ভুলবিলাক শুধৰাই দিয়াত আপুনি সহায় কৰিব। মই আশা কৰো চৰকাৰ আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য/সদস্যা সকলে সদন পৰিচালনাৰ ক্ষেত্ৰত আপোনাৰ পৰা সম্পূৰ্ণ ন্যায় আৰু নিৰাপত্তা পাব আৰু আমাৰ দুয়োপক্ষই আপোনাকো একেধৰণে সহায় সহযোগিতা কৰিব। মই আকৌ এবাৰ আপোনাক ইয়াৰ পৰা ওলগ যাচিলো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুদিন পূৰ্বে অসম বিধান সভাই বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াক অসম বিধান সভাৰ অধ্যক্ষ হিচাবে নিৰ্বাচিত কৰিছে। আজি বিধান সভাৰ অধিৱেশনৰ শেষ দিনা আমি ডাঃ নোমল মোমিন ডাঙৰীয়াক সৰ্বসন্মতিক্ৰমে বিধান সভাৰ উপাধ্যক্ষ পদত নিৰ্বাচিত কৰিছো। দুটা নিৰ্বাচনে সৰ্বসন্মত আছিল আৰু এই ক্ষেত্ৰত বিৰোধী পক্ষৰ ভূমিকাক মই ধন্যবাদ জনাইছো। সদনৰ অধ্যক্ষ-উপাধ্যক্ষ দুয়োগৰাকী Uncontest নিৰ্বাচিত হোৱাৰ পিছত সদনৰ গৰিমাও বহু পৰিমাণে বৃদ্ধি হৈছে। মই বিধান সভাৰ সদস্য হিচাবে অত্যন্ত গৌৰৱান্বিত যে, মই/আমি এনেকুৱা এখন সদন দেখিম যাৰ অধ্যক্ষ গৰাকীও জনজাতি সম্প্ৰদায়ৰ আৰু উপাধ্যক্ষ গৰাকীও জনজাতি সম্প্ৰদায়ৰ। মই পুৰণা record চোৱা নাই কিন্তু মোৰ দৃষ্টিত যিহেতু মইও ২০ বছৰ এই সদনত পাৰ কৰিলো ই এক বিৰল দৃশ্য যে, অধ্যক্ষ আৰু

উপাধ্যক্ষ দুয়োজনে জনজাতি সম্প্রদায়ৰ পৰা। মই সদনৰ সকলো সদস্যকে ধন্যবাদ আৰু অভিনন্দন জনাইছো যে, ই জাতীয় জীৱনলৈ এটা অত্যন্ত সুন্দৰ বাৰ্তা এটা কঢ়িয়াই আনিব। ডাঃ নোমন মোমিন এগৰাকী সু-চিকিৎসক তেওঁ এটা কৃষিজীৱি পৰিয়ালৰ পৰা আগবাঢ়ি আহিছিল আৰু জনপ্ৰতিনিধিলৈ উত্তৰণ হোৱা এটা সৰল ব্যক্তি সত্তা। তেখেতৰ খুড়াক ডাঃ বি জি মোমিন ১৯৭৭ চনত জনতা পাৰ্টীৰ পৰা বোকাজান নিৰ্বাচিত হৈছিল আৰু পৰৱৰ্তী পৰ্য্যায়ত আজি দুটা টাৰ্ণ একেৰাহে নোমন মোমিন ডাঙৰীয়াই বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে আৰু বহুত ভাল ভোটত জিকি আহিছে। ই তেখেতৰ জনপ্ৰিয়তাৰ কথা প্ৰমাণ কৰে। ১৯৭২ চনৰ কাৰ্বি আংলংৰ এটা কৃষক পৰিয়ালত নোমন মোমিন জন্ম হৈছিল আৰু আৰু তেওঁ পৰিয়ালটোৰ সপ্তম তথা নুমলীয়া সন্তান আছিল। তেখেতৰ পিতৃ আছিল প্ৰয়াত বিক্ৰম ৰাৱলি মোমিন আৰু মাতৃ শ্ৰীমতী সুচিলা মোমিন। প্ৰাথমিক শিক্ষা সমাপ্ত কৰি বোকাজানৰ বালিপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঞ্চম শ্ৰেণীৰ নামভৰ্ত্তিৰ পিছৰে পৰা নোমল মোমিনে ৰাতিপুৱা ৪ পৰা ৭ টা বজালৈ সদায় হাল বাইছিল তাৰ পিছত স্কুললৈ গৈছিল কিন্তু ৪ পৰা ৭টা বজালৈ তেওঁ হাল বাইছিল। ৰাতিপুৱা ৭ টাত হালবাই ৮ টাত আকৌ বিদ্যালয়লৈ গৈছিলে আকৌ বিদ্যালয়লো ৮ কিঃমিঃ খুজ কাঢ়ি যাব লাগে। এটা মানুহৰ জীৱন পৰিক্ৰমা ১৯৮৯ ত নোমল মোমিনে ডিফু চৰকাৰী কলেজৰ পৰা হাইচেকেণ্ডাৰী পাছ কৰে আৰু আৰ্থিক অনাতনৰ বাবে শিক্ষা জীৱন আগবঢ়াই লৈ যাব নোৱাৰি তেওঁ ফিলাউজান মধ্য ইংৰাজী বিদ্যালয়ত ভেন্সাৰ শিক্ষক ৰূপে কাম আৰম্ভ কৰে এটা commonality. মাননীয় অধ্যক্ষ বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াইও শিক্ষাকতা কৰিছিল আৰু নোমল মোমিন ডাঙৰীয়াই জীৱনৰ প্ৰথম অৱস্থাত ভেন্সাৰ বিদ্যালয়তে শিক্ষাকতা আৰম্ভ কৰিছিল। ১৯৯৪ চনত যিহেতু লৰাজন খুব চোকা আছিল, জেঠাইকে কলে যে, তুমি পঢ়িব লাগে বুলি জেঠাইয়েক জনে গুৱাহাটীলৈ আহিছিল আৰু দেউতাকে ৩০০ টকা পকেটত দি পঠিয়াছিল অৰ্থাৎ ঘৰৰ পৰা তেওঁ গুৱাহাটীলৈ আহোতে ৩০০ টকা হাতত লৈ আহিছিল। নোমল মোমিনৰ পিতৃৰ ইচ্ছা আছিল যে, লৰাজন ভাল ডাক্তৰ হওঁক আৰু যেতিয়া তেওঁ মেডিকেল বাঁচনি পৰীক্ষা দিলে Hills Tribe ৰ list ত তেওঁ top কৰিলে, অৰ্থাৎ তেওঁ প্ৰথম হ'ল আৰু ১৯৯৯ চনত GMC ৰ পৰা তেওঁ MBBS পাছ কৰে। ২০০৩ চনত তেওঁ AMCH ৰ পৰা আৰু Internal Medicine ত MD ডিগ্ৰী লাভ কৰে। তাৰ পিছত বঙ্গাইগাঁও, নতুন দিল্লী আৰু আমাৰ শ্বিলংৰ যিখন NEGRIMS আছিল তাতে তেখেতে অধ্যাপনা কৰে। পৰৱৰ্তী পৰ্য্যায়ত আমাৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২০১১ চনৰ পৰা ২০১৬ চনলৈকে তেখেতে সহকাৰী অধ্যাপক হিচাবে কাম কৰিছিল। তেতিয়া মই স্বাস্থ্য মন্ত্ৰী আছিলো আৰু মই জানো যে, নোমল মোমিনে আৰ্তজনৰ সেৱা দৰিদ্ৰজনৰ সেৱা আৰু ক'ব গ'লে দুখীয়া মানুহৰ কথা বতৰা তেওঁ অত্যন্ত, কিছুমান ডাক্তৰ থাকে ফোন কৰিলে পোৱা যায়, তেওঁ খুব accessable ডাক্তৰ আছিল বিশেষকৈ দুখীয়া আৰু দৰিদ্ৰ মানুহখিনিৰ কাৰণে। খেলা ধূলাতো খুব জড়িত আছিল, গুৱাহাটী মেডিকেল কলেজ আৰু ডিব্ৰুগড় মেডিকেল কলেজ দুয়োখনতে তেওঁ খেলা-ধূলাৰ লগত অত্যন্তভাৱে জড়িত হৈ পৰিছিল। তেওঁ খ্ৰীষ্টান ধৰ্মাৱলম্বী এজন লোক। কিন্তু যোৱা ৫ বছৰ মই তেওঁৰ লগত একেলগে কাম কৰি মোৰ যিটো অভিজ্ঞতা হ'ল, যে যেতিয়া নোমল মোমিন আমাৰ লগত হিন্দু মন্দিৰত যায় তেতিয়া বুজি পোৱা কঠিন যে নোমন মোমিন হিন্দু নে খ্ৰীষ্টান। মোৰ ব্যক্তিগত অভিজ্ঞতা, কেইদিনমান আগতে কাৰ্বি আংলংৰ লক্ষিমান সমাজৰ এটা অনুষ্ঠানত গৈছিলো, যিটো কাৰ্বি ধৰ্মগুৰু; অনুষ্ঠানত তাৰ শিষ্যসকলে যেনে ধৰণে নোমন মোমিনৰ লগত কথা বতৰা পাতিছিলে মই নোমল দাক ক'লো যে দাদা আপুনি Convert হৈ গ'ল নেকি? অৰ্থাৎ এই ধৰণৰ তেওঁৰ নিজৰ ধৰ্মৰ বিশ্বাসক অটুট

ৰাখিও কাৰ্বি পাহাৰত অন্যান্য ধৰ্মীয় জনগোষ্ঠীসকলক বুকুত সাৱটি তেওঁ এটা খুব উচ্চ এটা মানসিক পৰ্য্যায়ত তেওঁ যাব পাৰিছে। তেওঁ নিজে খ্ৰীষ্টান ধৰ্মৰ অৱলম্বী লোক। কিন্তু কেতিয়াবা কেতিয়াবা আমাৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ মানুহ সকলক যেতিয়া মই লগ পাওঁ তেতিয়া তেওঁলোকে সদায় নোমল মোমিনৰ প্ৰশংসাৰে উপচায় দিয়ে। অৰ্থাৎ কি ধৰণে নিজৰ ধৰ্ম বিশ্বাসক অটুট ৰাখিও সকলো ধৰ্মকে সাৱটি লৈ সকলোৰে লগত মিলি যাব পৰা যিটো প্ৰচেষ্টা সেইটো নোমল মোমিন ডাঙৰীয়াৰ জীৱনৰ পৰা আমি শিকিব পাৰো। মই নিজে যোৱা ৫ টা বছৰত বহু দিনীয়া মোৰ চিনাকী নহয়, মেডিকেল কলেজৰ প্ৰফেচাৰ হিচাবে চিনি পাইছিলো কিন্তু যেতিয়া যোৱা ৫ টা বছৰত একেলগে কাম কৰিলো তেতিয়া তেওঁৰ জীৱনৰ প্ৰতি যিটো এটা বিশেষকৈ অধ্যাত্মিকভাবে তেওঁৰ যিটো এক সাৰ্বজনীন চৰিত্ৰ, সেই চৰিত্ৰই আমাক আপ্লুট কৰে আৰু মই ভাবো যে, বিধান সভাৰ উপাধ্যক্ষৰ দায়িত্বত থাকিও তেওঁ সেই ধৰণৰ চিন্তা-চৰ্চাৰে সদনৰ প্ৰতিজন সদস্যৰে অধিকাৰ ৰক্ষা কৰি আমাৰ সমাজখনক আগুৱাই লৈ যোৱাৰ কামত তেওঁ আগবাঢ়ি যাব। তেওঁৰ অভিজ্ঞতাও আছে, শংকৰদেৱ ইউনিভাৰচিটি অফ হেল্থ চাইন্সটো তেওঁ ফাইনেন্স কমিটিৰ তেওঁ চেয়াৰমেন আছিল, বিধান সভাৰ Assurance Committee ৰ তেওঁ অধ্যক্ষ আছিল। গতিকে এই বিধান সভাৰ তেওঁৰ কাৰণে নতুন নহয়। তেওঁ যোগ্য নেতৃত্ব দিব পাৰিব বুলি মই বিশ্বাস কৰো। বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া আৰু নোমল মোমিন ডাঙৰীয়াৰ নেতৃত্বত এই সদন গৰিমামণ্ডিত হওঁক অসমৰ জাতীয় জীৱনক আগবাঢ়ি লৈ যাওঁক তাকে কামনা কৰি আমাৰ ভাৰতীয় জনতা পাৰ্টী আমাৰ সকলোৰে হৈ সদনৰ নেতা হিচাবে সকলোৰে হৈ ডাঃ নোমন মোমিন ডাঙৰীয়াক মই উষ্ম অভিনন্দন জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাজত ডাঃ নোমন মোমিন ডাঙৰীয়াক উপাধ্যক্ষ হিচাবে পাইছো। আমি তেখেতক আদৰণি জনাইছো। তেখেত এজন অনুগামী যিহেতু তেখেতৰ যথেষ্ট অনুভৱ আছে আৰু তেখেতৰ যি চিকিৎসা বিদ্যাত তেখেতৰ যিখিনি যোৱা সময়ছোৱাত প্ৰশিক্ষণ আৰু লগতে তেখেতে যোৱা সময়ছোৱাত যেনেধৰণে তথ্য দিলে চিকিৎসক হিচাবে বিভিন্ন অনুষ্ঠানত জড়িত হৈ নিশ্চিতভাবে তেখেতে যি কোনো এটা চিকিৎসা কৰাৰ সময়ত ৰোগটো কি ৰোগৰ লক্ষণ কি গোটেই সমস্যাখিনি জনাৰ পিছত হে পথ্য দিছিলে। ঠিক তেনেকৈ আমি যেতিয়া ইয়াত সদনত অসমৰ বিভিন্ন বিষয়ক লৈ আলোচনা কৰিম আমি আশা ৰাখিম তেখেতে আমাক সকলোকে নিৰপেক্ষভাবে সুবিধা দিব যাতে আমি নিজৰ সমস্যাবোৰ উত্থাপন কৰিব পাৰো আৰু সদন চালনা কৰাত তেখেতে আপোনাকো সহায় কৰিব আৰু আমাৰ সদনৰ মৰ্য্যদা আৰু ওপৰলৈ আহিব। তেখেতৰ বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কলে সেইখিনি আমি বুজি পাইছো যে যথেষ্ট পৰিশ্ৰমৰ মাজেৰে এই পৰ্য্যায়লৈ আহিছে। গতিকে তেখেতে সদনৰ মান মৰ্য্যদা বৃদ্ধি কৰাত আৰু আগৰ দৰে আৰু পৰিশ্ৰম কৰিব আৰু সদনক উন্নত কৰিব বুলি আশা ৰাখি আমাৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (বিধায়ক)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই ডাঃ নোমন মোমিন ডাঙৰীয়াক আমাৰ এই পবিত্ৰ সদনৰ এক এগৰাকী অভিভাৱক হিচাবে উপাধ্যক্ষ আখন অলংকৃত কৰাৰ বাবে মই তেখেতক আমাৰ এআইইউডিএফৰ দলৰ তৰফৰ পৰা ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিছো। তেখেতক যোৱা ৫ বছৰ আমি সতীৰ্থ বিধায়ক হিচাবে পাইছো। সংবাদ মাধ্যমত বিভিন্ন সময়ত ৰাজনৈতিক বিতৰ্কত তেখেতৰ লগত আমি অংশ গ্ৰহণ কৰিছো। ৰাজনৈতিক বিতৰ্ক হওঁক কিন্তু

তেখেতৰ লগত এটা ব্যক্তিগত বন্ধুত্ব আছে আৰু তেখেত সহজ সৰল সহজতে মিলি যায়। তেখেতৰ ব্যক্তিগত জীৱন সম্পৰ্কে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, তাৰ পৰা বহু নজনা কথা জানিব পাৰিছো। তেখেতৰ বন্ধুত্বৰ কাৰণে কেতিয়াবা সদনত তেখেতৰ নাম কাঢ়ি কাঢ়ি তেখেতৰ লগত ধেমালি কৰো আসনৰ পৰাই। যি কি নহওঁক তেখেতে তেখেতৰ দৰে সহজ সৰল মনত সকলোকে আপোন কৰি ল'ব পৰা এগৰাকী ব্যক্তি আমাৰ সদনৰ অভিভাৱকৰ দায়িত্ব লোৱা আমি ভাল পাইছো আৰু ব্যক্তিগত ভাবে তেখেত মোক তেখেতৰ সমষ্টি ঘূৰাই অনাৰ কথা আছিল। আশা কৰো আগন্তুক দিনত কেতিয়াবা লৈ যায়। যি কি নহওঁক পুনৰবাৰ আমাৰ দলৰ পৰা তেখেতক অভিনন্দন জনাইছো আৰু আশা কৰো তেখেতৰ নেতৃত্বত আমাৰ সদনত এটা সুষ্ঠ গণতন্ত্ৰৰ পৰম্পৰা ৰক্ষা কৰক আৰু এটা যোগাত্মক দিশত আগুৱাই যাব বুলি আশা কৰিছো।

**শ্ৰী দৰচিং ৰংহাং (হাওৰাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আজি পবিত্ৰ সদনত নৱনিৰ্বাচিত উপাধ্যক্ষ বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হোৱাৰ বাবে মই আপোনাৰ যোগেদি ডাঃ নোমন মোমিন ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে এই পবিত্ৰ সদনৰ প্ৰত্যেকজন বিধায়কে বিনা প্ৰতিদ্বন্দিতাৰে তেখেতক নিৰ্বাচিত কৰাত সহায় সহযোগিতা কৰাৰ বাবে প্ৰত্যকজন বিধায়ক, বিধায়িকা, মুখ্যমন্ত্ৰী, মন্ত্ৰী সকলোকে কাৰ্বি আংলংৰ হৈ বা মোৰ হৈ ধন্যবাদ জ্ঞাপন কৰিছো আৰু আশা কৰিছো তেখেতে কাৰ্বি আংলং আৰু ডিমা হাচাও আমি ৫ গৰাকী বিধায়ক তাৰে পৰা তেনেকুৱা এখন সন্মানীয় পদত যে আমাক উছৰ্গা কৰি সন্মান দিছে সেইটো লৈ আপোনালোক সকলোলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আশা কৰিছো আহিবলগীয়া দিনত আপোনালোক অধ্যক্ষ আৰু উপাধ্যক্ষ দুয়োগৰাকীৰ যোগেদি সমগ্ৰ অসমৰ বিষয় বিলাক ৰাজনৈতিক সামাজিক অৰ্থনৈতিক বিষয় বিলাক আমি আলাপ আলোচনা কৰিবলৈ সুযোগ সুবিধা পাম বুলি আশা ৰাখি মই মোৰ চমু বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী ৰূপচিং টেৰণ (বৈঠলাংচ') ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাঃ নোমন মোমিন ডাঙৰীয়াক মই মোৰ তৰফৰ পৰা অনেক ধন্যবাদ জ্ঞাপন কৰিছো। যাতে অধ্যক্ষ, উপাধ্যক্ষৰ জড়িয়তে কাৰ্বি আংলঙৰ যিটো সমস্যা সেইটো হৈছে সীমান্ত আৰু ৰাজনৈতিক সমস্যা সমাধান কৰিবলৈ আপোনাৰ জৰিয়তে সমাধান হ'ব বুলি আশা কৰিছো আৰু এটা কথা ক'ব বিচাৰো আৰু গৌৰৱ কৰিব বিচাৰো। আজি আমাৰ পাহাৰীয়া অঞ্চলৰ পৰা সন্মানীয় পদ দিয়াটো ডাঙৰ উপহাৰ। এইটো ইতিহাস হিচাবে ৰচিত হ'ল আৰু মুখ্যমন্ত্ৰী, অধ্যক্ষ সকলোকে ধন্যবাদ জনাই মোৰ ব্যক্তৱৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চদশ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাবে সন্মানীয় ডাঃ নোমন মোমিন ডাঙৰীয়াক সদনে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে আমি অত্যন্ত আনন্দিত হৈছো আৰু তেখেতক শুভেচ্ছা জনাইছো আৰু অভিনন্দন যাচিছো। এগৰাকী সদনৰ ভিতৰে-বাহিৰে সৰৱ বিধায়ক হিচাবে পৰিচিত নোমন মোমিন ডাঙৰীয়া যোৱা ৫ টা বছৰত তেখেতক সদনৰ মজিয়াত পোৱায়েই নহয়, আমি একেলগে ভিয়েটনামলৈও গৈছিলো। মাননীয় সৰ্বানন্দ সোণোৱালো গৈছিল আৰু কেইগৰাকী মান কৃষক গৈছিল আমাৰ লগত আৰু সন্মানীয় বিধায়ক গৈছিল । মই দেখিছিলো যে, বিভিন্ন বিষয় সম্পৰ্কে তেওঁ ভালকৈ জনাৰ এটা আগ্ৰহ আছে, সেই আগ্ৰহ আমি বিভিন্ন খেতি পথাৰ যেতিয়া চাইছিলো এটা Termaric industry ত গৈছিলো এখন গাঁৱৰ অনুসন্ধিতসু মন এটা যিকোনো বিষয়ৰ প্ৰতি মই প্ৰত্যক্ষ কৰিছিলো সুন্দৰভাবে যোৱা সময়ছোৱাত বিধান সভাত বলিষ্ঠভাবে নিজৰ সমষ্টিৰ সমস্যা উত্থাপন কৰাৰ উপৰিও ৰাজ্যখনৰ

বিভিন্ন সমস্যা সম্পৰ্কে তেওঁ সদনৰ মজিয়াত সৰলভাবে বক্তব্য ৰাখি গৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই তেখেতৰ Background ৰ সম্পৰ্কে যিখিনি কথা কলে সেইখিনি কথা হয়টো আমি সকলোৱে নাজানিছিলো আমি অত্যন্ত আনন্দিত হৈছে আৰু আমাৰ দৃঢ় বিশ্বাস যে, তেখেতে সেই আসনখনৰ গৰিমা নিশ্চিতভাবে বৃদ্ধি কৰিব আৰু সম্ভৱত গাৰো সম্প্ৰদায়ৰ। আমাৰ যিহেতুকে ৰাজ্যখনত বিভিন্ন ভাষা-ভাষী লোক আছে, ধৰ্মাৱলম্বী লোক আছে, জাতি-জনগোষ্ঠীৰ লোক আছে, গাৰো সম্প্ৰদায়ৰ সম্ভৱতঃ অসম বিধান সভাৰ এই আসনখন শুৱনি কৰা প্ৰথম গৰাকী উপাধ্যক্ষ। গাৰো সম্প্ৰদায়ৰ এটা অনুষ্ঠানত মই উপস্থিত আছিলো, তেখেত মোৰ কাষৰীয়া সমষ্টিৰ মানুহ, খেতি-বাতিৰ প্ৰতিও বৰ আগ্ৰহী মানুহ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী লৰেন্স ইছলাৰী (পূব কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ডাঃ নোমন মোমিন ডাঙৰীয়াক আমাৰ এইখন বিধান সভাৰ উপাধ্যক্ষ হিচাবে পাবলৈ সক্ষম হৈছো। পোনপ্ৰথমে মই ইউপিপিএল দলৰ পৰা মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। তেওঁৰ বিষয়ে ব্যক্তিগতভাবে মই ইমান অৱগত নহয় যদিও যোৱা ৫ টা বছৰত বিভিন্ন টিভিৰ যোগেদি বা বিভিন্ন মাধ্যমৰ যোগেদি নোমন মোমিন ডাঙৰীয়াৰ কথা বিলাক  আমি শুনি আহিছো। বিশেষকৈ Minority ৰ বিভিন্ন ক্ষেত্ৰত তেখেতে মাত মতা কথাটো দেখিবলৈ পাইছো, গতিকে আজি যে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধান সভাত উপাধ্যক্ষ হিচাবে নোমন মোমিন ডাঙৰীয়াক যে সকলে সমৰ্থন জনালে তাৰ বাবে মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** অধ্যক্ষ মহোদয়, আমাৰ এই সদনৰ অধ্যক্ষ গৰাকী বি.টি.চি.ৰ অৰ্থাৎ modified 6th Schedule area ৰ আৰু মই পোনপ্ৰথমে যি সমষ্টিৰ পৰা বিধায়ক হৈছিলো, সেই একে সমষ্টিৰ পৰাই আজি দৈমাৰী ডাঙৰীয়াই অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈছে। আকৌ, 6th Schedule area ৰ আন এগৰাকী জনজাতীয় লোক আজি উপাধ্যক্ষ হৈছে। গতিকে, মই খুব আন্তৰিকতাৰে  ধন্যবাদ জনাইছো। চৰকাৰৰ কি পৰিকল্পনা আছে নাজানো, কিন্তু পিছপৰা জনগোষ্ঠীৰ দুগৰাকী ব্যক্তিক ইমান উচ্চ আসনত বহাবৰ কাৰণে তেখেতসকলৰ যি চিন্তা-চৰ্চা, মই তাক ধন্যবাদ জনাইছো। আমাৰ নৱ নিৰ্বাচিত উপাধ্যক্ষ গৰাকীৰ আৰু মোৰ মাজত যোৱা পাঁচ বছৰ ধৰি tremendous hot actions হৈছে। কিন্তু, মই যেনেকৈ স্পষ্টবাদী, ঠিক তেনেদৰে কাজিয়া লগাৰ পিছতে ডাঃ নোমল মমিন ডাঙৰীয়াই মোক 'দুৰ্গা দা, ভিতৰত যি হ'ল হ'ল, বাহিৰত ঠিকে আছো' বুলি কোৱাত মই ভাল পাইছো। গতিকে, অধ্যক্ষৰ সলনি যেতিয়া উপাধ্যক্ষ বহিব, তেতিয়া ডাঃ মমিন ডাঙৰীয়াই সেই একে খোলা মনেৰে আৰু একে দৃষ্টি-ভংগীৰে আমাৰ ১২৬ গৰাকী বিধায়ককে চালে আমি বেছি সুখী হ'ম। ডাঃ মমিন বুলি কওঁতে, উপাধ্যক্ষৰ আসন চলাব পাৰিব নে নাই, আমি বুজি লৈছো। পাৰিবই, নোৱাৰাৰ কোনো কাৰণ নাই। উপাধ্যক্ষ মহোদয় যদিও আমাতকৈ বয়সত সৰু, আজি জনজাতীয় সম্প্ৰদায়ৰ পৰা দুগৰাকীকৈ ব্যক্তিক উচ্চ আসনত বহোৱাৰ কাৰণে আসনত বহোৱা সকলক ধন্যবাদ জনাইছো। লগতে, অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়েও সুখ্যাতিৰে সদনখন চলাই আমাৰ গৌৰৱ আৰু বঢ়াব বুলি আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** সদনত উপাধ্যক্ষৰূপে যি নিৰ্বাচন আৰু তাৰ জৰিয়তে তেখেতে আসন গ্ৰহণ কৰিছে, মই তেখেতক উষ্ম আদৰণি জনাইছো। আজি জনজাতীয় লোকক

অধ্যক্ষ আৰু উপাধ্যক্ষৰ নিচিনা উচ্চ আসনত অধিষ্ঠিত কৰাৰ যি পদক্ষেপ লোৱা হৈছে, মোৰ অনুভৱ স্বাধীনতাৰ পৰৱৰ্তী সময়ত এনে পদক্ষেপ যদি লোৱা হ'লহেঁতেন, তেন্তে আমাৰ অসমখন হয়তো বাৰে বাৰে বিভাজিত নহ'লহেঁতেন। গতিকে, আজি এই পদক্ষেপক মই উষ্ম আদৰণি জনাইছো। যিহেতু মই বিধায়ক নাছিলো, ডাঃ মমিনক মই পূৰ্বতে পোৱা নাই। কিন্তু, চ'চিয়েল মিডিয়া, বিশেষকৈ ইলেক্ট্ৰ'নিক মিডিয়াত তেখেতক pro-active হৈ থকা মই সদায় দেখিছিলো আৰু তেতিয়াৰ পৰাই মোৰ তেওঁৰ প্ৰতি এক আকৰ্ষণ আছিল। আজি যিহেতু এখেত উপাধ্যক্ষৰ আসনত বহিছে, নিশ্চিতভাৱে আমাৰ সদন লাভান্বিত আৰু উপকৃত হ'ব। গতিকে, মই তেখেতক পুনৰবাৰ উষ্ম আদৰণি জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া উপাধ্যক্ষ ডাঃ নোমন মমিন ডাঙৰীয়া।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাৰ পৱিত্ৰ উপাধ্যক্ষৰ পদত মোক অধিষ্ঠিত কৰাৰ কাৰণে আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ বি.জে.পি.ৰ সভাপতি শ্ৰদ্ধাৰ ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়া, অ.গ.প.ৰ সভাপতি শ্ৰদ্ধাৰ অতুল বৰা ডাঙৰীয়া, ইউ.পি.পি.এলৰ শ্ৰী ইউ.জি. ব্ৰহ্ম ডাঙৰীয়া আৰু এন.ডি.এ.ৰ সকলো বিধায়ক সকলক ধন্যবাদ জ্ঞাপন কৰিছো। আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক উপাধ্যক্ষৰ পৱিত্ৰ আসনত অধিষ্ঠিত কৰাৰ কাৰণে বিৰোধী দলৰ দলপতি আৰু বিৰোধী পক্ষৰ বিধায়কসকলকো ধন্যবাদ জ্ঞাপন কৰিছো।

সকলোৰে জীৱনত ঘাত-প্ৰতিঘাত আছে। অসমৰ বেছিভাগ জন-প্ৰতিনিধি ঘাত-প্ৰতিঘাতৰ মাজেৰেই আহি এই position পাইছে। ঘাত-প্ৰতিঘাত থাকিবই লাগিব। সোণ যিমান ঘঁহা হয়, তাৰ উজ্জ্বলতা সিমানেই বৃদ্ধি পায়, গতিকে, আমাৰ ব্যক্তিগত জীৱনতো যিমান ঘাত-প্ৰতিঘাত থাকে, সিমানেই আমি আগবাঢ়িবলৈ সক্ষম হওঁ। অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ আপোনাৰ পৰা অনুমতি বিচাৰিছো। আমাৰ ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া যেতিয়া স্বাস্থ্যমন্ত্ৰী আছিল, মই তেতিয়া NEIGRIHMSত Senior Assistant হিচাপে কাম কৰিছিলো। তাত কাম কৰি থাকোতে মই SGPI, Lucknow ত Dialysis ৰ training ত যোৱাৰ কাৰণে তিনি বছৰৰ agreement এটা হৈছিল যে মই তিনি বছৰ NEIGRIHMS ত কাম কৰিব লাগিব। তেতিয়াই ২০০৯ চনত APSC ৰ দ্বাৰা মই Assam Medical College ত Registrar পদত appointment পাইছিলো। তেতিয়া Central Govt. ৰ লগত থকা agreement টো সম্পূৰ্ণ হ'বলৈ আৰু তিনি মাহ বাকী আছিল। সেই সময়ত ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী আছিল বাবে মই তেওঁক ব্যক্তিগতভাৱে লগ ধৰি application দিয়াত তেখেতে মোৰ কামটো কৰি দিলে, কিন্তু, এটা কথাই কৈছিল যে- আপুনি Central Govt. ৰ agreement ৰ কথা যে চিন্তা কৰিছে, আমাৰ ইয়াৰ agreement টোৰ কথা কিয় মনত ৰখা নাই?' তেতিয়া মই এটা কথা কৈছিলো- 'চাৰ, মোক তিনি মাহৰ কাৰণে extension দিয়ক, মই NEIGRIHMS এৰিম আৰু অসমত আজীৱন, মই নমৰালৈকে সেৱা আগবঢ়াবলৈ আহিম।' মোৰ সৌভাগ্য যে মই চিকিৎসা বিজ্ঞানত থাকি যি মেডিকেল কলেজত চাকৰি কৰিছিলো, খুব সুন্দৰভাৱে কামবোৰ উপভোগ কৰিছিলো আৰু সেই জীৱনটো মোৰ আজিও অনুভৱ হয় যে এটা ভাল সেৱা মই এৰি আহিলো। সেই সময়তো মই সমাজ সেৱা কৰিছিলো, সকলোকে সেৱা আগবঢ়াইছিলো। কিন্তু, মোৰ গাওঁখন, মোৰ অঞ্চলটো ইমান পিছপৰা, তাত উন্নয়নৰ কাৰণে চিন্তা কৰা কোনো ব্যক্তি মই নেদেখিলো। গতিকে, চাকৰি resign দি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিলো। বহুতে এইটো ভুল সিদ্ধান্ত বুলিও

কৈছিল। কিন্তু, ২০১৬ চনত মই বিধায়ক হ'লো আৰু আমাৰ চৰকাৰো আহিল। তেতিয়া বহুতে কৈছিল যে-এইটো তেখেতে ভালেই কৰিলে। আকৌ, যেতিয়া সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হ'ল আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া গড়কাপ্তানি মন্ত্ৰী হ'ল, আমাৰ সমষ্টিত বহু ৰাস্তা পালো। সমষ্টিত কাম কৰাৰ বাবে ইমান মৰম পালো যে তেতিয়া ৰাইজে ক'লে যে তেখেতে মেডিকেল কলেজ resign দি বোকাজানৰ বিধায়ক হোৱাৰ বাবে বহুত লাভ হ'ল। আজি মইও অনুভৱ কৰিছো যে জন-প্ৰতিনিধি হিচাপে আমাৰ যি দায়িত্ব, সেইখিনি পালন কৰিবলৈ আমি সকলোৱে আগবাঢ়িব যাব লাগিব। আজি জন-জাতীয় লোক সকলৰ কাৰণে খুব গৌৰৱৰ দিন যে ২০২১ চনৰ ২৪ মে' তাৰিখে সদনৰ সৰ্বোচ্চ সন্মানিত অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদত জনজাতীয় লোক অধিষ্ঠিত হৈছে। আজি কাৰ্বি-আংলং, ডিমা-হাচাও পাহাৰীয়া জিলাকেইখনৰ বাবেও খুবেই গৌৰৱৰ কথা যে পোনপ্ৰথমবাৰৰ বাবে উপাধ্যক্ষৰ পদত তেওঁলোকৰ মানুহ অধিষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী মহোদয়, আপোনাক ধন্যবাদ দিছো যে আপুনি আমাক ইমান মৰম কৰিছে। আজি পোনপ্ৰথমবাৰৰ বাবে অসমৰ ৮.৫ লাখ গাৰো সম্প্ৰদায়ৰ লোকে recognition পাইছে। ১৯৭২ চনত মেঘালয় যেতিয়া অসমৰ পৰা separate হৈছিল, তেতিয়া এই গাৰো জনজাতি অসমত মাউৰা ল'ৰা-ছোৱালী হৈ আছিল । আজি আপুনি যি recognition দিলে, অসমৰ সমগ্ৰ গাৰো জনজাতীয় লোকৰ তৰফৰ পৰা আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আজি দুৰ্গা দাস বড়ো ডাঙৰীয়াই কৈছে যে আমাৰ মাজত টি.ভি.ত heated argument হৈছিল, তেখেতে এটা দলক প্ৰতিনিধিত্ব কৰিছে, মইও এটা দলৰ পৰা প্ৰতিনিধিত্ব কৰিছো, আমাৰ যুক্তিত তৰ্ক আছিল। কিন্তু, সেইবুলি এইটো নহয় যে উপাধ্যক্ষৰ পদত অহাৰ পিছত আগৰ কথা লৈ revenge ল'ম। এইটো কেতিয়াও নহয়। কাৰণ ইয়াত Rule থাকিব। সীমিত Rule মতে বিধান সভাৰ মৰ্য্যাদা বৃদ্ধি কৰাৰ বাবে উপাধ্যক্ষ হিচাপে মোৰ যি দায়িত্ব থাকিব তাক মই সততাৰে পালন কৰিম আৰু ৫ বছৰ পিছত অসম বিধান সভাই এনেকুৱা এটা মৰ্য্যাদা লাভ কৰিব যে সকলো মানুহে ক'ব- এই বিধান সভাখন অতিশয় সুন্দৰ, অতি discipline আৰু বহুতো productive কাম এই বিধান সভাৰ পৰাই সম্পন্ন হৈছে। গতিকে, এইখিনি আশা লৈ পুনৰবাৰ সকলোকে মই ধন্যবাদ দিছো । আমাৰ অসম বিধান সভাৰ কৰ্মচাৰীসকলকো মই ধন্যবাদ যাচিছো আৰু অধ্যক্ষ মহোদয়ৰ লগতে যিসকলে মোক এই নিৰ্বাচনত সহায়-সহযোগিতা কৰিলে, মৰম দিলে, সকলোকে ধন্যবাদ দি অধ্যক্ষ মহোদয়ে মোক ক'বলৈ সুযোগ দিয়াৰ বাবে পুনৰবাৰ ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। জয় হিন্দ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া আমি অন্য কাৰ্য্যসূচীলৈ আগবাঢ়ো।

আমাৰ কেইখনমান বিধেয়ক আছে। এতিয়া মই মাননীয় সমবায় মন্ত্ৰী, শ্ৰীযুত অতুল বৰা ডাঙৰীয়াক "The Assam Co-operative Societies (Amendment) Bill, 2021" বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, সমবায় ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Co-operative Societies (Amendment) Bill, 2021" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এই বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য ক্ৰমে শ্ৰী ভৰত চন্দ্ৰ নৰহৰ নামত এটা, শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ নামত এটা আৰু শ্ৰী অখিল গগৈৰ নামত এটা, মুঠ তিনিটা সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াক সংশোধনী প্ৰস্তাৱটো উত্থাপন

কৰি তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** Sir, in Clause 2 of the proposed Bill, the word 'six' appearing in lines 8 and 10 shall be substituted by the word 'three' and the word 'more than' in between the words 'four and another' appearing in lines 9 and 10 respectively shall be deleted.

চাৰ, মই যিটো amendment আনিছো, তাৰ ওপৰত ক'ব বিচাৰিছো। চৰকাৰে যি The Assam Co-operative Societies (Amendment) Bill, 2021 আনিছে, ইয়াত ...(Interruption)....

**মাননীয় অধ্যক্ষঃ** এতিয়া মই শ্ৰী কমলাক্ষ দে পুৰকায়স্থক তেখেতৰ amendment টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, একেলগে বক্তব্যটোও ৰাখি দিম নেকি?

**মাননীয় অধ্যক্ষঃ** যিহেতু ইয়াৰ ওপৰত আলোচনা আছে..... (Interruption)....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, আলোচনাটো একেলগে কৰি দিম নেকি? ইয়াৰ justification টোও ৰাখি দিম নেকি?

**মাননীয় অধ্যক্ষঃ** মই সেই কাৰণেই কৈছো যে amendment টো উত্থাপন কৰি তাৰ পিছত আলোচনা আৰু শেষত, উত্তৰৰ পিছত ....(Interruption)....

**শ্ৰী ফণী ভূষণ চৌধুৰী (বঙাইগাঁও)ঃ** চাৰ, amendment টো প্ৰথমে ব্যাখ্যা কৰিব দিয়ক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, প্ৰথমে তেখেতে ব্যাখ্যা কৰি লওঁক, তাৰ পিছত মই move কৰিম।

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ এজন আহক (সদন কক্ষত উপস্থিত বিধান সভাৰ বিষয়াক উদ্দেশ্যি)। ইয়াত মই বিচাৰি পোৱা নাই। ইয়াত অলপ বেলেগকৈ লিখা আছে। এক মিনিট সময় ৰৈ দিয়ক।

(ক্ষন্তেক সময় পিছত)

মই এতিয়া ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াক amendment টো উত্থাপন কৰি একেলগে তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** চাৰ, The Assam Co-operative Societies Act, 2007 ত এটা নতুন Section, Section 130 A সোমাব বিচাৰিছে। চাৰ, The Assam Co-operative Societies Act, 2007 মতে Section 39 ত Annual General Meeting ৰ কথা আছে যে এটা বছৰত Annual General Meeting পাতিব লাগে আৰু Section 41 (2) মতে Co-operative Societies বিলাকৰ কেনেকৈ election হ'ব লাগে সেইটো উল্লেখ আছে। এতিয়া তাত নতুনকৈ Section 130 A টো অন্তৰ্ভুক্ত কৰি 39 আৰু 41 (2), এই Section দুটা modify কৰিব বিচাৰিছে। Modify কৰি তাত লিখিছে যে- due to pandemic or due to flood, Co-operative Societies বিলাকে election পাতিবলৈ আৰু ৬ মাহ কাল বঢ়াই দিছে আৰু Annual General Meeting পাতিবলৈও ৬ মাহ কাল বঢ়াই দিছে। চাৰ, Co-operative Societies বিলাকৰ বৰ্তমান কাৰ্য্যকাল ৫ বছৰ। প্ৰথম অৱস্থাত ইয়াৰ কাৰ্য্যকাল ১ বছৰীয়া আছিল, তাৰ পিছত ২ বছৰীয়া কৰিলে আৰু শেষত ৫ বছৰীয়া কৰিলে। কিন্তু, এতিয়া ৫ বছৰৰ উপৰিও pandemic বা flood

ৰ কাৰণে আৰু ৬ মাহৰ কাৰ্য্যকাল লাগে। চাৰ, ১৯০৪ চনত সমবায় বিভাগটো স্থাপন হোৱাৰ পৰা অসমত বানপানী হৈয়ে আছে। কিন্তু, বানপানীৰ কাৰণে election পাতিবলৈ আৰু ৬ মাহ কাল বঢ়াই দিয়াৰ নিয়ম ক'তো নাই। আনহাতে, pandemic প্ৰত্যেক বছৰে নহয়। ১০ বা ২০ বছৰৰ মূৰত এবাৰেই হ'ব। গতিকে, pandemic বা flood ৰ কাৰণে ৫ বছৰৰ উপৰিও আৰু ৬ মাহ কাৰ্য্যকাল লাগে বুলি যি কৈছে এইটো এটা বেয়া precedent হ'ব। কিয়নো, Municipality Committee, Municipality Corporation আদিৰ কাৰ্য্যকাল আগতে কম আছিল যদিও ৰাজীৱ গান্ধী ডাঙৰীয়াৰ দিনত সংশোধন কৰি তাৰ কাৰ্য্যকাল বৃদ্ধি কৰি ৫ বছৰ কৰিছে । আনকি, Gaon Panchayat, Assembly, Parliament আদি সকলোৰে কাৰ্য্যকাল ৫ বছৰ। কিন্তু, pandemic বা flood বুলি ক'তো, কোনেও আৰু ৬ মাহ কাৰ্য্যকাল বঢ়াই দিয়াটো এতিয়ালৈকে বিচৰা নাই। যদি Co-operative Society ক pandemic বা flood বুলি আৰু ৬ মাহ বঢ়াই দি election পাতিবলৈ দিয়ে, তেতিয়া বাকী সকল যেনে Municipality, Panchayat আদি বিভাগেও তেওঁলোকৰ কাৰ্য্যকাল বঢ়াব বিচাৰিব। চাৰ, ইয়াত pandemic ৰ definition একো নাই। ইয়াত, pandemic বা flood ৰ ফলত ৫ বছৰৰ পিছতো যদি election পাতিব নোৱাৰে, তাৰ কাৰণে আইনত ইতিমধ্যে provision ৰখা হৈছে। Section 41 (6) ত লিখা আছে যে যদি কিবা কাৰণত Co-operative Societies বিলাকে election পাতিব নোৱাৰে, তেনেহ'লে Registrar এ এজন বিষয়া নিয়োগ কৰিব পাৰে। সেই বিষয়াজনে ৯০ দিনৰ ভিতৰত Board of Directors গঠন কৰিব পাৰে। গতিকে, চৰকাৰে Section 41(6) টো প্ৰয়োগ কৰিব পাৰে। এনে ক্ষেত্ৰত, এই amendment টো কিয় আনিব লগা হ'ল? Amendment কৰাৰ লগে লগে বেয়া precedent হ'ব আৰু আন বিভাগেও এনে ধৰণেৰে বিচাৰিব। আপোনালোকে যদি pandemic বা flood ৰ কাৰণেই বঢ়াব বিচাৰিছে, তাৰ কাৰণেও ৬ মাহ নালাগে। মই তাৰ বাবে সেই কাৰণে ইয়াত ৩ মাহ বুলি কৈছো। কিয়নো, pandemic প্ৰত্যেক বছৰে নহয়। কেতিয়াবাহে হ'ব, সেইটোও দুই-তিনি মাহৰ কাৰণে হ'ব। সাধাৰণতে, অসমৰ Co-operative Societies বিলাকৰ election ছেপ্টেম্বৰ মাহতহে হয়। গতিকে, বানপানীৰ কাৰণে তেওঁলোকক ৬ মাহ বঢ়াই দিয়াৰ কোনো যুক্তি নাই। আকৌ, Section 130 A ৰ দ্বাৰা Section 39 ও modify কৰিব বিচাৰিছে। Present Act মতে এবছৰৰ ভিতৰত যদি Annual General Meeting পাতিব নোৱাৰে, তেনেহ'লে ছমাহৰ ভিতৰত Co-operative Societies বিলাক automatically dissolve হয়। কিন্তু, এতিয়া কৈছে যে pandemic বা flood ৰ কাৰণে যদি Annual General Meeting পাতিব নোৱাৰে, তেন্তে ৬ মাহ কাল বঢ়াই দিব লাগে। চাৰ, আপুনি জানে যে এতিয়া Information & Technology ৰ যুগ, Innovation ৰ যুগ। এতিয়া বহুত Co-operative Society য়ে physically গোট খাই Annual General Meeting নাপাতে। এতিয়া virtual অৰ্থাৎ Video Conferencing ৰ যোগেদি Annual General Meeting পাতিব পাৰে.

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া আপুনি কওক।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে কৈ আছিল অন লাইনটো বন্ধ কৰিব লাগে আৰু এতিয়া আকৌ কৈ আছে যে অনলাইন কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ৰিপ্লাইত দি দিব। এতিয়া সন্মানীয় সদস্যই ক'ব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক কৈছো যে সকলো ঠিকে আছে। আপুনি যদি সংশোধন কৰিব বিচাৰিছে পেণ্ডেমিক আৰু ফ্লাড বুলি তেতিয়া ৬ মাহ নহয় ৩ মাহ কৰক। ৬ মাহ দিলে 130A চেকশনটো অফিচাৰ সকলে মিছইউজ কৰিব। সদায় পেণ্ডেমিক আৰু ফ্লাড হৈছে বুলি কৈ ইলেকশ্যন নপতাকৈ থাকিব। এডপ্ত সমিতি বনাই দিব। তাৰ বাহিৰে  বিভাগৰ আৰু কৰিবলগীয়া বহুত আছে। আপুনি জানে নে কো-অপাৰেটিভ বিভাগৰ চাৰ্ভিচ ৰুল এতিয়ালৈকে হোৱা নাই। ড্ৰাফট্ চাৰ্ভিচ ৰুল ১৯৯২ চনত এ পি এচ চি য়ে এপ্ৰোভ কৰি থৈছিল। কিন্তু আপোনাৰ বিভাগে এতিয়া এপ্ৰোভ কৰা নাই। শিৱসাগৰত নিৰ্মাণ কৰা ৰাজীৱ গান্ধী কো-অপাৰেটিভ বিশ্ববিদ্যালয়ৰ বিল্ডিঙটো বনাবৰ কাৰণে বৰ্তমান পইচা নাই,  কো-অপাৰেটিভ চচাইটিৰ নামত আপোনালোকে অন্তোদয়া, অনুদয়া, চাউল-দাইল চাপ্লাইৰ বাবে অনুমতি দিছে, সেইবিলাকৰ পেমেণ্ট দিয়া নাই। কমিচনৰ বাবদ পাবলগীয়া পইচা পোৱা নাই।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কো-অপাৰেটিভ বিভাগৰ কাটমোশ্যন হোৱা নাই। টু দা পইণ্ট ৰেইজ কৰিব লাগে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 130A চেকশ্যনটো মিছইউজ কৰিব বুলি কৈছো যে চেকশ্যন 39, এইটো যদিও এনুৱেল জেনেৰেল মিটিং পাতিব নোৱাৰিলে আৰু ৬ মাহ সময় বিচাৰিছে, গতিকে মই সন্মানীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে এইটো ৬ মাহ নকৰি ৩ মাহ কৰক। এইখিনি প্ৰস্তাৱ মই আপোনাৰ ওচৰত ৰাখিলো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in clause 2 of the propose bill what is appearing in the line 8 and 10 shall be subsituted by the word 3.মাননীয় অধ্যক্ষ মহোদয়, কথাটো প্ৰায় একেই যে 130A কথাটো হৈছে চেকশ্যন 39 and চেকশ্যন 41(2)। চেকশ্যন 39 ত কৈছে যে এ জি এম প্ৰত্যেক বছৰতে পাতিব লাগে আৰু  41(2) ত কৈছে যে ৫ বছৰৰ মূৰে মূৰে নিৰ্ব্বাচন পাতিব লাগে। এতিয়া কথাটো হৈছে যে পেণ্ডেমিক আৰু ফ্লাডৰ সময়ত আৰু ৬ মাহ বঢ়াই দিব লাগে। মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিটো ক'লে যে ৬ মাহ নকৰি ৩ মাহ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, চেকশ্যন 41(6) ত ক্লিয়াৰলী লিখা আছে যে যদি ৫ বছৰত আমি নিৰ্ব্বাচন পাতিব নোৱাৰো ৩ মাহৰ কাৰণে এজন চৰকাৰী বিষয়া দিব লাগে। যদি খেলিমেলি থাকে গোটেই বিষয়বোৰ ঠিক কৰি নিৰ্ব্বাচন পাতিব লাগে। আপোনালোকে চেকশ্যন  41(2) টো 130 A চেকশ্যন বনালে। এতিয়া 41(6) চেকশ্যনটো কি হ'ব? আকৌ এইটো এমেণ্ডমেণ্ট কৰিব লাগিব। এইটো কাৰণে অধ্যক্ষ মহোদয়, আমি বিচাৰিছো যে আলটিমেটলী ৩ মাহ কৰিব লাগে। একেলগে ৬ মাহ কৰিব নালাগে। এইটো কৰিলে আমাৰ কাৰণে ভাল হ'ব। শেষত এটা পৰামৰ্শ দিব বিচাৰিছে যে কেৰিঙৰ টকা, কমিচনৰ টকা আৰু এম ডি এম ৰ টকা বিলাক আমি দিব পৰা নাই, সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এইখিনি টকা ৰিলিজ কৰি দিব লাগে আৰু লগতে পেণ্ডেমিকৰ আৰু মহামাৰীৰ সময়ত  বিশেষকৈ ফ্ৰণ্ট লাইনৰ ডিলাৰ বিলাকে ফ্ৰণ্ট লাইন ৱৰ্কাৰ হিচাপে কাম কৰি  আছে তেওঁলোকক ভেকচিন দিব লাগে। তাৰকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা (সমবায় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ভৰত নৰহ

ডাঙৰীয়া আৰু শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই সংশোধনী বিচাৰিছে। সম্ভৱত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া উপস্থিত নাই। গতিকে দুয়োগৰাকীৰ উত্তৰ মই একেলগে দিব বিচাৰিছো। আমাৰ কোনো দ্বিমত নাই। এতিয়া exceptional পৰিস্থিতিৰ বাবে যোৰাবাৰ চ'চাইটি সমূহে নিৰ্ব্বাচন আৰু সাধাৰণ সভা পাতিব নোৱাৰিলে। অসম সমবায় সমিতি সমূহৰ আইন ২০০৭ চনৰ ধাৰা ৩৯ মতে প্ৰতিখন পঞ্জীয়নভুক্ত সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা প্ৰতিবছৰে অতি কমেও এবাৰ বিত্তীয় বৰ্ষ শেষ হোৱাৰ ৬ মাহৰ ভিতৰত অনুষ্ঠিত হ'ব লাগে। এ জি এম ৬ মাহৰ ভিতৰত হ'ব লাগে আৰু প্ৰতিবছৰে চেপ্তেম্বৰ মাহৰ ভিতৰতে হ'ব লাগে। ২০০৭ চনৰ ধাৰা মতে অসম সমবায় সমিতি সমূহৰ আইন ২০০৭ চনৰ ধাৰা ৩১ মতে সমবায় সমিতি সমূহৰ পৰিচালানাৰ বাবে গঠিত সঞ্চালক মণ্ডলীৰ কাৰ্য্যকাল হৈছে ৫ বছৰ। তদুপৰি এই আইনৰ ৪১(২) ৰ মতে সমবায় সমিতি পৰিচালনাৰ বাবে গঠিত সঞ্চালক মণ্ডলীৰ ডি অ' ডি ৫ বছৰ কাৰ্য্যকাল শেষ হোৱাৰ আগতে সঞ্চালক মণ্ডলীৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰি নতুন সঞ্চালক মণ্ডলীয়ে কাৰ্য্যভাৰ লব লাগে। মাননীয় অধ্যক্ষ মহোদয়, বিগত বৰ্ষৰ ২০২০ চনৰ মাৰ্চ মাহৰ পৰা দেশত ক'ভিড-১৯ অতিমাৰীৰ বাবে অসমকে ধৰি সমগ্ৰ দেশত Disaster Management Act ৰ অধীনত সমগ্ৰ দেশতে তলাবন্ধ ৰাখিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছিল। এই কথা আমি সকলোৰে জানো। ফলত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু দুৰ্যোগ প্ৰশমন বিভাগে জাৰি কৰা নিৰ্দ্দেশ অনুসৰি ২৫ মাৰ্চ, ২০২০ তাৰিখৰ পৰা প্ৰায় ৬ মাহতকৈ বেছি সময় ৰাজ্যখনত সমবায় সমিতি সমূহে বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্ব্বাচন অনুষ্ঠিত কৰিব নোৱাৰিলে। চলিত ২০২১ বৰ্ষতো দ্বিতীয় ক'ভিড-১৯ অতিমাৰী পৰিস্থিতিৰ বাবে ৪ মে', ২০২১ তাৰিখৰ পৰা ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু দুৰ্যোগ প্ৰশমন বিভাগে জাৰি কৰা বিভিন্ন বাধ-বাধকতাৰ ফলত বিগত বছৰ আৰু এই বছৰো সৰহ সংখ্যক সমবায় সমিতিৰ সঞ্চালক মণ্ডলীয়ে বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্ব্বাচন অনুষ্ঠিত কৰিব পৰা নাই। তেওঁলোকে নিৰ্ব্বাচন অনুষ্ঠিত কৰিবলৈ সকলো ধৰণৰ যো-জা কৰিছিল। প্ৰস্তুতি নাছিল এনেকুৱা নহয়। কিন্তু ক'ভিড অতিমাৰীৰ বাবে সেইয়া সফল হোৱা নাই। সমবায় সমিতিসমূহে কাৰ্য্যকাল বৃদ্ধিৰ বাবে আবেদন জনাইছিল যদিও অসম সমবায় সমিতি সমূহৰ আইন, ২০০৭ চনৰ পঞ্জীয়নভুক্ত সমবায় সমিতি সমূহৰ বাৰ্ষিক সাধাৰণ সভা, সঞ্চালক মণ্ডলীৰ কাৰ্য্যকাল বৃদ্ধিৰ বাবে কোনো ধৰণৰ আইনৰ ধাৰা সন্নিবিষ্ট নথকাৰ ফলত সমিতিসমূহৰ কাৰ্য্যকাল বৃদ্ধি কৰিব পৰা নগ'ল। এই সম্পৰ্কত মহামান্য গুৱাহটী উচ্চ ন্যায়ালয়ৰ এটা হুকুমত দিয়া নিৰ্দ্দেশ অনুযায়ী এখন অধ্যাদেশ জাৰী কৰাৰ যো-জা কৰা হৈছিল যদিও সময়মতে কৰিব পৰা নগ'ল। সেয়েহে মহামান্য গুৱাহটী উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশ অনুযায়ী চলিত বিধান সভাত উক্ত আইনৰ সংশোধনী বিল অনা হৈছে। যিহেতু ক'ভিড মহামাৰী এটা নিদিষ্ট সময়ৰ ভিতৰত শেষ হ'ব বুলি ধাৰণা কৰিব পৰা নাযায়, সেয়েহে আমি ক'ব নোৱাৰো। আজিও হৈ যাব পাৰে। সোনকালে যদি হয় ভাল কথা। আমি ৬ মাহ বিচাৰিছো। যদি এমাহতে পৰিবেশ-পৰিস্থিতি ভাল হৈ যায় তেতিয়াহ'লে আমি দুমাহৰ ভিতৰতে নিৰ্ব্বাচন পাতিম। আকৌ এইটোৰ কাৰণে এমেণ্ডমেণ্ট প্লেচ কৰিব লাগিব। সেই পৰিস্থিতি নহওঁক বুলিহে আমি ৬ মাহৰ কথাটো কৈছো। বিগত ২০২০ চনৰ ২৫ মাৰ্চৰ পৰা প্ৰায় ৬ মাহতকৈ অধিক সময় সমবায় সমিতি সমূহে নিৰ্ব্বাচন পাতিব নোৱাৰিলে আৰু আমি ইয়াত অসাধাৰণ পৰিস্থিতিৰ কথা কৈছো। অসাধাৰণ পৰিস্থিতি ক'ভিড ও হ'ব পাৰে বা অন্য কোনো বিষয় ও হ'ব পাৰে। বানপানীৰ কথা ও ইয়াত অনা হৈছে। বানপানীটো হয়েই। এই সময়ত যদি বানপানী হয় আৰু এটা ডাঙৰ সমস্যা হ'ব। গতিকে Flood & etc. বুলি লিখা হৈছে। মই ভাৱো যে আমাৰ

বিৰোধী দলৰ সন্মানীয় যিকেইগৰাকী সদস্যই অন্ততঃ এই কথাখিনি ৰিয়েলাইজ কৰিবলৈ সক্ষম হ'ব আৰু আমি ভাৱো যে এই আইনী যিটো বাধা-বাধকতাৰ ধাৰা ৩৯ আৰু ৪১(২) যদি দূৰ কৰা হয়, তেতিয়াহ'লে স্থবিৰ হৈ পৰা সমবায় আন্দোলনটো কাৰ্য্যক্ষম কৰি ৰাখিবৰ বাবে সংশোধনী প্ৰস্তাৱ ৩১ ৰ প্ৰতি সন্মানীয় সদস্য সকলে সন্মতি জনাব। মই আকৌ কৈছো, যদি পৰিবেশ-পৰিস্থিতি ভাল হয়, তেতিয়া ২ মাহৰ ভিতৰতে পাতিম। অফিচাৰৰ হাতত আমি দিয়াৰ পক্ষপাতী নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যিটো ক'লে আমি মানি লৈছো, ঠিক আছে। পেণ্ডেমিক আৰু মহামাৰীৰ সময় আমি কনচিডাৰ কৰিব লাগে। কিন্তু যিখন আইন বনোৱা হ'ল অহাকালি আকৌ সলনি হ'ব নেকি? ৬ মাহ বাঢ়ি গ'ল। পৰৱৰ্ত্তী সময়ত আমাৰ যেতিয়া পৰিবেশ পৰিস্থিতি ভাল হ'ব তেতিয়া আকৌ আইন আনিব লাগিব। আকৌ এইটো ঠিক কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইটো হৈয়ে থাকিব। যেতিয়া প্ৰয়োজন হয় এমেণ্ডমেণ্ট থাকিবই।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ এটা ক্লাৰিফিকেশ্যন মোক লাগে। Flood & etc. বুলি কৈছে, এই etc. টোত কি কি থাকিব এইটো ক্লিয়াৰ কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া তেওঁক আশ্বস্ত কৰিবলৈ কথাখিনি কৈ দিয়ক।

**শ্ৰী অতুল বৰা (সমবায় মন্ত্ৰী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলোৱে জানে যে যোৱা দিনবিলাকত কেনেকুৱা পৰিস্থিতিত কটাবলগীয়া হৈছে। তেনেকুৱা যদি আপোনালোক প্লেচ কৰিব, আপত্তি কৰিব আমি ঠিক কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ আৰু শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ আপোনালোকে সংশোধনী দুটা প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা আদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Flood ও নাথাকে আৰু etc. ও নাথাকে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ও মোৰ মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সদনৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰস্তাৱ দুটা প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া বিধেয়ক খনৰ ২ নং দফা বিধেয়ক খনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল। এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল -

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ৫**

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা আদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, flood আৰু etc টো কাটি অকল পেণ্ডেমিক কৰিব লাগে। এই কথাটো মাননীয় মন্ত্ৰী ডাঙৰীয়াই মানি লৈছে। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা কওঁ যে বিৰোধীয়ে constructive suggestion (গঠনমূলক পৰামৰ্শ) আনিলে ভৱিষ্যতেও আমি নিশ্চয়কৈ সমৰ্থন জনাম। But it should be constructive. তেখেত সকলক আমি অনুৰোধ কৰিছিলো যে ৰাজ্যপাল মহোদয়ৰ ভাষণত বাধা দিব নালাগে। তেখেত সকলে মানি লৈছিল। আজি তেখেত সকলৰ প্ৰথমটো সংশোধনীৰ কিছু অংশ আমি মানি লৈছো। ভৱিষ্যতেও আমি constructive way ত সদন চলাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। flood আৰু etc. টো সংশোধনীৰ পৰা আঁতৰাই দিয়া হ'ল।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সৰু কথা মই আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ কো-অপাৰেটিভ বিভাগৰ বিল এখন আহিছে। তাত যিয়েই নাহক অন্ততঃ অফিচাৰ গেলাৰীত অফিচাৰ থকাটো ক্লিয়াৰ কৰি দিয়ক। গেলাৰীত এজনো অফিচাৰ নাই।

**মাননীয় অধ্যক্ষ ঃ** মই মন্ত্ৰী সকলকো অনুৰোধ জনাইছো যাতে তেওঁলোকৰ বিভাগৰ অফিচাৰ যাতে অফিচাৰ গেলাৰীত থাকে। এতিয়া মাননীয় সমবায় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী অতুল বৰা (সমবায় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Co-operative Societies (Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Assam Co-operative Societies (Amendment) Bill, 2021" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখন পাৰিত কৰা হ'ল। এতিয়া ঘোষণা আছে।

## ঘোষণা

**২৪-০৫-২০২১**

যোৱা ২১ মে’ ২০২১ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ সদনৰ প্ৰস্তাৱ মৰ্মে গঠন কৰিবলগীয়া ৫ খন সমিতিৰ ফলাফল একাদিক্ৰমে মই ঘোষণা কৰিবলৈ লৈছো —

### ১) চৰকাৰী হিচাপ সমূহৰ সমিতি

চৰকাৰী হিচাপসমূহৰ সমিতিৰ নিৰ্বাচিত হ’বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক চৰকাৰী হিচাপ সমূহৰ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ’ল —

| | |
|---|---|
| ১) শ্ৰী ওৱাজেদ আলী চৌধুৰী | - বিধায়ক |
| ২) শ্ৰী পদ্ম হাজৰিকা | - বিধায়ক |
| ৩) শ্ৰী জয়ন্ত মল্ল বৰুৱা | - বিধায়ক |
| ৪) শ্ৰী উৎপল বৰা | - বিধায়ক |
| ৫) শ্ৰী মানৱ ডেকা | - বিধায়ক |
| ৬) শ্ৰী চক্ৰধৰ গগৈ | - বিধায়ক |
| ৭) শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী | - বিধায়ক |
| ৮) শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা | - বিধায়ক |
| ৯) শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী | - বিধায়ক |
| ১০) শ্ৰী কমলাক্ষ দে পুৰকায়স্থ | - বিধায়ক |
| ১১) শ্ৰী বসন্ত দাস | - বিধায়ক |
| ১২) শ্ৰী হাফিজ বচিৰ আহমেদ | - বিধায়ক |
| ১৩) শ্ৰী কৰিম উদ্দিন বড়ভূইয়া | - বিধায়ক |

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ওয়াজেদ আলী চৌধুৰীক সভাপতি হিচাপে নিয়োগ কৰা হ’ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

## <u>ঘোষণা</u>

**২৪-০৫-২০২১**

### ২) প্ৰাক্কলন সমিতি

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক প্ৰাক্কলন সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১) শ্ৰী প্ৰশান্ত ফুকন - বিধায়ক
২) শ্ৰী প্ৰমোদ বৰঠাকুৰ - বিধায়ক
৩) শ্ৰী ভাস্কৰ শৰ্মা - বিধায়ক
৪) শ্ৰী ৰূপক শৰ্মা - বিধায়ক
৫) শ্ৰী মৃণাল শইকীয়া - বিধায়ক
৬) শ্ৰী প্ৰদীপ হাজৰিকা - বিধায়ক
৭) শ্ৰী পোনাকণ বৰুৱা - বিধায়ক
৮) শ্ৰী আব্দুৰ ৰশিদ মণ্ডল - বিধায়ক
৯) শ্ৰী সুশান্ত বৰগোঁহাই - বিধায়ক
১০) শ্ৰী জাকিৰ হুছেইন সিকদাৰ - বিধায়ক
১১) শ্ৰী দুৰ্গা দাস বড়ো - বিধায়ক
১২) শ্ৰী আমিনুল ইছলাম - বিধায়ক
১৩) শ্ৰী নজৰুল হক - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী প্ৰশান্ত ফুকনক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

## <u>ঘোষণা</u>

**২৪-০৫-২০২১**

### ৩) ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা - বিধায়ক

২. শ্ৰীমতী সুমন হৰিপ্ৰীয়া - বিধায়িকা
৩. শ্ৰী তেৰছ গোৱালা - বিধায়ক
৪. শ্ৰী কৃষ্ণেন্দু পাল - বিধায়ক
৫. শ্ৰী গনেশ কুমাৰ লিম্বু - বিধায়ক
৬. শ্ৰীসুৰেন ফুকন - বিধায়ক
৭. শ্ৰী প্ৰদীপ হাজৰিকা - বিধায়ক
৮. শ্ৰী জিতু গোস্বামী - বিধায়ক
৯. শ্ৰী চৰন বড়ো - বিধায়ক
১০. শ্ৰী সিদ্দেক আহমদ - বিধায়ক
১১. মঃ নুৰুল হুদা - বিধায়ক
১২. শ্ৰীমতী নন্দিতা দাস - বিধায়িকা
১৩. শ্ৰী ৰফিকুল ইছলাম - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

## ৪) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতি

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী ভূৱন পেগু - বিধায়ক
২. শ্ৰী অজয় কুমাৰ ৰায় - বিধায়ক
৩. শ্ৰীমতী নন্দিতা গাৰলোচা - বিধায়িকা
৪. শ্ৰী ৰূপছিং টেৰণ - বিধায়ক
৫. শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী - বিধায়ক
৬. শ্ৰী পৃথিৰাজ ৰাভা - বিধায়ক
৭. শ্ৰী বিজয় মালাকাৰ - বিধায়ক

৮. শ্ৰী লৰেন্স ইশ্লাৰী - বিধায়ক
৯. শ্ৰী ভৰত চন্দ্ৰ নৰহ - বিধায়ক
১০. শ্ৰীৰেকিবুদ্দিন আহমেদ - বিধায়ক
১১. শ্ৰী প্ৰদীপ সৰকাৰ - বিধায়ক
১২. মোঃ আমিনুল ইছলাম - বিধায়ক
১৩. শ্ৰী সুজাম উদ্দিন লস্কৰ - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ভূবন পেগুক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**৫) অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী ৰঞ্জিত দত্ত - বিধায়ক
২. ড° অমিয় কুমাৰ ভূঞা - বিধায়ক
৩. শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ - বিধায়ক
৪. ড° পৰমানন্দ ৰাজবংশী - বিধায়ক
৫. শ্ৰী বিনোদ হাজৰিকা - বিধায়ক
৬. শ্ৰী পোনাকণ বৰুৱা - বিধায়ক
৭. শ্ৰীমতী ৰেণুপমা ৰাজখোৱা - বিধায়িকা
৮. শ্ৰী হেমাংগ ঠাকুৰীয়া - বিধায়ক
৯. শ্ৰী ৰূপেশ গোৱালা - বিধায়ক
১০. শ্ৰী ৰূপজ্যোতি কুৰ্মী - বিধায়ক
১১. শ্ৰী মিসবাহুল ইসলাম লস্কৰ - বিধায়ক
১২. শ্ৰী মজিবুৰ ৰহমান - বিধায়ক
১৩. শ্ৰী নিজম উদ্দিন চৌধুৰী - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰী ৰঞ্জিত দত্তক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

এতিয়া আমাৰ বিধায়িনী দলৰ announcement হ'ব।

"I hereby inform the House that Hon'ble Member, Shri Rupak Sharma,

Secretary, Bharatiya Janata Party has communicated vide his letter dtd. 23rd May, 2021 about office bearers with the following office bearers:-

1. Shri Ganesh Kumar Limbu, MLA as Chief Whip
2. Shri Rupak Sharma, MLA as Secretary
3. Shri Chakradhar Gogoi, MLA as Treasurer

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Asam Legislative Assembly, (Third Edition) under sub-Rule 2 of Rule 11 relating to Recognition of and Facilities to Legislature Parties and Groups and recognize the Bharatiya Janata Party as Legislature Party under aforesaid Rules with the following Office bearers :-

1. Shri Ganesh Kumar Limbu, MLA as Chief Whip
2. Shri Rupak Sharma, MLA as Secretary
3. Shri Chakradhar Gogoi, MLA as Treasurer

**Announcement**

"I hereby inform the House that Hon'ble Member of Parliament Shri Ripun Bora, President, Assam Pradesh Congress Committee has communicated vide his latter dtd. 20th May, 2021about office bearers with the following office bearers:-

1. Shri Debabrata Saikia, MLA, as Leader
2. Shri Rakibul Hussain, MLA, as Deputy Leader,
3. Shri Wazed Ali Choudhury, MLA as Chief Whip,
4. Shri Kamalakhya Dey Purkayastha, MLA, as Deputy Chief Whip,
5. Shri Rupjyoti Kurmi, MLA as Secretary,
6. Shri Sushanta Borgohain, MLA, as Spokesperson, and
7. Shri Rekibuddin Ahmed, MLA as Treasurer.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Asam Legislative Assembly, (Third Edition) under sub-Rule 2 of Rule 11 relating to Recognition of and

Facilities to Legislature Parties and Groups and recognize the Indian National Congress Party as Legislature Party under aforesaid Rules with the following Office bearers :-

1. Shri Debabrata Saikia, MLA, as Leader
2. Shri Rakibul Hussain, MLA, as Deputy Leader,
3. Shri Wazed Ali Choudhury, MLA as Chief Whip,
4. Shri Kamalakhya Dey Purkayastha, MLA, as Deputy Chief Whip,
5. Shri Rupjyoti Kurmi, MLA as Secretary,
6. Shri Sushanta Borgohain, MLA, as Spokesperson and
7. Shri Rekibuddin Ahmed, MLA as Treasurer.

**Announcement**

"I hereby inform the house that Hon'ble Member Shri Aminul Islam, Deputy Leader, AIUDF has communicated vide his latter dtd. 21st May, 2021about office bearers with the following office bearers:-

1. Shri Hafiz Basir Ahmed, MLA, as Leader
2. Shri Aminul Islam, MLA, as Deputy Leader,
3. Dr Rafiqul Islam, MLA as Chief Whip
4. Shri Phanidhar Talukdar, MLA as Secretary

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (Third Edition) under sub-Rule 2 of Rule 11 relating to Recognition of and Facilities to Legislature Parties and Groups and recognize the AIUDF as Legislature Group under aforesaid Rules with the following Office bearers:-

1. Shri Hafiz Basir Ahmed, MLA, as Leader
2. Shri Aminul Islam, MLA, as Deputy Leader,
3. Dr Rafiqul Islam, MLA as Chief Whip
4. Shri Phanidhar Talukdar, MLA as Secretary.

**Announcement**

"I hereby inform the house that Hon'ble Member Shri Ponakon Baruah, AGP has communicated vide his latter dtd. 5th May, 2021 about

office bearers with the following office bearers:-

1. Shri Atul Bora MLA, as Leader
2. Shri Kesab Mahanta, MLA, as Deputy Leader,
3. Shri Ramendra Narayan Kalita, MLA as Chief Whip
4. Shri Ponakon Baruah, MLA as Secretary.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (Third Edition) under sub-Rule 2 of Rule 11 relating to Recognition of and Facilities to Legislature Parties and Groups and recognize the AGP as Legislature Group under aforesaid Rules with the following Office bearers:-

1. Shri Atul Bora MLA, as Leader
2. Shri Kesab Mahanta, MLA, as Deputy Leader,
3. Shri Ramendra Narayan Kalita, MLA as Chief Whip
4. Shri Ponakon Baruah, MLA as Secretary.

**Announcement**

I hereby inform the House that, Hon'ble Member, Shri Lawrence Islari, UPPL has communicated vide his letter dtd. 20th May, 2021 about office bearers with the following office bearers:-

1. Shri Lawrence Islari, MLA, as Leader
2. Shri Bhupen Boro, MLA, as Deputy Leader,
3. Shri Gobinda Chandra Basumatary, MLA as Chief Whip,
4. Shri Jayantha Basumatary, MLA as Secretary,

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (Third Edition) under sub-Rule 2 of Rule 11 relating to Recognition of and Facilities to Legislature Parties and Groups and recognize the UPPL as Legislature Group under aforesaid Rules with the following Office

bearers.

1. Shri Lawrence Islari, MLA, as Leader
2. Shri Bhupen Boro, MLA, as Deputy Leader,
3. Shri Gobinda Chandra Basumatary, MLA as Chief Whip,
4. Shri Jayanta Basumatary, MLA as Secretary.

**Announcement**

"I hereby inform the House that Hon'ble Member of Parliament, Shri Ripun Bora, Assam Pradesh Congress Committee has communicated vide his letter dtd. 20th May, 2021 that Shri Debabrata Saikia, Hon'ble Member has been elected as leader of the Congress Legialature party, in Assam Legislative Assembly, in pursuance of Rule -2 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly and under provision made in the directions by the Speaker, Assam Legislative Assembly, at 11(2) (4)(C)(Third Edition, 2006) Shri Debabrata Saikia Hon'ble Member has been unanimously recognized as Leader of the Opposition in Assam Legislative Assembly with effect from 24th May, 2021.

সন্মানীয় সদন পঞ্চদশ অসম বিধান সভাৰ প্ৰথম অধিবেশন ইংৰাজী ২১-০৫-২০২১ তাৰিখে আৰম্ভ হৈ মুঠ তিনি দিন সদনৰ কাৰ্য্য ক্ৰমনিকা সম্পন্ন হোৱাৰ অন্তত আজি ২৪-০৫-২০২১ তাৰিখে আৰু কেইটামান ক্ষনৰ পাছতেই অন্ত পৰিব।

মাননীয় সদস্য-সদস্যাৰ শপত গ্ৰহণ অনুষ্ঠানৰে আৰম্ভ হোৱা প্ৰথম দিনটোত অন্যান্য কাৰ্য্যসূচীৰ লগতে অধ্যক্ষ নিৰ্বাচন কাৰ্য্যসূচী সদনে সৰ্ব্বসন্মতিক্ৰমে পঞ্চদশ অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচন কৰে।

ঠিক তেনেদৰে দ্বিতীয় দিনা সাংবিধানিক বিধি ব্যৱস্থা অনুসৰি মহামান্য ৰাজ্যপালৰ অভিভাষণেৰে আৰম্ভ হোৱা সদনৰ কাৰ্য্যসূচী আৰু আজি তৃতীয় দিনা সকলো পক্ষৰ মাননীয় সদস্যৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা বিতৰ্কৰ অন্তত সদনে অসংশোধিত ৰূপত পাৰিত কৰে। তাৰোপৰি আজি সদনে মাননীয় সদস্য ডাঃ নোমল মোমিন ডাঙৰীয়াক সৰ্ব্বসন্মতিভাৱে উপাধ্যক্ষৰূপে নিৰ্বাচিত কৰাৰ লগতে সদনে এখন চৰকাৰী বিধেয়ক পাৰিত কৰে।

অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীকে মুখ্য কৰি মন্ত্ৰী পৰিষদ, শাসক-বিৰোধী উভয় পক্ষৰ সন্মানীয় সদস্য-সদস্যাই আগবঢ়োৱা সহযোগিতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো। বিধানসভাৰ সচিবৰ লগতে এই সচিবালয়ৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী,

ৰাজ্যখনৰ মুখ্য সচিবকে আদি কৰি ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকল, আৰক্ষী বিভাগৰ সঞ্চালককে ধৰি বিষয়া জোৱানসকল আৰু প্ৰচাৰ মাধ্যমৰ বন্ধু সকলক অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। ধন্যবাদ। জয় আই অসম। জয় হিন্দ।

The House adjournment sine die.